
ষোড়শতম সংখ্যা ১৯৯৩-৯৪

# উদ্যান



সম্পাদকঃ শ্ৰী নীলিম কুমাৰ দাস

# ডিব্ৰুয়ান

## ডিব্ৰু মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ

প্ৰীতি আৰু শুভেচ্ছাৰে

শ্ৰী/শ্ৰীযুত/শ্ৰীযুতা ....... ....... ...... ....... ........ ....... ........

.... ... ... ... ... .... .... ... .... .... .... .... ... লৈ

— শ্ৰীনীলিম কুমাৰ দাস।

সম্পাদক "ডিব্ৰুয়ান"

১৯৯৩/৯৪ চন।

সম্পাদনাত—

নীলিম কুমাৰ দাস।

✪ *DIBRUYAN : Annual Magazine of Dibru College ; XVI issue. 1993-94*

✪ বেটুপাতৰ শিল্পী — শ্ৰীপঙ্কজ ভৰালী ।

ভাৱাৰ্থ ঃ— আমাৰ বৰ্ত্তমান ছাত্ৰ সমাজত পঢ়াৰ পৰিবেশ যথেষ্ঠ বিনষ্ট হৈছে ! গতিকে আমি ছাত্ৰ সমাজে আমাৰ মাজত যিবিলাক সমস্যা, বাধা, আহি পৰিছে সেই সমূহ আমি অতিক্ৰম কৰি এখন সুষ্ঠ সমাজ গঢ়ি তুলিব লাগিব ! কাৰণ ছাত্ৰ সমাজৰ ওপৰতেই আমাৰ দেশখনৰ ভৱিষ্যত নিৰ্ভৰ কৰিছে ।

✪ প্ৰকাশক — ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা ।

✪ সম্পাদক — নীলিম কুমাৰ দাস ।

✪ অঙ্গসজ্জা — সম্পাদক ;

✪ মুদ্ৰন — ষ্টাৰ প্ৰিন্টিং ৱৰ্কচ ; ঘোৱামৰা ( লাহোৱাল )

# উৎসৰ্গা



এই মুহুত্তত আমি শ্ৰদ্ধাৰে সোঁৱৰিছো যি গৰাকী মহান ব্যক্তিৰ অকাল বিয়োগে সদৌ ডিব্ৰুবাসীৰ বুকুলৈ বিষাদ কঢ়িয়াই আনিলে ।

ড° লীলা গগৈ

নিয়তিৰ নিষ্ঠুৰ পৰিহাসত অকালতে আমাৰ মাজৰ পৰা চিৰদিনলৈ হেৰাই যোৱা বন্ধু প্ৰয়াত পঙ্কজ দত্ত লৈ আমাৰ অশ্ৰু পুষ্পাৰ্ঘ তৰ্পন কৰিলো ।

এওঁ লোকক আমি শ্ৰদ্ধাৰে সোঁৱৰিছো যেন তেওঁলোকৰ আত্মাই চিৰশান্তি লাভ কৰক । ভগৱানৰ ওচৰত আমাৰ এইয়ে প্ৰাৰ্থনা ।

সম্পাদনা সমিতি
ডিব্ৰুয়ান

## — সূচী —


✪ সম্পাদকীয় :—

✪ প্ৰৱন্ধৰ সম্ভাৰ :—

: আধুনিক গণিত শাস্ত্ৰৰ এটি শাখা : পৃষ্ঠ গণিত : প্ৰদীপ কুমাৰ চেতিয়া ফুকন ।
: নলিনী বালা দেৱী : ড° সত্যদেৱ প্ৰসাদ ।
: আইনষ্টাইনৰ আপেক্ষিক তত্ব : মৃগেন পেগু ।
: শিল্পী আৰু সংগীতজ্ঞ ৰূপে মাধৱদেৱ : লুচী চাংমাই ।
: কেৰাটে ডু : বিভা দেউৰী ।
: প্লীজ্যাৰচ্ অফ লাইফ : মানসজ্যোতি গগৈ ।
: শ্বহীদ কুশল কোঁৱৰৰ জীৱনাদৰ্শ : ৰিতুমণি ভৰালী ।

★ ★ ★ ★ ★ ★

✪ গল্পৰ শৰাই :—

: নিঃশব্দ উচুপনি : ৰবী শইকীয়া ।
: ডাৱৰে ঢকা জোন : বিজিত কুমাৰ সোনোৱাল ।
: স্বপ্নীল আশাৰ মায়া : জিন্ত কুমাৰ চাংমাই ।
: তৰ্পন : ড° আশুতোষ ভট্টাচাৰ্য্য ।

বিশেষ প্ৰৱন্ধ —

: অসমীয়া ভাষা : উৎপত্তি আৰু ক্ৰমবিকাশ : অধ্যাপিকা জ্যোতি বৰগোহাঁই ।
: অসমত বাণিজ্য শিক্ষাৰ ফেহুঁজালি : শশীকান্ত শইকীয়া ।

✪ ✪ ✪ ✪ ✪ ●

✪ কবিতাৰ কাকলি :—

: দীন ( অনূদিত কবিতা ) : ড° সত্যদেৱ প্ৰসাদ ।
: গ্লানি : লুচী চাংমাই ।
: মাথো তোমাৰ বাবে : মৰমীকা গগৈ ।
: হে ডিব্ৰুবাসী ছাত্ৰ বন্ধু : মুহিত সোনোৱাল ।
: জাতিৰ মিলন : মিনতি শইকীয়া ।
: কিয় : যতীন গগৈ ।
: মৰমৰ মাধুৰী : বিপ্লৱ কাকতি ।
: স্মৃতি : ললিতা দত্ত ।
: মোৰ ভিতৰতে তুমি : গিৰিণ কুমাৰ লাহন ।
: অশান্ত মন : চুহুংমুং গগৈ ।
: স্বাধীনতা : দেৱপ্ৰসাদ নেওগ ।
: দুসময় / মৃত্যু : গণেশ কুৰ্মি ।

: নিস্পেষিতা জননী : অজিৎ হাজৰিকা।
: সপোন : দেৱজিৎ হাজৰিকা।
: সপোনতে কাজিৰঙা : প্ৰণৱজ্যোতি গগৈ।
: এই শতিকাৰ জীৱন্ত মৰা শ : লীলা কুঃ উপাধ্যায়।
: অভিশপ্ত নিশা : গিতুল চাউলু।

● ● ●

✪ প্ৰাচীৰ পত্ৰিকা শিতান :– "জাগ্ৰত"ৰ কবিতা।
: প্ৰতীক্ষা : নীলিম কুমাৰ দাস।
: স্মৃতি : সঞ্জীৱ গগৈ।
: মই, মোৰ অনুভূতি আৰু এটা কবিতা : লীলা কুঃ উপাধ্যায়।
: শ্বহীদ : ভূপেন মহন।
: আন্তৰিক অনুভূতি : বিজিত নেওগ।

★ ★ ★

✪ অন্যান্য সুচী :—
: উপসভাপতি আৰু বিভাগীয় সম্পাদকৰ প্ৰতিবেদন সমূহ :—
: অনুসন্ধান : যুগ্মতকাৰী — নীলিম কুমাৰ দাস।
— কমলা মহন।

— :ENGLISH SECTION —

★ POETRY :—
: All That is 'Nothing' is 'Everything' : Prof. D. N. Mandol.
: Mystery : Nilim Kr. Das.
: Time and passion : Bipul Hazarika.
: The Confession ; Girin Kr. Lahan.
: About life : Bipul Hazarika.

★ JOURNAL :—
: Necessities towards Development of Human Resource : Dr. M. K. Jain.
: Solving the social problems Communism : Biswa keot.

★ FICTION :
● The Inspirator : Kaveri Neog.


# সম্পাদকীয়

## ডিক্ৰুয়ান

সাহিত্যৰ নিজস্ব পদ্ধতি সমূহ আৰু বৈশিষ্টসমূহ আয়ত্ব নকৰি শ্লোগান তুলিলে পাঠকৰ হৃদ-কম্পও হ'ব পাৰে, কিন্তু প্ৰগতি-শীল সাহিত্যৰ সামান্যও প্ৰগতি নহয়। দ্বিতীয় কথা সাহিত্যৰ সুকীয়া ধৰ্ম ৰক্ষা নকৰাকৈ কেৱল শ্লোগানেৰে সাহিত্য ৰচনা বা চৰ্চা কৰিব নোৱাৰি। বিজ্ঞানত বৈজ্ঞানিক পদ্ধতিৰে পদ্ধতিৰ সাধনা বাদ দিলে শ্লোগান অনুসৰণত ওলাব লাইছোংকোৰ দৰে প্ৰৱঞ্চক যি সমাজ তান্ত্ৰিক ৰাচিয়াৰ সংস্কৃতিৰ এক অবিস্মৰণীয় কলংক।

জয় জয়তে স্বজাতিৰহকে জীৱন দি, বুকুৰ তেজেৰে অসম মাতৃক প্লাৱিত কৰি মাতৃৰ অশ্ৰু বোৱাই মৃত্যুক সাবটিলোৱা মহান শ্বহীদ সতীৰ্থ সকলৈ ধাঁচিছো বৈপ্লৱিক শতকোটি প্ৰণাম। লগতে সকলো ডিক্ৰুয়ান-লৈকে মোৰ আন্তৰিক অভিনন্দন জনাইছো। যদি অজ্ঞাতভাৱে কিবা ভুল হৈ যায় তেন্তে আপোনালোকৰ ওচৰত ক্ষমাৰ প্ৰাৰ্থী হৈ ৰ'লো। কিছুমান সৰু ডাঙৰ অসুবিধাৰ বাবে আলোচনীখন সময়মতে প্ৰকাশ কৰি উলিয়াব নোৱাৰিলো, তাৰ বাবেও যেন ক্ষমা কৰে। আপোনালোকে জানে এখন আলোচনী প্ৰকাশ কৰি উলিয়াবৰ বাবে কম বেছি পৰি-মানে হলেও জ্ঞান বুদ্ধি বিবেকৰ প্ৰয়োজন হয়। মোৰ হয়তো এইকেইটাৰ অভাৱো হব পাৰে। তথাপিতো মই যিমানখিনিলৈকে পাৰো আলোচনীখন সুন্দৰ কৰি তুলিবলৈ চেষ্টা কৰিছো।

জাতিৰ পিতা মহাত্মা গান্ধীৰ এষাৰ বাণীৰে মোৰ সম্পাদকীয় শিতান আৰম্ভ কৰিবলৈ লৈছো। গান্ধীজীয়ে কৈছিল, "অসমে সমগ্ৰ পৃথিৱীৰ সতে যুঁজি হলেও নিজৰ অস্তিত্ব অক্ষুণ্ণ ৰাখিব লাগিব, নহলে মই কম অসমত মানুহ নামধাৰী কিছুমান জঁকাহে আছে।"

সম্পাদকীয় শিতানৰ আৰম্ভণিতে সাম্প্ৰতিক অসমীয়া জাতীয় সমস্যাৰ ছৱিখন নতুন দৃষ্টিভংগীৰে চোৱাৰ প্ৰয়াস কৰিছো। সমস্যাবহুল অসম আজি অৰ্থনৈতিক ৰাজনৈতিক তথা সামাজিক সমস্যাৰে জৰ্জৰিত। জাতীয় অস্তিত্ব আজি থৰক বৰক অৱস্থা। দুৰ্নীতি ও অনিয়মে আমাক ছানি ধৰিছে। জাতীয় সংহতিত ঘূণে ধৰিছে। মানবীয় প্ৰমূল্যবোধ কৰাল গ্ৰাসলৈ ঠেলি দিছে — জানি শুনিও।

এনে এক ক্ষণত অসম তথা অসমীয়াৰ অস্তিত্ব ৰক্ষাৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছো। ইয়াৰ দায়িত্ব উত্তৰ পুৰুষসকলৰ হাতত বিশেষকৈ যুৱসকলৰ হাতত।

যৌৱনৰ আবেগিক উন্মাদনাই দৰাচলতে সমস্যাবোৰ ভৱাৰ দৰে সমাধান কৰিব নোৱাৰে। ইতিহাসেই ইয়াৰ জলন্ত প্ৰমাণ। আবেগ বিহবল হৈ মৰুৰ মৰীচিকা খেদা আৰু জাতীয় অস্তিত্ব ৰক্ষা কৰিব যাৱাটো একেই কথা। অসমত সেয়েই হৈছে যেন প্ৰতিয়মান হয়। আমাৰ মাজত এতিয়াও শৃংখলাবোধ গঢ়িব নোৱাৰাটো সচাকৈয়ে দুৰ্ভাগ্যজনক। ই অসমীয়া জাতিৰ প্ৰতি কেনেধৰণৰ ইংগিত বহন কৰিছে সহজে অনুমেয়।

উত্তৰ পুৰুষ বিশেষকৈ যুৱসম্প্ৰদায়ে গুৰুত্ব সহকাৰে পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি ভাবো। দেশ তথা জাতীয় গঠনত যুৱ সকলৰ ভূমিকা উল্লেখনীয়। সমাজৰ মেৰুদণ্ড স্বৰূপ যুৱসমাজে যুক্তি আৰু বস্তুনিষ্ঠ বিশ্লেষণেৰে সমস্যা বিলাক বিচাৰ আৰু সমাধান কৰিব লাগিব। তাৰ বাবে ঐকান্তিকতা, দৃঢ়তা ও সাহসৰ প্ৰয়োজন হ'ব। ইয়াৰ প্ৰাৰম্ভণিতে যুৱসকলৰ মাজত থকা উশৃংখলতা খিনি আঁতৰ কৰি লব লাগিব। সাম্প্ৰতিক পৰিস্থিতি ইয়াৰ সাক্ষী স্বৰূপ। শেষত এনে এক ক্ষণত বন্ধুসকলক আহবান জনাওঁ যে " আহক আমি নিষ্ঠা, ধৈৰ্য্য আৰু সাহসেৰে আগবাঢ়ি বুকুৰ ৰঙা তেজখিনি মচি, শান্তি, সম্প্ৰীতিৰে সমন্ধ কৰি নতুন ৰূপত আইক চোৱাৰ লক্ষ্য বান্ধি লওঁ"।

## সাহিত্যৰ একলম :—

বৰ্ত্তমান অসমীয়া সাহিত্যত গল্প, কবিতা প্ৰৱন্ধ আদি লিখকৰ সংখ্যা সন্তোষজনক ভাৱে বাঢ়িব ধৰিছে। বহুতো ভাল ৰচনা এওঁলোকৰ কলমৰ পৰা ওলাইছে। ই অসমীয়া সাহিত্য জগতৰ এটা সুলক্ষণ। অৱশ্যে এইটো স্বীকাৰ কৰিব লাগিব যে আন আন সাহিত্য কৰ্মৰ তুলনাত অসমীয়া উপন্যাস সাহিত্যৰ ধাৰাটো বৰ দুৰ্বল। আমাৰ সাহিত্যৰ ঘাই সুঁতি, বৰ্ত্তমান সমাজৰ প্ৰগতিশীল সাহিত্যৰ গতিপথ আৰু তাৰ মাজত দেখা দিয়া অন্তৰায়, এই সকলো বোৰ আলোচনা কৰিবলৈ যোৱাটো সম্ভৱ নহয়। গতিকে মই থুলমূলকৈ কেইশাৰীমান লিখিব বিচাৰিছো। সাহিত্যৰ নিজস্ব পদ্ধতিসমূহ আৰু বৈশিষ্ট্যসমূহ আয়ত্ব নকৰি শ্লোগান তুলিলে পাঠকৰ হৃদ কম্পও হব পাৰে, কিন্তু প্ৰগতিশীল সাহিত্যৰ সামান্যও প্ৰগতি নহয়। দ্বিতীয় কথা সাহিত্যৰ স্বকীয়া ধৰ্ম ৰক্ষা নকৰাকৈ কেৱল শ্লোগানেৰে সাহিত্য ৰচনা বা চৰ্চা কৰিব নোৱাৰি। বিজ্ঞানত বৈজ্ঞানিক পদ্ধতিৰ সাধনা বাদ দিলে শ্লোগান অনুসৰণত ওলাব লাইছোংকোৰ দৰে প্ৰৱঞ্চক যি সমাজতান্ত্ৰিক ৰাচিয়াৰ সংস্কৃতিৰ এক অবিস্মৰণীয় কলংক। তৃতীয়তে, যি লেখকেই নহওক, তেওঁৰলিখনি সমূহ ৰহন লগোৱা অনুভূতিৰে গভীৰ স্তৰৰ হোৱাটো বাঞ্ছনীয়। যিবোৰ ধাৰণা আজিও হয়তো বহুতৰে বাবে শুকান মগজুৰ ধাৰণা হৈ আছে সেইবোৰক ভাৱ ভাষাৰ পৰশেৰে সঞ্জীৱীত কৰি জনগণৰ তেজৰ স্পন্দনত মিহলাই দিব পাৰিব লাগিব। সমাজ ৰূপান্তৰৰ অস্পষ্ট আৰু সুদূৰ ধাৰণা জীৱন্ত বা বাস্তৱৰ দৰে মহিমা মণ্ডিত হৈ উঠিব লাগিব। এনেকৈ পাঠকৰ অন্তৰ স্পৰ্শ কৰিব লাগিব যাতে জনগণৰ ঘোৰ শত্ৰুৱেও অন্ততঃ খন্তেকৰ বাবে মুগ্ধ হৈ মূৰ দোৱায়। কিন্তু তাৰ বাবে লাগিব অকৃত্ৰিম বিচিত্ৰ গভীৰ অভিজ্ঞতা— যি জন্ম দিয়ে উপলব্ধিৰ। তাৰ বাবে লাগিব লেখকৰ অন্তৰৰ কঠোৰ সততা যাতে সকলো ভেঁজাল, অতিৰঞ্জন, অতিনাটকীয়তা তাৰ প্ৰখৰ দৃষ্টিত মৰহি যায়। শেষত কব বিচাৰো জনগণৰ চেতনাক সঠিক পথেৰে আগুৱাই নিয়াটো হ'ল আমাৰ আজিৰ প্ৰগতিশীল সাহিত্যৰ প্ৰধান দায়িত্ব। সাহিত্য ব্যাপক, সৰ্বব্যাপী শ্ৰেণীৰ সংগ্ৰামৰেই এখন ৰণাংগন। আমি হওঁ এই যুদ্ধৰ ৰণুৱা প্ৰগতিবাহিনীৰ কৰ্মী। সেয়ে আমি আজি নিজ নিজ দক্ষতা অনুসাৰে সকলো লেখক লেখিকাই এই সাহিত্য সংগ্ৰামত লিপ্ত হৈ পৰো আহক। আহক আমি আজি আমাৰ লিখনিৰ জৰিয়তে নিজকে পৰিচয় কৰি দিওঁ। নিজস্ব প্ৰতিভা খিনি বিকাশ কৰাৰ লগতে গঢ়ি তোলো সুস্থ সৱল এক শৈক্ষিক পৰিবেশ, জীয়াই ৰাখো জাতিটোৰ ভবিষ্যত আৰু অসমীয়াৰ অসমীয়াত্ব, নিজকে পৰিচয় কৰি দিওঁ আমি শংকৰ মাধৱৰ বংশধৰ। আপোনালোকৰ সকলোলৈকে এয়ে মোৰ উদাত্ত আহ্বান, এয়ে মোৰ অনুৰোধ।

## : এই সংখ্যাৰ লিখনিৰ সম্পৰ্ক :—

ডিব্ৰু মহাবিদ্যালয়ৰ ডিব্ৰুয়ানখনে কঢ়িয়াই আনে ছাত্ৰ-ছাত্ৰীসকলৰ লেখনিসমূহ। বহুজন নৱ ছাত্ৰ-ছাত্ৰীৰ অপৈনত লেখনিয়ে ক্ৰমে পৈনতাৰ পৰশ লভে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ আলোচনীসমূহৰ জৰিয়তে। ই কেৱল সাহিত্যৰ দাপোনেই নহয় ছাত্ৰ-ছাত্ৰীসকলৰ অন্তৰ্নিহিত হৈ থকা নিজস্ব গুণৰ প্ৰতিভা বিকাশ কৰা একমাত্ৰ মাধ্যম স্বৰূপ। গতিকে ছাত্ৰ-ছাত্ৰীসকলৰ উন্নত মানদণ্ড বিশিষ্ট লিখনিয়ে বিশ্বৰ শ্ৰেষ্ঠ সাহিত্যিক; গল্পকাৰ, কবি সকলৰ লগত ফেৰ মাৰিব আৰু জনসাধাৰণৰ মাজত বাস্তৱৰ সম্পৰ্ক বুজাইদি উন্নতিৰ পথেদি আগুৱাই যাব পাৰিব। আলোচনী এখন সৰ্বাংগ সুন্দৰ ৰূপত প্ৰকাশ কৰি উলিওৱাৰ দায়িত্ব সম্পাদকৰ লগতে প্ৰতিজন লেখাৰুৰো। কিন্তু দুখেৰে জনাব লগা হৈছে যে সৰহ সংখাক ছাত্ৰ-ছাত্ৰীয়ে এই কথা উপলব্ধি কৰিবলৈ চেষ্টা নকৰে। যাৰ ফলত আলোচনীখন আশা কৰা মতে সজাব নোৱাৰিলো। ইয়াৰ মূল কাৰণ হল ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত উপযুক্ত গল্প প্ৰৱন্ধপাতিৰ অভাৱ। প্ৰৱন্ধপাতি বিচাৰি যি হাবাথুৰি খাব লগা হয় ইয়াক ভুক্তভোগীয়েহে বুজিব। তথাপিতো তাৰ মাজৰ পৰাই কিছু লেখনি বাচ-বিচাৰ কৰি ডিব্ৰুয়ানৰ মাধ্যমেৰে পঢ়ুৱৈ সমাজলৈ আগ বঢ়ালো। এইখিনিতে যি সকল ছাত্ৰ ছাত্ৰীৰ লেখনি প্ৰকাশ কৰিব নোৱাৰিলো তেওঁলোকলৈ মোৰ বিনম্ৰ অনুৰোধ, তেওঁলোকে যেন সদায় কলম অব্যাহত ৰাখে। এই ক্ষেত্ৰত মোৰ শুভেচ্ছা সদায় থাকিব।

## : সুমুঁৰৰি নোৱাৰো :—

প্ৰাৰম্ভণিতে সুঁৱৰিছো ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ডিব্ৰুয়ানক — যাৰ বাবে ডিব্ৰুয়ান সম্পাদনাৰ গুৰুদায়িত্ব বহন কৰিবলৈ সুবিধা কণ পালো।

সম্পাদনাৰ দায়িত্বভাৰ গ্ৰহণ কৰিয়েই আমি ছাত্ৰ একতা সভাই আলোচনীখনৰ সন্দৰ্ভত যি আঁচনি প্ৰস্তুত কৰিছিলো তাৰ বাস্তৱ ৰূপায়নত অসফল হোৱাত নিজেই জগৰীয়া বোধ কৰিছো। ইয়াৰ মূলতে পুঁজিৰ অভাৱক আগস্থান দিব পাৰি। বৰ্ত্তমান প্ৰেছৰ যাৱতীয় সা-সজুলি তথা কাগজৰ দাম ইমানেই বাঢ়ি গৈছে যে বৰ্তমানৰ পুঁজিৰে এখন উন্নত মানদণ্ডৰ আলোচনী আশা কৰিব নোৱাৰি। সেয়ে আমি কলেজ কৰ্তৃপক্ষক আলোচনীৰ পুঁজিটো টনকিয়াল কৰিবলৈ অনুৰোধ জনালো। তেনে কৰিলে ভবিষ্যতৰ সম্পাকদসকলৰ বাবে যথেষ্ট খিনি সুবিধা হব।

যি কি নহওক, পিতৃ মাতৃয়ে গৰ্ভস্থ সন্তানটি বিকলাংগ হোৱাটো কামনা নকৰাৰ দৰে আমিও আশা কৰিছিলো আলোচনীখন সৰ্বাংগ সুন্দৰ হওক আৰু সেয়ে যথোপযুক্ত চেষ্টাও কৰিছিলো। এতিয়া আলোচনীখন বিচাৰৰ ভাৰ আপোনালোকৰ ওপৰত। আশাকৰো গঠনমূলক দৃষ্টিভংগী আৰু আলোচনাৰ দ্বাৰা আমাৰ ভবিষ্যতৰ সম্পাদক সকলক উপকৃত কৰে যেন। অৱশ্যে আমি যদি অনামিকাৰ আঙঠি মধ্যমাত বা কাণফুলিযোৰ নাকত পিন্ধাইছো, সেয়া মোৰ অজ্ঞাত, ইচ্ছাকৃত নহয়।

ডিব্ৰুয়ানখন প্ৰকাশৰ ক্ষেত্ৰত বিশেষভাৱে গঠন মূলক পৰামৰ্শ আৰু যাৱতীয় সহায় সহযোগিতা আগবঢ়োৱা শ্ৰীযুক্তা জ্যোতি বৰগোঁহাই বাইদেউ আৰু শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন চাৰলৈ মোৰ ভক্তিভৰা কৃতজ্ঞতা

সদায় থাকিব। ইয়াৰ উপৰিও অদিতি বাইদেউ, ৰয় চাৰ, প্ৰসাদ চাৰ, বৈশ্য বাইদেউ আদিৰ লগতে সকলো শিক্ষা গুৰুলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল।


আৰু যি সকল বন্ধু বান্ধৱীৰ সহায়ৰ কথা পাহৰিব নোৱাৰো তেওঁলোক হল মানস, কিশোৰ, গিৰিন্দ্ৰ, বিশ্ব-জ্যোতি, গিতুল, মনোজ, কমলা, ভূপেন, হিমেন, ডাড়ু, ভাই, চিন্তু, দীপজ্যোতি, চৰিত্ৰ, তীৰ্থ, অঞ্জন, কৃষ্ণ, মন, বাবুল, দিপাঙ্কৰ, বুবুল, আৰু দ্বীপেন, অমিয়, মণিষা, লুচি, শিখা, জয়শ্ৰী, উষা, তনুজা, গীতাঞ্জলী, সুমিত্ৰা, বন্তী, দিপাঞ্জলী, বিনীতা।

প্ৰাক্তন সাধাৰণ সম্পাদক অৰুণ দালৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। আৰু লগতে ননীমেষ কমল ফুকনলৈও মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। বেটুপাতৰ শিল্পী বন্ধু শ্ৰীপঙ্কজ ভৱালীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। নিজৰ অসুবিধাকো আওকান কৰি আলোচনীখন সোন-কালে প্ৰকাশ কৰি দিয়াত Star Printing Press ৰ মন্টু দত্ত দাদা, ভূষণ জ্যোতি সন্দিকৈ, বাজু দা আৰু সমূহ কৰ্মীবৃন্দলৈ মোৰ শ্ৰদ্ধা যাচিলো।


শেষত ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিছো।

"জয় আই অসম
জয়তু ডিব্ৰুয়ান
জয়তু ডিব্ৰু মহাবিদ্যালয়

আলোচনী সম্পাদক



ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দ




ডিব্ৰু মহাবিদ্যালয়ৰ নৱনিৰ্মিত প্ৰেক্ষাগৃহ


# সম্পাদনা সমিতি


জ্যোতি বৰগোহাঁই
(উপদেষ্টা)


অদিতি ভূঞা
(উপদেষ্টা)


নন্দিতা বৈশ্য
(উপদেষ্টা)



ক্ষিতিশ ৰয়
(উপদেষ্টা)



নীলিম কুমাৰ দাস
(সম্পাদক)


ড° সত্যদেৱ প্ৰসাদ
(উপদেষ্টা)


কমলা মহন
(সদস্য)


মানস জ্যোতি গগৈ
(সদস্য)


গীতুল চাউলু
(সদস্য)


ত্ৰৈলোক্য গগৈ
(সদস্য)

# প্ৰবন্ধৰ

## সম্ভাৰে ৰে

কাল ধুমুহাৰ প্ৰাৰনত
মোক উটি যাবলৈ নিদিবা
উটি যাবলৈ নিদিবা মোক
ষড়যন্ত্ৰ গ্লানি আৰু সমালোচনাত
বহুজনৰ ভাৰ গধুৰ কলমৰ বুলনিত
উচলা হৈ নাচে
প্ৰতিটো শিৰা উপশিৰাৰ
নবতমা ছন্দ;
যি দৰে তোমাৰ
আছন্ন হৃদয়ত
তুমি, মই হওঁ উন্মত্ত;
সাজো, সাহিত্যৰ ----
---- আমৰণ স্তুপ
-- সফলতাৰ বীজ মন্ত্ৰ
মোৰ নাম প্ৰবন্ধ



ডিব্ৰু মহাবিদ্যালয়ৰ (আলোচনী)
ষোড়শতম্ সংখ্যা ১৯৯৩-৯৪
সম্পাদনাত :— শ্ৰীনীলিম কুমাৰ দাস।

## প্ৰবন্ধ

# আধুনিক গণিত শাস্ত্ৰৰ এটি শাখা ঃ- পৃষ্ঠ গণিত

প্ৰদীপ কুমাৰ চেতিয়া ফুকন

কুৰি শতিকাৰ আৰম্ভনিতে যিমান গাণিতিক তথ্য আছিল ; আজি তাৰ কেইবাগুণো বৃদ্ধিপাইছে। নিতৌ ন-ন গণিতৰ তথ্য উদ্ভাৱন হবই লাগিছে। তাৰ পৰিণতি স্বৰূপে হয়তু গণিত শাস্ত্ৰৰ এটি নতুন শখা পৃষ্ঠ গণিতৰ সৃষ্টি হয়। পৃষ্ঠ গণিত,গণিত শাস্ত্ৰৰ এটা নতুন অথচ শক্তিশালী শাখা। পৃষ্ঠ গণিতক ইংৰাজীত ট'পলজী ( Topology ) বোলা হয়। টপ'লজী শব্দটো টপ ( অৰ্থ-স্থান ) আৰু লজি ( অৰ্থ-জ্ঞান ) এই দুটা গ্ৰীক শব্দৰ পৰা অহা। যাৰ অৰ্থ হ'ল: "স্থানৰ বিজ্ঞান" ... ... .... ... পৃষ্ঠ গণিতৰ নিচিনা এটা জটিল বিষয় সাধাৰণ এটি আলোচনা কৰি শেষ কৰিব পৰা বিষয় নহয়। ইয়াৰ গাণিতিক ব্যাখাহে বেছি প্ৰয়োজন।

বৰ্তমান যুগ হৈছে বৈজ্ঞানিক আৰু যান্ত্ৰিক যুগ। আজি বিশ্বৰ প্ৰতিখন দেশত বিজ্ঞানে অতি আচৰিত আৱিস্কাৰ সমূহ কৰিব লাগিছে। আধুনিক বিজ্ঞান সমূহৰ ভেঁটি হল গণিত শাস্ত্ৰ। আজিৰ কম্পিউটাৰ যুগত গাণিতিক জ্ঞানৰ বিস্ফোৰণ ঘটিছে; গণিতৰ নতুন-নতুন শাখা-প্ৰশাখাৰ সৃষ্টি হৈছে। অৰ্থাৎ "the Science of Position )। যোৱা দশক কেইটাত গণিত শাস্ত্ৰত টপ'লজীয়ে এটা বিশিষ্ট স্থান অধিকাৰ কৰি আছিছে। সেই গতিকে আধুনিক গণিত শাস্ত্ৰৰ অধ্যয়ণৰ বাবে ইয়াৰ প্ৰয়োজন হৈ পৰিছে।

এতিয়া প্ৰশ্ন হৈছে; পৃষ্ঠ গণিত বুলিলে কি বুজা যায়। এই প্ৰশ্নৰ উত্তৰ একেষাৰতে দিয়া কঠিন। সাধাৰণ জ্যামিতত জ্যামিতিক ক্ষেত্ৰবোৰৰ কালি, বাহুৰ দৈৰ্ঘ্য, কোণ আদিৰ পাৰস্পৰিক সম্বন্ধ স্থাপন কৰা হয়। ৰেখাৰ দৈৰ্ঘ্য, ক্ষেত্ৰৰ কালি আদি সাধাৰণ জ্যামিতিক ধৰ্ম। কিন্তু সকলো ক্ষেত্ৰতেই ৰেখা আৰু ক্ষেত্ৰৰ সংখ্যা থকাটো এটা সাধাৰণ জ্যামিতিক ধৰ্ম নহয়। অন্যহাতে মহাকাশৰ বহুতো মৌলিক ধৰ্ম — দৈৰ্ঘ্য, কালি আৰু কোণৰ জোখৰ ওপৰত নিৰ্ভৰ নকৰে। পৃষ্ঠীয় ধৰ্মৰ ক্ষেত্ৰত সকলো ক্ষেত্ৰতেই ৰেখা আৰু ক্ষেত্ৰৰ সংখ্যা সমান থাকিব পাৰে। গণিত শাস্ত্ৰৰ যি শাখাত এনে পৃষ্ঠীয় ধৰ্মবোৰ অধ্যয়ণ কৰা হয় তাকে পৃষ্ঠগণিত বোলা হয়। টপ'লজিষ্ট এজনে পৃষ্ঠ তল-বিলাকৰ মাজত কোনো পাৰ্থক্য নেদেখে। টপ'লজিষ্ট এজ-নৰ দৃষ্টিত গোলক এটা, ঘনক এটা বা লাওৰ আকৃতিৰ তল এখনৰ পৃষ্ঠীয় ধৰ্ম একেই; কিয়নো উপযুক্ত পৰিবৰ্ত্তনৰ দ্বাৰা এটাক আনটোলৈ ৰূপান্তৰ কৰিব পাৰি।


টপ'লজিষ্ট সকলে সদায় আচৰিত গুণ সম্পন্ন তল সৃষ্টি কৰিবলৈ যত্ন কৰি আছিছে। ইয়াৰ ভিতৰত এপিঠীয় পৃষ্ঠতল বিশেষ ভাৱে উল্লেখ যোগ্য। উনৈশ শতিকাত জাৰ্মান গণিতজ্ঞ আৰু জ্যোতিবিজ্ঞানী আগাষ্টাছ কাডিনাণ্ড নোবাছে এনে পৃষ্ঠ তল তৈয়াৰ কৰি দেখুৱাই। ইয়াক এতিয়া নোবাছৰ পটি বোলে। আন এজন গণিতজ্ঞ কেলিক্স ক্লাইনে কুৰি শতিকাৰ প্ৰথম ভাগত এপিঠীয় বটল এটা তৈয়াৰ কৰি দেখুৱাই।



পৃষ্ঠ গণিতক জ্যামিতিৰ লগত কেনে ধৰণে সম্বন্ধ স্থাপন কৰে তাৰ বিষয়ে আলোচনা কৰোহঁক। ইউক্লিডৰ জ্যামিতিত দুটা জ্যামিতিক ক্ষেত্ৰ সৰ্বসম হলে সিহঁত সমতুল্য হয়। প্ৰক্ষেপণ জ্যামিতিত দুটা জ্যামিতিক ক্ষেত্ৰ সমতুল্য হয়; যদিহে এটাৰ ওপৰত আনটো প্ৰক্ষেপিত কৰিব পাৰি। অৱলম্বন জ্যামিতিত দুটা জ্যামিতিক ক্ষেত্ৰ সমতুল্য হবলৈ সিহঁতৰ বিন্দুবোৰৰ মাজত একৈকী ( one-one correspondence ) সম্বন্ধ থাকিব লাগিব যাতে এটা ক্ষেত্ৰত থকা যিকোনো এটা ৰেখাৰ দৈৰ্ঘ্য আনটো ক্ষেত্ৰত থকা অনুৰূপ ৰেখাৰ দৈৰ্ঘ্যৰ সমান হয়। উদাহৰণ স্বৰূপে চুঙাকৃতি তল এখন সমতল এখনলৈ ৰূপান্তৰ কৰিব পাৰি। এই দুই তলৰ কোনো ৰেখাৰ দীঘ একেই থাকিব আৰু তলদুখন সমদূৰীক ( Geometric ) হব। গতিকে দেখা গল যে সৰ্বসমতা, প্ৰক্ষেপণতা আৰু সমদূৰীকতা আদি এক প্ৰকাৰ পৃষ্ঠীয় সমতুল্যতাহে আৰু কোনো এখন পৃষ্ঠতলৰ পৃষ্ঠীয় ধৰ্ম এটা তাৰ সমতুল্য পৃষ্ঠীয় তল এখনতো প্ৰযোজ্য হব। সেয়ে পৃষ্ঠীয় ধৰ্ম এটা ইউক্লিডীয় প্ৰক্ষেপণ বা অৱকলন জ্যামিতিৰ ধৰ্ম বা তথ্য মতেও এটা ধৰ্ম। গতিকে পৃষ্ঠ গণিতৰ এটা প্ৰতিজ্ঞা আন সকলোবোৰ জ্যামিতিৰেই প্ৰতিজ্ঞা হব। এই হিচাবে চাবলৈ গলে যুক্তি সহকাৰে কব পাৰি যে পৃষ্ঠ গণিতেই মূল জ্যামিতি।

1860 চনত কাল ৱেইষ্ট্ৰাছে ফলন এটাৰ সীমান্ত মানৰ তথ্য বিশ্লেষণ কৰে। ইয়াকে কৰিবলৈ তেওঁ বাস্তৱ সংখ্যা পদ্ধতিক পুনৰ সজাই পৰাই কিছুমান ধৰ্ম, যাক এতিয়া পৃষ্ঠীয় ধৰ্ম বুলি কোৱা হয়; সেই বিষয়ে অধ্যয়ন কৰে। এওঁৰ এই কাৰ্য্যাৰ মাজতেই প্ৰথম পৃষ্ঠ গণিতৰ আভাস পোৱা যায়। এই খিনিতে পৃষ্ঠ গণিতৰ এটা বিশ্ববিখ্যাত সমস্যাৰ কথা উল্লেখ কৰিছোঁ। পৃষ্ঠ গণিতৰ এই সমস্যাটো হল চাৰিৰঙৰ সমস্যা। বেলজিয়াম গণিতজ্ঞ এছ এম ডিৱেকাৰে 1946 চনত দেখুৱাই যে পয়ত্ৰিছ খন দেশ থকা মেপএখন আকিঁবলৈ চাৰিটা ৰঙেই যথেষ্ট। তাৰ পিছত পশ্চিম ভাৰ্জিনিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক চি, এন ৰেণল্ড ( C. N. Reynolds ) এ দেখুৱায় যে "83" খন দেশ থকা মেপ এখন আকিঁবলৈ চাৰিটা ৰঙৰহে প্ৰয়োজন। কিন্তু আজিলৈকে কোনেও পাচঁটা ৰঙৰ প্ৰয়োজন হোৱা মেপ এখন আকিঁব পৰা নাই। যি কোনো এখন মেপ আকিঁবলৈ চাৰিটা ৰঙেই যথেষ্ট বুলি বহুদিনৰ আগতেই অনুমান কৰা হৈছিল। এই অনুমান চাৰিৰঙৰ অনুমান নামে জনাজাত ( Four Colour Conjecture )। ইলিয়ণ বিশ্ববিদ্যালয়ৰ কেনেথ এপোল' আৰু ওলফগাং হাকেন নামৰ দুজন গণিতজ্ঞই অতি জটিল কম্পিউটাৰ বিশ্লেষণৰ দ্বাৰা 1000 ঘণ্টাৰো অধিক সময় পৰিশ্ৰমৰ বিনিময়ত এই চাৰি ৰঙৰ অনুমানৰ সত্যাপন কৰি দেখুৱাবলৈ সক্ষম হৈছে। অৱশ্যে উক্ত সত্যাপনৰ শুদ্ধতাৰো বেছি দিন নাথাকিব পাৰে। জৰ্জকেণ্টৰৰ বিন্দু সংহতি তত্বই পৃষ্ঠ গণিতৰ আধাৰশিলা স্থাপন কৰিলে। 1900 চনৰ পৰা 1910 চনৰ ভিতৰত হাউছডৰ্ক, 1890 চনত হেনৰি পইন কেয়াৰে বীজ গণিতীয় পৃষ্ঠ গণিত সৃষ্টি কৰে। তাৰ পিছত 1908 চনৰ পৰা 1912 চনৰ ভিতৰত এল ই জে-ব্ৰাডৱাৰে সাধাৰণ পৃষ্ঠ গণিত আৰু বীজগণিতীয় পৃষ্ঠগণিতৰ মাজত যোগসূত্ৰ স্থাপন কৰে। পৃষ্ঠ গণিতত বিশেষ অৱদান থকা আন-আন গণিতজ্ঞ সকল হল আলেকজেণ্ডাৰ, পি এল আলেকজেণ্ডক আৰু এছ লিফচেটজ। 1930 চনলৈ পৃষ্ঠ গণিতক বিশ্লেষণ স্থান ( Analysis Situs ) বোলা হৈছিল। 1930 চনত লিফচেটজে প্ৰথম বাৰৰ বাবে টপল'জি শব্দটো ব্যৱহাৰ কৰে আৰু তেওঁ টপল'জি নামেৰে এখন গ্ৰন্থ ৰচনা কৰে।

মুঠৰ ওপৰত কুৰি শতিকাৰ আলোড়ন সৃষ্টি কৰা পৃষ্ঠ গণিত বিষয়টো প্ৰায় কেইদশকমান আগেয়েহে মাত্ৰ গণিতৰ এটা পৰিপূৰ্ণ শাখা হিচাপে পৰিগণিত হৈছে। পৃষ্ঠ গণিতৰ নতুন নতুন তথ্য উদ্ভাৱন আৰু সেইবোৰৰ ব্যৱহাৰিক প্ৰয়োগ দিনে-দিনে বাঢ়ি গৈছে। আমি আজি যি বিলাক পৃষ্ঠ গণিতৰ নতুন 'তথ্য পাইছো; সেই বিলাকৰ পৰিবৰ্ত্তন হৈ পুৰণি হব আৰু পুনৰ পৃষ্ঠ গণিতৰ নতুন-নতুন তথ্য উদ্ভাৱন হব।



# নলিনীবালা দেৱী

*Dr. S. D. Prasad.*
*Head of the Dept. of Hindi (Dibru College)*

— ড. সত্যদেৱ প্ৰসাদ।

**বংশ পৰিচয়, জন্ম আৰু বাল্যকাল**—ভাৰতৰ পূবদিশত অৱস্থিত প্ৰকৃতিৰ ৰম্য ভূমি অসম প্ৰদেশৰ সৰ্বশ্ৰেষ্ঠা মহিলা কবি নলিনীবালা দেৱীৰ জন্ম হয় বৰপেটা জিলাত, ১৮৯৮ চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখে ( ফাগুন মাহৰ ) শুক্লা চতুৰ্দশী তিথিত। তেওঁৰ পিতৃৰ নাম কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু মাতৃৰ নাম হেমন্ত কুমাৰী দেৱী। নবীনচন্দ্ৰ কেৱল অসম ৰাজ্যৰে নহয়, ভাৰতৰ এজন প্ৰখ্যাত ৰাজনীতিক আছিল। তেওঁৰ কৰ্মনিষ্ঠাত অভিভূত আৰু মুগ্ধ হৈ ৰাইজে তেওঁক "কৰ্মবীৰ" বুলি ক'বলৈ ধৰিলে; তেওঁ অসমৰ স্বাধীনতা আন্দোলনক ব্যাপক আৰু জনপ্ৰিয় কৰি তুলিছিল। তেওঁ অসমৰ প্ৰসিদ্ধ "কন্দ্ৰখৰি বংশ"ৰ বংশধৰ। আৰম্ভনিত এওঁৰ পূৰ্বজ সকল অসমৰ শিৱসাগৰ জিলাৰ নিবাসী আছিল, কিন্তু 'মান'ৰ আক্ৰমনত অসুবিধাত পৰি নলিনীবালাৰ ককাক ৰায়বাহাদুৰ মাধৱচন্দ্ৰ বৰদলৈ গুৱাহাটীলৈ আহি বসতি কৰিবলৈ লয়। পৰিয়ালৰ প্ৰথম সন্তান হোৱা কাৰণে নলিনীবালা দেৱীয়ে পৰিয়ালৰ প্ৰত্যেক জনৰ পৰা লাভ কৰিছিল অশেষ মৰম। টকা-পইচাৰ একো অভাৱেই নাছিল; গতিকে তেওঁৰ বাল্যকাল বিলাস—বৈভৱতে পাৰ হয়।

**শিক্ষা**—সেই সময়ত অসমত স্ত্ৰী-শিক্ষাৰ সুব্যৱস্থা নাছিল। গোটেই অসমৰ ভিতৰত মাত্ৰ ডিব্ৰুগড় চহৰতে একমাত্ৰ কন্যা বিদ্যালয় আছিল। কৰ্মবীৰ বৰদলৈয়ে নিজা জীয়ৰীক উচ্চ শিক্ষা দিব খুজিছিল। গতিকে তেওঁ ঘৰতে নলিনীবালাক পঢ়াবলৈ তৎকালৰ খ্যাতনামা শিক্ষক সকলক নিয়োগ কৰিলে। সেই সময়ৰ গুৱাহাটীৰ কাৰ্জন হলৰ ( আজিকালিৰ কৰ্মবীৰ নবীনচন্দ্ৰ পুথিভঁৰাল ) গ্ৰন্থাগাৰিক গোলাপ কৃষ্ণ দে আৰু গুৱাহাটী চৰকাৰী উচ্চবিদ্যালয়ৰ প্ৰধান শিক্ষক যজ্ঞেশ্বৰ বৰুৱা আৰু নিশি সেন প্ৰভৃতি তেওঁৰ গৃহ-শিক্ষক আছিল। শিক্ষানুৰাগী পিতৃ নবীনচন্দ্ৰ বৰদলৈয়ে নলিনীবালাক কম সময়তে শিক্ষা দিয়াৰ এটি চমু আঁচনি যুগুতাই উলিয়ালে। যাৰ ফলত আঠ বছৰ বয়সতে নলিনীবালাই সংস্কৃত ভাষা আৰু কাব্যত পাৰ্গত হৈ উঠে আৰু বিশুদ্ধ উচ্চাৰণ সহ সংস্কৃত পঢ়িবলৈ সক্ষম হয়। তেওঁ জটিল ছন্দৰ পৰিচয় পাই টান শব্দবোৰৰ ব্যুৎপত্তি আৰু ব্যাকৰণৰ জ্ঞান লাভ কৰি কাব্যৰ সুষম ব্যাখ্যাত সফল হয়। সংস্কৃতৰ বাহিৰেও তেওঁ অসমীয়া, বুৰঞ্জী, ভূগোল আৰু অংকৰ ভাল শিক্ষা পাইছিল।

বাল্যকালৰ পৰাই নলিনীয়ে কাব্য ৰচনা কৰিবলৈ লয়। এই ক্ষেত্ৰত তেওঁ কাব্যৰ শিক্ষা পৰাও উদ্‌গনি পায়। তেওঁৰ আৰম্ভনিৰ কবিতা বাজি 'পিতা' 'সখীলৈ উপহাৰ' ইত্যাদি এঘাৰ বাৰ বছৰৰ বয়সতে লিখা হৈছিল, যিবোৰ তৎকালীন অসমীয়া মাহেকীয়া 'আলোচনী'ত প্ৰকাশ পাইছিল। পোন প্ৰথম কবিতা 'পিতা' ১৯০৮ চনত লিখা হৈছিল। সেই সময়ৰপৰা কুমাৰী কবি হিচাপে তেওঁৰ প্ৰতিষ্ঠা বাঢ়িবলৈ ধৰে। কৱিগৰাকীৰ পিতৃ কৰ্মবীৰ বৰদলৈ নিজেও এজন সুকবি, সংগীতজ্ঞ আৰু সুগায়ক আছিল। তেখেতে নিজা সন্তানকো সংগীতৰ শিক্ষা দিলে। নলিনীবালাই দেউতাকৰপৰা বৰগীত; ঘোষা,



আধুনিক সংগীত আৰু বাদ্য যন্ত্ৰ বিলাকৰ শিক্ষা পালে। বিয়াৰ পিছত তেওঁ সুগায়ক স্বামীৰ পৰা বৰগীতৰ সুৰ আৰু ভালকৈ শিকি ললে।

সেই সময়ত ঘৰুৱা জীৱন সুশৃংখলিত আছিল। শিক্ষা—দীক্ষাৰ বাহিৰেও কাপোৰ বোৱা, ঘৰ-বাৰী চলোৱা আদি কাম কন্যাক শিকোৱা হয়। নলিনীবালাই নিজা আইতাকৰ পৰা তাঁতশাল চলোৱা আৰু অন্যান্য ঘৰুৱা কাম বিলাক শিকিলে। তেওঁ চিত্ৰকলাতো পাৰ্গত আছিল। তেওঁ "বিশ্বদীপা" নামৰ বিশ্বৰ সতী নাৰীসকলৰ জীৱনী-গ্ৰন্থৰ প্ৰত্যেকটি নাৰীৰ প্ৰতিকৃতি নিজেই আঁকিছে।

**বিবাহ** — নলিনীবালাৰ দিনত অসমত বাল্য বিবাহৰ প্ৰথা আছিল। তেওঁৰ বিয়া মাত্ৰ বাৰ বছৰৰ বয়সত শিৱসাগৰ জিলাৰ স্বনামধন্য শ্ৰীকৃষ্ণপ্ৰসাদ চাংকাকতিৰ পুত্ৰ জীৱেশ্বৰ চাংকাকতিৰ লগত ১৪ জুলাই ১৯০৯ চনত সম্পন্ন হয়। বিয়াৰ এবছৰ পিছতে তেওঁ শাহুয়েকৰ ঘৰলৈ যায়। উপেন্দ্ৰ, উষা, পবিত্ৰপ্ৰাণ, ৰাম মূৰ্তি আৰু অৰুণা এই পাঁচটি সন্তান জন্মৰ পিছত তেওঁৰ স্বামী হঠাতে স্বৰ্গবাসী হয় ১৯১৯ চনৰ অক্টোবৰ মাহত। তেতিয়া নলিনীবালাৰ বয়স মাত্ৰ একৈশ বছৰ আছিল। এই আকস্মিক আৰু ভয়াবহ দুৰ্ঘটনাৰ পিছত নবীনচন্দ্ৰ বৰদলৈয়ে নিজা জীয়ৰীক সন্তানসহ গুৱাহাটীৰ ঘৰলৈ লৈ আহে। স্বামীৰ অকাল বিয়োগত নলিনীবালাই চাৰিওপিনে আন্ধাৰ অনুভৱ কৰে। যিদিনা কবিয়ে বিধৱা বেশত গুৱাহাটীৰ পিতৃগৃহত প্ৰৱেশ কৰিলে, সমস্ত পৰিয়ালে বিলাপ কৰিবলৈ ধৰে। আইতাকে আৰ্তনাদ কৰি উঠিল— "বাছা, তই এই সাজ পিন্ধি মোৰ আগত নোলাবি। পাটৰ ৰিহা-মেখেলাকে পিন্ধি থাকিবি।" কিন্তু দেউতাকে স্থিত প্ৰজ্ঞ হৈ দুখ বোৰক আত্মসাৎ কৰি পেলাইছিল। ধৈৰ্য্য ধৰি ক'লে "কিয় নিপিন্ধিব আই, সকলোৰে পৰা মোৰ বাছাক মই নানা তৰহৰ সাজেৰে সজাই চাই ভাল পাইছিলোঁ, এতিয়াৰে পৰা মোৰ বাছাৰ বগা সাজ পিন্ধা "সৰ্বশুক্লা মহাশ্বেতা" ৰূপ চাবলৈ পালে মোৰ পিতৃ জীৱন ধন্য হব।" এইখিনি কৈ বৰদলৈয়ে কবিগৰাকীৰ হাতত এখনি শ্ৰীমদ্‌ভাগবদ্ গীতা দি ক'লে, "গীতাই তোমাক বাট দেখুৱাব।" পিতৃৰ এই মহৎ বাণীয়ে কবিৰ জীৱনত নতুন আশা-কিৰণৰ সঞ্চাৰ কৰিলে। দুখ-শোক-বিৰহ পুৰিত সংসাৰ পথত তেওঁ মাৰ্গদৰ্শক জ্যোতি পুঞ্জৰ সন্ধান পালে। পিতৃগৃহত, আদৰ্শ পিতৃৰ শান্তিময় আশ্ৰয়ত কৰিয়ে মহাশ্বেতা বেশত গভীৰ ধ্যানৰতা — তপস্বিনী হৈ ভগৱত চিন্তাত লীন থাকে।

**কাব্য-জীৱন**— নলিনীবালা দেৱীৰ কাব্য জীৱনৰ সম্পৰ্কে শ্ৰীপৰেশচন্দ্ৰ শৰ্মাদেৱে কৈছে, "হিন্দীৰ খ্যাতনামা মহিলা কবি মহাদেৱী ভাৰ্মাৰ দৰে নলিনীবালাৰ কবিতাও অতীন্দ্ৰিয় বাদী। তেওঁৰ কবিতাত ব্যঞ্জনা পূৰ্ণ আৰু মনোৰম উচ্চ দৰ্শন ভুমুকি মাৰে। "সন্ধিয়াৰ সুৰ" ( ১৯২৮ চন ) আৰু "সপোনৰ সুৰ" (১৯৪২) ইত্যাদি কবিতা সংগ্ৰহ ভাৰতীয় অধ্যাত্মবাদৰ ভেটিত প্ৰতিষ্ঠিত। মনোৰম শব্দ-চয়ন, সুগঢ়ী ছন্দ আৰু গভীৰ প্ৰতীতিৰ দ্বাৰা অভিব্যঞ্জিত অতীন্দ্ৰিয়বাদী ভাৱধাৰাৰ এই দুটি কাব্য-গ্ৰন্থই অসমীয়া সাহিত্য জগতত এটি নতুন আলোড়ন জগালে আৰু প্ৰশংসা পালে।

১৯৪৭ চনত অসম চৰকাৰে নলিনীবালাক সাহিত্যিক পেঞ্চন দি তেওঁৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে। সেই সময়ৰেপৰা কবি গৰাকীৰ সাহিত্যিক জীৱন সমুচিত প্ৰতিষ্ঠা প্ৰাপ্ত হয় আৰু প্ৰকৃত ৰূপে তেওঁৰ সাহিত্যিক জীৱনৰ পাতনি মেলে।

বাল্যাৱস্থাৰ স্ফুট কবিতাবোৰক বাদ দি কবিগৰাকীৰ প্ৰথম কাব্য-কৃতি "সপোনৰ সুৰ"ৰ ১৯২৮ চনত প্ৰকাশনৰ পৰা ১৯৭৭ চনত প্ৰকাশ পোৱা শেষ কৃতি "অন্তিম সুৰ" লৈকে সুদীৰ্ঘ পঞ্চাশ বছৰ ধৰি নলিনীবালাৰ কাব্যময় কাব্য জীৱন বিয়পি আছে।

**কৰ্মক্ষেত্ৰ ; সাহিত্যিক** - সাহিত্য - সাধনাৰ উপৰিও নলিনীবালাই জীৱন পৰ্যন্ত সাহিত্যিক গতিবিধিৰ লগত সক্ৰিয় ভাৱে জড়িত আছিল। ১৯৪৭ চনত নতুন দিল্লীত অনুষ্ঠিত সদৌ ভাৰত লিখক সন্মিলনৰ বাবে অসমৰ প্ৰতিনিধি ৰূপে তেখেতক নিমন্ত্ৰন জনোৱা হয়। এই মুহূৰ্ত্তলৈ তেওঁৰ পোনপ্ৰথম কাব্য - কৃতী "সন্ধিয়াৰ সুৰ"ৰ ইংৰাজী ভাঙনি পঠোৱা হৈছিল, গতিকে সেই সময়ৰপৰা নলিনীবালাই সদৌ ভাৰত স্তৰত খ্যাতিলাভ কৰে। ১৯৪৮ চনৰ আক্টোবৰ মাহত যোৰহাট চহৰত আয়োজন কৰা অসমৰ শ্ৰেষ্ঠতম মহাকবি শ্ৰীমন্ত শঙ্কৰদেৱৰ পঞ্চম শতবাৰ্ষিকী মহোৎসৱৰ সভানেত্ৰীৰ পদ তেঁৱেই সুশোভিত কৰে। একে সময়ত গুৱাহাটী নগৰত স্থাপন কৰা "অসম ৰাষ্ট্ৰভাষা প্ৰচাৰ সমিতি"ৰ তেওঁ মাননীয় সদস্যা মনোনীত হয়। ১৯৫০ চনত তেওঁক "গান্ধী সাহিত্য পৰিষদ"ৰ সভ্য নিৰ্বাচিত কৰা হয় আৰু ১৯৫২ চনত "অসম টেক্সট বুক কমিটী"ৰ, সভ্য আৰু ১৯৫৩ চনত "আকাশ বাণী উপদেষ্টা সমিতি"ৰ সভ্য মনোনীত হয়। ১৯৫৪ চনৰ ডিচেম্বৰ মাহত যোৰহাটত অনুষ্ঠিত অসমৰ কৃতী সাহিত্যিক সংস্থা "অসম সাহিত্য সভা"ৰ সভানেত্ৰীৰ আসন লাভ কৰি এই বৰেণ্য পদ সুশোভিত কৰা তেঁৱেই হ'ল একমাত্ৰ মহিলা সাহিত্যকাৰ। ১৯৫৫ চনত তেওঁক সাহিত্য একাদেমী নতুন দিল্লীৰ সংস্থাপক সভ্য হিচাপে মনোনয়ন কৰা হয়। ১৯৫৭ চনৰ ২৬ জানুৱাৰি দিনা গণতন্ত্ৰ দিৱসৰ উপলক্ষে নতুন দিল্লীত আয়োজন কৰা অখিল ভাৰতীয় কৱি সন্মিলনৰ বাবে তেওঁক অসমৰ প্ৰতিনিধি কৱি হিচাপে নিৰ্বাচন কৰা হয়। এই অৱসৰত আকাশ বাণী দিল্লী কেন্দ্ৰৰপৰা তেওঁৰ "আহবান" কৱিতা পাঠ কৰা হৈছিল আৰু শ্ৰোতাবৃন্দৰপৰা প্ৰভূত প্ৰশংসিত হৈছিল। ১৯৬০ চনৰ ২৯ অক্টোবৰৰ দিনা পলাশবাৰীত অনুষ্ঠিত "অসম সাহিত্য সভা"ৰ ২৮ তম অভিবৰ্তনৰ কৱি সন্মিলনৰ সভানেত্ৰীৰ গৰিমামণ্ডিত পদ লাভ কৰে। ১৯৬৪ চনত দিল্লীত আয়োজিত অখিলভাৰতীয় কৱি সন্মিলনৰ সভানেত্ৰীৰ পদ আৰু ১৯৬৯ চনৰ ৮ ফেব্ৰুৱাৰীৰ দিনা বৰপেটাত অনুষ্ঠিত অসম সাহিত্য সভাৰ অভিবৰ্ত্তনৰ কৱি সন্মিলনৰ সভানেত্ৰী পদ তেঁৱেই সুশোভিত কৰে।

**সামাজিক আৰু ৰাজনৈতিক** — নলিনীবালা দেৱীৰ দেউতাক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে ১৯২১ চনৰ ভাৰতীয় অহিংসা আন্দোলনত যোগদান দি স্বাধীনতা আন্দোলনক অসমলৈ আনিছিল। এই আন্দোলনত নলিনীবালাই দেউতাকৰ সহকৰ্ম্মী হৈ ইয়াক সাফল্যমণ্ডিত কৰাত যথেষ্ট বৰঙণি যোগালে। তেতিয়াৰ পৰাই তেওঁ সামাজিক ৰাজনৈতিক কৰ্মক্ষেত্ৰলৈ প্ৰবৃত্ত হ'বলৈ লয়। তেওঁ ১৯৩১ চনত গুৱাহাটী চহৰৰ "মহিলা সমিতি"ৰ অধ্যক্ষা নিৰ্বাচিত হয়। ১৯৩৬ চনত পিতৃৰ পৰলোক গমনৰ পিচত নলিনীবালাই সামাজিক ৰাজনৈতিক দিশৰ পৰা আহবান পাই সক্ৰিয় ভাৱে জড়িত হবলৈ ধৰে।

১৯৪৫ চনত সদৌ ভাৰত শিশু সন্মিলনৰ সভানেত্ৰীৰ পদ তেঁৱেই সুশোভিত কৰে। ১৯৪৬ চনত "কেবিনেট মিছন"ক প্ৰতিবাদ জনাবলৈ গঠন কৰা কলিকতাৰ "অসম সংঘ"ৰ তেওঁ উপ-সভানেত্ৰী হয়। ১৯৪৭ চনৰ ডিছেম্বৰ মাহত অসম প্ৰাদেশিক মহিলা সমিতিৰ নগাওঁ চহৰত আয়োজন কৰা অভিবৰ্ত্তনৰ সভাপতিত্ব নলিনীবালাই কৰিছিল। ১৯৫২ চনত কণ-কণ ল'ৰা ছোৱালীৰ কাৰণে তেওঁ গুৱাহাটীত "পাৰিজাত কানন" নামৰ এটি সংস্থা স্থাপন কৰে আৰু ইয়াৰ অধ্যক্ষা হয়। তেওঁ ১৯৫৫ চনত ৰাজ্যিক সমাজ কল্যাণ সংঘৰ সভ্য মনোনীত হয়। নলিনীবালাৰ বহুমুখী ৰাজনৈতিক সেৱাৰ্থে তেওঁক ১৯৫৭ চনৰ ২৬ জানুৱাৰি দিনা অসম প্ৰদেশ কংগ্ৰেছ সমিতিয়ে অভিনন্দন জনায়।

**সন্মান আৰু উপাধি** — 'সন্ধিয়াৰ সুৰ' (১৯২৮ চন) আৰু 'সপোনৰ সুৰে' (১৯৪২ চন) অসমীয়া কাব্য - জগতত যি আলোড়নৰ সৃষ্টি কৰিলে তাত আকৃষ্ট হৈ অসম চৰকাৰে ১৯৪৭ চনত নলিনীবালাক সাহিত্যিক পেঞ্চন প্ৰদান কৰে। ১৯৫৭ চনৰ ২৬ জানুৱাৰি দিনা



নলবাৰী চহৰৰ "সংস্কৃত সঞ্জীৱনী সভা"ই তেওঁক "কাব্য ভাৰতী" সন্মানেৰে বিভূষিত কৰে। ১৯৫৮ চনত তৎকালীন ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদে তেওঁক "পদ্ম শ্ৰী" অলংকাৰেৰে বিভূষিত কৰে। তেওঁ ১৯৬৮ চনত "অলকানন্দা" কাব্য গ্ৰন্থৰ বাবে সাহিত্য একাদেমী, নতুন দিল্লীৰ পৰা পুৰস্কাৰ লাভ কৰে আৰু সৰ্বশেষত, ১৯৭৫ চনৰ ১৩ জানুৱাৰি দিনা নাগপুৰত আয়োজন কৰা বিশ্ব হিন্দী সন্মিলনে নলিনীবালাৰ সন্মানাৰ্থে অভিনন্দন পত্ৰ প্ৰদান কৰে।

নলিনীবালাই অসমৰ কলা সংস্কৃতি, ৰাজনীতি সামাজিক জীৱন আৰু শৈক্ষিক আদি ক্ষেত্ৰত সদায় আগভাগ লৈ অসম আৰু ভাৰত জননীৰ নিঃস্বাৰ্থ সেৱা কৰিছিল। তথাপিও সাহিত্য সেৱাই হৈছে তেওঁৰ প্ৰমুখ জীৱনব্ৰত। তেওঁ ৰাতিপুৱাৰ আটাইতকৈ বহুমূলীয়া সময়খিনি সাহিত্য সাধনাতে নিয়োগ কৰিছিল। শুভ্ৰ পৰিধানেৰে মহাশ্বেতা হৈ সৰস্বতীৰ এই বিদুষী কণ্যাই বহুদিন বেমাৰত ভুগি ১৯৭৭ চনৰ ২৪ ডিচেম্বৰ দিনা ৰাতি ন বাজি কুৰি মিনিটত গুৱাহাটীৰ দক্ষিণ শৰণীয়াত অৱস্থিত নিজা বাস ভৱন "স্বপ্নাচল"ত আশী বছৰ বয়সত নশ্বৰ দেহ ত্যাগ কৰি ইহলীলা সম্বৰণ কৰে।

বুদ্ধিমান ব্যক্তিয়ে কেতিয়াও সাত সাৰটি বহি নাথাকে, আৰু ক্ষতিৰ বাবে কেতিয়াও দোষ প্ৰকাশ নকৰে বৰং আনন্দৰে সেই ক্ষতি পূৰণ কৰে।

— চেক্সপীয়েৰ

মনত ৰাখিবা যে জীৱন দুখ অথবা আনন্দৰ নহয়; ইয়াৰ তাৎপৰ্য্য গুৰুত্বপূৰ্ণ আৰু সাহস আৰু আত্মত্যাগেৰে জীৱনত প্ৰৱেশ কৰিব লাগিব।

— দ্য টকেভিল



# ॥আইনষ্টাইনৰ আপেক্ষিক তত্ত্ব॥

শ্ৰীমৃগেন পেগু
স্নাতক; প্ৰথম বৰ্ষ
বিজ্ঞান শাখা

**সন্মান, পুৰস্কাৰ আদিৰ প্ৰতি আইনষ্টাইনৰ কেতিয়াও কোনো লোভ-নাছিল। তেওঁ মাথো বিশ্বৰহস্য জানিবলৈ আৰু বুজিবলৈহে নিজকে নিয়োগ কৰিছিল। সেয়ে তেওঁৰ "অবিচোৰাৰী"-ত বহু কথাৰ উল্লেখ আছে, কিন্তু নোবেল পুৰস্কাৰ প্ৰাপ্তিৰ কোনো উল্লেখ তাত নাই। নোবেল পুৰস্কাৰ লৈ কোনোৰকমৰ মানসিক আলোড়ন তেওঁৰ নাছিল।**

মানৱসভ্যতাৰ বিকাশ আৰু মানৱ মনীষাৰ যি কেইবাহাজাৰ বছৰৰ বুৰঞ্জী, সেই বুৰঞ্জীত মানৱ মনীষাৰ আকাশত আইনষ্টাইন উজ্জ্বলতম নক্ষত্ৰ। তেওঁ এই শতিকাৰ প্ৰবাদপুৰুষ। তেওঁক লৈ স্থান-কাল-পাত্ৰ নিৰ্বিশেষে মানুহৰ সসম্ভ্ৰম কৌতুহ'ল আৰু জনতৰঙ্গ সদায়েই উদ্বেলিত — সেই জনতৰঙ্গৰ লগত যুক্ত ৰাষ্ট্ৰনায়ক, সম্ৰাট, বুদ্ধিজীৱি, বিজ্ঞানীৰ পৰা লৈ অতি সাধাৰণ মানুহ পৰ্য্যন্ত।

আইনষ্টাইন এই শতাব্দীৰ এজন শ্ৰেষ্ঠ বিজ্ঞানী। তেওঁৰ নাম নুশুনা মানুহ বোধহয় খুব কমেই ওলাব। আইনষ্টাইনৰ প্ৰত্যক্ষ বৈজ্ঞানিক অবদানৰ এটা দ্ৰুত সূচী হ'ল—কৈশিক আকৰ্ষণৰ ওপৰত গৱেষণা, আপেক্ষিকতাৰ বিশেষ তত্ত্ব, পোহৰৰ দ্ৰুতিৰ পৰম চৰিত্ৰ, ব্ৰাউনীয় গতিৰ ৰহস্য, আলোক - তড়িৎ - ক্ৰিয়াৰ ব্যাখ্যা অনুযায়ী ফ'টন তত্ত্ব, নিম্ন তাপমাত্ৰা আৰু আপেক্ষিক তাপৰ পাৰস্পৰিক সম্পৰ্ক, বোস আইনষ্টাইন সংখ্যায়ন।

দীৰ্ঘ দুশ বছৰ ধৰি নিউটনৰ ধ্যান ধাৰণাই বিশ্বৰ চৰম আৰু পূৰ্বনিৰ্দিষ্ট চিত্ৰৰূপে গৃহীত হয়। জগত যেন এটা বিৰাট যন্ত্ৰ, সুনিৰ্দিষ্ট যান্ত্ৰিক নিয়মত সি চলি আছে। বিৰাট ব্ৰহ্মাণ্ডৰ গ্ৰহ-তাৰকা, ধূমকেতু নীহাৰিকাৰ পৰা আৰম্ভ কৰি পথৰ এটা ক্ষুদ্ৰ বালিকণাও এই যান্ত্ৰিক নিয়মৰ অধীন। ভবা হ'ল, বিজ্ঞানৰ মূল সমস্যাৰ সমাধান হৈ গৈছে। আলেকজেণ্ডাৰ পোপে লিখিলে ——



"Nature and Nature's law lay hid in night. God said, let Newton be ! and all was light." তাৰ পিছত আহিল আইনষ্টাইন। আহিল তেওঁৰ আপেক্ষিক তত্ত্ব লৈ। এই তত্ত্বই নিউটনৰ সু-নিৰ্দিষ্ট নিয়মত যেন বিঘিনিপথালি লগাই দিলে। আপেক্ষিক তত্ত্বৰ আৱিৰ্ভাবত সেয়ে কোনো কোনো ৰসিকে আলেকজেণ্ডাৰ পোপৰ শাৰী দুটিৰ লগত জুৰি দিলে —

" But not for long. Let Einstein be ! the Devil said, 't was dark : the light had fled."

নিউটনৰ বলবিদ্যাৰ নিচিনাই আপেক্ষিক তত্ত্ব বিজ্ঞানৰ বুৰঞ্জীত এটা উল্লেখযোগ্য দিকচিহ্ন। এই তত্ত্বই মানুহৰ চিন্তাৰ ধাৰাটোৰেই ওলোটাই দিলে। আইনষ্টাইনৰ নামৰ লগত অবিচ্ছেদ্যভাৱে জড়িত হৈ আছে তেওঁৰ আপেক্ষিকতাৰ তত্ত্ব। এইটো তত্ত্বই বিজ্ঞান জগতত আমূল বিপ্লৱ ঘটাইছে যাৰ আজিও প্ৰত্যক্ষ আৰু পৰোক্ষ সংঘাত চলিছে। আপেক্ষিক তত্ত্বৰ আৱিভাৰ্বত প্ৰমাণ হ'ল যে, বিজ্ঞানে সবালকত্ব অৰ্জন কৰিছে। মানুহক বিশ্বৰ কেন্দ্ৰৰূপে ধৰাৰ প্ৰৱণতাৰ পৰা বিজ্ঞানৰ মুক্তি ঘটিছে।

সময়ো যে আপেক্ষিক, পৰম নহয়, আইনষ্টাইনৰ এই দুঃসাহসিক গাণিতিক সিদ্ধান্তও পৰীক্ষা কৰা হৈছে আধুনিক সূক্ষ্মতম প্ৰযুক্তিৰে। ১৯৭১ চনৰ ৪ অক্টোবৰত যুক্তৰাষ্ট্ৰৰপৰা এটা জেট লাইনাৰ পূবফালে যাত্ৰা আৰম্ভ কৰে। বিমানটিত আছিল চাৰিটা নিখুঁত সময় দিয়া চিজিয়াম পাৰমাণৱিক ঘড়ী। এসপ্তাহ পাছত আৰু এটা জেট বিমানে অনুৰূপ যাত্ৰা আৰম্ভ কৰে। ইয়াতো চাৰিটা অনুৰূপ ঘড়ী আছিল। দুয়োটা জেট বিমানৰ ঘড়ীকেই মিলাই লোৱা হৈছিল যুক্তৰাষ্ট্ৰৰ ন্যাভাল অৱজাৰভেটৰী ঘড়ীৰ লগত। দেখা গৈছিল অৱজাৰভেটৰী ঘড়ীৰ তুলনাত পূবফালৰ জেটৰ ঘড়ীয়ে ৫৯ ন্যানো চেকেণ্ড ( $৫৯ \times ১০^{-৯}$ চেকেণ্ড ) সময় হেৰুৱাইছে আৰু পশ্চিমৰ জেটৰ ঘড়ীয়ে ২৭৩ ন্যানো চেকেণ্ড লাভ কৰিছে। ইয়াৰপৰা বুজা যায় পৰস্পৰৰ সাপেক্ষে চলমান দুটা ঘড়ীয়ে একেই সময় নিদিয়ে। আইনষ্টানইৰ প্ৰস্তাৱনা : সময় আপেক্ষিক, পৰম নহয়; ইয়াৰ এক আশ্চৰ্য্য উজ্জ্বল প্ৰমাণ — এই পৰীক্ষা।

১৯১৫ চনত সাধাৰণ আপেক্ষিক তত্ত্বৰ ওপৰত প্ৰকাশিত গৱেষণাপত্ৰত আইনষ্টাইনে কেইটামান ভৱিষ্যৎবাণী কৰে। ইয়াৰ ভিতৰত আটাইতকৈ নাটকীয় আছিল মহাকৰ্ষ ক্ষেত্ৰত আলোকৰশ্মিৰ বিচ্যুতি অৰ্থাৎ পোহৰৰো মহাকৰ্ষজ বল আছে। কিদৰে এইটো প্ৰমাণ কৰিব পৰা যায়? বিশিষ্ট বিজ্ঞানী সকলেতো এই কথা লৈ বিদ্ৰূপেই আৰম্ভ কৰি দিছিল।

১৯১৭ চনৰ প্ৰথমফালে বিশ্ববিশ্ৰুত ব্ৰিটিছ জ্যোতিৰ্বিদ আৰু পদাৰ্থবিদ ছাৰ আৰ্থাৰ এডিংটনে পোহৰৰ মহাকৰ্ষজ বল আছেনে নাই তাক পৰ্য্যৱেক্ষণৰদ্বাৰা পৰীক্ষা কৰাৰ এক প্ৰস্তাৱ দিলে। পোহৰৰ যদি ভৰ থাকে তেনেহ'লে কোনো গুৰুভাৰ বস্তুৰ কাষেদি যোৱাৰ সময়ত সেই বস্তুৰ ফালে পোহৰৰ বিচ্যুতি ঘটিব। আপেক্ষিক তত্ত্বৰ গণনা অনুযায়ী আইনষ্টাইনে ক'লে যে সূৰ্য্যৰ দৰে গুৰুভাৰ বস্তুৰ কাষেদি গলে পোহৰৰ ৰশ্মি সৰলৰেখাৰ পৰা ১.৭৫ চেকেণ্ড কোণ পৰিমান বেঁকা হ'ব। গতিকে এডিংটনে প্ৰস্তাৱ দিলে যে : সুদূৰৰ কোনো নক্ষত্ৰৰ দুবাৰ ফটো তোলা হওক — এবাৰ সূৰ্য্যৰ কাষত, দ্বিতীয়বাৰ যেতিয়া সূৰ্য্য সেই নক্ষত্ৰৰপৰা বহু দূৰৈত। তেতিয়াহ'লে প্ৰথম ফ'টগ্ৰাফত নক্ষত্ৰৰ প্ৰতিবিম্বক দ্বিতীয় ফ'টগ্ৰাফৰ প্ৰতিবিম্বৰ তুলনাত বেছি বিচ্যুত দেখাব। কিন্তু মস্কিল হ'ল, আকাশত যেতিয়া সূৰ্য্য থাকে, কবলৈ গ'লে কোনো নক্ষত্ৰই দেখা নাযায়। কিন্তু সূৰ্য্য-গ্ৰহণৰ সময়ত এনেধৰণৰ নক্ষত্ৰৰ ফ'টগ্ৰাফ সহজেই ল'ব পাৰি। ১৯১৯ চনৰ ২৯ মে'ত এনেকুৱা এটা সূৰ্য্য-গ্ৰহণ হোৱাৰ কথা আছিল। যি অঞ্চলত পূৰ্ণগ্ৰাস সূৰ্য্যগ্ৰহণ হ'ব সেই অঞ্চলত এডিংটনে বৈজ্ঞানিক অভিযানৰ ব্যৱস্থা কৰিলে। মুঠতে দুটা অভিযানৰ ব্যৱস্থা কৰা হ'ল। এটা পশ্চিম

আফ্রিকাৰ প্ৰিন্সিস দ্বীপত আৰু দ্বিতীয়টো ব্ৰাজিলৰ সোবৰালত। বিজ্ঞানীসকলে সূৰ্য্য--গ্ৰহণৰ দিনা আৰু তাৰ ছমাহ পিছত নক্ষত্ৰৰ ফটো ল'লে। দুই ফটোগ্ৰাফ মিলাই দেখা গ'ল যে, আইনষ্টাইনৰ সাধাৰণ আপেক্ষিক তত্ব অনুসৰি নক্ষত্ৰৰ প্ৰতিবিম্ববোৰৰ সচাঁকৈয়ে বিচ্যুতি ঘটিছে। আইনষ্টাইনলৈ খবৰ পঠোৱা হৈছিল. "আপেক্ষিক তত্ব প্ৰমাণিত হৈছে!"

১৯১৭ চনৰ ৰচনাত আইনষ্টাইনে বিশেষকৈ এটা প্ৰক্ৰিয়াৰ কথা লিখিছিল। ইয়াৰ নাম Stimulated Emission বা উদ্দীপিত নিঃসৰণ। আজিৰ লেজাৰ ৰশ্মি যি অঘটন-ঘটন-পটিয়সী ৰূপে আত্মপ্ৰকাশ কৰিছে সাতসত্তৰ বছৰ আগতে প্ৰকাশিত আইনষ্টাইনৰ সেই ৰচনাটিত এই অসাধাৰণ ৰশ্মিৰ বিষয়টো নিহিত আছিল। তেতিয়া কাৰো ধাৰণাত এই কথাটো অহা নাছিল। সেইকাৰণেই ভাব হয় যে আইনষ্টাইনৰ ৰচনাত হয়তো এনে বহু সম্পদ নিহিত হৈ আছে যি এতিয়াও ধৰা পৰা নাই।

আপেক্ষিক তত্বৰ প্ৰয়োগত নিউক্লীয় পদাৰ্থবিজ্ঞানত দুই ধৰণৰ পাৰমাণৱিক বিক্ৰিয়াৰ কথা ভবিষ্যৎবাণী কৰা হৈছিল। গধুৰ পৰমাণু কেন্দ্ৰৰ বিভাজন বা লঘু পৰমাণু কেন্দ্ৰৰ সংযোজন ফিচন আৰু ফিউচন। উভয়ক্ষেত্ৰতেই একধৰণৰ পৰমাণু অন্য ধৰণৰ পৰমাণুত পৰিণত হয়। নবলব্ধ পৰমাণুৰ ভৰ প্ৰাথমিক পৰমাণুবোৰৰ ভৰৰ তুলনাত কম। ভৰৰ এই হ্ৰাসত উভয় ক্ষেত্ৰতেই শক্তিৰ উদ্ভৱ ঘটে। উৎপন্ন শক্তিৰ পৰিমান - ভৰ হ্ৰাস×( পোহৰৰ বেগ)$^2$ ৰ সমান আৰু অবিশ্বাস্য ৰকমৰ বেছি।

ভৰ আৰু শক্তিৰ সমীকৰণটো ($E=mc^2$) যেতিয়া বিংশ শতাব্দীৰ প্ৰথম দশকত জাৰ্মানী, চুইজাৰলেণ্ড আদি ঠাইত তেওঁ ব্যাখ্যা কৰি কৈছিল যে সামান্য ভৰৰ পৰিবৰ্তে প্ৰচণ্ড শক্তিৰ উদ্ভৱ ঘটিব তেতিয়া অনেকে জানিব বিচাৰিছিল যে কিদৰে এই শক্তিক পোৱা যাব? উত্তৰত আইনষ্টাইনে কৈছিল -- "এই শক্তি আমাৰ জীৱনকালত প্ৰাপ্তি হোৱা সম্ভৱ নহয়।" কিন্তু এই অসম্ভৱো সম্ভৱ হ'ল। ১৯৩০ৰ দশকৰ শেষৰফালে নিউট্ৰনেৰে ইউৰেনিয়াম পৰমাণুৰ বিভাজন প্ৰক্ৰিয়া আবিস্কৃত হ'ল। পৰমাণু বিভাজনৰ এই নতুন ৰূপ দেখি আইনষ্টাইন খুব বিস্মিত হ'ল। সেই সময়ত বিজ্ঞানী নীল্চ-ব'ৰ ও আইনষ্টাইনক দেখা কৰিবলৈ আহিছিল আৰু প্ৰসঙ্গটো লৈ আলোচনা কৰিছিল। ব'ৰ-ক আইনষ্টাইনে কৈছিল—"মোৰ জীৱনকালত এই শক্তি পোৱা যাব, কল্পনাও কৰা নাছিলো।"

আইনষ্টাইনৰ যুগত পাৰমাণৱিক যুগৰ আৰম্ভ হৈছিল। কলহৰ দৈত্য এৰি দিয়া হৈছিল হিৰোছিমা-নাগাছাকিৰ বীভৎস গণহত্যাত। সকৰেপৰাই যুদ্ধৰ প্ৰতি আছিল আইনষ্টাইনৰ তীব্ৰ ঘৃণা। "The world I see it" প্ৰবন্ধত যুদ্ধৰ প্ৰতি তেওঁৰ মনোভাৱ পৰিস্ফুট হয়। তেওঁ লিখিছিল —— বাজনাৰ তালে তালে শাৰীবদ্ধ হৈ কোনোবাই যে কুচকাৱাজ কৰি আনন্দ পাব পাৰে— সেইখিনি জনাই তেওঁৰ প্ৰতি মোৰ ভক্তি নাইকিয়া হোৱাৰ পক্ষে যথেষ্ট। ভুলতে তেওঁক এটা ডাঙৰ মস্তিষ্ক দিয়া হৈছে। মাত্ৰ মেৰুদণ্ড থাকিলেও তেওঁৰ কাম চলি গলহেঁতেন। সভ্যতাৰ এই বেমাৰটোক দ্ৰুত অপসাৰণ কৰা দৰকাৰ। কাণ্ডজ্ঞানহীন দেশপ্ৰেম আৰু হিংসাৰ নামত যিবোৰ চূড়ান্ত মূৰ্খামি চলে মই তাক মনে-প্ৰাণে ঘিণ কৰোঁ। এনেকুৱা ঘৃণ্য কামত অংশ গ্ৰহণ কৰাতকৈ মই পৃথিৱীৰ পৰাই লুপ্ত হৈ যাম। টুকুৰা-টুকুৰকৈ কাটি পেলালেও মোৰ দ্বাৰা এই কাম নহ'ব।

দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আইনষ্টাইনে আমেৰিকাৰ প্ৰেচিডেণ্ট ৰুজভেল্টক জাৰ্মানীয়ে যাতে পাৰমাণৱিক বোমা পাব নোৱাৰে তাৰ বাবে সাৱধান কৰি দিছিল। তেওঁৰ চিঠিৰ বাবে জাৰ্মানীয়ে বোমা নাপালে সচাঁ কিন্তু তাৰ পাছত জাপানৰ ওপৰত প্ৰয়োগ কৰাৰপৰা আইনষ্টাইনে ৰক্ষা কৰিব নোৱাৰিলে যদিও তেওঁ বোমা পেলোৱাৰ-পৰা নিবৃত্ত কৰিবলৈ ৰুজভেল্টলৈ চিঠি দিছিল।



আইনষ্টাইনৰ সৰুকাল। আইনষ্টাইন তেতিয়া প্ৰাইমেৰী স্কুলৰ ছাত্ৰ। গণিতত বিশেষকৈ বীজগণিতত আইনষ্টাইনৰ আশ্চৰ্য্য জ্ঞান পাঁচ-ছয় বছৰ বয়সতেই দেখা গৈছিল। দহ বছৰ বয়স নৌহওঁতেই তেওঁৰ গণিত বুজাৰ ক্ষমতা ইমানেই বাঢ়ি গ'ল যে, শিক্ষকৰ কাৰণে আইনষ্টাইনক বুজোৱাৰ ক্ষমতাই নাইকিয়া হ'ল। তেওঁৰ বয়স তেতিয়া বাৰ। পিছৰ বছৰত স্কুলত বীজগণিত আৰু জ্যামিতি পঢ়া আৰম্ভ হোৱাৰ কথা। তেওঁতো বীজগণিতত পৰিচয় হৈছেই। কিন্তু জ্যামিতিৰ সম্পৰ্কে একোৱেই জনা নাছিল। জ্যামিতিৰ এখন কিতাপ লুটিয়াই চাই ইমানেই ভাল পালে যে কোনোমতেই সেইটো এৰিব নোৱাৰা হ'ল। নিজে নিজে আৱিস্কাৰ কৰিলে এটাৰ পিছত এটা ইউক্লিডৰ উপপাদ্য, বিনা সাহায্যত প্ৰমাণ কৰিলে পাইথাগোৰাছৰ থিয়ৰেম।

সন্মান, পুৰস্কাৰ আদিৰ প্ৰতি আইনষ্টাইনৰ কেতিয়াও কোনো লোভ নাছিল। তেওঁ মাথো বিশ্বৰহস্য জানিবলৈ আৰু বুজিবলৈহে নিজকে নিয়োগ কৰিছিল। সেয়ে তেওঁৰ "অবিচোৱাৰী"ত বহু কথাৰ উল্লেখ আছে, কিন্তু নোবেল পুৰস্কাৰ প্ৰাপ্তিৰ কোনো উল্লেখ তাত নাই। নোবেল পুৰস্কাৰ লৈ কোনোৰকমৰ মানসিক আলোড়ন তেওঁৰ নাছিল। বিজ্ঞানী ইনফেল্ডৰ ভাষাত—"আইনষ্টাইনে যিদিনা নোবেল পুৰস্কাৰ পোৱাৰ কথা শুনে, সেই ৰাতি যদি তেওঁৰ টোপনি অহা নাছিল, তেনেহলে তাৰ কাৰণ হ'ল তেওঁ কিবা বৈজ্ঞানিক সমস্যালৈ গভীৰভাবে চিন্তা কৰি আছিল। সম্ভৱতঃ নোবেল বঁটাৰ পদকটো তেওঁ নিজেই ভালদৰে দেখা নাই।

এইজনা বিজ্ঞানী এজন সুনিপুণ বেহেলা বাদক আছিল। কেতিয়াবা অবসৰ সময়ত তেওঁ বেহেলা লৈ তন্ময় হৈ পৰিছিল। মধ্য জাৰ্মানীৰ এখন বাতৰিকাকতত এদিনাখন বাতৰি প্ৰকাশ হৈছিল এনেদৰে — "মহান সংগীতজ্ঞ আলবাৰ্ট আইনষ্টাইনৰ সাৰ্থক আবিৰ্ভাৱ।"

১৯২৫ চনত বিজ্ঞানী মিলিকানে আমেৰিকালৈ আইনষ্টাইনক আমন্ত্ৰণ জনাইছিল। বিশেষ আপেক্ষিক তত্ব তেওঁৰ মুঠেই পছন্দ নাছিল, যেনেদৰে নাছিল সেই যুগৰ আৰু অনেক বিজ্ঞানীৰ। মিলিকানে আনকি ৰিলেটিভিটিক নাইকিয়া কৰিবলৈ বহু সাক্ষ্যপ্ৰমানো যোগাৰ কৰিছিল। কিন্তু কি আশ্চৰ্য্য! কামৰ শেষত দেখিছিল, তেওঁৰেই ৰিলেটিভিটিৰ অন্যতম পৃষ্ঠপোষক নহয়, তাতকৈয়ো বেছি, আইনষ্টাইনৰ ভক্ত। ১৯৩০ চনতহে আইনষ্টাইন আমেৰিকালৈ যাব পাৰিছিল। নিউয়ৰ্ক বন্দৰত জনৈক সাংবাদিকে প্ৰশ্ন কৰিলে — "মাত্ৰ এটা বাক্যত আপুনি ৰিলেটিভিটি থিয়োৰী ব্যাখ্যা কৰিব পাৰিবনে" আৰম্ভ হ'ল সেই বিখ্যাত গল্প। "জ্বলন্ত ষ্টোভৰ ওপৰত এক চেকেণ্ড বহিলে ভাৱ হয় যেন অনন্তকাল; আৰু মোহময়ী সুন্দৰী নাৰীৰ লগত একঘণ্টা কটালেও ভাৱহয় এক মুহূৰ্ত। স্থান — কাল- পাত্ৰত সময় পৰিবৰ্তিত হয়।' সাংবাদিক সকলেতো বৰ আনন্দ পালে।

বিজ্ঞান আছিল আইনষ্টাইনৰ জীৱনৰ এক অবিচ্ছেদ্য সত্বা। অদৃষ্ট, জীৱন আৰু মৃত্যুৰ প্ৰতি তেওঁৰ মনোভাৱ আছিল প্ৰকৃততে বিজ্ঞানৰ প্ৰতি তেওঁৰ মনোভাবৰ প্ৰতিফলন মাত্ৰ। এবাৰ এজন সাক্ষাতপ্ৰাৰ্থীয়ে তেওঁক প্ৰশ্ন কৰিছিল — "আপোনাৰ সপোন সাৰ্থক নে, ব্যৰ্থ — মৃত্যুশয্যাত কোনোবাই এই প্ৰশ্ন কৰিলে আপোনাৰ উত্তৰ কি হ'ব?" প্ৰশ্নৰ আন্তঃসাৰশূন্যতাত ভ্ৰূক্ষেপ নকৰি সৰল আৰু অকপটে আইনষ্টাইনে কৈছিল— মৃত্যুশয্যাতেই হওক বা অন্যসময়তেই হওক, এনেধৰণৰ প্ৰশ্নত মই মুঠেই উৎসাহবোধ নকৰিম। কিয়নো মই এই বিশ্বৰ ক্ষুদ্ৰতকৈও ক্ষুদ্ৰ কণাৰ বাহিৰেতো আন একো নহয়। বিজ্ঞানী ইনফেল্ডৰ লগত আলোচনা প্ৰসঙ্গত তেওঁ এবাৰ কৈছিল — "এই জীৱনটো বৰ উদ্দীপনাময়ী এটা ঘটনা! বৰ ভাল লাগে। বৰ সুন্দৰ। কিন্তু যদি জানিলোহেঁতেন আৰু মাত্ৰ তিনি-

ঘন্টাৰ পিছত জীৱনৰ অৱসান ঘটিব তেতিয়াহলেও বিচলিত নহ'লো হেঁতেন। মাত্র চিন্তা হলহেঁতেন কিদৰে এই শেষ তিনিঘন্টাৰ সদব্যৱহাৰ কৰিম। তাৰ পাছত কাগজপত্র সামৰি শুই পৰিলোহেঁতেন চিৰশান্তিৰ কোলাত।



★✻✻✻✻✻✻✻✻✻✻✻✻✻✻✻★

দুখ কষ্টই জগতৰ সকলো বস্তুৰ মূল। মানুহে যি যি বস্তু নির্মাণ কৰিছে, সেই সকলো দুখ-কষ্টৰ দ্বাৰাই কৰিছে। ইয়াৰ দ্বাৰা যিটো নির্মাণ কৰা নাই, সেইটো তেওঁৰ সম্পূর্ণ সপক্ষে হোৱা নাই আৰু তাত তেওঁৰ আন্তৰিকতাও নাই।

— ৰবীন্দ্র নাথ ঠাকুৰ

মহৎ লোকৰ মৃত্যু নঘটে, জন্মৰ লগতে তেওঁলোকে এক মৃত্যুহীন প্রাণ সঙ্গী কৰি লৈ আহে আৰু মৃত্যুত তাকো দান কৰি থৈ যায়।

-- ৰবীন্দ্র নাথ ঠাকুৰ

★✻✻✻✻✻✻✻✻✻✻✻✻✻✻✻★



# — শিল্পী আৰু সংগীতজ্ঞ ৰূপে —

# মা ধ ৱ দে ৱ

লুচী চাংমাই
স্নাতক; ৩য় বার্ষিক (কলা)

গীতিকাৰে যিদৰে গীতৰ দ্বাৰা, কবিয়ে যিদৰে কবিতাৰ দ্বাৰা নিজৰ অনুভূতি প্রকাশ কৰে, সেইদৰে শিল্পীয়ে তেওঁৰ শিল্প কর্মৰ দ্বাৰা নিজৰ সুপ্ত প্রতিভা প্রকাশ কৰিব বিচাৰে। ঠিক তেনেদৰে মাধৱদেৱেও তেওঁৰ শিল্পী সুলভ মনোভাৱ প্রকাশ কৰিছিল "গোৱৰ্ধন যাত্রা'ৰ কৃত্রিম পর্বত, 'ৰাম যাত্রা'ত ৰথ, প্রতিমা আদিৰ নির্মাণৰ দ্বাৰা।

অসমৰ সাংস্কৃতিক জগতত গীতে মাতে খলক লগোৱা নৱ-বৈষ্ণৱ যুগটো আছিল সংস্কৃতিৰ এক সোণালী যুগ। এই যুগৰ অন্যতম অতুলনীয় ব্যক্তিত্বৰ অধিকাৰী আছিল এক কলাৰসিক ব্যক্তি, যিজন আছিল একেধাৰে শাস্ত্রজ্ঞ, পণ্ডিত, গীতিকাৰ, কবি, বিশিষ্ট কলাকাৰ আৰু প্রখ্যাত ধর্মগুৰু। এই বিচিত্র বহুমুখী প্রতিভাৰ সমাবেশিক মাধৱদেৱক তুলনা কৰিব পাৰি একমাত্র শংকৰদেৱৰ লগতহে। এই বিৰল প্রতিভাৰ গৰাকীজনে সকলো ক্ষেত্রতে পাৰদর্শিতা দেখুওৱাৰ দৰে শিল্প আৰু সংগীতৰ ক্ষেত্রতো এক বিৰল প্রতিভাৰ নিদর্শন দি থৈ গৈছে। গীতিকাৰে যিদৰে গীতৰ দ্বাৰা, কবিয়ে যিদৰে কবিতাৰ দ্বাৰা নিজৰ অনুভূতি প্রকাশ কৰে, সেইদৰে শিল্পীয়ে তেওঁৰ শিল্পকর্মৰ দ্বাৰা নিজৰ সুপ্ত প্রতিভা প্রকাশ কৰিব বিচাৰে। ঠিক তেনেদৰে মাধৱদেৱেও তেওঁৰ শিল্পী সুলভ মনোভাৱ প্রকাশ কৰিছিল "গোৱৰ্ধন যাত্রা"ৰ কৃত্রিম পর্বত, 'ৰাম যাত্রা'ত ৰথ, প্রতিমা আদিৰ নির্মাণৰ দ্বাৰা। তেওঁৰ সবাতোকৈ শ্রেষ্ঠ শিল্পকীর্তি হল — বৰপেটাৰ ৰঙিয়াল ঘৰ নির্মাণ। এই ঘৰটো আছিল এফালে প্রার্থনা গৃহ আৰু আনফালে ভাওনা অভিনয়ৰ সময়ত ইয়েই হৈ পৰিছিল ৰংগমঞ্চ আৰু প্রেক্ষাগৃহ। ৰঙিয়াল ঘৰ, ৰংগাৱন ঘৰ, বৰঘৰ, আৰু নটুৱা ঘৰ নামেৰে জনাজাত এই ঘৰটো দেখাত আছিল অতিশয় মনোৰম। কাঠ

আৰু বাঁহৰ হেঙুল বোল দি সজা ঘৰটোৰ বিশাল খুটাসমূহ বালিচন্দা আৰু ৰাংপতাৰে সুশোভিত কৰা হৈছিল।

**সংগীতজ্ঞ :—**

শ্ৰীমন্ত শংকৰদেৱৰ দৰে মাধৱদেৱো আছিল সৰ্বগুণী [illegible] প্ৰতিভাৰ অধিকাৰী। তদুপৰি তেওঁৰ আছিল গুৰুজনাতকৈ অতিৰিক্ত এটি প্ৰতিভা, সেইটো হৈছে সুৰীয়া কণ্ঠস্বৰেৰে ঠাইতে ৰচি গীত গোৱাৰ এটি ক্ষমতা। তেওঁ আছিল একেধাৰে গীতিকাৰ, সুৰকাৰ, আৰু গায়ক। নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰত এই গীত সমূহে বিশেষ ভাৱে সহায় কৰিছিল। মানুহৰ মুখে মুখে দূৰদূৰণিলৈ বিয়পি পৰা এই গীতৰ সূত্ৰ ধৰি একাধিক বিশিষ্ট ব্যক্তিয়ে বৈষ্ণৱ ধৰ্মত শৰণ লৈছিলহি। গীতসমূহৰ এনে জনপ্ৰিয়তাৰ অন্যতম প্ৰধান কাৰণ আছিল মাধৱদেৱৰ ৰচনাৰ সৰলতা আৰু তেওঁৰ সুৰীয়া কণ্ঠত প্ৰকাশ পোৱা সেইবোৰৰ অনুপম আকৰ্ষণ। তেওঁৰ কণ্ঠস্বৰৰ মোহিনী শক্তি হেনো ইমানেই প্ৰৱল আছিল যে যেতিয়া তেওঁ গোৱৰ্দ্ধন যাত্ৰা পাতি মেঘমণ্ডলি ৰাগ দিছিল তেতিয়া আকাশ ক'লা কৰি মেঘ আৰু বৰষুণ নামি আহিছিল। তেওঁৰ গীতৰ আবেদনো ইমান পখৰ আছিল যে শ্ৰোতাৰ অন্তৰ কঁপাই চকুৰ পানী উলিয়াইছিল।

মাধৱদেৱৰ বৰগীতবোৰ আছিল দুখীসকলৰ সান্ত্ব-নাৰ উৎস আৰু বিৰক্তসকলৰ প্ৰবোধৰ আহিলা। বিভিন্ন সময়ত বিভিন্ন পৰিবেশত গীত ৰচনা কৰি তেওঁ শ্ৰোতা-সকলক মুগ্ধ আৰু বিস্ময়াভিভূত কৰি তুলিব পাৰিছিল। অনুৰুধ কৰাৰ লগে লগে গীত ৰচনা কৰি যোৱাৰ এক বিৰল প্ৰতিভা তেওঁৰ আছিল। তেওঁৰ [illegible] আৰু কোমলতাৰ অপূৰ্ব সংমিশ্ৰণৰ উপৰিও বেদান্তৰ দুৰূহ তত্ত্ব একোটিও সাধাৰণ শ্ৰোতাৰ বাবে বোধগম্য হৈ ধৰা দিছিল।

তেওঁৰ কিছুমান বৰগীত ৰচনাৰ আঁৰত একোটি বিশেষ কাৰণ থকা বুলি চৰিত পুথিয়ে সকীয়াই দিয়ে। তেওঁৰ ‘ভয়ো ভাই সাৱধান’ গীতটি ৰচনাৰ আঁৰত আছিল হৰি জেঁৱাইৰ শিৰচ্ছেদৰ করুণ মুহূৰ্ত। ঠিক সেইদৰে ‘আলো মঞি কি কৰহ দুখ, পৰাণ নিগৰে নাদেখিয়া চান্দ মুখ” গীতটো শংকৰদেৱৰ মৃত্যুৰ বাতৰি পাই ৰচনা কৰা বুলি বিশ্বাস কৰা হয়।

জনমানসত প্ৰতিফলিত হোৱা এই বিশ্বাসবোৰ যে ধ্ৰুৱ সত্য সেই কথা কব নোৱাৰিলেও চৰিত পুথিত থকা এই বিৱৰণে গীতিকাৰ গায়ক মাধৱদেৱৰ ওপৰত থকা চৰিতকাৰৰ অগাধ শ্ৰদ্ধাৰ কথাকেই সুঁৱৰিব পাৰি।

> “মানুহৰ মাজত দেৱতা আছে। সেই দেৱতাক কামেৰে আৰু বিশ্বাসেৰে পাব পাৰি।— ছক্ৰেটিছ



*ক্ৰীড়া বিষয়ক প্ৰবন্ধ*

# ॥ কেৰাটে ডু ॥

বিভা দেউৰী
স্নাতক তৃতীয় বৰ্ষ (বিজ্ঞান)

এণ্টাৰ দা ড্ৰেগনত ব্ৰুছলীৰ অভূতপূৰ্ব্ব আত্মৰক্ষাৰ কৌশল তথা সুকীয়া সুকীয়া উত্তেজনা পূৰ্ণ ভংগিমা, চমকপ্ৰদ কৌশলে ডেকা-গাভৰুৰ মন ৰোমাঞ্চিত কৰি তুলিলে আৰু ভীষণ ভাৱে আকৰ্ষিত হ'ল বহু লোক। ফল স্বৰূপেই জন্ম হল কেৰাটে প্ৰশিক্ষণৰ অনুষ্ঠান।

বিশ্বৰ বহু প্ৰচাৰিত আৰু জনপ্ৰিয় আত্মৰক্ষা ক্ৰীড়া হ'ল “কেৰাটে ডু”। অতীতৰ পৰা বৌদ্ধ সন্ন্যাসীসকলৰ মাজত প্ৰচলিত হৈ অহা আৰু বৌদ্ধ ধৰ্মীয় অনুষ্ঠান-সমূহত সীমাবদ্ধ হৈ থকা কুংফু, কেৰাটে, জুডু আদি কৌশলপূৰ্ণ খেলসমূহে আজি সমগ্ৰ বিশ্বতে সৰ্বাধুনিক ৰূপত গ্লেমাৰসহ আত্মপ্ৰকাশ কৰিছে। কেৰাটে জনপ্ৰিয়তা আৰু বহুপ্ৰচাৰিত হ'ল চলচ্চিত্ৰৰ যোগেদি। কুংফু কেৰা-টেক বিশ্বৰ অধিক জনপ্ৰিয় কৰি তোলে ব্ৰুছ'লী অভিনীত এণ্টাৰ দা' ড্ৰেগনেই। এণ্টাৰ দা ড্ৰেগনত ব্ৰুছ'লীৰ অভূত পূৰ্ব আত্মৰক্ষাৰ কৌশল, তথা সুকীয়া সুকীয়া উত্তেজনাপূৰ্ণ ভং-গিমা, চমকপ্ৰদ কৌশলে ডেকা গাভৰুৰ মন ৰোমাঞ্চিত কৰি তুলিলে আৰু ভীষণভাৱে আকৰ্ষিত হ'ল বহুলোক। ফল-স্বৰূপেই জন্ম হ'ল কেৰাটে প্ৰশিক্ষণৰ অনুষ্ঠান। ভাৰততো নগৰ চহৰৰ চুকে-কোণে প্ৰতিষ্ঠা হ'ল এই প্ৰশিক্ষণৰ অনুষ্ঠান। তিনিবছৰ বয়সৰ পৰা কেৰাটে প্ৰশিক্ষণ লোৱা 'নবোল নাৰীমন' হ'ল ভাৰতৰ আটাইতকৈ কম বয়সীয়া “ব্লেক বেল্ট” কেৰাটেকাৰ।

“কেৰা” শব্দৰ অৰ্থ হ'ল খালী, 'টে' শব্দৰ অৰ্থ হ'ল 'হাত' আৰু 'ডু'ৰ অৰ্থ হ'ল কলা। “কেৰাটে ডু” অৰ্থাৎ- “খালী হাতৰ বিদ্যা'। এই খালী হাতৰ বিদ্যা' কেতিয়াৰ পৰা কেনেকৈ সৃষ্টি হ'ল জনা নাযায়। কিছু-মান বিশেষজ্ঞৰ মতে ৫০০০ খৃঃ পূঃ ত হিন্দু উপত্যকাত এজন ৰাজকুমাৰে প্ৰথমে কেৰাটে কৌশল আৱিষ্কাৰ কৰে। এই ৰাজকুমাৰে বিভিন্ন ধৰণৰ ঘৰচীয়া আৰু বনৰীয়া জীৱ জন্তুবোৰৰ চলন ফুৰণ অংগ সঞ্চালন আৰু আত্মৰক্ষাৰ লক্ষ্যণসমূহ অতি মনোযোগেৰে নিৰীক্ষণ কৰিছিল। এইদৰে নিৰীক্ষণ কৰি কৰি বৰ আমোদ পাইছিল আৰু এদিন হঠাৎ তেওঁৰ মনতে খেলালে যে বন্যপ্ৰাণীৰ এই আত্ম-ৰক্ষাৰ কৌশলসমূহ মানুহৰ মাজত প্ৰয়োগ কৰিলে কেনে-হয়। ইয়াৰ ফলতেই জন্ম হ'ল কেৰাটে কৌশল। অৱশে

এই কথা কিমানদূৰ সত্য জনা নাযায় কিন্তু এজন বৌদ্ধ সন্ন্যাসীয়ে এই বিদ্যা ৫২৫ খৃষ্টাব্দত প্ৰথমে চীনদেশত প্ৰৱৰ্তন কৰে। এইবোৰৰ আধাৰতেই পাছলৈ কেৰাটে কুংফুৰ সৃষ্টি হ'ল। ফাংকোছি গিনিছক কেৰাটেৰ পিতৃ আখ্যা দিয়া হয়। তেওঁ ১৯২৩ চনত এই ক্ৰীড়া কৌশল জাপানত প্ৰৱৰ্তন কৰে। জাপানত ১৯৬৪ চনত পোন প্ৰথমবাৰৰ বাবে **FAJKO (The Federation of all Japan Karate do organization)** স্থাপিত হয়। এই অনুষ্ঠানৰ জড়িয়তে ১৯৭০ চনত টকিঅ'ত প্ৰথম Multistyle world Karate championship প্ৰতিযোগিতা অনুষ্ঠিত হয়।

এই শিক্ষা মুকলি পথাৰত বা কোনো আৱাসগৃহৰ বহল কক্ষত দিয়া হয়। ইয়াৰ Indoor training hall টোক Dojo বুলি কোৱা হয়। খেল পথাৰৰ সীমা ৮মিঃ × ৮মিঃ ৰ এখন বৰ্গক্ষেত্ৰাকাৰ সমতল হব লাগিব। খেল-পথাৰত এজন পৰিচালক, চাৰিজন বিচাৰক, সময়-ৰক্ষক আৰু ৰেকৰ্ডৰক্ষক থাকিব। খেলৰ সময়ত পৰিধান কৰা সাজযোৰ 'কেৰাটেজ' (Karatage) বুলি কোৱা হয়। এই কেৰাটেজ সাজযোৰত এটা বগা সোলোক-ঢোলোক পায়জামা ('ট্ৰাউজাৰ') আৰু এটা বগা জেকেট থাকে। লগতে কঁকালত বন্ধা এডাল ৰঙীন ফিটা থাকে। খেলুৱৈ জনৰ যোগ্যতাৰ মান নিৰ্ণয়ৰ কাৰণে (ইংৰাজীত Grade) এডাল ৰঙীন ফিটা কঁকালত মৰা পদ্ধতি প্ৰয়োগ কৰা হৈছে। ইয়াৰ মান অনুযায়ী দুটা নাম আছে। এটাৰ নাম 'Kyu' অৰ্থাৎ ছাত্ৰাৱস্থা (স্কুলীয়া পাঠ্যক্ৰম) আৰু আনটো হ'ল Dan অৰ্থাৎ স্নাতক মহলা। স্কুলীয়া পাঠ্যক্ৰমত 'গ্ৰেড' দিয়া হয়। এই 'গ্ৰেড' সমূহত ফিটাৰ বিভিন্ন ভাগ অনুযায়ী বিভিন্ন ৰং হয়। ফিটাৰ সংখ্যা আৰু ভাগসমূহৰ বিভিন্ন প্ৰশিক্ষণ কেন্দ্ৰত বিভিন্ন ধৰণৰ হয়। Kyu grade ত এশটা পাঠ্যক্ৰম থাকে। সেই এশটা পাঠ্যক্ৰমত উত্তীৰ্ণ হ'লে দহডাল বিভিন্ন ৰঙৰ Belt লাভ কৰিব। ৰংবোৰ ক্ৰমে বগা, হালধীয়া, কমলা, সেউজীয়া, নীলা, বাদামী ইত্যাদি। এই পাঠ্যক্ৰম শেষ-হোৱাৰ পাছত Dan grade ৰ পাঠ্যক্ৰমত প্ৰৱেশ কৰিব পাৰে। ইয়াত উত্তীৰ্ণ হ'লে **Black Belt** প্ৰদান কৰা হয়। **Black Belt** ৰ দুটা ভাগ আছে। যেনে :- Black Belt Shodan Provisional আৰু Black Belt Shodan Confirmed। Dan পাঠ্যক্ৰমত ১০ ডাল ফিটা বিভিন্ন নামাকৰণেৰে ক্ৰমান্বয়ে গ্ৰেড অনুযায়ী প্ৰদান কৰা হয়। সকলোতকৈ শ্ৰেষ্ঠ সন্মান হ'ল নৱম আৰু দশম ফিটা। এই ফিটা লাভ কৰা কেৰাটেকাৰ জনক Sheehan বুলি কোৱা হয়। এই সন্মানৰ অধিকাৰী জনে Red Belt পৰিধান কৰিব।

খেল পথাৰত পৰিচালকে দুয়োজন প্ৰতিদ্বন্দ্বীকে আৰম্ভণি ৰেখাৰ মুখামুখিকৈ Bow হৈ থকা অৱস্থাত Shobu - Ipponhajaime বুলি কলে প্ৰতিযোগিতা আৰম্ভ হয়। প্ৰতিদ্বন্দ্বিতা চলি থকাৰ সময়ত যদি কোনোবা এজন প্ৰতিদ্বন্দ্বীয়ে One ippon পায়, তেতিয়া পৰিচালকে Soremade বুলি কব আৰু লগে লগে দুয়োজন প্ৰতিদ্বন্দ্বী আৰম্ভণি সীমাৰেখালৈ ঘূৰি যাব আৰু পৰিচালকে Ippon লাভ কৰা প্ৰতিদ্বন্দ্বী জনৰ হাত এখন ডাঙি কি কৌশল ব্যৱহাৰ কৰি Ippon টো পালে তাক জনাই দিব। আৰু যদি কোনো প্ৰতিদ্বন্দ্বীয়ে এক waza - ari পায় তেতিয়া পৰিচালকে yame বুলি কৈ নিজৰ ঠাইলৈ যাব। লগে লগে প্ৰতিদ্বন্দ্বী দুজন আৰম্ভণি ৰেখালৈ যাব আৰু পৰিচালকে waza - ari লাভ কৰা প্ৰতিদ্বন্দ্বীজনৰ হাত এখন ডাঙি কি কৌশল প্ৰয়োগ কৰি waza -ari টো লাভ কৰিলে তাক জনাব। এই দুয়োটা ক্ষেত্ৰত পুনৰ পৰিচালকে Hajime বুলি প্ৰতিযোগিতা আৰম্ভ কৰিব। বিভিন্ন কাৰণত সাময়িক ভাৱে প্ৰতিযোগিতা বন্ধ ৰাখিব পাৰে।

কাৰণ বোৰ হ'ল —

(১) কোনো কাৰ্য্যকৰী কৌশল প্ৰয়োগ নকৰাকৈ যদি যুঁজত লিপ্ত থাকে।

(২) যদি কাৰো হাৰ জিত নোহোৱা যেন দেখে।

(৩) যদি খেল পথাৰৰ সীমাৰ পৰা প্ৰতিদ্বন্দ্বীয়ে বাহিৰ



হৈ যায়।

(৪) যদি কোনো এজন প্ৰতিদ্বন্দ্বীয়ে ফাউল কৰে।

(৫) যদি কোনোবা প্ৰতিদ্বন্দ্বীয়ে আঘাত পায়।

(৬) যদি নিয়ম ভঙ্গ কৰে।

(৭) যদি কিবা কাৰণত বিচাৰকে সংকেত দিয়ে।

যদি কোনো এজন প্ৰতিদ্বন্দ্বীয়েই এটাও Ippon লাভ নকৰাকৈ প্ৰতিদ্বন্দ্বিতা ওৰ পৰে তেতিয়া sore-made বুলি পৰিচালকে খেল বন্ধ কৰিব আৰু লগতে বিচাৰৰ বাবে বিচাৰকক সময় দিব আৰু Hantei বুলি হুইচেল বজাব। তাৰ পাছত বিচাৰকসকলে নিজ নিজ পতাকা দাঙি ভোট দি বিজয়ীজনক নিৰ্বাচন কৰিব। এইক্ষেত্ৰত প্ৰয়োজন হ'লে পৰিচালকে তেওঁৰ সন্মতিটোও হিচাপত ধৰিব পাৰিব। সাধাৰণতে একোখন খেল দুই মিনিটৰ বাবে চলে। কিন্তু প্ৰয়োজন সাপেক্ষে তিনি বা পাঁচ মিনিটলৈকেও খেলাব পাৰে।

এজন কেৰাটেকাৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দিশটো হ'ল শক্তি আৰু বেগ, মানসিক শক্তি শাৰীৰিক শক্তি দুয়োটাই শত্ৰুক ধাৰাশায়ী কৰিব পাৰে। কেৰাটেকাৰ জনৰ অংগ সঞ্চালনত যিমানেই খৰতকীয়া হয় সিমানেই কৌশলসমূহ ফলদায়ক হয়। এজন প্ৰতিদ্বন্দ্বীয়ে আন জনক আক্ৰমণ কৰিবলৈ উদ্যত হোৱাৰ আগমুহূৰ্তত এটা বিকট চিঞৰ মাৰে' ইয়াক "কিৱাই" বুলি কোৱা হয়। উক্ত চিঞৰে কেৰাটেকাৰজনক শাৰীৰিক আৰু মানসিকভাৱে সচেতন কৰাত সহায় কৰে আৰু লগতে দেহত দ্ৰুত শক্তিৰ সঞ্চাৰ কৰে। কেৰাটে বিদ্যা আয়ত্ত কৰাটো ইমান সহজ কথা নহয়। ইয়াক আৰ্জিবলৈ গভীৰ সাধনা, একাগ্ৰতা আৰু অনুশীলনৰ প্ৰয়োজন। তাৰোপৰি বহুত নিয়ম শৃংখলাৰ মাজেদিহে এই বিদ্যা লাভ কৰিব পাৰি। গতিকে এজন সুদক্ষ কেৰাটেকাৰ হবলৈ হ'লে কিছুমান নীতি মানি চলাতো প্ৰয়োজন। Chueh yuan নামৰ এজন বৌদ্ধ সন্ন্যাসীয়ে দহোটা নীতি ১৬ শ শতিকাত প্ৰৱৰ্তন কৰিছিল। সেই কেইটা হ'ল —

(১) এজন ছাত্ৰই প্ৰত্যেকদিনা সময়মতে কৌশল অভ্যাস কৰিব লাগিব।

(২) এই কৌশল মাথো নিজা আত্মৰক্ষাৰ অস্ত্ৰৰূপেহে প্ৰয়োগ কৰিব পাৰি।

(৩) প্ৰতিজন কেৰাটেকাৰে নিজৰ জ্যেষ্ঠজনক আৰু শিক্ষা-গুৰুক উচিত সন্মান দেখুৱাব লাগিব।

(৪) কেৰাটেকাৰ কেতিয়াও কাজিয়া খোৰ বা উদ্ধণ্ড হব নালাগিব।

(৫) প্ৰত্যেকজন ছাত্ৰই নিজা সহপাঠিৰ প্ৰতি সদয়, ভদ্ৰ আৰু বন্ধুত্বপূৰ্ণ ব্যৱহাৰ দেখুৱাব লাগিব।

(৬) মদ্, মাংস ভোজনৰ পৰা নিজকে বিৰত ৰাখিব লাগিব। কিয়নো ই মানসিক স্থিৰতা, ইচ্ছাশক্তি আৰু সংযম নাশ কৰে।

(৭) প্ৰতিজন কেৰাটেৰ ছাত্ৰই কেতিয়াও যৌন বাসনাত লিপ্ত হোৱা উচিত নহয়।

(৮) এই শিক্ষা সদায় নম্ৰ আৰু ধীৰ-স্থিৰ আৰু গুৰুৰ প্ৰতি অনুগত ছাত্ৰকহে দিয়া হয়।

(৯) এজন কেৰাটেকাৰে পৰাপক্ষত নিজৰ কৌশলসমূহ কোনো ৰাজহুৱা ঠাইত বা সাধাৰণ ৰাইজৰ ওচৰত যেতিয়াই-তেতিয়াই, য'তে-ত'তে প্ৰদৰ্শন কৰিব নোৱাৰিব।

(১০) এজন সফল কেৰাটেকাৰ হবলৈ হ'লে তেওঁ সদায় খং-ৰাগ, আত্ম-গৌৰৱ, ফিটাহি, লোভ আদি বদ গুণসমূহ পৰিত্যাগ কৰিব লাগিব।

'কেৰাটে ডু' সচাঁকৈয়ে তকলশৰীয়া মানুহৰ বিপদৰ অস্ত্ৰ। আজি এই দুৰ্নীতি গ্ৰস্ত সমাজত নিজকে প্ৰতিষ্ঠা কৰিবলৈ কেৰাটে শিকাটো একান্তই প্ৰয়োজন হৈ পৰিছে।

# মনঃ সমীক্ষা

আপোনাৰ সমুখেদি পাৰহৈ যোৱা বা আপোনাৰ লগত একেলগে কথা পতা মানুহজন কেনে প্ৰকৃতিৰ আপোনাৰ জানিবৰ মন নাযায় নে? আপুনি ভালকৈ নিৰীক্ষণ কৰিলেই মানুহজনৰ বিষয়ে বহু কথা জানিব পাৰিব।

প্ৰথমে মন কৰক তেওঁৰ খোজ কাটলৰ প্ৰতি :—

- তেওঁ যদি বুকু ফিন্দাই খোজ কাঢ়ে তেন্তে জানিব তেওঁ দাম্ভিক আৰু নিজকে মিছাকৈয়েই অন্যতকৈ শ্ৰেষ্ঠ বুলি ভাৱে।
- তেওঁ যদি জেপত হাত ভৰাই ককাঁল বেঁকা কৰি গোৰোহাৰ ওপৰত বেছি ভৰদি খোজ কাঢ়ে, তেন্তে জানিব তেওঁ সদায় নিজৰ দায়িত্ব এৰাই ফুৰিবলৈ বিচাৰে। অৰ্থাৎ তেওঁ মূৰ পোলোকা মৰা স্বভাৱৰ।
- তেওঁ যদি ধীৰে-খোজ কাঢ়ে, তেন্তে জানিব তেওঁ ভাবুক, দায়িত্বশীল আৰু নিৰ্ভৰযোগ্য।
- তেওঁৰ খোজত যদি লাগ-বান্ধ নাথাকে, অৰ্থাৎ মাতাল মানুহৰ দৰে হয়, তেন্তে জানিব তেওঁ এলেহুৱা আৰু আৰাম প্ৰিয়

এইবাৰ মনকৰক তেওঁৰ কথাবতৰাৰ প্ৰতি :—

- তেওঁ যদি সৰু সৰুকৈ কথা কয়, তেন্তে জানিব তেওঁ হয় আত্মকেন্দ্ৰীক নহয় কপটীয়া।
- তেওঁ যদি অনাহকত চিঞৰি কথা কয়, তেন্তে জানিব তেওঁ দুৰ্বল মনৰ লোক, তেওঁৰ আত্মবিশ্বাস কম।
- তেওঁ যদি কওঁতে আপোনাৰ চকুলৈ চাব নোৱাৰে, তেন্তে জানিব তেওঁ হয় ভীৰু নহ'লে দুষ্ট।
- কথাপাতি থাকোঁতে যদি তেওঁ আপোনাৰ চকুৰে চকুৰে পৰে আৰু যদি তেওঁ আগতে চকু ঘূৰাই নিয়ে, তেন্তে জানিব তেওঁৰ ব্যক্তিত্ব দুৰ্বল।

সংগ্ৰহ :— বিভা দেউৰী।

—o— ডেগাৰখন বা পিষ্টলটো মানুহৰ হাতৰ হাতিয়াৰ নহয়, বৰং মানুহ ডেগাৰ বা পিষ্টলৰ হাতিয়াৰ।

-- জৰ্জ লুই বৰ্বোজ

সংসাৰত কৃত কাৰ্য্যতাৰ দুটা পথ খোলা আছে। প্ৰথমটো নিজৰ শ্ৰমৰ জৰিয়তে আনটো আনৰ মুৰ্খামিৰ সুযোগ গ্ৰহণৰ জৰিয়তে।

— লা ব্ৰুইৰে



# ॥ প্লীজ্যাৰচ্ অফ লাইফ ॥

শ্ৰীমানস জ্যোতি গগৈ
স্নাতক চূড়ান্ত বৰ্ষ (বিজ্ঞান)

জীৱন বিলাসী মানুহে জীৱনৰ আনন্দ তিল তিলকৈ উপভোগ কৰিবলৈ প্ৰয়াস কৰে। তেওঁলোকে সেইবাবেই আনন্দৰ উৎস ক'ত তাৰ সন্ধান কৰে। উৎসৰ সন্ধানত, আনন্দৰ সন্ধানত ব্ৰতী হৈ মানুহে নিজৰ মাজতে ৰক্তাক্ত হবলগীয়া হয়। তথাপিও জীৱনে হাৰ নামানে। মৰুদ্যানৰ লক্ষ্য বুকুত বান্ধি তৃষ্ণাতুৰ মানুহ ধাবিত হয়। জীৱন সেইবাবেই ইমান সুন্দৰ। ইমান মোহনীয় পাপ পুণ্যৰ ভাৱনা, শংকা, ৰক্ত-মাংসৰ শৰীৰতে বাস কৰে। মানুহেই প্ৰতিপালন কৰে পৰম্পৰাগত বিশ্বাস নতুবা অভিজ্ঞতা আৰ্জিত এনে কিছু ভাবনা; অশ্ৰু বিচ্ছেদৰ বিষে জৰ্জৰিত কৰা ব্যাধি-গ্ৰস্ত দেহ আৰু মনটোক স্থিতপ্ৰজ্ঞ অৱস্থালৈ আনি জীৱনৰ জয়-গান গাবলৈ কিমান কষ্টসাধ্য অসফল মানুহে বুজি পাব। জীৱন মানে সদায়েই জয়ৰ দৌৰ নহয়— পৰাজয়ৰো নিৰ্মম ইতিহাস। কিন্তু আন্ধাৰৰ পৰা পোহৰলৈ ৰচনা কৰাৰ যি নিৰন্তৰ সংগ্ৰাম, সেই আশাই জীৱনৰ প্ৰাণ।

## উচ্চাভিলাষ

উচ্চাভিলাষ ভাল বা বেয়া, মহৎ বা নীচ যিকোনো এটাই হব পাৰে। মানৱ জাতিৰ ওপৰত বৰ্ষিত হোৱা ভয়ঙ্কৰ যন্ত্ৰণাক যেন ই শাস্তি প্ৰদান কৰে, কিন্তু অন্যহাতে আমি ইয়াৰ ওচৰত ধৰুৱা। উপযুক্ত লোকে তেওঁলোকে আশা কৰা মতে নহ'লেও সফলতাৰ শিখৰত আৰোহন কৰিবলৈ সমৰ্থ হয়। এটা সন্মানীয় পৰাজয় এটা নীচ বিজয়তকৈ বহুগুণে শ্ৰেষ্ঠ। প্ৰকৃততে আঘাত প্ৰাপ্ত হোৱাটোতকৈ হতাশ হোৱাটোৱেহে দুৰ্ভাগ্যজনক। কিবা এটা পাবলৈ আমি সমৰ্থ নহব পাৰো কিন্তু আকাঙ্খা কৰাটো কিয় উচিত নহ'ব তাৰ কোনো যুক্তি নাই।

নিজৰ বাবে সফলতাৰ যুক্তিপূৰ্ণ সম্ভাৱনাৰ ৰূপ দিওঁতে আমি কি পাবলৈ বিচাৰিছো সেইকথা নিশ্চয় অনুধাবন কৰিব লাগিব আৰু সুযোগ বোৰৰ সদব্যৱহাৰ কৰিব লাগিব।

জীৱনত সফল হ'বলৈ সকলো উপাদানৰ ভিতৰত সময়েই অতি মূল্যবান। সময়ৰ সদ্ব্যৱহাৰ সেয়েহে হবই লাগিব।

প্ৰকৃত সত্যটো হৈছে সম্পদ আৱশ্যকীয় ভাবেই এটা সুবিধা মাত্ৰ নহয়; আমি ইয়াক কেনেধৰণে ব্যৱহাৰ কৰো তাৰ ওপৰতহে নিৰ্ভৰ কৰে।

**সম্পদ —**

জ্ঞানী চল'মানৰ এষাৰি সোণসেৰীয়া বাক্য "ধনী আৰু দুখীয়া সকলোৱেই মিলিত হয়, কাৰণ একেজন ভগৱানেই সকলোকে সৃষ্টি কৰিছে।"

উচ্চাকাঙ্খাই প্ৰায়ে মুদ্ৰাৰ ইপিঠি সিপিঠি, ৰূপ লয়। বহুত এনেকুৱা লোক থাকে যি সকলে কলা বা সংগীত কবিতা বা বিজ্ঞান এই দিশ বোৰত একো প্ৰচেষ্টা চলোৱা দেখা নাযায়। কিন্তু বেচি সংখ্যক লোকেই জীৱিকাৰ বাবে কিছু কৰে তাৰ ফলস্বৰূপে উপাৰ্জন বাঢ়ি গলে সফলতাৰ সন্তুষ্টি লাভ কৰে।

"আপুনি আপোনাৰ মুদ্ৰাৰ গৰাকী, কিন্তু মুদ্ৰা যাতে আপোনাৰ গৰাকী নহয়"।

**স্বাস্থ্য—**

মৰণশীল মানুহৰ কাৰণে স্বাস্থ্যাৰ্থ সকলোতকৈ শ্ৰেষ্ঠ, তাৰ পাচতেই সৌন্দৰ্য্য, তৃতীয়তে সৎভাবে অৰ্জন কৰা সম্পদ আৰু চতুৰ্থতে বন্ধুবৰ্গৰ লগত যৌৱনৰ আনন্দ উপভোগ।”

লংফেলৰ মতে “স্বাস্থ্যহীন হলে জীৱন এটা বোজা, কিন্তু সুস্বাস্থ্য থাকিলে হাঁহি আৰু আনন্দৰ আকৰ।

স্বাস্থ্যৰ আশীৰ্বাদ সকলোৱে স্বীকাৰ কৰে। কিন্তু এনেকুৱা বহু লোক আছে যিসকলে সুস্বাস্থ্যৰ বাবে প্ৰয়োজনীয় অকণমান যত্নও নকৰে। বহুতেই ইচ্ছাকৃত ভাৱে স্বাস্থ্য নষ্ট কৰে আৰু অকলে মৃত্যু বা বৃদ্ধ বয়সত যন্ত্ৰণাৰ সম্ভাৱনা নিশ্চিতকৈ কঢ়িয়াই ফুৰে।

মানুহৰ জীৱনত হাঁহিৰ এক অসাধাৰণ ভূমিকা আছে। আকৌ ধেমেলীয়া গুণে বহুত সমস্যা আৰু বিতৰ্কৰ সমাধান কৰে। হাঁহিৰ স্বতঃস্ফুৰ্ত্ততা নিচেই সৰু কথা নহয়। আপুনি মানুহক হাঁহিবলৈ শক্তি প্ৰয়োগ কৰিব নোৱাৰে। তেওঁলোকে নিশ্চয় হাঁহিবও পাৰে বা নাহাঁহিবও পাৰে। ধেমেলীয়া গুণটো আকৌ সোঁচৰা বুলিৰও পাৰে। সুস্বাস্থ্যৰ বাবে নিয়মিত নিদ্ৰাৰ প্ৰয়োজন। কেতিয়াবা দৰকাৰী সিদ্ধান্ত লবলগীয়া হলে আমাৰ টোপনি নাহে আৰু উত্তেজনাই জাগৰিত কৰি ৰাখে। গভীৰ নিদ্ৰা আৰু পুৱাৰ বায়ু সেৱনে আমাক প্ৰাণময় কৰি ৰাখে।

মানুহৰ দেহৰ আটাইতকৈ আশ্বৰ্য্যজনক বস্তুটো হ’ল মস্তিষ্ক। সেই বাবে আমি এই পৰম আশ্বৰ্য্যকৰ অংগটোৱে যাতে যন্ত্ৰণাবিহীন আৰু অসুবিধাৰে কাম কৰিব লগা নহয় তাৰ বাবে যত্ন লোৱা উচিত অন্ততঃ মৃত্যুলৈকে।

**প্ৰেম —**

প্ৰেম বা ভালপোৱা জীৱনৰ জ্যোতি আৰু সূৰ্য্যৰ দ্যুতিৰ দৰে। ভালপোৱা জীৱন জুৰি বিৰাজ কৰে যি কোনো বয়সতে বা পৰিস্থিতিতে ভালপোৱা বিদ্যমান হৈ থাকে যেনেকৈ শৈশৱকাল মাক দেউতাকৰ প্ৰতি, পৰিণত বয়সত স্বামী স্ত্ৰীৰ প্ৰতি, বয়সত সন্তানৰ প্ৰতি, ভাই-ভনী, আত্মীয় আৰু বন্ধুসকলৰ প্ৰতি হৃদয়ত আকৰ্ষণ অনুভূত হয়।

যি ভালপোৱাৰ দ্বাৰা বিবাহ কাৰ্য্য সম্পাদিত হয় তেনে ভালপোৱা “জীৱনৰ সংগীত”; অকল সেয়ে নহয় “সৌন্দৰ্যৰো সংগীত”। প্ৰেমৰ নীৰব চিস্ফনী যি কোনো সংগীততকৈ বেছি মিঠা।

ভালপোৱা আৰু যুক্তিৰে মানুহৰ জীৱনক পৃথককৈ চাই আমি প্ৰত্যেকটোকে নিজৰ প্ৰাপ্যটো নিশ্চয় দিবই লাগিব। যুক্তিৰ অবিহনে ভালপোৱাৰেই গুণ আহৰণ কৰাটো অসম্ভৱ আৰু ভালপোৱাৰ অবিহনে মাত্ৰ যুক্তিৰে আমি একো কৰিব নোৱাৰো।

জীৱনটো যদি স্বামী আৰু স্ত্ৰীৰ মাজত, বন্ধু আৰু সন্তানৰ ভালপোৱাৰে গথঁা থাকে, তেনেহলে বয়সত ই এটা ডাঙৰ সান্তনা আৰু আনন্দদায়ক বস্তু হৈ পৰে। এটাই অতীতক স্মৰণ কৰায়, আনটোৱে ভৱিষ্যতৰ বাবে আগ্ৰহ জন্মায় আৰু এনেদৰেই আমি সন্তানৰ মাজত আকৌ জীয়াই থাকিম।

( বিভিন্ন লিখনিৰ সহায়ত প্ৰৱন্ধটো যুগুত কৰা হল। )

* * *



# ॥ শ্বহীদ কুশল কোঁৱৰৰ জীৱনাদৰ্শ ॥

শ্ৰীমতী ৰিতুমণি ভৰালী
উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ
কলা শাখা।

বৃটিছ শাসনৰ কৱলৰপৰা আমাৰ দেশখনক মুক্ত কৰিবলৈ জাতিৰ পিতা মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ ভাৰত বাসীয়ে একেৰাহে প্ৰায় তিনি দশক ধৰি কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হৈছিল। ১৯২১ চনৰ পৰাই সংগঠিত ৰূপত গঢ় লোৱা এই সংগ্ৰাম ক্ৰমান্বয়ে তীব্ৰতৰ হৈ আহি ১৯৪২ চনৰ চূড়ান্ত পৰ্য্যায়ত উপনীত হৈছিলহি। বিয়াল্লিছৰ এই গণ আন্দোলনত সমূহ দেশবাসীয়ে গান্ধীজীৰ আহবানত ‘কৰিম কিম্বা মৰিম’ বুলি বৃটিছৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিল। হেজাৰ বিজাৰ লোক বৃটিছ চৰকাৰৰ অত্যাচাৰ উৎপীড়নৰ বলি হৈছিল। দেশৰ স্বাধীনতাৰ বাবে বহুজনে অকাতৰে হাঁহি মুখে নিজৰ জীৱন বিসৰ্জন দিছিল। দেশ মাতৃৰ উদ্ধাৰৰ বাবে হাঁহি মুখে প্ৰাণ আহুতি দিয়া বিয়াল্লিছৰ বীৰ শ্বহীদসকলৰ ভিতৰত শ্বহীদ কুশল কোঁৱৰৰ নামো ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ইতিহাসত যাউতি যুগীয়াকৈ সোণালী আখৰেৰে জিলিকি ৰই গল।

গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ চাউদাং চাৰিআলি গাঁৱত ১৯০৫ চনৰ ৯ চ’ত তাৰিখে কুশল কোঁৱৰৰ জন্ম হৈছিল। তেওঁৰ দেউতাকৰ নাম আছিল সোনাৰাম কোঁৱৰ আৰু মাকৰ নাম আছিল কণপাহি, ওৰফে কণকেশ্বৰী। গাঁৱৰ আন দহজন লৰাৰ দৰেই কুশলেও গাঁৱৰ বোকাপানীত উমলি-জামলি ধেমালি ধুমুলা কৰি ডাঙৰ হৈ আহিল। লোদোৰ পোদোৰ হাত ভৰি, ঠৰঙা দীঘল চুলি, বহল কপাল শুৱনি মুখমণ্ডল; উজ্জ্বল চকু জুৰিৰে কুশল আছিল মাক বাপেকৰ পঞ্চম সন্তান। ১৯১২ চনত তেওঁক বালিজান প্ৰাথমিক বিদ্যালয়ত নাম লগাই দিলে। ১৯১৮ চনত কুশল কোঁৱৰৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষা সাং হল। সেই সময়ত সেই অঞ্চলত উচ্চ শিক্ষাৰ কোনো সুবিধা নাছিল। সেই কাৰণে তেওঁ গোলাঘাটৰ বেজবৰুৱা মধ্য ইংৰাজী বিদ্যালয়ত নাম লগালেহি। কুশল কোঁৱৰে তেওঁৰ আন লগৰীয়াৰে সৈতে গোলাঘাটত এটা ভাড়া ঘৰত মেচ কৰি থাকি পঢ়িবলৈ ললে। বহল সমাজত পৰি মনৰ ভাৱ চিন্তাও বহল হৈ আহিবলৈ ধৰিলে। বন্ধু- বান্ধৱো সৰহ হল। ফুটবল খেলাত তেওঁৰ ভীষণ ৰাপ আছিল। এবাৰ ফুটবল খেলোতে বাওঁ ভৰিত দুখ পাই বহু দিন শয্যাশায়ী হৈ থাকিব লগীয়া হৈছিল। গোলাঘাটত থকা সময় ছোৱাতেই কুশল কোঁৱৰৰ জীৱনলৈকো পৰিৱৰ্ত্তন আহিবলৈ ধৰিলে। বয়স বাঢ়ি অহাৰ লগে লগে দেশৰ পৰিস্থিতিৰ কথাও বুজিব পৰা হল।

১৯১৯ চনৰ জালিয়ানৱালাবাগৰ নৃসংশ হত্যাকাণ্ডৰ পিছৰ পৰা ভাৰতৰ মুক্তি আন্দোলনৰ ঢৌ দেশৰ ইমূৰৰ পৰা সিমূৰলৈ বৈ যায়। ১৯২০ চনত নাগপুৰত বহা কংগ্ৰেছ অধিবেশনত ভাৰতবাসীয়ে দৃঢ়তাৰে ঘোষণা কৰিলে স্বৰাজ লাভেই ভাৰতীয় জাতীয় কংগ্ৰেছৰ লক্ষ্য। দেশৰ মুক্তি আন্দোলনে নৱ ৰূপ ললে। ১৯২১ চনত দেশজুৰি অসহযোগ আন্দোলনৰ সূচনা হল। ভাৰতৰ ছাত্ৰ ছাত্ৰীসকলে পোন প্ৰথমবাৰৰ বাবে সংগঠিতভাৱে কংগ্ৰেছ দলৰ পৰিচালনাত আৰু গান্ধীজীৰ নেতৃত্বত ভাৰতৰ মুক্তি

সংগ্ৰামত অংশ গ্ৰহণ কৰে। অসমত ছাত্ৰ সমাজক সংগঠিত কৰাত নেতৃত্ব দিছিল দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই। গান্ধীজীৰ নিৰ্দেশক্ৰমে বিদেশী চৰকাৰৰ লগত সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক আদি সকলো ক্ষেত্ৰতে অসহযোগ আৰম্ভ হল আৰু বিদেশী বস্তু বৰ্জন আন্দোলনে গা কৰি উঠিল। দেশৰ কামলৈ ওলাই আহিল। ১৯২১ চনতেই আন বহুতো ছাত্ৰ ছাত্ৰীৰ লগতে স্বাধীনচিতীয়া কুশল কোঁৱৰেও স্কুল এৰি টালি টোপোলা বান্ধি গাঁৱৰ লৰা গাঁৱলৈ উভটি আহিল। বয়স তেতিয়া তেওঁৰ ১০ বছৰ। কুশল কোঁৱৰৰ দেউতাক সোনাৰাম কোঁৱৰে মিঃ মিগৰ উইলচন নামৰ এজন প্ৰখ্যাত ইংৰাজ কাঠ ব্যৱসায়ীৰ সৈতে কাঠৰ কাৰবাৰ কৰিছিল। কুশলে স্কুল এৰি ঘৰলৈ যোৱাৰ সেইখিনি সময়তেই মিঃ উইলচন অসমৰ পৰা বিলাতলৈ গুচি যোৱাত সোনাৰাম কোঁৱৰৰ কাঠৰ কাৰ বাৰত লোকচান ঘটে। ব্যৱসায়ত ক্ৰমশঃ অৱনতি হৈ অহাত তেওঁ ভীষণ আৰ্থিক সংকটত পৰে। তেতিয়া তেওঁ বালিজানৰ পৈত্ৰিক ভেটি পৰিত্যাগ কৰি ৰেংমাই অঞ্চললৈ উঠি যাবলৈ বাধ্য হয়। ৰেংমাইত তেওঁ খেতি বাতিত হাত দিয়াৰ লগতে দোকান এখনো আৰম্ভ কৰে। কুশল কোঁৱৰ তেতিয়া চফল ডেকা। ৰেংমাই অঞ্চলৰ সমাজখনৰ সৈতে অতি কম দিনৰ ভিতৰতে তেওঁ মিলি পৰে। বিভিন্ন সামাজিক কাম কাজত জড়িত হৈ সমাজ সংগঠক হিচাপে আত্মপ্ৰকাশ কৰাৰ লগতে স্বাধীনতা আন্দোলনৰ বাণী ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ কামতো তেওঁ লাগি গল।

জাতীয় চেতনা সম্পন্ন এগৰাকী অসমীয়া চাহ খেতিয়ক বিশ্বেশ্বৰ শৰ্ম্মাই বালিজানত এখন চাহ বাগিছা খুলিছিল। ১৯২৭ চনৰ ১৭ জুন তাৰিখে কুশলে বালিজান চাহ বাগিছাত কেৰাণীৰ চাকৰিত যোগদান কৰে। তেতিয়াৰে পৰা ১৯৩৫ চনৰ ৩০ জুনলৈকে কুশলে ন বছৰ কাল এই বাগিছাত চাকৰি কৰিছিল। বালিজানত থকা তেওঁ লোকৰ মাটি বাৰী তেতিয়াও আটাইখিনি বিক্ৰি কৰা নাছিল। সেয়েহে বালিজানৰ নিজা ঘৰৰ পৰাই অহা যোৱা কৰিয়ে তেওঁ বাগিছাত চাকৰি কৰিছিল। পচিশ বছৰীয়া সুন্দৰ সুঠাম চফল ডেকা কুশলে দেউতাকে আশা কৰামতে মাটি-বাৰী, সা-সম্পত্তি, টকা-পইচা তুহাতেৰে চপাই সমাজত প্ৰতিষ্ঠিত হবলৈ চেষ্টা কৰাটো হৈ নুঠিল। বৈৰাগ্যৰ মনোভাৱেৰে দেশৰ মুক্তি আন্দোলনত দেহমন ঢালি দিয়াত দেউতাক চিন্তিত হল। সংসাৰৰ প্ৰতি মন ঢাল খুৱাবলৈ বুলি বিয়া কৰাই দিবলৈ ওলাল। কুশলৰ কিন্তু বিয়া বাৰুত মন নাই। প্ৰথম অৱস্থাত কুশলে বিয়াৰ ক্ষেত্ৰত যথেষ্ট বিৰোধিতা কৰিছিল যদিও পিতৃ মাতৃৰ গুৰুস্থানীয় সকলৰ প্ৰতি সদা আনুগত্যশীল কুশলে অৱশেষত বিবাহ বন্ধনত সোমাবলৈ বাধ্য হয়। ১৯২৯ চনৰ ফাগুণ মাহৰ ২৪ তাৰিখে বুধবাৰে মৰঙী কোঁৱৰ, গাঁৱৰ সম্ভ্ৰান্ত ব্যক্তি প্ৰেমানন্দ দুৱৰাৰ কন্যা প্ৰভাৱতীৰ সৈতে কোঁৱৰৰ শুভ বিবাহ সম্পন্ন হয়।

১৯৩৪ চনৰ ১১ এপ্ৰিল তাৰিখে মহাত্মা গান্ধী গোলাঘাটলৈ আহিছিল। অসমত সেইবাৰ তেওঁ দহদিনীয়া ভ্ৰমন সূচীত আহিছিল। মহাত্মাজীক আদৰিবলৈ কেউদিশৰ পৰা অগণন জনতাই গোলাঘাটত আহি উপস্থিত হৈছিলহি। কোঁৱৰে গান্ধীজীৰ প্ৰত্যক্ষ সান্নিধ্য লাভ কৰি পৱিত্ৰ অনুভূতিৰে অভিভূত হৈ পৰিছিল আৰু সেয়ে গান্ধীজীৰ চৰণ চুই তেওঁ আশীৰ্বাদ বিচাৰিছিল। গান্ধীজীৰ কাষত থকা সেই সময়খিনিয়ে কোঁৱৰৰ মনত যি গভীৰ সাঁচ বহুৱাইছিল সিয়ে তেওঁৰ জীৱনলৈ আনি দিলে এক বিৰাট পৰিৱৰ্তন। মহাত্মাজীৰ সান্নিধ্য আৰু এই ঘটনাৰ পিছতেই দেশৰ পৰা বৃটিছক খেদি পঠিওৱাৰ দুৰ্বাৰ স্পৃহাই কোঁৱৰক উৰাউল কৰি তুলিলে। ১৯৩৬ চনৰ জুন মাহৰ ৩০ তাৰিখে বালিজান বাগিছাৰ কেৰাণী চাকৰি ত্যাগ কৰি কুশল কোঁৱৰ ওলাই আহিল আৰু গান্ধীজীৰ প্ৰদৰ্শিত পথেৰে স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাবে নামি পৰিল।

কুশল কোঁৱৰ তেতিয়া একুৰি এবাৰ বছৰীয়া যুৱক। ভৰ যৌৱনতে গান্ধীজীক লগ পাবৰ সময়ৰে পৰা তেওঁ প্ৰতিদিনে নিয়মিত ভাৱে গীতা-ভাগৱত পাঠ কৰিছিল, । মাছ-মাংস ত্যাগ কৰি নিৰামিষ আহাৰ গ্ৰহণ কৰি-



বৃটিছৰ লোণ আইনৰ প্ৰতিবাদত গান্ধীজীয়ে যেতিয়া প্ৰখ্যাত দাণ্ডী যাত্ৰা আৰম্ভ কৰিছিল আৰু লোণ বৰ্জন কৰিবলৈ দেশবাসীক আহ্বান জনাইছিল, তেতিয়াৰ পৰা মৃত্যুৰ সময়লৈকে কুশল কোঁৱৰে কোনো দিনাই নিমখ মুখত দিয়া নাছিল। চাকৰি বাদ দি অহাৰ পিছত তেওঁ এতিয়া অধিক নিষ্ঠাৰে অস্পৃশ্যতা বৰ্জন, কানি বৰ বিহ বৰ্জন, দীন-দৰিদ্ৰৰ সেৱা আৰু স্বাধীনতা আন্দোলনৰ বাণী গাঁৱে-ভূঞে প্ৰচাৰ কৰি ফুৰিবলৈ ধৰিলে। ঘৰে ঘৰে সূতা কটা, খদ্দৰ বোৱা আৰু বিদেশী বস্ত্ৰ বৰ্জন আদিৰ বাবে ৰাইজক উদগনি দিয়াত লাগি গল। সৰুপথাৰ বায়ত সভাৰ কৃতকাৰ্য্যতাৰ পিছৰ পৰাই গোলাঘাটৰ বিশিষ্ট কংগ্ৰেছ নেতাসকলে কুশল কোঁৱৰক গুৰুত্ব দিবলৈ ধৰিলে। ১৯৩৮ চনৰ পৰা গোলাঘাট জিলা কংগ্ৰেছ কমিটিৰ এজন বিশিষ্ট নেতাৰূপে তেওঁ পৰিগণিত হয়। ইতিমধ্যে কোঁৱৰৰ পিতৃ-বিয়োগ হয় আৰু ভাইককাই সকল বেলেগ বেলেগ হয়। কুশল কোঁৱৰৰ পৰিয়াল তেতিয়া চুৰণীয়া পথাৰলৈ উঠি যায়। পিছে কংগ্ৰেছৰ কামত লাগি থাকোতে পৰিয়ালৰ জীৱন নিৰ্বাহৰ ক্ষেত্ৰত হোৱা অভাৱ অনাটনৰ প্ৰতি চকু দিবলৈকো তেওঁ আহৰি নাপাইছিল। ইতিমধ্যে কোঁৱৰ তিনিটা সন্তানৰ পিতৃ হৈছিল। পত্নী প্ৰভাৱতীৰ ওপৰতেই ঘৰৰ সম্পূৰ্ণ দায়িত্ব ন্যস্ত হৈছিল। আন হাতে সৰুপথাৰ কংগ্ৰেছ কাৰ্য্যালয়টোহে কুশল কোঁৱৰৰ ঘৰৰ দৰে হৈ পৰিছিল।

১৯৪২ চনত ভাৰতৰ স্বাধীনতা আন্দোলন ক্ৰমাম্বয়ে ঘণীভূত হৈ আহি তুংগত উঠিলহি। সেই চনৰেই আগষ্ট মাহৰ ৮ তাৰিখে বোম্বাই চহৰত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনত ওৱাৰ্কিং কমিটিয়ে ঐতিহাসিক "ভাৰত ত্যাগ" প্ৰস্তাৱ গ্ৰহণ কৰে। বিপ্লৱৰ ফিৰিঙতি দেশৰ সৰ্বত্ৰ বিয়পি পৰে আৰু অসমতো আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰে। অসমৰ বিভিন্ন ঠাইত অহিংস সত্যাগ্ৰহীৰ ওপৰত পুলিচৰ অত্যাচাৰ আৰম্ভ হয়। কণকলতা, তিলক ডেকা, মুকুন্দ কাকতি, ভোগেশ্বৰী ফুকননী, ঠগী সূত, নিধানু ৰাজবংশী, ৰতন কছাৰী আদিকে ২৭ জনৰো অধিক স্বাধীনতা প্ৰেমী বীৰ-বীৰাংগনাই বৃটিছৰ হাতত মৃত্যু বৰণ কৰি শ্বহীদ হয়। ১০ অক্টোবৰ ১৯৪২। সেই নিশা প্ৰায় ১ বাজি ৫২ মিনিট যোৱাত সৰুপথাৰ ৰেল ষ্টেচনৰ পৰা এক কিলোমিটাৰমান নিলগত বৃটিছ সৈন্য কঢ়িয়াই লৈ যোৱা ৰেলগাড়ী এখন আচম্বিতে ৰেললাইনৰ পৰা বাগৰি পৰে। এয়া সেই মৃত্যু বাহিনীৰেই এক ধ্বংসাত্মক কাৰ্য্য আছিল। ৰেল দুৰ্ঘটনাত কিমান সৈনিকৰ মৃত্যু হৈছিল তাক সঠিক ভাৱে জনা নাযায় যদিও স্থানীয় লোক আৰু প্ৰত্যক্ষদৰ্শীৰ মতে এহাজাৰৰ ওচৰা ওচৰি হব বুলি ঠাৱৰ কৰা হৈছিল। ৰেল দুৰ্ঘটনাৰ লগে লগেই পুলিছ মেলিটেৰীয়ে নিৰ্বিচাৰ নিৰ্য্যাতন আৰু গ্ৰেপ্তাৰ আৰম্ভ কৰিলে। গোলাঘাট মহকুমাৰ বিভিন্ন ঠাইৰ পৰা মুক্তি যুঁজাৰু সকলক ৰেল দুৰ্ঘটনাত জড়িত কৰি গৰু মহ সাঙোৰা দি নি জেলত ভৰালেগৈ। সৰুপথাৰ অঞ্চলৰ পৰা গোলাঘাট জিলা কংগ্ৰেছৰ আগ শাৰীৰ নেতা হিচাপে কুশল কোঁৱৰকো গ্ৰেপ্তাৰ কৰা হল। মুঠতে ৪৩ জনক অভিযুক্ত কৰা হৈছিল। ১৯৪২ চনৰ ৫ নৱেম্বৰত গোলাঘাটৰ দণ্ডাধীশৰ নিৰ্দ্দেশক্ৰমে পুলিচে বিচাৰাধীন বন্দী হিচাপে কুশল আৰু বাকী সকলক জেললৈ পঠাই দিয়ে। যোৰহাট জেলত কোঁৱৰ মুঠতে ২২১ দিন থাকিল। তাৰে প্ৰথম ১২১ দিন বিচাৰাধীন বন্দী হিচাপে আৰু পিছত ১০০ দিন মৃত্যুদণ্ডেৰে অভিযুক্ত বন্দী হিচাপে নিৰ্জান কাৰাগাৰত।

সৰুপথাৰ ৰেল দুৰ্ঘটনাৰ বিচাৰ আৰম্ভ হয় ১৯৪৩ চনৰ ১১ ফেব্ৰুৱাৰীৰ পৰা। বৃটিছৰ সাম্ৰাজ্যবাদী শাসন ব্যৱস্থাৰ দ্বাৰা প্ৰতিষ্ঠিত ন্যায়ালয়ৰ সাধাৰণ বিচাৰ পদ্ধতিৰে সেই বিচাৰ হোৱা নাছিল। জিলাৰ উপায়ুক্তক বিশেষ ক্ষমতা দি বিচাৰৰ ব্যৱস্থা কৰিছিল। এই বিচাৰৰ বাবে ভাৰতীয় বিচাৰক নিয়োগ কৰা হোৱা নাছিল। শিৱসাগৰ জিলাৰ তেতিয়াৰ উপায়ুক্ত মিঃ কেম্বল এনড্ৰ হামফ্ৰেক বিচাৰৰ ভাৰ দিয়া হল। গান্ধীজীৰ অহিংসা আদৰ্শত মনে-প্ৰাণে বিশ্বাসী কুশল কোঁৱৰে ৰেল বগৰোৱাৰ

দৰে ধ্বংসাত্মক কাৰ্য্যত কোনো ধৰণেই লিপ্ত নাছিল। কিন্তু তেওঁক দোষী সজাবলৈ বৃটিছ প্ৰশাসন বদ্ধপৰিকৰ হল।

৬ মাৰ্চ, ১৯৪৩ চনৰ শনিবাৰ। যোৰহাট কাছাৰীত মানুহৰ ভীৰ। যোৰহাট কাৰাগাৰৰ বন্দীসকলৰ মাজত সীমাহীন উৎকণ্ঠা। বিচাৰক হামফ্ৰে চাহাবে সকপথাৰ ৰেল দুৰ্ঘটনা গোচৰৰ ৰায় দিলে। সোতৰ জনক আটক বন্দী হিচাপে ঘোষণা কৰা হল। কোঁৱৰৰ ফাঁচীৰ তিনিদিনৰ আগতে তেওঁৰ জীৱনলৈ অহা দৃশ্যটো সঁচাই মৰ্মন্তুদ আৰু হৃদয় বিদাৰক। জিলাৰ উপায়ুক্তৰ অনুমতি সাপেক্ষে পত্নী প্ৰভাৱতী, পুত্ৰদয় আৰু ভাতৃপূৰ্ণ কোঁৱৰে যোৰহাট জিলাৰ নিজান কোঠাত কুশল কোঁৱৰক দেখা কৰে। কান্দি কান্দি ভাগৰি পৰা পত্নীক অত্যন্ত ধীৰ, স্থিৰ শান্তকণ্ঠে কোঁৱৰেই সান্ত্বনা দিলে — "প্ৰভা মই ভাৰতবৰ্ষৰ কোটি-কোটি মানুহৰ মুক্তিৰ অৰ্থে প্ৰাণ দিম। দেশৰ কাৰণে প্ৰাণ দিবলৈ পোৱাতকৈ জীৱনৰ ডাঙৰ সৌভাগ্য কি হব পাৰে? ........................................... ইয়াত দুখ কৰিব লগীয়া একো নাই। মোৰ সাধনা সম্পূৰ্ণ হৈছে। মই মহাপুৰুষ মহাত্মা গান্ধীৰ চৰণ চুই দেশৰ কাৰণে প্ৰাণ উছৰ্গা কৰাৰ যি পবিত্ৰ কামনা কৰিলো ভগৱানে তাক পূৰ্ণ কৰিছে। ......... দেশৰ কোটি কোটি মানুহৰ মাজৰ পৰা মোক ভগৱানে বাচি লৈছিল। মই ধন্য, প্ৰভা"। ফাটেকৰ লোৰ ৰেলিঙৰ মাজেদি দুই পুত্ৰৰ শিৰত হাত বুলাই তেওঁ আশীৰ্বাদ দিছিল। ফাঁচীৰ আগদিনা জেলৰ ৰাজবন্দীসকলৰ তেওঁৰ সৈতে শেষ দেখা আছিল অতি গুৰুত্বপূৰ্ণ আৰু ঐতিহাসিক। কোঁৱৰক দেখা কৰি সান্ত্বনা দিবলৈ গৈছিল গড়মূৰ সত্ৰৰ ডেকা অধিকাৰ কৃষ্ণকান্ত গোস্বামী। কোঁৱৰক সান্ত্বনাৰ দৰকাৰ নাছিল; বৰঞ্চ কোঁৱৰেহে জ্ঞানপূৰ্ণ, সান্ত্বনাবাণীৰে ডেকা অধিকাৰক আশ্বস্ত কৰিছিল। লোকপ্ৰিয় বৰদলৈ, তৈয়বুল্লা, অমিয় কুমাৰ দাস, ফকৰুদ্দিন আলি আহমেদ আদি নেতাসকলেও কোঁৱৰক সান্ত্বনা দিব খুজিছিল যদিও স্থিতপ্ৰজ্ঞ সাধক-সদৃশ কোঁৱৰৰ জ্ঞানগৰ্ভ বাণী শুনি এনে মৃত্যুত দুখ কৰিবলগীয়া নাই বুলি তেওঁলোকেহে মনোবল পাইছিল। এই সম্পৰ্কে গোপীনাথ বৰদলৈয়ে তেওঁৰ ১৪ জুন ১৯৪৩ চন তাৰিখৰ দিনলিপিত লিখি থৈ গৈছে ........................ ভাটিবেলা জেইলাৰে ফাঁচী হবলগীয়া কুশল কোঁৱৰক চাবলৈ নিয়াত গলো। যি দেখিলো তাত বিস্ময় নামানি নোৱাৰিলো। আমি গৈছিলো, তেওঁক পাৰিলে সান্ত্বনা দিবলৈ। কিন্তু দেখিলো যে তেওঁৰ পৰাহে আমি অকল সান্ত্বনাই নহয়, প্ৰেৰণা পাবলৈও উপযুক্ত। আসন্ন মৃত্যুৱে কুশল কোঁৱৰৰ সাধনা পূৰ কৰিলে যেন লাগিল। যিথিনি কলে আৰু যি ভাৱেৰে কলে, সি স্থিতপ্ৰজ্ঞৰ অৱস্থা নাপালে কব নোৱাৰে। ..............

১৯৪৩ চনৰ ১৫ জুন পুৱতি নিশা। সময় ৩ বাজি ৩০ মিনিট। কোঁৱৰৰ নিৰ্জন কোঠাৰ সমুখত ঠিয় হ'লহি সাম্ৰাজ্যবাদী বৃটিছ শাসকৰ প্ৰতিনিধি ডেপুটী কমিছনাৰ হামফ্ৰে, এজন মেজিষ্ট্ৰেট, জেইলাৰ, এচিষ্টেণ্ট জেইলাৰ, চিভিল ছাৰ্জন, ঘাটক আৰু এক ডজন সশস্ত্ৰ চিপাহী। কোঁৱৰ তেতিয়া নিদ্ৰামগ্ন নিস্পাপ শিশুৰ দৰে শুই আছে। জেইলাৰ আগুৱাই গৈ ৰেলিঙৰ ফাঁকেৰে মাত দিলে "কুশল, কুশল"। অকস্মাতে সাৰ পাই কোঁৱৰ উঠি বহিল। শান্ত সমাহিত কণ্ঠে তেওঁ জেইলাৰক সুধিলে "মোৰ সময় হল নেকি?" জেইলাৰৰ অনুমতি সাপেক্ষে হাত-মুখ ধুই প্ৰাৰ্থনা কৰিলে, গীতা পাঠ কৰিলে আৰু তাৰ পিছত পবিত্ৰ গীতাখন শিৰত তুলি শেষবাৰৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই, অবিচলিত ভাৱে প্ৰফুল্লবদনে জেইলাৰক কলে "মই সাজু জেইলাৰ বাবু।" গম্ভীৰ খোজেৰে তেওঁ ফাঁচীৰ মঞ্চলৈ আগবাঢ়ি গ'ল। যেন শুচি হৈ মন্দিৰলৈহে আগবাঢ়িছে। মঞ্চৰ পাদদেশত ৰৈ সকলোকে নমস্কাৰ জনালে। "আমাৰ যদি আপোনালোকৰ ওচৰত কিবা দোষ হৈছিল খেমিব। ভগৱানক খাটিছো তেওঁ যেন অতি সোনকালে পুণ্যভূমি



ভাৰতবৰ্ষক মুক্তি দিয়ে। "ইনকিলাব জিন্দাবাদ" এই বুলি তেওঁ ফাঁচীৰ মঞ্চত থিয় দিলে। ঘাটক প্ৰস্তুত। মেজিষ্ট্ৰেটে আদেশ দিলে 'ওৱান, টু' কোঁৱৰে ভক্তি ভৰা গলগলীয়া কণ্ঠেৰে গাবলৈ ধৰিলে "পাৰ কৰা ৰঘুনাথ সংসাৰ সাগৰে ....................।" থ্ৰি' বুলি কৈ মেজিষ্ট্ৰেটে বগা ৰুমালৰ সংকেত দিয়াৰ লগে লগে ঘটংকৈ এটা শব্দ হল। শেষ হৈ গল একুৰি ওঠৰ বছৰীয়া এজন মুক্তি যুঁজাৰু, বৈষ্ণৱৰ নশ্বৰ জীৱন। জয় হল এজন মহান দেশ প্ৰেমিকৰ। পৰাজয় হল বৃটিছ শাসকৰ, ইংৰাজ জাতিৰ ন্যায় দেৱীৰ। তেতিয়া পুৱা ৪-৩০ বাজিছে। নামি আহিল এজাক বৰষুণ। প্ৰকৃতিয়েও যেন পুষ্পবৃষ্টি কৰিলে কোঁৱৰৰ দেহত। কুশল কোঁৱৰ অমৰ হৈ ৰ'ল।

দেশৰ হকে হাঁহি মুখে মৃত্যুবৰণ কৰাৰ কথা ইতিহাসৰ পাতৰ ৰঙীন সপোন বুলি হয়তো কোনোবাই ভাবিবও পাৰে। কিন্তু কুশলৰ জীৱন ত্যাগে তেনে কথা সূৰ্য্যসম সত্য বুলি প্ৰমাণ কৰি থৈ গৈছে। ত্যাগৰ প্ৰতিমূৰ্ত্তি কুশল কোঁৱৰ আছিল জন্মত এজন সাধাৰণ মানুহ কিন্তু মৃত্যুৱে তেওঁ অসাধাৰণ হৈ ৰল।

কুশল কোঁৱৰৰ দেশপ্ৰেম, সততা, নৈতিকতা আৰু মনোবল সঁচাকৈয়ে অতুলনীয়। স্বাধীন ভাৰতৰ যুৱশক্তিৰ আগত কুশল কোঁৱৰৰ আদৰ্শক এটি অনিৰ্বান দীপ শিখাৰ দৰে উজ্বলাই ৰখাৰ অতি প্ৰয়োজন। তেওঁৰ আদৰ্শ সৰোগত কৰিলে নৱযুগ ৰচনাকাৰী যুৱ শক্তিয়ে মনৰ মাজত এটি নতুন আদৰ্শময় প্ৰেৰণা লাভ কৰাৰ লগতে দেশৰ বাবে আত্মত্যাগৰ মহত্ব উপলব্ধি কৰিব পাৰিব। আমাৰ দেশে আজি যুৱ শক্তিৰ পৰা ইয়াকে বিচাৰে। স্বাধীন ভাৰতৰ স্বাধীনতা, অখণ্ডতা অক্ষুন্ন ৰাখিবলৈ ঐক্য সংহতিৰে এক জাতি একপ্ৰাণ মহান ভাৰতীয় জাতি গঢ়ি তুলিবলৈ, দেশ গঠনৰ প্ৰক্ৰিয়া খৰতকীয়া কৰিবলৈ কুশল কোঁৱৰৰ আদৰ্শ আমাৰ ডেকা গাভৰু সকলৰ বাবে চিৰন্তন প্ৰেৰণাৰ উৎস হৈ থাকক। কুশল কোঁৱৰ অমৰ হওক।

** **

ময়েই কৰিম, ময়েই কৰিব লাগিব। মই নকৰিলে আন কোনে কৰিব? মোৰ জাতিৰ বাবে, মোৰ জাতিৰ বাহিৰে আন কাৰ এনে গৰজ আছে যে তিলমানো সময় খৰচ কৰি চিন্তা কৰিব, এধান মাত্ৰ শক্তি খটায় কাম কৰিব?

— অম্বিকাগিৰি ৰায় চৌধুৰী —

# শায়েৰী

শ্ৰীৰেখা ৰাণী গগৈ (পখি)
স্নাতক প্ৰথম বাৰ্ষিক
(কলা বিভাগ)

(১) বহুত তৰুণা হোয়ে দিল
তেৰে স্বপ্নে অজাকে
মেৰে বাথে মে সাজা
মেৰে দিলকে বাত শুনলে ॥

(তোমাৰ সপোন ৰচি ৰচি মোৰ অন্তৰে হাঁহাকাৰ কৰে। মোৰ ভুবাহুৰ মাজলৈ আহি মোৰ অন্তৰৰ কথাবোৰ শুনি যোৱা)

* * * *

(২) পাত্তা পাত্তা বুটা বুটা হাল হামাৰা জানে হ্যায়
জানে না জানে গুলহি নাজানে বাগ তো সাৰা জানতে হ্যায় ॥

(প্ৰতিটো তৰু, প্ৰতিটো লতা পাতে মোৰ অৱস্থাৰ কথা জানে। কিন্তু যাৰ কাৰণে মোৰ এই অৱস্থা, সেই ফুলেই নাজানে মোৰ কথা, অথচ গোটেই খন বাগানেই জানে ॥)

* * * *

(৩) হাজাৰ ৰংৱ আলম হো তু,
চব গৱাৰা হেই।
কিচি কি দৰ্দই জুদাই
মগৰ কিচ কি ন-হো।

(হাজাৰ শান্তি আৰু বেদনাৰ ধুমুহা আহক নিৰৱে সহ্য কৰিম। কিন্তু বিচ্ছেদৰ বেদনাৰ দুৰ্ভাগ্য যেন কাৰোৱেই নঘটে।)

* * * *



# গল্পৰ শৰাই



"গল্প সু-সংগঠিত আৰ্ট। ইয়াৰ যোগেদি কোনো এটা কেন্দ্ৰীভূত ভাৰ প্ৰকাশ কৰা হয়। বিক্ষিপ্ত ভাৱধাৰাৰ সমাৱেশৰ ঠাই গল্পত নাই। কোনো এটি বিশেষ মুহূৰ্ত্তৰ ওপৰত আলোক পাত কৰি জীৱনৰ কোনো এটি দিশ পোহৰাই তোলাই গল্পৰ উদ্দেশ্য।"

ডিব্ৰু মহাবিদ্যালয় – ডিব্ৰুগড়
তমসো মা জ্যোতিৰ্গময়
স্থাপিত ১৯৬৩

ডিব্ৰু মহাবিদ্যালয় (আলোচনী)
ষোড়শতম, সংখ্যা ১৯৯৩-৯৪
সম্পাদনাত ঃ- নীলিম কুমাৰ দাস

গল্প

# নিঃশব্দ উচুপনি

শ্ৰীমতী ৰবী শইকীয়া
উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিক
( কলা )

গেটখন বন্ধ কৰি জুৰিয়ে ৰাহুলৰ হাতত ধৰি আগবাঢ়ি গ'ল ঘৰৰ আগৰ ৰাস্তাটোৰেদি। আজি কেই-দিন মানৰ পৰা জুৰিৰ ৰাহুলক স্কুললৈ অনা নিয়াটোও এটা দৈনন্দিন কামৰ মাজতেই সোমাই পৰিছে। অৱশ্যে এই নতুন কামটো জুৰিৰ বৰ ভাল লাগিছে।......... চাৰিবছৰীয়া ৰাহুলটোৰ এশ-এবুৰি প্ৰশ্নৰ উত্তৰ দি দি কেতিয়ানো স্কুলৰ ওচৰ পালেহি গমেই নাপালে।

.............. "পেহী, তুমি ইয়াতে বৈ থাকা। মই কিন্তু বাৰান্দাৰ পৰা চামগৈ, তুমি গুচি নাযাবা দেই" কৈয়েই তাই লগৰ লৰা ছোৱালী বোৰৰ মাজত সোমাই পৰিল। .......... হাঁহি উঠি গ'ল জুৰিৰ, কিযে কথা এই লৰাটোৰ .......... বাৰান্দাৰ পৰা কণ কণ ল'ৰা ছোৱালী খিনিৰ মাজৰ পৰা ৰাহুলৰ কোমল মাতটো ভাঁহি আহিল ......... পেহী, তুমি যোৱা, সোনকালে আহিবা দেই .............।" এইদৰে ৰাহুলে সদায় তাইক ৰখাই থয় বাৰান্দাৰ পৰা চাবৰ বাবে। আৰু তাৰ পৰা যাবৰ বাবে সদায় বাট চাব লগা হয় তাৰ অনুমতিৰ বাবে...... ।

বৌৱেকৰ লগত দুই - এষাৰ কথা পাতি জুৰি সোমাই আহিল তাইৰ কোঠালৈ। .......... কোঠাটোলৈ সোমাওঁতে প্ৰশান্তৰ ফটোখন তাইৰ চকুত পৰিল। ......... জুৰি ল'ৰি গ'ল ফটোখনৰ কাষলৈ। "কোনে পেলাই থৈছে বাৰু ফটোখন .......... ? ........ বতাহে ? নে এই দুষ্ট মেকুৰীজনীয়ে ?" প্ৰশান্তৰ ফটোখন আলফুলে শাৰীৰ আচঁলটোৰে মোহাৰি মোহাৰি জুৰি বিচনাখনত বহিলহি।

.......... প্ৰশান্ত বৰুৱা .......... তাইৰ গিৰিয়েক, ............ পুলিচৰ এজন উচ্চ পদস্থ বিষয়া। .......... দেশৰ তথা নিজৰ কৰ্ত্তব্যক অৱহেলা কৰিব নজনা, আনৰ অপকাৰ কৰি বেয়া পোৱা, ইমান কোমল, পৱিত্ৰ অন্তৰৰ মানুহজন ........., কাক বাৰু কি অপকাৰ কৰিছিল ? কিয় ? কিয় বাৰু সিহঁতে এইদৰে মানুহজনক তাইৰ চকুৰ আগতে গুলীয়াই থৈ গৈছিল ? কি দোষ আছিল এই মানুহজনৰ ? এই মানুহ জনক মাৰি বাৰু সিহঁতৰ কি লাভ হ'ল ?

.......... চকু দুটা সেমেকি উঠিল জুৰিৰ, দুগা-লেদি বৈ আহিল দুটোপাল তপত অশ্ৰু। কোনে দিব ? কোনে দিব বাৰু তাইক এই প্ৰশ্নবোৰৰ সমি-ধান। কিমানক যে তাই এই প্ৰশ্নবোৰ কৰিলে, কিন্তু কোনেও তাইক সমিধান নিদিয়ে ? .......... সচাঁয়ে বাৰু প্ৰশান্তই কিবা ডাঙৰ অপৰাধ কৰিছিল নেকি ? যাৰবাবে প্ৰশান্ত ......... তাই আৰু ভাৱিব নোৱাৰিলে। গাৰুটোত মুখখন গুজি হুক হুকাই কান্দি উঠিল। কিন্তু তাইৰ এই কান্দোন .........? .......... কতদিন, কতনিশা তাই এইদৰে উচুপিছে, কিন্তু জুৰিৰ এই উচুপনি গভীৰ

নিশাৰ নিৰবতা খিনিৰ মাজতেই বিলীন হৈ গৈছে। .......... কোনেওতো শুনা নাই তাইৰ এই উচুপনি।

তাইৰ চকুৰ আগত ভাঁহি উঠিল সেই দিনটো, যিটো দিনত প্ৰশান্ত আঁতৰি গৈছিল তাইৰ কাষৰ পৰা। ——— বহু দূৰ দূৰলৈ এক অজান দেশলৈ।

সিদিনা আছিল বুধবাৰ। পিছদিনা ভতিজাক ৰাহুলৰ জন্মদিন। তাইৰ একমাত্ৰ ভতিজাক ৰাহুলৰ এবছৰ সম্পূৰ্ণ হব। ——"চঞ্চল প্ৰাণ দুটিত আনন্দে নধৰে হিয়া, কিন্তু এই আনন্দ হ'ল জানো যুগমীয়া ? জুৰি আৰু প্ৰশান্ত দুয়ো ৰাহুলৰ জন্মদিনৰ বাবে উপহাৰ কিনি আনি বজাৰ কৰি ঘৰ সোমাইছেহি। কোঠাৰ ভিতৰত বহি প্ৰশান্তই একান্ত মনে চিগাৰেট খাইছে। কাপোৰ - জোৰ সলাই জুৰিও আহি বহিলহি। তেতিয়া চিকমিক গধূলি হৈছিল।

ক্ৰিং———ক্ৰিং—...ক্ৰিং ——। হঠাতে বাহিৰত কেইবাবাৰো বৈ বৈ কলিং বেলটো বাজি উঠিল। —.... প্ৰশান্ত ওলাই গ'ল বাহিৰলৈ। ধীৰ পদক্ষেপেৰে ওলাই যোৱা প্ৰশান্তৰ ফালে চাই ৰ'ল জুৰিয়ে ....— তাই বাৰু জানিছিলেনে, জীৱন্ত অৱস্থাত প্ৰশান্তক তাই এইয়া শেষ বাৰৰ বাবে চাইছে ?

...........বাহিৰত কিবা এটা শব্দ শুনি পৰ্দাখন দাঙি বাহিৰলৈ চালে। কিন্তু .........কিন্তু .........সেইয়া তাই কি দেখিছে ..........। .......... শিয়ঁৰি উঠিল জুৰি সৌ, সৌ লৰাটোৱে দেখোন প্ৰশান্তলৈ গুলী কৰিছে ......। খন্তেকতে এটা আৰ্তনাদ আহি তাইৰ কাণত পৰিলহি! .......... জুৰি লৰি গ'ল প্ৰশান্তৰ কাষলৈ। কিন্তু ইতিমধ্যে সকলো শেষ হৈ গ'ল। এটা এটাকৈ পাচোঁটা গুলী প্ৰশান্তৰ বুকুত গুজি দি সিহঁত গুচি গ'ল। .......... এৰি গল প্ৰশান্তৰ প্ৰাণহীন, তেজেৰে তুমৰুলি হোৱা দেহাটো ..........। খন্তেকতে হুলস্থূল লাগি গ'ল ঘৰখনত।

............... সম্পূৰ্ণ তিনিদিনৰ মূৰত জ্ঞান পাই নিজৰ ৰূপটো দেখি নিজলৈকে জুৰিৰ বৰ ভয় লাগি গ'ল। শুভ্ৰ বগা কাপোৰৰ সাজেৰে, উকা কপালখন, কান্দি কান্দি ফুলি থকা ৰঙাচকু হালেৰে তাইৰ নিজকে বৰ অচিনাকি অচিনাকি লাগিল। জীৱনত তাই সিদিনা প্ৰথমবাৰৰ বাবে উপলব্ধি কৰিলে ——"Life is a tragedy to the man who feels; life is a comedy to the man who thinks".......... কোনে জানো কৈছিল, সিহঁতে বোলে শান্তি বিচাৰে। কিন্তু এই শান্তি বাৰু কাৰ বাবে ? তাইৰ বৃদ্ধ শহুৰ-শাহুৰৰ দুটিমাত্ৰ সন্তান, পাঁচজনীয়া পৰিয়ালটোৰ একমাত্ৰ উপাৰ্জনক্ষম ব্যক্তিজনক হত্যা কৰি, বৃদ্ধ পিতৃ - মাতৃহালক পুত্ৰহাৰা কৰি এই শান্তি বাৰু সিহঁতে কলৈ নিছে ? তাইৰ দগমগকৈ জিলিকি থকা শিৰৰ সেন্দুৰকণ মচি, তাইৰ জীৱনত উঠা মধুময় দিনকেইটা ধ্বংস কৰি সিহঁতে বাৰু কি শান্তি পালে ? — ........ এই শান্তি বাৰু সিহঁতৰ বাবে নেকি ?

.......... সিদিনা ৰাহুলটোৱে তাইক সুধিছিল ? পেহী তুমি কিয় কান্দিছা ? অ' বুজিছো পেহা নাই কাৰণে তুমি কান্দিছা নহয় নে ? সি আৰু সুধিছিল .......... "পেহী আজি স্কুলত মোক পাপুহঁতে কৈছে, আমাৰ পেহাক বোলে কোনোবাই মাৰিলে ? .......... পেহী, পেহাক কিয় মাৰিলে ? পেহাই বাৰু বেয়া কাম কৰিছিলে নেকি ? আমাৰ স্কুলৰ চাৰহঁতে কয় বেয়া কাম কৰা দেখিলে হেনো ডাঙৰ মানুহে মাৰে" ? তাই বাৰু তাক কি বুলি বুজাব। সেই সময়ত ৰাহুলৰ পৰা পলাবৰ মন গৈছিল তাইৰ। তাই বাৰু কেনেকৈ এই কণমানি লৰাটোৰ আগত সমাজখনৰ কুৎসিত ৰূপটো দাঙি ধৰে ? সি বুজি পাবই বা কিটো।

........... নাই .......... নাই ........... তাই কেতিয়াও নোৱাৰে। কোঠাটোৰ নিৰৱতাখিনিক উপেক্ষা কৰি ৰাহুলক সাৱটি ধৰি সেইদিনা তাই উচুপি উঠিছিল। তাই সেইদিনা আকৌ এবাৰ উপলব্ধি কৰিছিল ......। "Life is a tragedy to the man who feels; Life is a comedy to the man who thinks..."



.......... ৱাল ক্লকটোৱে বাৰটাৰ সংকেত দিয়াতহে তাইৰ ভাৱত যতি পৰিল ..........।

ৰাহুলৰ স্কুল ছুটী হবৰ হল। .......... তাই যে কিবোৰ ভাবি আছে অথনিৰে পৰা। .......... তাইৰ বাবে প্ৰশান্তৰ মৃত্যু বাৰু সদায় 'আজি' হৈয়েই থাকিব নেকি ........... ?

.......... লৰা-লৰিকৈ ওলাই তাই ৰাস্তাত ভৰি দিলেগৈ। ..........তাই, তাই আৰু কিমান দিন ককায়েক বৌয়েকৰ এটা বোজা হৈ থাকিব বাৰু ? ......... নাই .......... নাই .......... তাই আৰু এই বোজা বহন কৰিবলৈ দিব নোৱাৰে। .......... তাই নিজে কিবা এটা কৰিব। .......... কিন্তু ....... প্ৰশান্তৰ জীৱনটোৰ বিনিময়ত তাইক দিয়া চাকৰিটো নহয়, .......... প্ৰশান্তৰ বিনিময়ত দিয়া একলাখ টকাৰে নহয় ..........।

.......... দূৰৈৰ পৰা স্কুল ছুটীৰ ঘণ্টাৰ শব্দটো আহি তাইৰ কাণত পৰিলহি। ....... ঘণ্টাটোৰ লগে লগে তাইৰ অন্তৰৰ শোকবোৰো পুনৰ উথলি উঠিল। হৃদয়খনেও তাইৰ উচুপি উঠিল নিশব্দে

.......... ৰাস্তাটো পাৰহৈ তাই খৰধৰকৈ আগবাঢ়ি গ'ল ..........................



জীয়াই থকা মানেই স্ফুৰ্তি কৰা, খোৱা, পিন্ধা, খেলাই মাত্ৰ নহয়। কিন্তু ঈশ্বৰক স্তুতি কৰা অৰ্থাৎ মানৱ জাতিক প্ৰকৃত সেৱা কৰাহে।

মহাত্মা গান্ধী

গল্প

# ডাৱৰে ঢকা জোন

শ্ৰীবিজিত কুমাৰ সোনোৱাল
স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)

ঃ এই অৰুন্ধতী তুমি কান্দিছা দেখোন।

ঃ ওঁ দিপাংকৰ, তুমি ঠিক ধৰিছা, মই কান্দিছো। জানা দিপাংকৰ, এনেদৰে আৰু আজিৰে পৰা বহুদিনৰ আগতে এদিন মই ............................................. ॥

ঃ কিন্তু কিয় অৰুন্ধতী কিয় ??

সংঘাটময় জীৱনৰ সংঘাট পূৰ্ণ অধ্যায়। সংঘাটময় জীৱনৰ শেলুৱৈ পৰা পিচল বাটেদি থুপি-থুপি খোজেৰে আগুৱাই আহি আজি অৰুন্ধতীয়ে ভৰ যৌৱনৰ দুপৰ বেলাত ভৰি দিলেহি।



বেচাৰী অৰুন্ধতী জনীক ভাবিলেই বেয়া লাগে। ৰূপতে হওক বা গুণতেই হওক কোনো ফালেই কম নহয়। কথাও খুব বেছি নকয়। হৰিণীহেন চকুহালিয়ে বহুতৰ মন কঢ়া শক্তি তাইৰ আছে। যি কোনো ক্ষেত্ৰতে ধৈৰ্য্য বুলি কোৱা গুণটিয়ে তাইক সহায় কৰে। কেতিয়াবা কাৰোবাৰ সতে মুখা-মুখি হওঁতে নিজক পাহৰি যোৱা অভ্যাস অৰুন্ধতীৰ নাই। আনকি কোন মুহুৰ্ত্ত কাক কেনে দৰে ব্যৱহাৰ কৰিব লাগে তাকো ভালদৰে জানে। ইমান খিনি গুণৰ অধিকাৰী হৈও অৰুন্ধতীয়ে যেন তাইৰ শৰীৰত কিবা এটা অভাৱ অনুভৱ কৰে। তাকে লৈ কেতিয়াবা তাই ভাৱনা ৰাজ্যত ডুব গৈ আপোন পাহৰা হৈ যায়। কলেজত লগৰ ছোৱালীবোৰে হাঁহি ধেমালিয়ে সময়বোৰ পাৰ কৰে। কিন্তু অৰুন্ধতী, তাই কেৱল অকলে-অকলে বহি চিন্তাৰ গলিত সোমাই খিৰিকী ভাগি উৰলি যোৱা ঘৰৰ ছবি বোৰকে চাই দিনটোক বিগত কৰে। মাথো তাই ভাৱে যে, কোন দিনা সেই উৰলি যোৱা ঘৰৰ খিৰিকীবোৰ জোৰা লাগি পুনৰ নতুন হৈ পৰিব। কিন্তু সেয়া জানো সম্ভৱ ? কেতিয়াবা অৰুন্ধতীয়ে আকৌ ভাবে — "মই কিয় জীয়াই আছো ? ইমানবোৰ অশান্তিৰ মাজেৰে জীয়াই থকাতকৈ মৃত্যুৰ কামনা নকৰো কিয় ?" ইত্যাদি। শৰীৰৰ মাজত উহ্য হৈ থকা "মই" ভাৱটোৱে তাইক জীয়াই থাকিবলৈ বাধ্য কৰাইছে। এহাতে সততাই অৰুন্ধতীৰ মনলৈ মৃত্যুৰ এলাহ ভাৱ কঢ়িয়াই আনিছে আনহাতে সেই সততাই আনৰ দৰে আৰাম দায়ক দিন বোৰ উপভোগ কৰাৰ পৰা বঞ্চিত কৰিছে। সেয়েহে তাইৰ মনটো হৈ পৰিল যেন "এচ্‌পৰা "ক'লা" ডাৱৰ"।

অৰুন্ধতীৰ কলেজীয়া জীৱনৰ একমাত্ৰ সহপাঠী দিপাংকৰ, দিপাংকৰ হাজৰিকা। অক তাই কলেজত ভৰি দিয়াৰে পৰা লগ পাইছে। কলেজখনৰ কাষতে অৰুন্ধতীৰ ৰৰদেউতাকৰ ঘৰ। তাৰে পৰাই তাই কলেজলৈ অহা যোৱা কৰে। সেই ৰৰদেউতাক হঁতৰ ভাড়া ঘৰতে থাকে দিপাংকৰ। তাইৰ ৰৰদেউতাকৰ একমাত্ৰ ছোৱালী উংপলা, তাইও কলেজত একেটা শ্ৰেণীতে। মাক দেউতাকৰ লগতে উংপলাইও দিপাংকৰক বৰ মৰম কৰে। কেতিয়াবা দিপাংকৰৰ ঘৰৰ পৰা টকা-পইচা পঠিওৱাত পলম হ'লে সেই ক্ষেত্ৰত উংপলাই আগভাগ লয়। মাথো সিমানেই নহয়, দিপাংকৰৰ কিবা অসুবিধা হ'লে লৰধৰি যায় উংপলা। এনেকুৱা কিছুমান কাৰ্য্যৰ পৰা দিপাংকৰৰ প্ৰতি উংপলাৰ কিবা স্বাৰ্থ থকা যেন অনুমান হয়। কব নোৱাৰা দুখতে তাই যেন আগুৱাব পৰা নাই। দিপাংকৰৰ চকুত অৱশ্যে তেনে ভাৱ (তাইৰ প্ৰতি) ধৰা নপৰে। কাৰণ সি তাইৰ মাক-দেউতাকক নিজ পিতৃ-মাতৃ সম জ্ঞান কৰে লগতে উংপলাকো নিজৰ ভনী হিচাপে ব্যৱহাৰ কৰে। তেনে ক্ষেত্ৰত দিপাংকৰে সেই কথা ভাবিবই নোৱাৰে। সেইফালে হাজাৰ ভালৰি বুলালেও সি সিমান দোষমুক্ত নহয়। কথা হ'ল, দিপাংকৰে যেতিয়া উংপলা আৰু তাইৰ মাক-দেউতাকক নিজৰ বুলি লবই পাৰিলে তেন্তে অৰুন্ধতীকো ভনী হিচাপে লোৱা হ'লে কিনো মহা ভাৰতখন অশুদ্ধ হলহেঁতেন। সেই খিনিতেই সি ভুল কৰি পেলালে। নাই সি পাৰি মানে চেষ্টা কৰিও তাইক তেনে ভাৱে লব নোৱাৰিলে। তাইৰ হৰিণীহেন চকু হালিয়ে দিপাংকৰৰ মনত বাৰে-বাৰে আঘাত সানিব লাগিল। সেই আঘাতৰ সহ্য কৰিব নোৱাৰি এদিন সি কথাষাৰ অৰুন্ধতীৰ আগত কৈ পেলালে। তাই কিন্তু সেই ক্ষেত্ৰত সঁহাৰি নজনালে। সেই দিন ধৰি দিপাংকৰে অৰুন্ধতীক পুনৰ বাৰ তেনে আবেদন জনোৱা নাই যদিও তাইৰ প্ৰতিচ্ছবিয়ে তাক আমনি দিবলৈ এৰা নাই।

এই বছৰতে দিপাংকৰ, অৰুন্ধতী, উংপলা, তিনিওটাই স্নাতক তৃতীয় বাৰ্ষিকৰ চুড়ান্ত পৰীক্ষা দিব। পৰীক্ষাৰ শেষত দিপাংকৰৰ আৰু তাত থকাৰ সকাম নাই। বিভিন্ন প্ৰান্তৰ পৰা অহা ল'ৰা-ছোৱালী বোৰৰ লগতে সিও ঘৰলৈ উভতিব। সেয়ে সেই শেষৰ দিনটোতে দিপাংকৰে অৰুন্ধতীৰ পৰা শেষ প্ৰতি-শ্ৰুতি আদায় কৰিম বুলি ভাবি পৰীক্ষালৈ সাজো হ'ল। ইফালে অৰুন্ধতীয়ে সেই দিনটোতে তাইৰ শৰীৰৰ গোপন

ৰহস্যটো দিপাংকৰৰ আগত খুলি কম বুলিয়েই মনতে পাঙি থৈছে। আনফালে উৎপলা, তাইও একেটা দিনতে তাইৰ দুৰ্ব্বলতাৰ বিষয়ে কবলৈ অপেক্ষা কৰি আছে। দিপাংকৰ, অৰুন্ধতী আৰু উৎপলা, তিনিও তিনিটা ভিন্ন মনৰ আশা বুকুত বান্ধি লৈ আটাইয়ে শেষৰ দিন-টোলৈ বাট চাই ৰ'ল।

ইতিমধ্যে পৰীক্ষা আৰম্ভ হৈ গ'ল। আজি শেষৰ দিন। কাইলৈ ৰাতিপুৱাতে দিপাংকৰ ঘৰলৈ ৰাওনা হ'ব। গতিকে আজি গধূলি বেলাতে সি সকলোৰে পৰা বিদায় লব। সেয়েহে সি কলেজৰ পৰা নিৰ্দিষ্ট সময়তকৈ আগতে ওলাই আহিল। আহোঁতে একা-বেকা গলিয়ে ভাৱনাৰে ভাৰাঘৰত সোমাই ইটো-সিটো বস্তু চাই-চাই কেতিয়ানো নিজৰ কোঠাত সোমালহি দিপাংকৰে গমকে নেপালে। ইমান দিনে মানসিক সংঘাটৰ মাজেৰে কিতাপ-পত্ৰৰ লগত যুঁজ কৰিব লগা হোৱাত সি যেন যথেষ্ট খিনি ভাগৰি পৰিছে। সেয়েহে অলপ জিৰণি লোৱাৰ মানসেৰে বিচনাত বাগৰিব লওঁতেই—"দিপাংকৰ", হঠাৎ অৰুন্ধতীৰ মাতত সি জিকঁাৰ খাই উঠিল। দিপাংকৰে বাহিৰলৈ ওলাই যোৱাৰ আগতে অৰুন্ধতী ভিতৰলৈ সোমাই আহিল।

অৰুন্ধতী নিজেই অহাৰ বাবে দিপাংকৰৰ মনটো ভাল লাগি গ'ল। কিন্তু সেয়া কি অৰুন্ধতীয়ে দেখোন মনে মনে উচুপি আছে। ............................
সি যেন বৈ থাকিব নোৱাৰি সুধি দিলে। — "এই অৰুন্ধতী তুমি কান্দিহা দেখোন।" দিপাংকৰৰ কথাষাৰত তাই আচৰিত হ'ব লগা একোৱেই নাই। কাৰণ তাই সঁচাকৈয়ে কান্দিছে। অৰুন্ধতী ধীৰে ধীৰে খিৰিকীখনৰ কাষলৈ আগবাঢ়ি গ'ল আৰু দূৰলৈকে দেখা পোৱাকৈ খিৰিকীৰ পৰ্দাখন উঠাই দিলে। "তুমি ঠিক ধৰিহা দিপাংকৰ মই কান্দিছোঁ। আৰু আজিৰে পৰা পাঁচ বছৰ আগতে এদিন মই কান্দিছিলো" তাই বাক্য শাৰী সহজ ভাবে কলে যদিও দিপাংকৰে কিন্তু একো বুজি নেপালে। সেয়া হ'লেও কাথাষাৰত যে এটা বিৰাট ডাঙৰ ৰহস্যৰ ভাণ্ডাৰ আছে তাক তাৰ বুজিবলৈ বাকী নেথাকিল। সেয়েহে উন্মুক্ত হৈ পুনৰ সুধিলে — "কিন্তু কিয় অৰুন্ধতী কিয়??" দিপাংকৰৰ এই প্ৰশ্নটোৱে অৰুন্ধতীৰ মনটো কঁপাই দিলে। কাৰণ যিটো কথা আজি পাঁচ বছৰে কাৰোৱে আগত কোৱা হোৱা নাই সেইয়া আজি দিপাংকৰে জানিব বিচাৰিছে। উপায়বিহীন হৈ তাই খোলাখিৰিকী খনৰ গাতে আঁউজি লাহে লাহে আৰম্ভ কৰিলে – "কম দিপাংকৰ সকলো কম। এইখিনি কবলৈকেতো ইয়ালৈ আহিছোঁ। দিপাংকৰ, তুমি হয়তো নাজানা যে, আজিৰে পৰা দহ বছৰ আগতে মই ইয়াত নাছিলো। মোৰ নিজা বুলিবলৈ এখন ঘৰ আছিল আৰু সেই ঘৰখন যে ইয়াত নাছিল এই কথাও তুমি নাজানা,। জানা দিপাংকৰ, পৰসপুৰ নামেৰে এটা সৰু অঞ্চলত আমাৰ দেউতাই গঢ়ি তোলা সোণৰ সংসাৰখনে কাল নিয়াইছিল। মা-দেউতা মই কব নোৱাৰা দিনতে কালৰ সোঁতত বিলীন হৈ গ'ল। পৰিয়াল বুলিবলৈ মাথো থাকি গ'লো তিনিটা প্ৰাণী। বাইদেউ নীলু, দাদা অমৃত আৰু মই। নীলু বাইদেউৱে অমৃত আৰু মোক মা-ৰ সময়ত "মা" আৰু দেউতা-ৰ সময়ত "দেউতা" হৈ বহু কষ্টৰ মাজেৰে ডাঙৰ দীঘল কৰিলে। নীলু বাইদেউৱে এই খিনি কৰিলে কেনেকৈ? লোকৰ ঘৰত কাম বন কৰি কৰি আমাৰ বাবে খাবলৈ দুবেলা দুমুঠি ভাত, পিন্ধিবলৈ কাপোৰ যোগাৰ কৰি দিছিল। মাথো সিমান খিনিয়েই তাইৰ বাবে যথেষ্ট নাহিল। আমাৰ দুটাক পঢ়া শুনা কৰাবলৈকো নীলু বাইদেউৱে পাহৰা নাছিল। একালে খোৱা-লোৱা আৰু আনফালে পঢ়া শুনা খৰচ, ইমান খিনি দায়িত্ব মূৰ পাতি লৈও তাই ভাগৰি পৰা নাছিল। লাহে লাহে অমৃত আৰু মই মেট্ৰিকৰ দেওনা পাৰ হৈ কলেজৰ দুৱাৰত ভৰি দিলোগৈ। খৰচ বাঢ়িল কিন্তু উপাৰ্জন একে থাকিল। তেনে স্থলত আমাৰ ঘৰ খনত চাকৰি এটা বৰ প্ৰয়োজন হৈছিল। গতিকে নীলু বাই-



দেউৱে অমৃতলে চাকৰি এটা বিচৰা কামত দেহে কেহে লাগিল। আমাৰ দুটাৰ ভবিষ্যতক লৈ ব্যস্ত থাকোতে তাই নিজৰ ভবিষ্যতৰ কথা পাহৰিয়েই পেলালে। এতিয়া লাগ বুলিলেই চাকৰি এটা পায় ক'ত? আৰু পালেও দহ-পোন্ধৰ হাজাৰ টকা নহ'লে কোনেও মূৰ দাঙি নেচায়। তাৰোপৰি ইমান বোৰ টকা নীলু বাইদেউৱে পায় ক'ত? বহু চেষ্টা কৰিও তাই চাকৰিটো যোগাৰ কৰিব নোৱাৰিলে। নিৰুপায় হৈ শেষত নীলু বাইদেউৱে আমি কব নোৱাৰাকৈয়ে সৰ্ব্বশৰীৰ বিক্ৰি কৰাত লাগিল। তাৰ পাছত অমৃতৰ চাকৰি হ'ল। ভাল দৰমহাৰ চাকৰি। আমি ভাবিছিলো যে, বাইদেউৱে আৰু লোকৰ ঘৰত কাম-বন কৰিব নালাগে। কিন্তু কথাতে কয় নহয় — "ভবা কথা নহয় সিদ্ধি বাটত আছে কণাবিধি," কথাষাৰ আমাৰ গাতে লাগিল। পৰস-পুৰ সমাজে তাইৰ গোপনীয়তা উদঙাই পেলালে। সকলোৱে লেই-লেই চেই-চেই কৰিব ধৰিলে। গাঁৱৰ ডাঙৰ ডাঙৰ ভাৱৰীয়া সকলে মুহুৰ্ত্ততে বাইদেউক গাওঁ এৰি যাবলৈ ৰঙা চকু দেখুৱালে। মানসিক তাৰণাত ধৈৰ্য্য হেৰুৱাই সেই নিশাতে নীলু বাইদেউৱে আত্ম হত্যা কৰিলে। এইয়াই আছিল আমাৰ পিতৃ-মাতৃ স্বৰূপ নীলু বাইদেউৰ জীৱনৰ একমাত্ৰ অধ্যায়।


তাৰ পাছত থাকি গলো অমৃত আৰু মই। বাই-দেউ হেৰালত আমি পুনৰ সোমাই পৰিলো এক ঘোপ মৰা অন্ধকাৰৰ মাজত। কোনো মতে এটি বছৰ পাৰ হবলৈহে পালে তেনে সময়তে আমাৰ মাজলৈ নামি আহিল এক অত্যান্ত ভয়াবহ কাল ধুমুহা। পৰস পুৰ গাঁৱৰ ভদ্ৰতাৰ মুখা পিন্ধা সমাজ খনে দ্বিতীয় বাৰ আমাৰ ওপৰত জপিয়াই পৰিল। নীলু বাইদেউৰ আত্মহত্যা আৰু অমৃতৰ চাকৰি, ইমান খিনি পাইও সিহঁতে ক্ষান্ত নেথা-কিল। ক'লা ডাৱৰ চপৰাই যেন মুক্ত আকাশখন ঢাকি পেলালে। যি খন সমাজে নীলু বাইদেউক আত্মহত্যা কৰিবলৈ বাধ্য কৰাইছিল সেইখন ভদ্ৰতাৰ মুখা পিন্ধা সমাজে নিসংগ ভাৱে অত্যাচাৰ আৰম্ভ কৰিলে মোৰ ওপৰত।

সেই দিনা আছিল দেওবাৰ। আজৰি দিন বুলিয়েই নেকি গাৱঁৰ কেইজন মান ল'ৰাই অমৃতক এটা পাৰ্টিলৈ মাতি লৈ গ'ল। দিন পাৰ হৈ সন্ধিয়া আহিল অথচ ঘুৰি অহা নাই। পাৰ্টি যেতিয়া অলপ দেৰি হবই, এই ভাবি মই ভাত-পানী খাই আঠ ন মান বজাত বিচনাত বাগৰ, দিলোগৈ। আধাঘণ্টামান হৈছিলহে মাত্ৰ তেনেতে দুৱাৰত এটা মৃদু শব্দ শুনিলো। অমৃতকে ভাবি মই বিচনাত উঠি বহিলো। ক'তা. একোৱেই নাই। কেৱল মেকুৰীটোৰ বাহিৰে সকলো নিস্তব্ধ। নিসন্দেহে পুনৰ শুই পৰিলো। প্ৰায় পোন্ধৰ কি বিশ মিনিট মান সময় পাৰ হ'ল। তাৰ পাছত দ্বিতীয়টো শব্দ। সেইটো প্ৰথমটোতকৈ যথেষ্ট ডাঙৰ। মনতে অমৃত অহাৰ আৱিস্কাৰ কৰি বিচনাৰ পৰা নামি ধীৰে-ধীৰে দুৱাৰ খনৰ ফালে খোজ ললো। দুৱাৰখন খুলো বুলি হাত মেলোতেই পিছফালৰ পৰা কাৰোবাৰ কঠিন হাতেৰে মোক খাপ মাৰি ধৰিলে। মই অলৰ-অচৰ হৈ পৰিলো। এজন নহয় দুজন নহয় তিনিজন জোৱানে ভোকাতুৰ শিয়ালৰ দৰে মোক খাওঁ-খাওঁ কৰিব ধৰিলে। মই বহুত চেষ্টা কৰিও শৰীৰটো বচাব নোৱাৰিলো। শেষত মই অজ্ঞান হৈ মাটিত ঢলি পৰিলো। নিশা প্ৰায় দুই মান বজাত মই জ্ঞান পাই দেখিলো যে মোৰ গাৰ কাপোৰ বোৰ এখন-এখনকৈ দূৰত পৰি আছে আৰু মই, বস্ত্ৰ-বিহীন গাৰে মাটিত পৰি আছো। লৰা-লৰিকৈ উঠি কাপোৰ-কানি পিন্ধি খোলা দুৱাৰেদি মই বাহিৰলৈ দৌৰি-লো। দৌৰি-দৌৰি প্ৰায় পুৱা চাৰে-চাৰি মান বজাত এই বৰ-দেউতাহঁতৰ ঘৰ পালোহি। পিছ দিনা অমৃতৰ আত্মহত্যাৰ বাতৰিয়ে মোৰ শেষ পোহৰ কণো অন্ধকাৰে চানি পেলা-লে। জানা দিপাংকৰ, জীৱন চাকিৰ প্ৰথম শলিতা মই ক'ব নোৱাৰা দিনতে হেৰাল। নীলু বাইদেউৱে ন-শলিতা গাঁথি অলপ পোহৰাইছিল, সিও কেইদিন মানতে পুনৰ এন্ধাৰৰ মাজত বিলীন হৈ গ'ল। তাৰ পিছত অমৃত, সিতো শলিতা জ্বলাব সুবিধাকে নেপালে। সেয়া হলেও সিহঁত এতিয়া মুক্ত পক্ষী। কেৱল মই হৈ ৰলো এটা "ডাৱৰে ঢকা জোন"। অৰুন্ধতীয় তাইৰ অতীতত ঘটি

যোৱা সত্য বাস্তৱ ঘটনাবোৰ সপোনৰ দৰে একেলেথাৰিয়ে কৈ গ'ল। এটি-এটি কৰি সকলো বাস্তৱিক ছবি অৰুন্ধতীৰ মনত ভাহি উঠিল। তাই আৰু বৈ থাকিব নোৱাৰিলে। তাই হুক-হুকাই কান্দি পেলালে।

ইমান পৰে অৰুন্ধতীয়ে কৈ যোৱা কথাবোৰ দিপাংকৰে নিৰৱে শুনি আছিল। নিৰৱতা ভংগ কৰি সি লাহে লাহে অৰুন্ধতীৰ কাষ চাপিল। তাই বাধা দিব খুজিও বৈ গ'ল। দিপাঙ্কৰে তাইৰ গাত মেৰিয়াই থকা আঁচলৰ আগেৰে চকু পানীখিনি মচি দিলে আৰু অৰুন্ধতীৰ শৰীৰৰ মলিয়ন আৱৰণ খন দলিয়াই পেলাই দিপাংকৰে তাইক হৃদয়ৰ মাজলৈ আদৰি আনিলে। আৰু অৰুন্ধতীয়েও দিপাংকৰৰ দুই বাহুৰ মাজত সোমাই পৰিল।

ইকালে উৎপলা, তাই দিপাংকৰ আৰু অৰুন্ধতীয়ে কব নোৱাৰা কৈয়ে বাহিৰৰ পৰা সকলো শুনি আছিল। তাই ভিতৰলৈ সোমাব লওঁতেই কৰবাৰ পৰা এক অজ্ঞান পোহৰ আহি গোটেই কোঠাটো পোহৰাই তুলিলে। বাহিৰতো সহস্ৰ ডাৱৰ ভেদি আকাশৰ জোনটিয়ে মেদিনী পোহৰে উপচাই দিলে। এনেহেন লাগিল যেন আজিয়েই সেই জোনৰ প্ৰথম দিন। আৰু তাকে দেখি উৎপলাই চকু দুটা মুদি দিলে।



ধ্বংস হোৱাটো যিহেতু সুনিশ্চিত, সেইবাবে সজ কথাত জীৱন উৎসৰ্গ কৰিব।
স্বামী বিবেকানন্দ

মই তোমালোকক স্বাধীনতা দিম। মোক তোমালোকে তেজ দিয়া।
— সুভাষ বসু —





# ॥ স্বপ্নীল আশাৰ মায়া ॥

শ্ৰীজিন্ত কুমাৰ চাংমাই
স্নাতক দ্বিতীয় বাৰ্ষিক
বিজ্ঞান শাখা

: 'ঐ প্ৰৱাল ! প্ৰৱাল !' — কাৰোবাৰ চিঞৰত ধাস্তাটোৰ সিপাৰলৈ চাই পঠালো। অ' অৰিন্দম সেইটো। মোকে মাতিছে সি।

: 'কি হ'ল ?' – চিঞৰি সুধিলো।

: 'এইফালে আহচোন'।

: 'ৰ' ৰ' গৈছো'। — এইবাৰ কাষতে থকা নয়নলৈ চাই কলো, — 'ব'লচোন কেলেই মাতিছে চাই আহো।'

: 'ব'ল, ব'ল' — মোৰ লগত কলেজলৈ অহা সঙ্গী নয়নৰ প্ৰত্যুত্তৰ।

ৰাস্তাটো পাৰহৈ দুয়োটা তাৰ কাষ পালোগৈ।

আৰে, তাৰ লগত কোনোবা ছোৱালী এজনীও দেখোন।

: 'কি হ'ল, কৰবালৈ যাব' নেকি ? মোক কিয় মাতিলি ?' — মই সুধিলো।

: 'নাই নেযাওঁ। এইক আগবঢ়াই থবলৈহে আহিলো'। কাষৰ ছোৱালী জনী দেখুৱায় সি কলে।

: 'অ' হয় নেকি ?'

: 'আচ্ছা, তই ঘৰলৈ যাবি নহয় ?' - সি মোক সুধিলে।

: 'অ' যামতো, তোক কেলৈ ?'

: 'তেন্তে ভালেই হ'ল। তুমি ইয়াৰ লগতে যাব পাৰিবা পৰী।' সি কাষৰ ছোৱালী জনীক অৰ্থাৎ পৰীক উদ্দেশ্যি কলে।

: 'এই অৰিন্দম, এইজনী কোন অ'। মই যে চিনি পোৱা নাই।' — অৰিন্দমৰ কাণৰ কাষত ফুচ্‌ফুচাই সুধিলো।

: 'অ' পাহৰিছিলোৱেই। তইঁতক চিনাকি কৰি দিওঁ ৰহ। এইৰ নাম পৰীজিতা। এইবাৰ হায়াৰ ছেকেণ্ডাৰী ফাৰ্ষ্ট ইয়েৰৰ। আৰু পৰী ই মোৰ লগৰ দেই আৰু সেইজন' — নয়নলৈ চাই কলে — 'ইয়াৰ লগৰ'।

নমস্কাৰ বিনিময়ৰ পাছত অৰিন্দমে আকৌ কলে

: 'এইৰ লগৰ কেইজনী আজি কলেজলৈ নাই অহা', সেয়ে আজি অকলশৰীয়া হৈছে। এতিয়া তইঁতৰ লগতে যাব পাৰিব'।

: 'ঠিক আছে হব বাৰু, কিনো কথাটো ন' —।

— সমৰ্থনৰ আশাত পৰীজিতালৈ চালো।

: 'ওঁ' — মিচিকি হাঁহি এটিৰে তাই মূৰ দুপিয়ালে।

বগাকৈ ছোৱালীজনী, দেখিবলৈ ধুনীয়াই। অলপ খীণকৈ, মধ্যমীয়া হৰ। মুখখন অলপ গোলকৈ দেখিবলৈ মৰম লগা।

: 'আপুনি পঢ়ি আছে নে? পৰীৰ মাতত মূৰ তুলি চালো। অৰিন্দম আৰু নয়ন আগে আগে কথা পাতি গৈ আছে। পাছত পৰীয়ে মইয়ে।

: 'কি সুধিছিলা ?' প্ৰশ্নটো ভালদৰে শুনিছিলো যদিও আকৌ সুধিলো।

: 'আপুনি পঢ়ি আছে।' তাই পুনৰ সুধিলে।

: 'অ' পঢ়ি আছো। এই অৰিন্দমৰ লগতে। বি. এচ. চি. ফাৰ্ষ্ট ইয়েৰৰ'।

: 'অৰিন্দম দা কলা বিভাগত হে হবলা'।

: 'অ' ই আৰ্ট্‌ছ্‌ত'। ই আৰু মই হাইস্কুলীয়া অৱস্থাত একেলগে আছিলোতো। সেয়ে লগত বুলি কৈছো।"

: 'অ' বুজিছো'।

: 'তোমাৰ নামটো কি আছিল ?'

: 'পৰীজিতা বৰুৱা। আপোনাৰ নামটো কি বাৰু'।

: 'মোৰ নাম — প্ৰবাল, প্ৰবাল ফুকন'

: 'আপুনি ক'ত পঢ়িছে'।

: 'কিয় ? ডিব্ৰু কলেজতেই দেখোন। তুমি ডিব্ৰু-কলেজৰ নহয় জানো ?'

: 'ওঁ হয়। আপোনাক ডিব্ৰুত নাই দেখা যে'।

: 'নাই দেখা নেকি ? মই কিন্তু তোমাক দেখিছো। নাই দেখা যদিও এনেই কলো।

: 'অ' দেখিব পাৰে'।

: 'তুমি আৰ্টছৰ ?

: 'অ' হয়'।

: 'তোমাৰ ঘৰ ক'ত ?'

: 'খোৱাঙত। আপোনাৰ ?'

: 'মোৰ ঘৰ মৰাণত"।'

ইতিমধ্যে আমি গৈ বাচষ্টেণ্ড পাইছিলো। বাচ এখন তাত আগৰেপৰা আহিল ; বাচখনত ভীৰ নাছিলেই বুলিব পাৰি। গতিকে আমাৰ কাৰণে তিনিটা ছিট্ সহজে পাই গ'লো। আৰু এটা সময়ত বাচ যাবৰ সময় হোৱাত আমি অৰিন্দমৰ পৰা বিদায় লৈ বাচত বহি পৰিলো। বাচৰ ভিতৰত ছিট তিনিটাৰ এটাত অকলশৰে নয়ন বহিলে আৰু ডাবোল ছিট্‌টোত মই আৰু পৰীজিতা একেলগে বহিলো। বাচত মই আৰু পৰীজিতাই



বহুতো কথাই পাতিলো। ঘৰৰ কথা, পঢ়াৰ কথা। যিমানেই তাইৰ সতে কথা পাতিছো সিমানেই তাইৰ ব্যৱহাৰ পাতিৰ প্ৰতি মই যেন আকৃষ্ট হৈ গৈছো। তাইৰ প্ৰতি মুগ্ধ হৈ গৈছো। কিবা এক অহেতুক আকৰ্ষণ তাইৰ প্ৰতি অনুভৱ কৰিব ধৰিলো লাহে হাহে। কেতিয়াবা তাইৰ কথাবোৰ শুনি শুনি তন্ময় হৈ চাই ৰওঁ তাইৰ সহজ—সৰল মৰম লগা নিস্পাপ মুখখনলৈ। দুবাৰ মান চকুৰে চকুৰেও পৰিছে। উচিৎ অনুচিৎ একো ভবা নাছিলো, কিন্তু লাজ লাগিছিল তেতিয়া যেতিয়া মোৰ কিবা এটা কথাত তাই মুক্তকণ্ঠে হাঁহি উঠিছিল আৰু মই মুগ্ধ হৈ তাইৰ মুখলৈ চাই ৰৈছিলো। দুষ্টালীৰ হাঁহি এটা মাৰি পৰীয়ে সুধিলে,

:'এই প্ৰৱালদা! কি চাইছে মোৰ মুখলৈ ইমানকৈ ?' লাজ পালো যদিও অপ্ৰস্তুত নহৈ কলো,

: 'কিয় ? তোমাকেই চাইছো। পাহৰি যাব পাৰোতো, সেয়ে'।

: ই ঃ! ইমান সোনকালে পাহৰিব নে? অৱশ্যে আন্তৰিকতা নাথাকিলে পাহৰাতো স্বাভাৱিক। মই কিন্তু আপোনাক কেতিয়াও নাপাহৰো'।

তাইৰ কথা শুনি মই যথেষ্ট আনন্দিত হৈছিলো। তাইক যেন মোৰ ভাল লাগি গৈছিল। কিন্তু ভাল লাগিলেইতো নহব। গতিকে অন্য কথা উলিয়ালো,—।

: 'পৰী, তোমাৰ পঢ়া কেনে চলিছে ?'

: 'বৰ এটা ভাল নাই হোৱা, পঢ়িবলৈকে মন নাযায় দেখোন'।

: 'অ' সেইটো বেমাৰ লাগিলেই তেন্তে। বৰ ভাল কথা নাই হোৱা দেই। নে অন্য কিবা ধৰণৰ ৰোমান্স ............................ ?'

: 'কি ???' —— তাইৰ ধুনীয়া মৰমলগা চকু দুটা যেন কৌতুকত ডাঙৰ হৈ গ'ল।

: 'নহয় ! নহয় ! একো নহয়। এনেই কিবা এটা কৈছিলো ?' — যদিও কিবা অৰ্থত কথাটো কৈছিলো তাক ঘূৰাবলৈ চেষ্টা কৰিলো।

: 'মোৰ পঢ়া বাৰু তেনেকুৱা। আপোনাৰ পিছে ?' — এইবাৰ তাই সুধিলে।

: 'মোৰ পঢ়া ? মোৰো ঠিক ................ অ' নহয় নহয় মোৰ মোটামুটি ভালেই'।

: "তাৰ মানে মোৰ দৰেই হবলা"।

: 'নহয় দেই তোমাৰ দৰে'।

: 'ইঃ তেন্তে ........................?।

★ ★ ★

(দুই)

তাৰ পাছৰে পৰা আমি মানে মই আৰু পৰীয়ে প্ৰায় একেটা সময়তে একেখন বাছতে কলেজলৈ অহা হলো। মই নহালৈকে তাই প্ৰায়ে খোৱাং চাৰিআলিত মোলৈ ৰৈ থকা হ'ল। আৰু মইও সদায় একে সময়তে একেখন বাছতে আহিবলৈ ললো। কলেজৰ পৰা আহোঁতে সদায় একেলগে আহিবলৈ ললো। মানে কাৰোবাৰ অহাত অলপ পলম হ'লে ইটোৱে সিটোলৈ ৰৈ থাকিবলৈ ললো। লাহে-লাহে যেন আমাৰ সম্পৰ্কটো গভীৰতাৰ পৰা গভীৰতলৈ যাব ধৰিলে। এদিন যদি পৰী কলেজলৈ নাহে তেন্তে কলেজত মোৰ মন নবহা হয় আৰু তাইৰো অৱস্থা একে। আৰু ক্ৰমান্বয়ে আমাৰ ইটোৱে সিটোৰ প্ৰতি থকা সৌহাদ্যপূৰ্ণ তথা মৰমপূৰ্ণ আন্তৰিকতা খিনি আমাৰ অজানিতে প্ৰেমৰ ফলগু ধাৰালৈ ৰূপান্তৰিত হব ধৰিলে। কলেজৰ কেণ্টিনত, কলেজৰ ষ্টুডেণ্টচ্ কমনৰূমত আনকি কেতিয়াবা কলেজৰ চাদতে আমি প্ৰায়ে একেলগে বহি কথা পাতি ভাল পোৱা হ'লো। অৱশ্যে যদিও আমি তেনেদৰে বহি থাকো তথাপি কিন্তু কোনোদিনে নিজৰ 'ক্লাছ' খতি কৰা নাছিলো। অফ্ পিৰিয়দতহে আমি সদায় লগ হৈছিলো।

আৰু ঠিক তেনে এটি দিনৰ মাজঁৰে এটা দিনত কলেজৰ চাদৰ এচুকত মুকলি নীলিম আকাশৰ তলত জ্বানুৱাৰী মাহৰ মিঠা ৰদৰ আমেজত পৰীয়ে মোৰ হাত এখন তাইৰ সুকোমল দুই হাতৰ মাজত লৈ মোৰ দুচ-কুলৈ চাই কৈ উঠিছিল — 'প্ৰৱালদা' — তাৰ পাছত তাইৰ শুভ্ৰ কোমল ফুলৰ পাপৰি সদৃশ ওঁঠ দুটাই যেন কিবা ভাষা প্ৰকাশৰ বাবে উদ্বাউস হৈ উঠিল আৰু এটা সময়ত তাইৰ নিয়ন্ত্ৰণৰ বাহিৰ হৈ উচ্চাৰিত হ'ল তিনিটা অপূৰ্ব শব্দৰ — "I Love you !" মই তোমাক ভাল পাওঁ !

তাৰ পাছত আৰু মোৰ কিয়েইবা থাকিল কবলৈ । মাত্ৰ তাইৰ বাংময় চকু দুটাৰ ওপৰত চকু থৈ কলো 'I Love you too' !

(তিনি)

সেই দিনাৰে পৰা আমাৰ মৰমবোৰে বেছিকৈ প্ৰাণ পাই উঠিল । জীৱনৰ প্ৰকৃত অৰ্থ এতিয়াহে ভাল-কৈ অনুভৱ কৰিব পাৰিছো । কল্পনাৰে ৰঙীন পৃথিৱীখনৰ মনোৰম প্ৰতিচ্ছৱি যেন এতিয়াহে উপলব্ধি হৈছে । প্ৰেমৰ প্ৰথম উন্মাদনাত আমি হেৰাই গ'লো কোনো এক স্বপ্ন-ভূমিত । কলেজত ক্লাছৰ বাহিৰে বাকী সময়খিনি ভৰি পৰে মধুৰ প্ৰেমালাপেৰে । পৰীৰ লগত কথা পাতিলে কিবা এক বেলেগ মাদকতা অনুভৱ কৰোঁ । পঢ়াৰ ক্ষেত্ৰতো কিন্তু আমি দুয়ো দুয়োকে সততে উৎসাহ যোগাওঁ । এই ক্ষেত্ৰত আমি দুয়ো দুয়োৰে প্ৰেৰণাৰ উৎস । তাইৰ কথা মনত পৰিলেই মই পঢ়িবলৈ প্ৰেৰণা পাওঁ ; মনোবল পাওঁ । মুঠতে নিৰবিছিন্ন প্ৰেমৰ ফল্গু ধাৰাৰ মাজতো কিন্তু আমি পাহৰা নাছিলো যে আমি কলেজলৈ আহিছো কেৱল শিক্ষা আহৰণ কৰিবলৈহে , অলাগতীয়াল সময় কটাবলৈ নহয় । এনেদৰেই ব্যস্ততাপূৰ্ণ মধুৰ ক্ষণবোৰ যে কেতিয়া অতিক্ৰম কৰি গলো কবই নোৱাৰিলো । ইতিমধ্যে আমাৰ বাৰ্ষিক পৰীক্ষা আহি পালেহি । আৰু এটা সময়ত অগা পিছাকৈ মোৰ আৰু পৰীৰ পৰীক্ষা শেষো হ'ল । পৰীক্ষা মোটামুটি দুয়োৰে ভাল । পৰীক্ষাৰ পাছত প্ৰায় তিনিমাহ কলেজ বন্ধ থাকিব । গতিকে অলপ হাঁহি, অলপ কান্দোনৰ মাজেৰে তিনিমাহৰ বাবে বিদায় ললো । এই তিনিমাহ ঘৰত গৈ ঘৰুৱা কাম বন কিছুমানত লাগিলো । পৰীৰ লগতো চিঠি দুই এখনৰ দ্বাৰা যোগসূত্ৰটো ৰাখিলো কৰ্মব্যস্ততাৰ ফাঁকে ফাঁকে ।

★ ★ ★ ★ ★

(চাৰি)

আজিৰ পৰা আমাৰ কলেজত পুনৰ 'ক্লাছ' আৰম্ভ হৈছে । ইতিমধ্যে আমাৰ পৰীক্ষাৰ 'ৰিজাল্ট' দিছিল । পৰীক্ষা আমাৰ ভালেই হ'ল । বহুদিনৰ বিৰতিৰ মূৰত কলেজত পৰীক লগ পাই ইমানদিনৰ সাঁচতীয়া কথাবোৰ পাতিলো । কিন্তু এইবাৰ যেন তাইৰ মনটো উদাস উদাস লাগিল । মোৰ লগতো কথা পাতোতে বৰ এটা সহযোগ নাইকৰা । মাত্ৰ মোৰ কথাৰ মাজে মাজে ওঁ আঁ কৰি সঁহাৰি দি আছিল । মই এই বিষয়ে কেইবাজনকো সুধিছিলো যদিও সদুত্তৰ নাপালো । আৰু এটা সময়ত মোৰ ক্লাচ আৰম্ভ হোৱাত তাইৰ ওচৰৰ পৰা এটা ভাৰাক্ৰান্ত মন লৈ উঠি আহিলো ।

তাৰ পাছৰে পৰা পৰী যেন লাহে লাহে মোৰ কাষৰ পৰা আঁতৰি যাবলৈ ধৰিলে । আগৰদৰে একেলগে বহি কথা নাপাতে । পাতিলেও কথাবোৰ কিবা যেন আন্তৰিকতাহীন । তাৰ পৰিৱৰ্তে তাই কলেজৰ আটাইতকৈ উশৃংখল তথা বদমাছ বুলি নাম থকা কেইজনীমান ছোৱালী তথা একে পৰ্য্যায়ৰ কেইটামান লৰাৰ লগত নিয়মিত ঘূৰি ফুৰা দেখা গ'ল । ক্ৰমে মই লক্ষ্য কৰিব ধৰিলো যে সিহঁতৰ লগত ঘূৰি ফুৰি তাইও এক উশৃংখল জীৱন কটাব ধৰিছে । যিজনী ছোৱালীয়ে নিজৰ প্ৰতিটো ক্লাছ কৰিবলৈ নাপালে মোৰ আগত আক্ষেপ কৰিছিল সেই একেজনী ছোৱালীয়ে এতিয়া প্ৰায়ে ক্লাছ নকৰাহে দেখা গ'ল । তাৰ বিপৰীতে সিহঁতে কলেজ কেন্টিনত, কলেজৰ চাদত, আনকি কেতিয়াবা টাউনৰ হোটেলতো বহি আড্ডা



মাৰিবলৈ ধৰিলে । ক্ৰমে তাইৰ শান্ত সমাহিত মৰমীয়াল মুখৰ ঠাইত এতিয়া এক ৰুক্ষ প্ৰতিচ্ছৱিহে দেখিবলৈ পোৱা গ'ল ।

মুঠতে এইকেইদিনৰ ভিতৰতে তাইৰ প্ৰভূত পৰিৱৰ্তন হোৱা দেখা গ'ল । মই নিশ্চিত হ'লো যে যদি তাই এনেকৈ জীৱনটো উপভোগ কৰিবলৈ বিচাৰে তেন্তে অদূৰ ভৱিষ্যতে তাই এক অনিশ্চিত বিপদৰ গৰাহত পৰিব । সেইবাবে তাইক এইবিষয়ে সকীয়াই দিওঁ বুলি এদিন কলেজ কেন্টিনৰ চুক এটাত দুয়ো বহি ললো আৰু কোনো ভূমিকা নকৰাকৈ কৈ গ'লো—

: 'পৰী ! চোৱা, "তোমাক মই ভাল পাওঁ" বুলি এদিন মোক তুমিয়েই কৈছিলা । সেয়ে এই ভালপোৱা, যাতে অৱক্ষয় হব নোৱাৰে, অন্ততঃ মোৰ ফালৰ পৰা তাৰ বাবে মই সদায়েই সচেষ্ট । মোৰ ভালপোৱাৰ ওপৰত তুমি একান্তই বিশ্বাস ৰাখিব পাৰা । বাৰু সেইবিলাক এতিয়া বাদ দিয়া । আচল সমস্যাটোলৈ আহোঁ — । সমস্যাটো হ'ল তোমাৰ লগৰ লৰা-ছোৱালী কেইটাক লৈ । যি কেইটাৰ লগত তুমি ঘূৰি ফুৰা — নাজানো তুমি কি-দৰে সিহঁতৰ লগ ললা । কলেজৰ সকলোৰে জনাৰ দৰে তুমিও নিশ্চয় জানা সিহঁতৰ স্বভাৱ-চৰিত্ৰ কেনে । কিন্তু সকলো জানিও কিয় বাৰু তুমি সিহঁতৰ সঙ্গত ফুৰা । তদুপৰি তোমাৰ লগৰ কাপলেখাইতে মোক কৈছে যে আজি-কালি তুমি বোলে তোমাৰ 'ক্লাছ' বোৰো নিয়মীয়াকৈ কৰিবলৈ এৰিছা । মইও কথাটো ভালে-কেইদিন লক্ষ্য কৰিছো । ভাবিছিলো নিজে-নিজে এইবিলাক থিক হৈ যাব । কিন্তু তোমাৰ কৰ্মই মোৰ ধাৰণাক ভুল বুলি পতিয়ন যাবলৈ বাধ্য কৰালে । পৰী, আগেয়েতো তুমি এনেকুৱা নাছিলা । কি হৈছে তোমাৰ ? কিয় এইবোৰ কৰিছা ... .... ... .... ... ... ?

মোৰ কথা শুনাৰ লগে লগে কিবা এক ৰুক্ষ সুৰত পৰীয়ে কৈ উঠিল ——

: শুনা প্ৰৱালদা, মোক তুমি ভাল পোৱাৰ দৰে মইও তোমাক ভাল পাওঁ, শ্ৰদ্ধা কৰো । কিন্তু তাৰ বাবেই তুমি মোক এইখিনি কোৱাৰ কোনো প্ৰয়োজন নাছিল । মই এতিয়া নিশ্চয় সৰু ছোৱালী হৈ থকা নাই যে তুমি মোৰ লগ সঙ্গো বাচি দিবা । মোৰ ৰুচি অভিৰুচিৰ ওপৰতো হস্তক্ষেপ কৰিবা । মোক এইবোৰ সোধঁৰাই দিবলৈ তোমাৰ কোনো অধিকাৰ নাই । .... .... ......

পৰীৰ কথা শুনি ঠাইতে কিছু সময় থৰ হৈ ৰলো । তাৰ পাছত লাহে লাহে বহাৰ পৰা থিয় হলো আৰু পৰীৰ মুখলৈ নোচোৱাকৈ কৈ গ'লো —

— : পৰী তোমাক ভাল পাওঁ বুলিয়েই আৰু তোমাৰ অজানিতে হোৱা কিবা এটা ভুল শুধৰাই দিওঁ বুলিয়েই তোমাক মই এই কেইটা কথা কৈছিলো । কিন্তু ভুল বুজিলা । তাকো মোক । মই কোনোদিনে ভবা নাছিলো যে মোক তোমাৰ ওপৰত থকা 'অধিকাৰ'ৰ বিষয়ে প্ৰশ্ন তুলিবা বুলি । কিয় বাৰু তুমি মোক এইষাৰ কথা কব লগা হ'ল । কিয় ? ? ? ——— শেষৰ ফালে মোৰ কণ্ঠস্বৰ নিজৰ অজানিতে কৰুণ হৈ ওলাল কিবা এক বুজাব নোৱাৰা শোকত । আৰু লাহে লাহে পৰীৰ কাষৰ পৰা আঁতৰি আহিলো ।

পাঁচ

ঘৰলৈ-আহিও আজি মই শান্তি নাপালো । বাৰে-বাৰে কাণত ভাঁহি থাকিল পৰীৰ কথাকেইষাৰ । সঁচাকৈয়ে মই পৰীক গভীৰভাৱে ভাল পাইছিলো । তাইৰ ব্যক্তিত্বক, তাইৰ চিন্তাধাৰাক মই সন্মান কৰিছিলো । কিন্তু আজি .... .... .... .... .... কি হৈ গ'ল বাৰু এইবোৰ । মোৰ ভাল পোৱাক কিয় তাই অপমান কৰিলে - 'অধিকাৰ'ৰ প্ৰশ্ন তুলি । কিবা এক অব্যক্ত বেদনাত মোৰ ভিতৰৰ গোটেই মানুহটো কঁপি উঠিল । এক প্ৰাচীন কান্দোন অনুভৱ কৰিলো মোৰ আলসুৱা হৃদয়ৰ ভিতৰত । অবিৰত ভাৱে বাগৰি অহা দুচকুৰ পানীয়ে শুই থকা গাৰুটোক তিয়াই পেলালে । সঁচা পুৰুষৰ

চকুত চকুৰ পানীয়ে শোভা নাপায়। তথাপি দুগাল তিয়াই অবিৰত ভাবে বাগৰি আহিছে মোৰ চকুপানী। পৰীৰ প্ৰতি কিবা এক গভীৰ অভিমানত মোৰ সৰু অন্তৰখন তোলপাৰ কৰি উঠিল। কিয়েইবা নকৰিছিলো তাইৰ ভালৰ বাবে। কিন্তু এতিয়া তাইৰ ব্যৱহাৰে মোক সচাঁকৈয়ে ভৱাই তুলিলে। অৱশেষত সংকল্প ললো তাইক পুনৰ বুজাবলৈ চেষ্টা কৰিম। অন্ততঃ তাইৰ ভালৰ বাবেই। ইয়াতো যদি বুজিবলৈ চেষ্টা নকৰে তেন্তে মোৰ কৰিবলগীয়া একো নাই। ইমানদিনৰ প্ৰেম, ভালপোৱা ত্যাগ কৰি আঁতৰি আহিম তাইৰ জীৱনৰ পৰা। জানো মোৰ ভীষণ কষ্ট হ'ব। তথাপি যে নিৰুপায়। তাইয়েতো বুজিবলৈ চেষ্টা নকৰিলে মোৰ মনোবেদনা। তাইক লৈ মই যিখন সপোনৰ পৃথিৱী গঢ়ি তুলিছিলো সেইয়াও নিজ হাতে ধ্বংস কৰি পেলাম। কি হ'ব থাকি যদি তাৰ মূল শক্তিৰ আধাৰটোৰ অস্তিত্বই নাইকীয়া হৈ যায়। —

—" শেষবাৰৰ বাবে পৰী। তোমাৰ লগত কথা পাতিবলৈ প্ৰস্তুত হৈছো। তুমিতো নাজানা মোৰ কিমান কষ্ট হৈছে এই কথাটো ভাবি। কাইলৈৰ দিনটোৱে নিৰ্ধাৰণ কৰিব মোৰ জীৱনৰ সীমাৰেখা কোনদিশে ধাৱিত হব।"

★ ★ ★

ঃ আজি তোমাক দুটামান কথাকবলৈ ইয়ালৈ মাতি আনিলো, পৰী! আশা কৰিছো তুমি কথাবোৰ মনোযোগ দি বুজিবলৈ চেষ্টা কৰিবা। ——— পাছদিনা কলেজ ষ্টুডেণ্টচ্ কমনৰুমৰ চুক এটাত বহি মই লাহে লাহে আৰম্ভ কৰিলো। ——— তোমাৰ লগত মই প্ৰথম ক'ত চিনাকি হৈছিলো সেয়া নিশ্চয় মোৰ লগতে তোমাৰো মনত আছে। সঁচা কথা, প্ৰথম দিনা তোমাক লগ পোৱাৰ পৰাই মোৰ অন্তৰৰ কোনো দিন নোখোলা দুৱাৰ এখন খুলি গৈছিল। কিয় নাজানো তোমাক মোৰ অত্যন্ত আপোন আপোন লাগি গৈছিল। তোমাৰ সহজ সৰল ব্যৱহাৰৰ বাবেই আমি চিনাকিৰ প্ৰথম দিনাই সম্পূৰ্ণ জড়তাহীন ভাৱে কথা পাতিছিলো, ধেমালি কৰিছিলো, জোকাইছিলো। তোমাৰ সৰল নিষ্পাপ মুখাৱয়ৱে মোক সকলো পাহৰাই দিছিল। তাৰ পাছৰ পৰাই তুমিও যেন তোমাৰ অন্তৰৰ কথা প্ৰকাশ কৰি দিছিলা। আৰু এদিন মোৰ মনৰ কথাক প্ৰাণ দি তুমি কৈছিলা,— "প্ৰৱাল দা!' I Love you! মই তোমাক ভাল পাওঁ!!" এইয়া জানো পাহৰা কথা? নাজানো তোমাৰ এইবোৰ কথা মনত আছে নে নাই? কিন্তু মোৰ বাবে এইয়াই মূল্যবান, এইয়াই স্মৰণীয়। তুমি হয়তো নাজানা তোমাৰ সতে কথা পাতি মই কিমান আনন্দ পাইছিলো। কিমান তৃপ্তি পাইছিলো। সঁচাই, তোমাৰ লগত কথা পাতি মই এক অনাবিল প্ৰশান্তি লভিছিলো। এক অনিৰ্বচনীয় তৃপ্তি পাইছিলো এটা সময়ত। কিন্তু আজি! আজি সেইবোৰ মনত পৰিলে কিবা এক বুজাব নোৱাৰা শোকত মনটোৱে হাহাঁকাৰ কৰি উঠে। মোৰ অন্তৰখন ভাঙি চুৰমাৰ হৈ যাব খোজে।" .......... কব নোৱাৰাকৈ মোৰ মাতটো থোকাথুকি হৈ গ'ল। খন্তেক নিৰৱে থাকি পুনৰ কৈ গলো। — ঃ তুমিতো নাজানা পৰী কালি গোটেই ৰাতি মই শুব পৰা নাই, মাত্ৰ এইবোৰ কথা ভাবি। বিশেষকৈ তুমি কোৱা 'অধিকাৰ' ৰ প্ৰশ্নত। কোনোদিন ভবা নাছিলো তুমিও এদিন মোক অধিকাৰৰ প্ৰশ্ন তুলিবা বুলি। সচাঁকৈয়ে তোমাৰ ওপৰত্তো মোৰ কোনো অধিকাৰ নাই। থাকিব নোৱাৰে। ভাবিছিলো তোমাৰ সান্নিধ্যত এবছৰ দিন কটাই তোমাৰ মনটো বুজি উঠিছিলো বুলি। কিন্তু সেয়া কিমান ভুল এতিয়াহে বুজিছো। আজি কালি তুমি বহুত সলনি হ'লা পৰী! নিজস্ব চিন্তা ধাৰাত চলিব পৰা হ'লা। নিজৰ ৰুচি অভিৰুচী নিজেই বাচি লব পৰা হ'লা। সেয়ে হয়তো মোৰ প্ৰতি তোমাৰ ব্যৱহাৰ পাতিও সলনি হ'ল। আৰু এতিয়া মোৰ লগত কথা পতাটোও প্ৰায় বন্ধই কৰি দিছা। নাজানো তোমাক মই কেতিয়াবা কিবা বেয়াকৈয়ে কৈছিলো নে কিবা জগৰে লগাইছিলো। যাৰ বাবে তুমি ইমাখিনি কৰিছা। চিন্তা নকৰিবা পৰী; তোমাৰ কাষৰ পৰা মই দূৰলৈ আঁতৰি যাম। তোমাক আৰু আমনি কৰি মই তোমাৰ আলসুৱা হৃদয়ত আঘাট



দিব নিবিচাৰো। কিন্তু শেষবাৰৰ বাবে তোমাক মই এটা অনুৰুধ কৰো — তুমি তোমাৰ লগৰ সেই ছোৱালী কেইজনী আৰু লৰা কেইটাৰ সঙ্গৰ পৰা আঁতৰি আহাঁ পৰী। আঁতৰি আহাঁ। মিছা কৃত্ৰিমতাক প্ৰশ্ৰয় নিদি আকৌ পঢ়াত লাগা; আগৰ দৰে। তোমাক যেন মই পুনৰ সেই প্ৰথম দেখা 'পৰীজিতা' ৰ ৰূপত দেখো। আশা কৰো তুমি মোৰ শেষ অনুৰুধটো ৰাখিবলৈ যত্ন কৰিবা।'

পৰীক একো কোৱাৰ সুযোগ নিদি তাইৰ নিৰ্বাক, নিষ্পলক দৃষ্টিৰ আগেৰেই ধীৰ পদক্ষেপেৰে, কিন্তু ৰিক্ত হৃদয়েৰে ওলাই আহিলো।

( ছয় )

হয়তো পৰীৰ দুখতে হওক অথবা অন্য কাৰণতে হওক যোৱা সপ্তাহ মই কলেজলৈ অহা নাছিলো। আৰু সম্পূৰ্ণ এসপ্তাহৰ মূৰত এইয়া আজি পুনৰ কলেজত ভৰি দিছো। আহিয়েই লগৰ কেইটামান লৰাৰ মুখৰ পৰা শুনিলো যে এই কেইদিন বোলে পৰীয়ে মোৰ খবৰ লৈ ফুৰিছে। প্ৰতিদিনেই আমাৰ ক্লাছলৈ আহি মোক বিচাৰিছে। কথাটো শুনিলো যদিও বিশেষ গুৰুত্ব নিদিলো। পৰীক দুবাৰ মান দেখিছিলো যদিও কোনো ভাৱাবেগ নেদেখুৱাই পৰাপক্ষত তাইৰ পৰা আঁতৰি থাকিলো। আৰু নিৰ্বিকাৰ চিত্তে নিজৰ ক্লাছ সমূহ নিয়মিত কৰি গ'লো। কিন্তু এবাৰ দুয়ো মুখা-মুখী হওঁতে তাই কৈছিল, — 'প্ৰৱালদা, তোমাৰ লগত মোৰ কিছু কথা আছিল। অলপ মোৰ লগত আহিবা নেকি?' এক কাতৰ অনুৰুধ ভৰা বিনয়ী শান্ত সমাহিত কণ্ঠস্বৰ। তথাপি মই নিৰুদ্বেগ চিত্তে উত্তৰ দিলো, ——

ঃ 'দুঃখিত, মোৰ এতিয়া ক্লাছ আছে। পাছত কৰা কি কবলৈ আছে'। —যদিও তেনেকৈ কলো, তথাপি মোৰ অবুজ মনে হাহাঁকাৰ কৰি উঠিল। হাজাৰ হওক প্ৰথম ভালপোৱাতো। আনহাতে তাই মোৰ উত্তৰটো শুনি বিবৰ্ণ বদনে তলমূৰ কৰি মোৰ কাষৰ পৰা আঁতৰি গৈছিল।

তাৰ পাছতো পৰীক মই কোনোদিন কথা পতাৰ সুযোগ দিয়া নাছিলো। কিন্তু মই এটা কথা লক্ষ্য কৰি আচৰিত হৈছিলো যে — পৰীক যি কেইজনী ছোৱালীৰ সঙ্গৰ পৰা আঁতৰি থাকিবলৈ কৈছিলো আজি-কালি সেইকেইজনী ছোৱালীৰ লগত পৰী নাথাকে। তাৰ পৰিৱৰ্তে তাই আজিকালি আগৰ দৰে ৰূপলেখা, দীপাঞ্জলী হঁতৰ লগত হে থকা দেখা গ'ল। নাজানো সেয়া মোৰ বুজনিৰ ফলেইনে নে আন কিবা। তথাপি তাইক পুনৰ পুৰণি সঙ্গৰ লগত থকা তথা আগৰ দৰে নিজৰ প্ৰতিটো ক্লাছ নিয়মিত কৰি যোৱা দেখিবলৈ পাই মই যথেষ্ট সকাহ পাইছিলো, আনন্দিত হৈছিলো। যা হওক অন্ততঃ শেষত তাই মোৰ কথা ৰাখিলে। কিন্তু এইয়া মোৰ অনুমানভিত্তিক ধাৰণাহে মাথো। প্ৰকৃত সত্য এতিয়াও উন্মেষ হোৱা নাই। গতিকে মই পৰীৰ কাষলৈ যাবলৈ কোনোদিন প্ৰস্তুত নাছিলো।

আজিও কলেজলৈ আহি অৰিন্দমৰ মুখৰ পৰা শুনিলো যে পৰীয়ে আজি যেনেতেনে তাইক লগ কৰিবলৈ কৈছে। তাই মোলৈ বাট চাই থাকিব হেনো তাইৰ ক্লাছ ৰুমৰ সন্মুখত। কথাটোত বৰ এটা গুৰুত্ব দিয়াৰ প্ৰয়োজন বোধ নকৰিলো আৰু পৰীক লগ কৰিবলৈও নগলো। তাৰ পৰিৱৰ্তে আমাৰ ক্লাছ দুটা হোৱাত তাকে কৰি ঘৰলৈ যাবলৈ বুলি ওলালো। আহোতে অভ্যাসবশতঃ পৰীহঁতৰ ক্লাছৰুমলৈ চাওঁতে দেখিলো সিহঁতৰ প্ৰফেচৰ এজন ক্লাহ কৰিবলৈ বুলি ৰুমৰ ভিতৰত সোমাইছে। হয়তো ক্লাছৰুমৰ ভিতৰত পৰীও আছে।

সি যি কি নহওক মই কলেজৰ চাৰিসীমাৰ পৰা ওলাই আহিলো। আজি নয়নো কলেজলৈ অহা নাই। গতিকে অকলেই যাব লাগিব। ইফালে বতৰো বৰ ভাল নহয়। বৰষুণ দিয়াৰ সম্ভাবনা আছে। গতিকে লৰালৰিকৈ যাওঁ মানে এটোপ দুটোপকৈ বৰষুণ দিবলৈ আৰম্ভ কৰিলেই। ৰিক্সা এখনো লোৱা নহ'ল। লগত ছাটিও নাই। কি

কৰা যায় এতিয়া———। ভাবি থাকোতে হঠাৎ মোৰ কাষতে ৰিক্সা এখন ৰলহি। ৰিক্সালৈ চাই দেখো পৰী। ক্লাছ নকৰিলে নেকি? ছাৰ যে সোমাইছিলে।

ঃ 'এই প্ৰৱালদা! ৰিক্সাত উঠাহি আহাঁ। সোনকাল কৰা বৰষুণ দিছে'। —— পৰীৰ অনুৰুধটো শুনি খন্তেক চিন্তা কৰিলো যাম নে নেযাম তাইৰ লগত। ইফালে বৰষুণ জাক লাহে লাহে ডাঙৰ হৈ গৈছে। গতিকে কোনো বাক্যব্যয় নকৰি ৰিক্সাত উঠি পৰিলো।

ঃ' আজি মোক কলেজত কিয় লগ নকৰিলা? মই তোমালৈ বাট চাই আছিলো'। ——— ৰিক্সা আগবঢ়াৰ লগে লগে পৰীয়ে সুধিলে।

মই তাইৰ প্ৰশ্নৰ কোনো উত্তৰ নিদিলো। তাৰ পৰিৱৰ্তে তাইক সুধিলো — 'ক্লাছ কৰিবলৈ ছাৰ গৈছিলেচোন, ক্লাছ নকৰিলা কিয়?'

ঃ' ক্লাছ কৰিবলৈ গৈছিলো। কিন্তু তোমাক অকলে কলেজৰ পৰা গুচি অহা দেখি মইও গুচি আহিলো, তোমাক অকলশৰীয়াকৈ থকা দেখিলে যে মই বৰ কষ্ট অনুভৱ কৰোঁ'।

হঠাৎ পৰীৰ কথাষাৰ শুনি চক্ খাই উঠিলো। প্ৰথমবাৰৰ বাবে তাইৰ চুচকুলৈ চালো। দেখিলো এযোৰ কৰুণতাৰে সিক্ত কোমল চকু। তাইৰ গোটেই মুখমণ্ডলতে বিয়পি পৰিছে স্নিগ্ধ জোনাকৰ দৰে এক কৰুণ আভা। এই মুহূৰ্তত পৰীক এজনী অত্যন্ত মৰম লগা নিষ্পাপ নিষ্কলুষ অকণমানি ছোৱালী যেন লাগি গ'ল। প্ৰথম দিনা মই পৰীক ঠিক এইটো ৰূপতেই দেখিছিলো। সেই একেই সহজ সৰল চাৱনি, একেই নিষ্পাপ নিষ্কলুষ অৱয়ৱ। এই জনী ছোৱালীয়েতো এদিন মোৰ অন্তৰত প্ৰেমৰ ধুমুহা বোৱাইছিল। মোৰ অফুৰন্ত ভালপোৱাৰ সহাঁৰি জনাইছিল। কথাবোৰ মনত পৰাৰ লগে লগে কিবা এক গভীৰ আবেগত মোৰ ওঁঠ দুটা কঁপি উঠিল কিবা এটা প্ৰকাশ কৰিবৰ বাবে। মুহূৰ্তৰ বাবে মই যেন আনমনা হৈ গ'লো। কিন্তু ········ মনলৈ চাট্‌কৰে আহি গ'ল এইকেইদিনৰ কথাবোৰ। যিবোৰে মোৰ মিঠা সপোনবোৰ ভাঙি থানবান কৰি দিছিল। সেমেকি যোৱা অন্তৰে তাইৰ মুখৰ পৰা চকু আতঁৰাই অন্যফালে মুখ ঘূৰালো। ইতিমধ্যে বৰষুণৰ পৰিমান বাঢ়ি আহিছিল। কিছু অন্যমনস্ক হৈয়ে হয়তো বেচ কিছু সময় বাহিৰলৈ চাই আছিলো। হঠাৎ অনুভৱ কৰিলো পৰীয়ে মোৰ সোঁ হাতখন তাইৰ দুয়ো হাতৰ মাজত বন্দী কৰি তাইৰ কোলাত তুলি লৈছে। মই কোনো বাধা নিদিলো আৰু উৎকৰ্ণ হৈ তাইৰ মুখলৈ চাই ৰ'লো তাইনো কি কয় বুলি। মোৰ চকুত চকু থৈ তাই লাহে লাহে কৈ গ'ল।

ঃ'মই জানো প্ৰৱালদা! তুমি মোক ভীষণ বেয়া পাইছা। মোৰ ওপৰত তোমাৰ খং উঠিছে। কাৰণ ······ ········· কাৰণ তোমাৰ ওচৰত মই দোষ কৰিছো; অক্ষমণীয় দোষ; নাজানো ইয়াৰ শুধৰণি আছেনে নাই? কিন্তু মই আজি মাত্ৰ সেই দোষৰ বাবেই অনুশোচনাত ভাঙি পৰিছো। তাৰ বাবে মই আজি অনুতপ্তা। তোমাৰ ওচৰত আজি মই ক্ষমা খুজিবলৈও লজ্জা অনুভৱ কৰিছো। সেয়ে তোমাৰ ওচৰত ক্ষমা খুজি তোমাক মই হেয় প্ৰতিপন্ন কৰিব নিবিচাৰো। মাত্ৰ তুমি মোক অপ্ৰকাশিত ভাৱে হলেও ক্ষমা কৰি দিবা এজনী সৰু অবুজন ছোৱালী বুলি ভাবি। মই নিশ্চয় তোমাৰ পৰা সেই আশা কৰিব পাৰো। অন্ততঃ সেই কণ বিশ্বাস মোৰ তোমাৰ ওপৰত আছে। ইমানদিন তোমাৰ সান্নিধ্যত থাকি মই নিশ্চয় তোমাক বুজি পোৱা হৈছো। তোমাৰ প্ৰতিটো কৰ্ম, প্ৰতিটো চিন্তাধাৰাৰ সৈতে মই চিনাকি হবলৈ সক্ষম হৈছো। কিন্তু আজি সেইবোৰ কথা কৈ তোমাক মই পুনৰ আঘাট দিব নুখুজো। মাত্ৰ মোৰ মনৰ কথাটোহে তোমাক কবলৈ বিচাৰিছো।' — — — কথাবোৰ কৈ যাওঁতে পৰীৰ চকু দুটা সিক্ত হৈ গ'ল — হয়তো কিবা হেৰুৱাৰ বেদনাত, মাতটোও যেন কঁপি উঠিল কিবা এক কৰুণতাত। খন্তেক ৰৈ তাই আকৌ কৈ গ'ল — — — — ,



ঃ' প্ৰৱালদা! তোমাৰ মনত মই খুৱ আঘাট দিছো নহয়? তুমি মোৰ ব্যৱহাৰৰ বাবে অন্তৰত খুৱেই দুখ পাইছা ছাগে। মোৰ কি হৈ গৈছিল নাজানো। তোমাৰ প্ৰতি তেনে ব্যৱহাৰ কৰি মই আজি নিজেই অনুতপ্ত। মোৰ ব্যথিত হৃদয় আজি দুখত ভাঙি পৰিছে। অথচ কোনোদিন ভবা নাছিলো তোমাৰ প্ৰতি মই তেনে ব্যৱহাৰ কৰিম বুলি। সচাঁকৈয়ে সেই ছোৱালীকেইজনীৰ লগত মানে সুলক্ষণা, কুইন ইতৰ লগত থাকি মই নিজকে হেৰুৱাই পেলাইছিলো। সিহঁতৰ লগত কি প্ৰসঙ্গত চিনাকি হৈছিলো আৰু এটা সময়ত সিহঁতৰ লগত থাকি কিয় ভালপোৱা হলোগৈ মই আজিও ভাবি উলিয়াব নোৱাৰিলো। সিহঁতৰ সতে থাকি মই কি কৰি গৈছিলো, কেনেদৰে এটা উচ্ছৃংখল জীৱন কটাইছিলো তাৰো খবৰ ৰখা নাছিলো। সেই সময়ত কোনো অনুতাপ, অনুশোচনাই মনত ক্ৰিয়া কৰা নাছিল। কিন্তু যেতিয়া তুমি মোক এই বিষয়ে সকীয়াই দিছিলা তেতিয়াহে মই লাহে লাহে অনুভৱ কৰিব ধৰিলো যে মই যি জীৱন কটাইছো সেয়া মোৰ বাবে অধোগ্নতিৰহে পৰিচায়ক। লাহে লাহে মই নিজৰ 'মন' টোক বিচাৰি পালো। নিজৰ চিন্তাশক্তিক পুনৰ কামত লগাব পৰা হ'লো। আৰু এদিন সিহঁতৰ সঙ্গৰ পৰা সম্পূৰ্ণ আঁতৰি পৰিলো আৰু পুনৰ আগৰ ৰূপলেখা, দীপাঞ্জলী ইতৰ লগলৈ ঘূৰি আহিলো। কিন্তু তেতিয়া হয়তো বহুত পলম হৈ গৈছিল। মোৰ প্ৰাণৰ দেৱতা, তুমিও যে আঁতৰি গলা সেইখিনি সময়তে। মাত্ৰ মোৰ ভুলৰ বাবেই। তাৰ পাছত যে তুমি মোক নমতা হ'লা, মোৰ খা-খবৰ নোলোৱা হ'লা। আনকি ·········· আনকি তোমাক মই লগ কৰিব খুজিলেও তোমাৰ সময় নোহোৱা হ'ল। কিন্তু প্ৰৱালদা! আগেয়েতো এনে হোৱা নাছিল। মই তোমাক, বা তুমি মোক বিচাৰি ফুৰিব লগাতো কোনোদিন হোৱা নাছিল। মই জানো প্ৰৱালদা; এইয়া মাত্ৰ মোৰ ভুলৰ বাবেই হবলৈ পালে। মোৰ কথা বতৰা, ব্যৱহাৰ পাতিয়ে তোমাক যথেষ্ট মনোকষ্ট দিছিল সেইসময়ত। যিসময়ত মই কিহবাৰ মোহত, কিহবাৰ আশাত অন্ধ হৈ গৈছিলো। যাৰ বাবে তোমাৰ প্ৰতিও মই অবিচাৰ কৰিছিলো। এতিয়া কিন্তু সেই অলাগতীয়াল মোহ সেই আশা সকলো এৰি দিছো। মাত্ৰ তোমাৰ বাবেই; তোমাক যে মই পুনৰ হেৰুৱাব নিবিচাৰো; কেতিয়াও। কোৱা প্ৰৱালদা! তুমি মোৰ সকলো দোষ ক্ষমা কৰি মোক পুনৰ তোমাৰ ছত্ৰছাঁয়াত থাকিবলৈ দিবা। নহলে ···················· নহলে যে মই ···················। ············· হঠাৎ পৰীয়ে দুহাতেৰে মুখ ঢাকি উচুপি উঠিল। মই বাধা নিদিলো; দিবলৈ কোনো চেষ্টাই নকৰিলো। কান্দক আজিয়েই কান্দি লওক। কান্দিলেহে হৃদয়ৰ পুঞ্জীভূত বেদনাবোৰ ওলাই যাব। মনৰ সকলো দুখ, সকলো ক্লেদ আঁতৰি যাব। তাইয়েতো এদিন মোকো কন্দুৱাইছিল। তাইৰ নিষ্ঠুৰতাত, তাইৰ নিৰ্বিকাৰ মনোভাৱত মোৱেতো এদিন কষ্ট পাইছিলো। আজিও তাই তেনেকৈ অলপ কষ্ট পাওক। বুজি উঠক হৃদয়ৰ বেদনাই মানুহক কেনেকৈ কন্দুৱায়। বেছ কিছু সময় তাই উচুপি থাকিল আৰু এসময়ত তাইৰ উচুপনি বন্ধ হ'ল যদিও মোৰ ফালে মূৰ নুতুলিলে আৰু তললৈ মূৰ কৰি নিৰৱ হৈ বহি ৰ'ল।

অন্যহাতে, পৰীৰ অকপট স্বীকাৰোক্তিয়ে তাইৰ প্ৰতি থকা মোৰ পূৰ্বৰ বিশ্বাস সম্পূৰ্ণৰূপে ঘূৰাই আনিলে। মই জানিছিলোৱেই তাই এদিন নহয় এদিন মোৰ কাবলৈ পুনৰ ঘূৰি আহিব নিজৰ ভুল স্বীকাৰ কৰি। এতিয়া সেয়ে হ'ল। তাই পুনৰ নিজৰ হেৰুৱা সত্তাক ঘূৰাই পালে। মোৰ বাবে এইয়াই বহুত। অন্ততঃ তাইৰ প্ৰতি মই অবিচাৰ কৰিব নোৱাৰো। অতীতত যি হৈ গ'ল সেয়া মই পুনৰ মনত পেলাব নুখুজো। কিন্তু বৰ্তমান কি হবলৈ গৈ আছে, মোৰ বাবে সেয়াহে বিচাৰ্য্য বিষয়। এটা সময়ত তাই মোক প্ৰতাৰণা কৰিব বিচাৰিছিল যদিও মই তাইক প্ৰতাৰণা কৰিব নিবিচাৰো যিহেতু তাই নিজৰ ভুল স্বীকাৰ কৰিছে। আৰু এতিয়া যদি মই তাই কৰা ভুলৰ অকপট স্বীকাৰোক্তিক মূল্য

নিদিওঁ তেন্তে মই মোৰ মানবীয়তাক অৱমাননা কৰা হব। যিটো মই নিবিচাৰো। গতিকে মোৰ সিদ্ধান্ত হ'ল মই তাইক পুনৰ আগৰ পৰ্য্যায়লৈ লৈ যাম। যাতে তাই পূৰ্বৰ আত্মবিশ্বাসেৰে পঢ়া শুনা তথা অন্যান্য বিষয়ত কৃতিত্বৰ দাবী কৰিব পাৰে। এই বিষয়ত মই যদি তাইৰ প্ৰেৰণাই হব লাগে তেন্তে তাত মোৰ আপত্তি নাই। মাত্ৰ পৰীৰ উন্নতিৰ পথ সুগম হ'লেই হ'ল।

: 'পৰী! এই পৰী!! এইফালে চোৱাচোন?' তাইৰ হাত এখনত মই লাহেকৈ চিকুটি দিলো।

দুচকুত হেজাৰটা প্ৰশ্ন লৈ তাই মূৰ তুলি চালে। তেতিয়াও তাইৰ দুচকুৰ কোণত মুকুতাৰ দৰে দুটোপাল অশ্ৰুৱে তিৰবিৰাই আছিল। হয়তো কিহবাৰ বেদনাত, কিহবাৰ অনুশোচনাত। এইমাত্ৰ কান্দি ৰঙা পৰি উঠা দুচকুত নাই কোনো কপটতা, কোনো উচ্ছৃংখলতা; আছে মাথো শান্ত সমাহিত নিষ্পাপ দুচকুৰ প্ৰতিচ্ছৱি তথা নিবিড় আন্তৰিকতাৰ প্ৰতিশ্ৰুতি। তাইৰ সমগ্ৰ মুখমণ্ডলত এতিয়া কোনো কৃত্ৰিমতাৰ প্ৰলেপ নাই; তাৰ পৰিৱৰ্তে বিয়পি পৰিছে এক কৰুণ কোমল অভিব্যক্তি। এইজনী ছোৱালীয়েতো মোৰ মন, প্ৰাণ সজীৱ কৰি ৰাখিছে। অপ্ৰকাশিত ভাবে হলেও মোৰ উন্নতিৰ হকে প্ৰেৰণা যোগাইছে। এইক জানো মই পাহৰি যাব পাৰো। নিশ্চয় নোৱাৰো। সম্ভৱত ঃ তাইও নোৱাৰে। সামান্য এটা কথাৰ বাবেই আমাৰ মাজত নিশ্চয় বিভেদ ভাবৰ প্ৰশ্ন নুঠে। হয়তো দুদিন মান অভিমান থাকিব। যিটো সময়ৰ আঁৰে আঁৰে নিজে নিজেই বুজা পৰালৈ আহিব। আহিবই লাগিব। নহলে যে জীৱনত বহুতো কিবা-কিবি হেৰুৱাব লগা হব পাৰে। যেনেকৈ এতিয়া হেৰুৱাব লগা অৱস্থাত উপনীত হৈছিল সেই সামান্য ভুলৰ বাবেই। গতিকে তাইক সান্তনা দিবলৈ মাত্ৰ কলো, — —

ঃ 'চোৱা পৰী! তোমাৰ মোৰ মাজত যি ঘটি গ'ল সেয়া সামান্য যদিও আমাৰ জীৱনৰ পথত ইয়াৰ ভূমিকা কিন্তু গুৰুত্বপূৰ্ণ। এনে ভুল বুজা বুজিৰ বাবেই আমি কেতিয়াবা বহুতো মূল্য দিবলগা হব পাৰে। কিন্তু আমাৰ ক্ষেত্ৰত যাতে এনে নহয় তাৰ বাবে আমি নিশ্চয় সাৱধান হোৱা উচিৎ। আৰু তুমি মোৰ ওচৰত ক্ষমা খুজিছিলা তুমি কৰা দোষৰ বাবে। কিন্তু তোমাৰ মোৰ মাজত জানো ক্ষমাৰ প্ৰশ্ন আহে, — পৰী! তদুপৰি তোমাক তো মোৰ হৃদয়ে কেতিয়াবাই ক্ষমা কৰি দিছে। সেয়া জানো তুমি নুবুজা?'

ঃ 'কিন্তু তথাপিও তুমি মোক মাতবোল কৰা নাছিলা কিয়? মই মাতিবলৈ বিচৰা স্বত্তেও'। — —

— পৰীৰ অভিমান ভৰা প্ৰশ্নটো শুনি হাঁহি কলো, —

ঃ 'তোমাৰ মোৰ প্ৰতি কিমান মৰম তাক চাবলৈ'।

ঃ 'পিছে জানিলানে নাই?'

ঃ 'অলপ বুজিছিলো। বিশেষকৈ যেতিয়া মই তোমাক নেমাতি তোমাৰ কাষেৰে পাৰ হৈ গ'লে তোমাৰ কান্দো-কান্দো কৰা মুখখন দেখো'।

ঃ 'ইঃ! নাকান্দিলেহে পাৰিছে!'

ঃ 'ঠিক আছে বাৰু, মানি ললো নাকান্দা বুলি। পিছে মোৰ লগত আজিৰ পৰা কাজিয়া নকৰাতো? নে আকৌ লাগিবলৈ মন গৈছে?'

উত্তৰত তাই হাঁহি দিলে। তেতিয়াহে মন কৰিলো যে দি থকা বৰষুণ জাক কেতিয়াবাই এৰিছে। আকাশৰ কলীয়া ডাৱৰবোৰো লাহে-লাহে আঁতৰি গৈছে। আৰু তাৰ লগে-লগে যেন আমাৰ মাজৰ সকলো সন্দেহৰ বীজো আতঁৰি গ'ল। তেতিয়া পশ্চিম আকাশৰ অৱশিষ্ট ডাৱৰৰ মাজৰ পৰা তেজৰঙা বেলিটো ওলাই ধৰাৰ বুকুত সিঁচি দিছে তাৰ সেউজ কোমল পোহৰ আৰু সেই সেউজ কোমল হেঙুলী কিৰণে যেন ধৰাৰ বুকুলৈ ছতিয়াই দিছে নতুন প্ৰেৰণা ...................... নতুন আশা।



# তর্পন

ডঃ আশুতোষ ভট্টাচাৰ্য্য (গণিত বিভাগ)

গৰম বন্ধৰ পিছতে কলেজ খুলিছে। কিন্তু ক্লাচ পাতি হোৱা নাই। ছাত্ৰ ছাত্ৰীৰ ভৰ্ত্তি চলি আছে। অহা সপ্তাহৰ পৰা ক্লাছ আৰম্ভ হ'ব বুলি অধ্যক্ষ মহোদয়ে জনাইছে। গতিকে কমন ৰুমত প্ৰতিদিনে গৈ হাজিৰা বহীত চহী কৰি কলেজত অলপ বহি ঘুৰি আহোঁ। কেতিয়াবা দবা খেলিবলৈ বহি যাওঁ কমন ৰুমত। এদিন, তেনেদৰে বহি আছোঁ কমন ৰুমত। অধ্যাপক এজনৰ লগত কথা পাতি আছোঁ। এনে সময়ত কলেজৰ বেহাৰাজন আহি মোৰ ওচৰ চাপিলে। 'আপোনাক মাতিছে Sir' 'কোনে?' মই লৰাজনৰ মুখলৈ চালো।

'বাহিৰত লৰা এজনে আপোনাক মাতিছে।'-মই বাহিৰলৈ আহিলো। দেখিলো সচাঁকৈ কমন ৰুমৰ সমুখত লৰা এজন থিয় হৈ আছে। মই ভাবিছিলো নিশ্চয় ভৰ্ত্তি হোৱাৰ বাবেই লৰাজনে মোক লগ ধৰিব খুজিছে। প্ৰত্যেক বছৰেই এনে হৈ থাকে। সময় মতে ফৰ্ম জমা দিয়া নহয় নাইবা ভৰ্ত্তিৰ চিট নাপাই ছাত্ৰছাত্ৰী বোৰে অধ্যাপকক লগ ধৰে, কিজানি বা ভৰ্ত্তিৰ সুবিধা পায়। মইও লৰা জনক তেনেই ভাবিছিলো। কিন্তু লৰাজনৰ কথা শুনি মই আচৰিত হলোঁ। "মই Sir আপোনালোকৰ কলেজত স্নাতক শ্ৰেণীৰ প্ৰথম মহলাত নাম লগাইছো।"

"কি কম্বিনেছন তোমাৰ?"

'ফিজিক্স, ম্যাথমেটিকছ আৰু কেমিষ্ট্ৰি। ম্যাথমেটিকছত মেজৰ লম বুলি ভাবিছো।'

মই ভালকৈ লৰাটোৰ মুখলৈ চালো। শুধিলো "তোমাৰ নাম কি?"

"অনিল শৰ্মা"

মোৰ মনত পৰিল যে ২দিন আগতে Major বিচাৰি ছাত্ৰ ছাত্ৰীৰ যি বাছনি হৈছে তাত অনিল শৰ্মা নামটো পাইছো। বাছনি তালিকাত লৰাৰ নামটো প্ৰথমতেই আছে। মই হাঁহি কলো "মেজৰ দিয়াৰ বাছনি তালিকাত তোমাৰ নামটো প্ৰথমেই আছে।'

'হয় sir :—'

'তেন্তে?' মই ভাৱিব নোৱাৰিলো আৰু কি কাৰণত লৰাজনে মোক লগ ধৰিছে।

'এয়া sir, অংক কেইটা যদি চাই দিয়ে, লৰাজনে বহী এটা আগবঢাই দিলে।

'কি অংক?'

''স্নাতক শ্ৰেণীৰ। মেজৰ বিষয়ৰ।'

'কিন্তু তোমাৰ ক্লাচ পাতিতো আৰম্ভ হোৱা নাই। অহা সপ্তাহত আৰম্ভ হব।"

''মই ঘৰতে পঢ়ি কৰিছো। নিয়মটো শুদ্ধ হৈছে নে নাই।'

"....... লৰাজনৰ পৰা মই বহীখন ললো। এবাৰ ভাবিছিলো লৰাজনক বহীখন ঘুৰাই দিওঁ আৰু কৈ দিওঁ ক্লাচ আৰম্ভ হলে যেন লগ ধৰে। কিন্তু লৰাজনৰ মুখলৈ চাই না কৰিব নোৱাৰিলো। বহীখন নোলোৱা হ'লে লৰাজনে বেয়া পালেহেঁতেন।

"ঠিক আছে দিয়া। মই চাই দিম। কেইদিন মান পিছত বহী লৈ যাবা।"

লৰাজন গুছি গল। মইও বহীখন আনি নিজৰ শ্বেল্‌ফত ভৰাই থলোঁ। পিছত বহীখন চাই দিম।

মোৰ দৈনন্দিন ব্যৱস্থাত মই লৰাজনৰ কথা, বহীৰ কথা পাহৰি গলো। ক্লাছ আৰম্ভ হৈছে। ক্লাছ ৰেজিষ্টাৰত লৰাজনৰ নাম আছে কিন্তু শ্ৰেণীত লৰাজনৰ উপস্থিত দেখা নাই। প্ৰায় ১৫ দিন পাৰ হল। এদিন মোৰ ছোৱালীজনীক স্কুলত থৈ ঘৰ পাওঁতেই দেখিলো অনিল বাহিৰৰ কোঠাত বহি আছে মইয়েই প্ৰথম মাত লগালো।
"কি হে, ক্লাছ পতিতো আৰম্ভ। তোমাক দেখা নাই দেখোন। ক্লাছ কৰা নাই নেকি?'
'নাই কৰা Sir'। মোক দেখি লৰা জন থিয় হৈ গল।
'বহা। কিয় ক্লাছ কৰা নাই।"
'দেউতাৰ বেমাৰ। মেদিকেলত ভৰ্ত্তি হৈছিল। কালি ঘৰলৈ আহিছে।
'অঁ, এতিয়া ভাল পাইছে নে?'
'অলপ অলপ পাইছে'
'ক্লাছ কৰা। মেজৰ ক্লাছো আৰম্ভ হৈছেতো,
'কালিৰ পৰা কলেজলৈ যাম। মোৰ বহীখন চোৱা হৈছে নেকি sir!'
মোৰ এইবাৰ মনত পৰিল বহীৰ কথা। কলেজত চেলফৰ ভিতৰতে যি ভৰাই থৈছো, মই আৰু চোৱা নাই। সঁচাকৈ বৰ লাজ পালো। অনিলক সেই কথাই কঁলো,
'sorry অনিল। তোমাৰ বহীৰ কথা মই পাহৰি গৈছো ২দিনৰ ভিতৰতেই চাই দিম।
'একো নাই ছাৰ পিছত দিলেও হব।' অনিল যাবৰ কাৰণে থিয় হল
কলেজত আহি মই চেলফ খুলি অনিলৰ বহীখন চাবলৈ আৰম্ভ কৰিলো। ত্ৰিকোনমিতিৰ ভালেকেইটা অধ্যায় শেষ কৰি অংক কৰিছে। কিছুমান অংক চাই বৰ আচৰিত হলো। এজন স্নাতক মহলাৰ ছাত্ৰই প্ৰথম চেষ্টাতেই ইমান টান অংক কৰিব নোৱাৰে। বহীখন চাই এটা কথা বুজিলো। লৰা জন ভাল। পঢ়াশুনাত চোকা। ইয়াক যদি guidance দিব পৰা যায় তেন্তে ভাল Result কৰিব পাৰিব। আমাৰ কলেজখন চহৰৰ একেবাৰে এটা চুকত হোৱাৰ বাবে ভাল লৰা ছোৱালী আমাৰ কলেজলৈ নাহে। স্থানীয় আৰু এখন কলেজত ভৰ্ত্তি হয়। গতিকে সঁচাকৈ এজন ভাল লৰা কলেজত ভৰ্ত্তি হৈছে দেখি ভাল লাগিল। ভাল লৰা ছোৱালী থাকিলে অধ্যাপনা কৰি ভাল লাগে। ক্লাছত যোগ দিয়াৰ পিছৰ পৰা দেখিছো অনিল বৰ Serious। মোৰ সহকৰ্মী কেইজনক ও মই অনিল সম্বন্ধে শুধিছো। সকলোৱেই এক মত যে লৰাজন চোকা। ব্যৱহাৰ পাতিও ভাল। এনে ধৰণৰ লৰা বহুদিন আমাৰ কলেজত ভৰ্ত্তি হোৱা নাই।
অনিলক পাই মোৰ ও ভাল লাগিল। মোৰ সৰু ভাইটিৰ মৰমেৰে মই তাক ব্যৱহাৰ কৰিবলৈ ললো। কলেজ বন্ধ থাকিলে ঘৰলৈ আহে, যিমান সহায় কৰিব পাৰো কৰি দিওঁ কেতিয়াবা মোৰ কিতাপ লৈ যায় আকৌ ঘূৰাই দিয়ে। এদিন মই শুধিলো "তোমাৰ ঘৰত কোন কোন আছে।"
"দেউতা, মা, মই সৰু ভনী এজনী, আৰু পেহী"
'দেউতাই কি কাম কৰে।'
'দেউতাৰ কাম নাই। আগতে P. and T ত কাম কৰিছিল। বেমাৰ হোৱাৰ কাৰণে অৱসৰ লৈছে।
মই আচৰিত হৈছিলো। আৰু শুধিলো।
"তোমালোক চলা কেনেকৈ?"
'দেউতাৰ পেঞ্চনৰ টকাৰে"
"আজি কালিৰ দিনত অকল Pension ৰ টকাই চলিব পাৰেনে? তাৰ উপৰি তোমাৰ কলেজৰ খৰছ আছে।"
"ঘৰত মা, আৰু পেহীয়ে চিলাই কৰে আৰু মই ও টিউছন দুটা কৰো।"
ইমান দিন হৈছে অনিলৰ লগত মই চিনাকী হৈছো। কিন্তু ইয়াৰ আগতে কোনোদিনো অনিলৰ ঘৰৰ কথা জানিব বিচৰা নাই। সিদিনা অনিলৰ ঘৰ অৱস্থা জানিব বেয়াহে লাগিল। মই কলো "এদিন তোমাৰ মাক লগত আনিবা চোন। কথা পাতিম, অনিল ৰাজী হল আনিম Sir আপোনাক লগ ধৰিবৰ কাৰণে মায়েও বাৰে বাৰে কৈ আছে" ইয়াৰ দুদিন পাছতেই অনিল মাকক লৈ মোৰ ঘৰলৈ আহিল চিনাকী হোৱাৰ পাছত অনিলৰ মাকে কলে 'Sir, কেইটা



মান টকা আনিছিলো আপোনাৰ কাৰণে।"
মই আচৰিত হৈ শুধিছিলো, 'কিয় দিব লাগে মোক?'
'আপুনি Sir অনিলৰ কাৰণে ইমান খাটিছে। টিউচন লৈ আছে আপোনাৰ ওচৰত। মই তো তেনেকৈ একো দিব পৰা নাই।' মই হাঁহিছিলো। অনিলৰ মাকক কৈছিলো, 'আপুনি পইচা দিব নালাগে অনিলে Pass কৰি চাকৰীত সোমালে তাৰ প্ৰথম মাহৰ দৰমহাৰ পৰা মোৰ fees লম। কি অনিল, তেতিয়া দিবানে?' অনিলে হাঁহিছিল। সিদিনা অনিলৰ মাকে ঘৰৰ বহু কথা শুনাইছিল। গিৰিয়েকৰ পেঞ্চনৰ টকাৰ আধা তেওঁৰ দৰৱ কিনাতেই খৰছ হয়। বাকী টকাৰে ক'ত ঘৰ চলিব? গতিকে বাধ্য হৈয়েই চিলাইৰ কাম হাতত লৈছে। অনিলেও ৰাতিপুৱা চাহ একাপ খাই পঢ়াবলৈ ওলাই যায়। তাৰপৰাই বাহিৰে বাহিৰে কলেজলৈ গুচি আহে। যিদিনা টিউচন থাকে সিদিনা ভাত খাই আহিব নোৱাৰে। কলেজৰ পৰা গৈয়েই চাৰিটামান বজাত ভাত কেইটা খায়। শুনি মোৰ বৰ বেয়া লাগিছিল। মোৰ তালৈ টিউচনৰ কাৰণে বহুদিন ৰাতিপুৱাই আহিছে। কিন্তু কোনোদিনেই মই খোৱাৰ কথা শুধা নাই। নিশ্চয় সেই কেইটা দিনত অনিলে নোখোৱাকৈ কলেজ কৰিছে। অনিলে মাকক লৈ ওলাই যোৱাৰ পিছত মই মোৰ পত্নীক মাতি অনিলৰ কথা কৈছিলো "বুজিছা এতিয়াৰ পৰা অনিল আহিলে মই নেথাকিলেও তাক চাহ জলপান দিবা। বৰ দুখীয়া ঘৰৰ লৰা। ভাল মতে Pass কৰিব পাৰিলেই হয়।"
কলেজৰ বছেৰেকীয়া পৰীক্ষা শেষ হৈছে। প্ৰতিবছৰেই মাৰ্চ মাহৰ পৰা জুন মাহলৈকে পৰীক্ষাৰ Season আৰম্ভ হয়। এই সময়ত কলেজত শ্ৰেণী আৰু নহয়। নতুন পাঠ্যক্ৰম আৰম্ভ হওঁতে হওঁতে আগষ্ট মাহ পাৰ হৈ যায়। পৰীক্ষা শেষ হোৱাৰ পাছত মই অনিলক মাতি কলোঁ,
"এতিয়া কলেজ বন্ধ। ক্লাচ পাতি ও নহব গতিকে এই কেইমাহৰ ভিতৰত বাকী course খিনি শেষ কৰা। পিছে কলেজ খুলিলে revision ৰ সময় পাৱা।
'হয় sir'
'তেন্তে তুমি কালিৰ পৰা পুৱাৰ ভাগতেই ঘৰলৈ আহি যাবা। মই ও free আছো, গতিকে অসুবিধা নহয়।
'যাম sir, কিন্তু কাইলৈ যাব নোৱাৰিম। ১৫দিনৰ কাৰণে গুৱাহাটী যাব লাগিব।
'কিয়' গুৱাহাটীত কোন আছে তোমাৰ?'
'উত্তৰ, নিদি অনিল মনে মনে থাকিল। মই ভাবিলো অনিলে মোক আৰু বেচি কব খুজা নাই। মই ও তাক আৰু সবিশেষ নুশুধিলো। ১৫ দিনৰ পিছত অনিল পঢ়িব আহিব বুলি গুচি গ'ল। মই ও ঘৰত বহি তাৰ বাকী থকা course খিনি সম্বন্ধে চিন্তা কৰিলো। পৰীক্ষাৰ প্ৰশ্ন কাকত কেইখন মান গোটাই থলো। সি পঢ়িবলে, আহিলে তাক প্ৰশ্ন খিনি লিখিবলৈ কম। সাধাৰণতে গৰম বন্ধত মই পৰিয়ালৰ সৈতে বাহিৰলৈ ফুৰিবলৈ ওলাওঁ। যদিও গৰমৰ সময় ভ্ৰমনৰ বাবে উপযুক্ত সময় নহয়, কিন্তু গৰমৰ বন্ধ আৰু পূজাৰ বন্ধৰ বাহিৰে আমি দীঘলীয়া ছুটি নাপাওঁ। বছৰৰ বাকী সময়ত কেজুয়েল লীভৰ বাহিৰত ফুৰিবৰ কাৰণে ছুটি নাই।
কিন্তু এইবাৰ ক'তো যোৱা নহল। ঘৰতে মোৰ পত্নীয়ে কথাটো এবাৰ উলিয়াইছিল। "এইবাৰ বাহিৰলৈ নাযায় নেকি?"
"কেনি যাবা। দেখিছা কি ভয়ানক গৰম। প্ৰতিবছৰে ওলাওঁ, আৰু ছোৱালীজনীৰ কষ্ট হয়। এইবাৰ বাদ দিয়া। চাওঁ পূজাৰ সময়ত যাব পাৰো হয়তো।"
তেখেতে বুজিলে যে মোৰ এইবাৰ যোৱাৰ ইচ্ছা নাই আচলতে মই ভাবি আছিলো যে মই যদি এমাহৰ কাৰণে বাহিৰলৈ যাওঁ, তেন্তে অনিলৰ পঢ়াশুনাত বিঘিনি ঘটিব পাৰে। সময়ত Course শেষ নহব Part—1 পৰীক্ষাত সি ভাল পাৰ্চেন্ট পাওক মোৰ সেয়েই লক্ষ্য আছিল। ইতিমধ্যে তাৰ বছৰেকীয়া পৰীক্ষাৰ Major ৰ বহী দুখন চাইছিলো। শতকৰা আশীৰ ওপৰত আছে তাৰ নম্বৰ। বহী দুখন চাই মোৰ ভাল লাগিছিল।

বুজিছিলো মোৰ খাটনি অসাৰ্থক নহব। ভাগ্য তাৰ অলপ ভাল হলে প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান পাব পাৰে। মই অনিল অহাৰ কাৰণে বাট চাই আছিলো।

কিন্তু ১৫ দিন পাৰ হৈ ২০ দিন গল। প্ৰায় ১ মাহ পাৰ হবৰ হৈছে। অনিলৰ পাত্তা নাই। মোৰ খং উঠিল তাৰ কাৰণে মই ফুৰিবলৈ যোৱা বন্ধ কৰিছো। আৰু লৰাজনৰ কোনো চিন্তা নাই।........... ইতিমধ্যে অসমৰ ৰাজনৈতিক আকাশত যেন এটা ধুমুহা আহিল। যি শান্ত বাতাৱৰণৰ কাৰণে অসমৰ ইমান খ্যাতি আছিল, তাত যেন দীৰ্ঘদিন ধৰি লাহে লাহে অলপ অলপকৈ বিষজমা হৈ আছিল। এদিন কেনেবাকৈ কত যেন এটা বিস্ফোৰণ হল। তাৰ ধুমুহা চাৰিও পিনে বিয়পি পৰিলে আমাৰ সৰু চহৰ ডিব্ৰুগড়তো তাৰ প্ৰভাৱ পৰিল।

প্ৰায় এমাহৰ পিছত অনিলে ঘৰত আহি মোক লগধৰিলে। তাৰ চেহেৰাটো চাই মই আচৰিত হলো ; মুখৰ সেই কোমল ভাৱটো নাই। এই ১ মাহতে তাৰ বয়স যেন কেইবা বছৰো বাঢ়ি গৈছে। অনিল যেন কলেজৰ কিতাপ সন্ধানী পঢ়ুৱৈ নহয়, he is a man now. মই শুধিলো। "কি হল ইমান দিন ক'ত গৈছিলা ? পঢ়াশুনা আৰম্ভ নকৰা নেকি" মই ইচ্ছা কৰিয়েই তাৰ চেহেৰাৰ কথা নুশুধিলোঁ। "আহিম Sir, অহা সপ্তাহৰ পৰা আহিম। এই কেইদিন হাতত এটা কাম আছে। তাক শেষ কৰিয়েই আহিম।" "কি ইমান কাম কৰি ফুৰিছা হে ? এমাহৰ পিছত আহিছা। পঢ়াশুনাত লাগিবা নে আকৌ কাম কৰি ফুৰিবা।" মই খং সামৰিব নোৱাৰিলো। অনিলে একো নকলে। ১ মাহৰ পিছত আহিব বুলি কৈ গল। ১মাহৰ পিছত অনিল যেন আগৰ অনিল নহয়। তাৰ ছাঁ মাথোন। আগৰ নিচিনা পঢ়াত মন নাই। ১ঘণ্টাও যাব নিদিয়ে কয়, "আজি থাকক Sir, মোৰ যাব লাগিব।" চাহ জলপানৰ কাৰণেও বহি নেথাকে। কোনোমতে পঢ়া শেষ কৰি লৰ মাৰে। এদিন মই সচাঁকৈয়ে অনিলক কলো "এৰা অনিল, তুমি গুৱাহাটীৰ পৰা ঘুৰি অহাৰ পিছতেই লক্ষ্য কৰিছো তোমাৰ পঢ়াশুনাত মন নাই। তুমি পৰীক্ষা নিদিয়া নেকি ? পঢ়াশুনাত মন নাই যদি তেন্তে আৰু নাহিবা। মিছাকৈ মোৰো সময় নষ্ট হৈছে"

মোৰ কথা শুনি অনিলৰ মুখ খন যেন কলা হৈ গল। সি গুৱাহাটীৰ পৰা ঘুৰি অহাৰ পিছত মই তাৰ মুখত হাঁহি দেখা নাই কিন্তু মোৰ কথা খিনিয়ে তাৰ অন্তৰত যে স্পৰ্শ কৰিছে মই বুজিলো। লাহে লাহে অনিলে কলে, ' মই আপোনাক গোটেই কথা খিনি কম sir কিন্তু আজি নহয়। মই আজি যাওঁ। অহা সপ্তাহত আহিম।' অনিল যোৱাৰ পিছত মোৰ মনটো বেয়া লাগিল। মোৰ পত্নীক কথাখিনি কওঁতেই তেখেতে কলে

"কেলে তুমি অনিলক ইমান টানকৈ কৈছা ? নিশ্চয় সি বেয়া পাইছে। তাৰ ঘৰৰ কথাতো আমি গোটেইখিনি নাজানো, হয়তো কিবা responsibility আছে। সেই কাৰণেই সি পঢ়াত মন দিব পৰা নাই।'

মই প্ৰাৰ্থনা কৰি আছিলো যেন মোৰ পত্নীৰ কথাখিনিয়েই সঁচা হয়। মই তলে তলে আন কিবা ভাবি আছিলো। ৰাজনৈতিক অস্থিৰতাই অনিলৰ নিচিনা এটা ভাল লৰাক ও গ্ৰাস কৰক মই বিচৰা নাই।

ইয়াৰ পিছৰ ঘটনা খিনি যেন দ্ৰুত গতিত ঘটি আছিল। ১ সপ্তাহ পিছত অনিল যে আহিম বুলি কৈ গৈছিল নাহিল। এদিন অধ্যক্ষ মহোদয়ে ফোন কৰি মোক ঘৰলৈ মাতিলে। মই বহোতেই তেখেতে কলে, "এটা বৰ জৰুৰী কথাৰ কাৰণে আপোনাক ঘৰলৈ মাতিছো।" 'ক'ক, Sir,' মই চিন্তিত হৈ পৰিছিলো। ইমান কি জৰুৰী কথা আছে যে মোক ঘৰলৈ মাতি কব লাগিছে। "আপোনা-লোকৰ Dept,ত অনিল শৰ্মা বুলি কোনো আছে নেকি ?" "আছে Sir এইবাৰ বছৰেকীয়া পৰীক্ষাও দিছে।" মই information পাইছো লৰাজনে — বাহিনীত যোগ দিছে। যোৱা কালি থানাৰ O.C মোৰ ঘৰলৈ আহিছিল তেখেতে কৈছে। তেওঁ আৰু কৈছে যে লৰাজন শিকিবৰ কাৰণে আপোনাৰ ঘৰলৈ যায়। গতিকে ভট্টাচাৰ্য্য সাৱধান হওক।'

এটা থাণ্ডা সোঁত মোৰ ৰাজ্ৰ হাঁড়েদি তললৈ নামিগল যেন। হে ভগবান মই যি সন্দেহ কৰিছিলো তাকেই সচাঁ হল। মই শুনিলো অধ্যক্ষ মহোদয়ে মোক শুধিলে। "আপুনি জানে নেকি যে সি বাহিনীত যোগ দিছে। "নহয় sir। মই সঁচাকৈ নাজানো।"

"মইও সেই কথাই O. C. জনক কলো। মোৰ বন্ধু মানুহ। মোৰ কথা বিশ্বাস কৰিছে। কিন্তু ইয়াৰ পিছত চাব। জানেইতো আজিকালি দিনবোৰ কি বেয়া হৈছে।" মই আৰু তাত বহি থাকিব নোৱাৰিলো। ঘৰলৈ উভতি আহি অধ্যক্ষ মহোদয়ে কোৱা কথাখিনি মোৰ পত্নীক কলো। তেওঁ শুনি বৰ আচৰিত হল। নিমাত হৈ গল যেন। পিছত কলে, সিদিনা তাৰ মুখলৈ চাই মই সেই সন্দেহেই কৰি আছিলো।

'অ তাৰ ঘৰত গৈ খবৰ এটা কৰিম নেকি ?' মই শুধিলো "নহয় নাযাবা তুমি। পুলিচে নিশ্চয় watch কৰি আছে। গলে বিপদ হব'

মই তেখেতৰ কথাটো স্বীকাৰ কৰিলো। মই ভাবি ঠিক কৰিব নোৱাৰিলো অনিলৰ নিচিনা লৰাইও নিজৰ বুদ্ধি বিবেচনা এৰি দি কিয় পঢ়াশুনা এৰি দিলে ? যি কোনো নাম কৰিব হলে প্ৰথমতে নিজকেই তাৰ যোগ্য কৰিব লাগে। পঢ়াশুনা এৰি দিলে জীৱনত কি থাকে ? কিন্তু এইবোৰ চিন্তা হে। অনিলক পালে তাক বুজাই কলো হেঁতেন। ...... মই অনিল সম্বন্ধে চিন্তা কৰা এৰি দিলো। মোৰ কাম কাজতে মন দিলো।

প্ৰায় ১ মাহ মান পাৰ হল এদিন সন্ধিয়াৰ সময়ত মই বাহিৰৰ কোঠালীত বহি কিতাপ পঢ়ি আছো। লৰা এটা সোমালে। "নমস্কাৰ Sir' লৰা জন ওচৰত থিয় হৈ থাকিল " মই তোমাক চিনিব পৰা নাই।"

" মই ইয়াত নাথাকো। অনিলে এখন চিঠি দিছে আপোনাক সেইখন দিবলৈ আহিছো।' লৰাজনে পকেটৰ পৰা এটা envelope উলিয়াই টেবুলত থলে। কলে "মই নবহোঁ Sir। মই যাওঁ।" লৰাজন ওলাই গ'ল। মই চিঠি খন খুলিলো। মাত্ৰ তিনিটা লাইন লিখিছে অনিলে। " শ্ৰদ্ধেয় Sir, মোক ক্ষমা কৰিব। মই আহিম বুলি কৈ গৈছিলো, কিন্তু কথা ৰক্ষা কৰিব নোৱাৰিলো। জানো মোৰ কথা ভাবি আপোনাৰ কষ্ট হব। ক্ষমা কৰিব।

ইতি

আপোনাৰ সৰুভাইটি অনিল

তলৰ লিখাটো চাই মোৰ বুকুখন পৰি গল যেন। দাদা বুলিয়েই ভাবিছিলা যদি মোৰ লগত এবাৰ ও কথা নাপাতিলা কিয় ? কোনো এটা সিদ্ধান্ত লোৱাৰ আগতে মোৰ পৰামৰ্শ নিবিচাৰিলা কিয় ?

✪ ✪ ✪

ইয়াৰ প্ৰায় ২ মাহ পিছৰ ঘটনা। চাবুৱাৰ ওচৰত এখন হাবিত পুলিচৰ লগত — বাহিনীৰ কৰ্মীৰ এটা সংঘৰ্ষ হয়। বাহিনীৰ যি কেইজন কৰ্মী নিহত হৈছিল তাৰ ভিতৰত অনিল ও এজন। ফটো আৰু নাম বাতৰি কাকতত, ছপা হৈছিল। নাম নহয়, লৰাজনৰ বাওঁ চকুৰ তলৰ তিলটো চাই মই ধৰিব পাৰিছিলো,লৰাজন। অনিলেই ; অনিল শৰ্মা।

# বিশেষ প্ৰবন্ধ

## ॥ অসমীয়া ভাষাঃ উৎপত্তি আৰু ক্ৰমবিকাশ ॥

জ্যোতি বৰগোহাঁই
মুৰব্বী অধ্যাপিকা
( অসমীয়া বিভাগ )

পৃথিৱীৰ প্ৰতিটো ভাষাৰে একোটা জন্ম বৃত্তান্ত আছে। অসমীয়া ভাষা এটি স্বতন্ত্ৰীয়া ভাষা গতিকে অসমীয়া ভাষাৰো জন্ম বৃত্তান্ত আছে। ভাষা তত্ত্ব বিদ সকলে পৃথিৱীৰ ভাষা সমূহক কেইবাটাও ভাষা গোষ্ঠীত ভাগ কৰিছে। সেইবোৰ হল দ্ৰাবিড় ভোটচীন, অষ্ট্ৰিক, উৰাল আলটাই, চেমীয় হেমীয়, ফিনোউগ্ৰীয়, বাণ্টু, ইন্দোইউৰোপীয় ইত্যাদি। এই বিলাকৰ ভিতৰত ইন্দোই-উৰোপীয় বা ভাৰত ইউৰোপীয় ভাষা গোষ্ঠীৰ মহত্বই আটাইতকৈ বেছি। কিয়নো এই পৰিয়ালৰ ভাষা সমগ্ৰ পৃথিৱীতে বিয়পি আছে আৰু পৃথিৱীত এই পৰিয়ালৰ ভাষা কোৱা লোকেই সৰ্বাধিক। এই খিনিতেই উল্লেখ কৰিব পাৰিযে ভাষা হ'ল বোৱতী নৈৰ সুঁতিৰ নিচিনা। ই কেতিয়াও স্থিৰ নহয়। সেয়েহে একোটা মূল ভাষাৰ পৰা সময়ত বিভিন্ন শাখা-প্ৰশাখাৰ সৃষ্টি হয় আৰু এই শাখা প্ৰশাখা বিলাক যিমানেই মূল ভাষাৰ পৰা আঁতৰি আহে সিমানেই সৰলীকৃত হৈ পৰে। ইন্দোইউৰোপীয় ভাষা গোষ্ঠীও সময়ত দহোটা শাখাত বিভক্ত হয়। সেই কেইটা হ'ল কেলটিক, ইটালিক, জাৰ্মানিক, টিউটনিক, গ্ৰীক, বাল্টোশ্লাভিক, আলবানীয়, হিট্টাইট, তুখাৰীয় আৰু ইন্দোইৰানীয়। ইন্দোইৰানীয় ভাষাৰ পৰা আকৌ দুই শাখাৰ জন্ম হৈছে ইৰানীয় আৰু ভাৰতীয় আৰ্য্য। ইৰানীয় উপশাখাৰ অন্তৰ্গত ভাষা কেইটা হ'ল আৱেস্তীয় আৰু পাৰছী।

ভাৰতীয় আৰ্য্য ভাষাক তিনিটা ভাগত ভাগ কৰা হৈছে।

(ক) প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষা
(খ) মধ্য ভাৰতীয় আৰ্য্য ভাষা
(গ) নব্য ভাৰতীয় আৰ্য্য ভাষা

প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ ভিতৰত বৈদিক আৰু সংস্কৃত ভাষাক ধৰা হয়। বৈদিক যুগৰ ভাষাৰ দুটা স্তৰ হৈছে বৈদিক সাহিত্যৰ ভাষা আৰু সেই সময়ৰ মানুহৰ কথিত ভাষা, এই কথিত ভাষাটোকে খৃঃ পূঃ পঞ্চম শতিকাত বৈয়াকৰণিক পাণিনিয়ে ব্যাকৰণৰ সূত্ৰেৰে বান্ধি পেলায়। সেই সময়ৰ পৰাই কথিত লৌকিক ভাষাই সংস্কৃত নাম পায়। প্ৰাচীন ভাৰতীয় আৰ্য্য ভাষাৰ বিকাশৰ সময় ধৰা হৈছে খৃঃ পূঃ ১২শ শতিকাৰ পৰা খৃঃ পূঃ ৬ষ্ঠ শতিকালৈ'।

প্ৰাচীন ভাৰতীয় আৰ্যভাষা বা সংস্কৃত ভাষা অধিক সৰলতৰ হৈ মধ্যযুগৰ আৰ্য্য ভাষা সমূহৰ জন্ম হৈছে। সংস্কৃত ভাষা উচ্চাৰণ কৰিবলৈ অতি কঠিন। এই উচ্চাৰণৰ জটিলতাৰ বাবেই সংস্কৃত ভাষাৰ সহজ সৰল ৰূপান্তৰ হিচাবে প্ৰাকৃত ভাষাৰ উৎপত্তি হৈছে। পণ্ডিত সকলে প্ৰাকৃত ভাষাৰো তিনিটা স্তৰ নিৰ্ণয় কৰিছে, (ক) আদি প্ৰাকৃত: (খ) মধ্য প্ৰাকৃত আৰু (গ) অন্ত্য প্ৰাকৃত



অশোকৰ শিলালিপি আৰু পালি ভাষাত লিখিত হীনযানী বৌদ্ধ সকলৰ 'ত্ৰিপিত্ৰক' গ্ৰন্থই আদি প্ৰাকৃতৰ নিদৰ্শন। মধ্য প্ৰাকৃতৰ নিদৰ্শন হল সংস্কৃত নাটৰ প্ৰাকৃত, হালৰ—"গাথাসপ্তশতী"; প্ৰৱৰ সেনৰ 'সেতুবন্ধ' আৰু জৈন ধৰ্ম সম্পৰ্কীয় সাহিত্যবোৰ। প্ৰাকৃতৰ শেষ স্তৰ অৰ্থাৎ অপভ্ৰংশৰ সাহিত্যিক নিদৰ্শন হল 'বজ্জালগগ', আবতুৰ ৰহমানৰ 'সন্দেশৰাসক'। সহজীয়া বৌদ্ধ সিদ্ধাচাৰ্য্য সকলৰ দোহাবোৰৰ ভাষাও অপভ্ৰংশৰ বুলি ধৰা হয়।

প্ৰাকৃত ভাষাক আঞ্চলিক ভিত্তিত চাৰিটা ভাগত ভাগ কৰা হৈছে। সেই বিলাক হ'ল—পৈশাচী, মহাৰাষ্ট্ৰী, শৌৰসেনী আৰু মাগধী। ভাৰতৰ পূৰ্বাঞ্চলৰ প্ৰাকৃতৰ নাম মাগধী, মধ্যদেশৰ প্ৰাকৃতৰ নাম শৌৰসেনী, দক্ষিণ পশ্চিমাঞ্চলৰ প্ৰাকৃতৰ নাম মহাৰাষ্ট্ৰী আৰু উত্তৰ পশ্চিমাঞ্চলৰ প্ৰাকৃতৰ নাম হৈছে পৈশাচী। বৈয়াকৰণিক সকলৰ মতে মহাৰাষ্ট্ৰী প্ৰাকৃতেই হল মূল প্ৰাকৃত। সংস্কৃত নাটকত থকা প্ৰাকৃত কৱিতা বোৰৰ প্ৰায় আটাইবোৰ কবিতাই মহাৰাষ্ট্ৰী প্ৰাকৃতত লিখা; শৌৰসেনী সংস্কৃত নাটকৰ নাৰী আৰু সাধাৰণ পুৰুষৰ ভাষা। বৰ্ত্তমান পৈশাচী প্ৰাকৃতৰ কোনো নিদৰ্শন নাই যদিও এসময়ত এই প্ৰাকৃতত বৃহৎ গল্প গ্ৰন্থ গুণাঢ্যৰ 'বৃহৎকথা' ৰচিত হৈছিল। মাগধী প্ৰাকৃতত কোনো পুথি লিখাৰ প্ৰমাণ পোৱা নেযায়। সংস্কৃত নাটকৰ অতি নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ মুখতহে এই ভাষা দিয়া হৈছিল।

প্ৰাকৃত ভাষাৰ শেষ স্তৰ অপভ্ৰংশৰ পৰাই আধুনিক ভাৰতীয় আৰ্য্য ভাষা বোৰৰ জন্ম হৈছে। প্ৰত্যেক প্ৰাকৃতৰে এটি অপভ্ৰংশ ৰূপ আছিল বুলি অনুমান কৰা হৈছে। এই ভাষা সমূহৰ সামান্য নিদৰ্শন অষ্টম শতিকাৰ শিলালিপি, তাম্ৰশাসন আদিত পোৱা যায় যদিও খৃঃ দশম— একাদশ শতিকাৰ আগলৈ এই শাখাৰ কোনো এটা ভাষাই স্বকীয় ৰূপ পোৱা নাছিল। অসমীয়া ভাষাৰ উৎপত্তি হৈছে মাগধী অপভ্ৰংশৰ। ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে মাগধী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা চাৰিটা শাখাৰ কথা উল্লেখ কৰিছে। (ক) ৰাঢ়-ইয়াৰ পৰা পশ্চিম বঙ্গৰ উপভাষাৰ সৃষ্টি হৈছে। (খ) বৰেন্দ্ৰ - ইয়াৰ পৰা উত্তৰ মধ্য বঙ্গৰ উপভাষাৰ সৃষ্টি হৈছে (গ) বঙ্গ—ইয়াৰ পৰা পূৰ্ববঙ্গ উপভাষাৰ সৃষ্টি হৈছে। (ঘ) কামৰূপ— এই কামৰূপী অপভ্ৰংশৰ পৰা অসমীয়া আৰু উত্তৰ বঙ্গৰ কোঁচ বিহাৰ, জলপাইগুৰি, ৰংপুৰ আদি অঞ্চলৰ কথিত ভাষা সমূহৰ সৃষ্টি হৈছে।

বিকাশৰ ধাৰা :— ওপৰৰ আলোচনাৰ পৰা দেখা যায় যে অসমীয়া ভাষা ইন্দোইউৰোপীয় ভাষা গোষ্ঠীৰ ইন্দোইৰানীয় শাখাৰ — আৰ্য্য উপশাখাৰ অন্তৰ্গত মাগধী প্ৰাকৃতৰ কামৰূপী অপভ্ৰংশৰ পৰা উৎপত্তি হৈছে। এইটো স্বীকাৰ্য্য যে জনসাধাৰণৰ মুখত পৰি প্ৰাচীন ভাৰতীয় আৰ্য্যভাষা সংস্কৃতৰ পৰা প্ৰাকৃত ভাষা বোৰৰ উৎপত্তি হৈছে। এই সৰলীকৰণ তিনিটা বিষয়ত দেখা যায়। ধ্বনিৰ ক্ষেত্ৰত, শব্দ আৰু ধাতুৰূপৰ ক্ষেত্ৰত আৰু পদ প্ৰয়োগৰ ক্ষেত্ৰত। প্ৰাকৃতত প্ৰথমে ধ্বনিক সহজীকৰণ কৰা হল। প্ৰাকৃতত ঋ কাৰ ৯ কাৰ ধ্বনি লোপ পালে। ঋ কাৰৰ ঠাইত অ কাৰ, ইকাৰ, উকাৰ নতুবা ৰ ৰি আৰু ৰু ৰ, প্ৰয়োগ হল। যেনে শৃগাল > সি আল, হৃদয় > হি অ অ। ঐ কাৰ আৰু ঔ কাৰৰ ঠাইত একাৰ আৰু ও কাৰ হল। যেনে— তৈল > তেল্ল, ঔষধ > ওষধ। এই পৰিৱৰ্ত্তন স্বৰধ্বনিতকৈ ব্যঞ্জণ ধ্বনিত বেছিকৈ দেখা দিয়ে। অনুস্বাৰৰ বাহিৰে পদান্ত ব্যঞ্জণ ধ্বনি লোপ পালে ফলত সকলো শব্দৰ ৰূপ স্বৰান্ত হবলৈ ধৰিলে। পদৰ আদিত যুক্ত ব্যঞ্জণ থাকিলে তাৰ এটা লোপ পালে অথবা স্বৰভক্তিৰ নিয়ম অনুসৰি ব্যঞ্জন দুটা পৃথক হল। যেনে — স্থিৰ > থেৰ পদৰ মাজত থকা ব্যঞ্জন বৰ্ণ সমীভূত হল নাইবা স্বৰভক্তিৰ দ্বাৰা ব্যঞ্জণ দুটা বেলেগ হল। যেনে — হস্ত > হতথ ধাতু ৰূপৰ ক্ষেত্ৰতো পাৰ্থক্য ধৰা দিলে। সকলো ধাতুকে ভাদিগনীয় ধাতুৰ দৰে ৰূপ কৰা হল। পদ প্ৰয়োগতো সহজী কৰণ কৰা হয়। চতুৰ্থী বিভক্তি লোপ পাই ষষ্ঠীৰ দ্বাৰা চতুৰ্থী বিভক্তিৰ কাম চলোৱা হল। প্ৰাকৃতৰ পৰা পৰিৱৰ্ত্তন হৈ যেতিয়া অসমীয়া ভাষা সৃষ্টি হল তেতিয়া তলৰ বৈশিষ্ট সমূহ ধৰা পৰিল—

(১) প্ৰাকৃতৰ সমীভূত দ্বিত ব্যঞ্জণ সৰলীকৃত হৈ এটা ব্যঞ্জণত পৰিণত হোৱাত পূৰ্বৰ স্বৰ ধ্বনি দীৰ্ঘ হল। যেনঃ— কৰ্ম > কম্ম > কাম

(২) প্ৰাকৃতৰ যুক্ত ব্যঞ্জণ সৰলীকৃতহৈ এটা ব্যঞ্জণত পৰিণত হোৱাত পূৰ্ব্বৰ স্বৰ ধ্বনি দীৰ্ঘ হল। যেনেঃ— নচ্চ > নাচ

(৩) যুক্ত ব্যঞ্জণ ধ্বনিৰ প্ৰথমটো নাসিক্য ধ্বনি হলে সি ক্ৰমে ক্ষীণ হৈ শেষত লোপ পালে। কিন্তু আগৰ স্বৰ ধ্বনি অনুনাসিক হল। সঞ্ঝ > সাঁজ

(৪) সংস্কৃত বা প্ৰাকৃতৰ বিভক্তিৰ চিন লোপ পাই অনুসৰ্গ প্ৰয়োগৰ দ্বাৰা বিভিন্ন কাৰকৰ অৰ্থ বুজাবলৈ ধৰিলে।

উপৰুক্ত পৰিবৰ্ত্তন সমূহৰ উপৰিও চুবুৰীয়া প্ৰাদেশিক ভাষা আৰু অনাৰ্য্য ভাষাবোৰে অসমীয়া ভাষাৰ বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহনা যোগাইছে।


সহায় লোৱা গ্ৰন্থপঞ্জী

(১) ভাষা বিজ্ঞান=ডঃ উপেন্দ্ৰনাথ গোস্বামী

(২) অসমীয়া ভাষা আৰু সংস্কৃতি=ডঃ বিৰিঞ্চি কুমাৰ বৰুৱা

(৩) অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত=ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা

(৪) অসমীয়া সাহিত্যৰ ৰূপৰেখা=ডঃ মহেশ্বৰ নেওগ






Phone - 30611

BHAWANI TRADERS

*A. T. Road ( Near Phool Bagan )*

DIBRUGARH - 786001

XEROX COPIER ON CANON MACHINE AND DOCUMENT LAMINATOR, DEALS IN AGROCHEMICALS AND FERTILIZER

P. C. O. = ISD, STD & LOCAL CALL




*বিশেষ* প্ৰবন্ধ

# "অসমত বাণিজ্য শিক্ষাৰ ফেহুজালি....”


শ্ৰীশশীকান্ত শইকীয়া, এম. কম.

প্ৰৱক্তা, বাণিজ্য বিভাগ

ডিব্ৰু মহাবিদ্যালয়।


১৯৩০ চনৰ আগলৈকে অসমত কোনো ধৰণৰ বাণিজ্য শিক্ষা প্ৰচাৰ আৰু প্ৰসাৰ হোৱা নাছিল। কিন্তু ভাৰত উপমহাদেশৰ মাদ্ৰাজ চহৰত ১৮৮৬ চনতে বাণিজ্য শিক্ষাই ফেহুজালি দিছিল। আনফালে ১৯১৩ চনত ভাৰতৰ বোম্বাই চহৰত "চিদেন হেম কলেজ অব কমাৰ্চ এণ্ড ইকনমিকচ' প্ৰতিস্থা হৈ বাণিজ্য শিক্ষাই ঠন ধৰি উঠিছিল। কিন্তু অতি পৰিতাপৰ কথা এই ভাৰতৰ উত্তৰ পূৱত থকা অসম ৰাজ্য খনত কুৰি শতিকাৰ ত্ৰিশ দশকৰ আগলৈকে বাণিজ্য শিক্ষা বুলিও যে বিশেষ ধৰণৰ এবিধ শিক্ষা আছে, এই বিষয়ে কোনো চিন্তা চৰ্চা কৰা নাছিল। কিন্তু কুৰি শতিকাৰে চল্লিচৰ দশকটোতে অসমত বাণিজ্য শিক্ষাৰ ভাগ্য সু-প্ৰসন্ন হয়। ১৯৩৩ চনৰে এটি শুভ ক্ষণত বাণিজ্য শিক্ষাই অসমত ভূমুকি মাৰেহি। অৱশ্যে অসমত বাণিজ্য শিক্ষাই ভূমুকি মৰাৰ গুৰিতে আছিল কেইবাজনো গুণী জ্ঞানী তথা দূৰ-দৃষ্টি সম্পন্ন ব্যক্তিৰ চিন্তা-চৰ্চা আৰু আশাশুধীয়া প্ৰচেষ্টা। এই সকল গুণী-জ্ঞানী ব্যক্তিৰ ভিতৰত প্ৰথমেই আমি স্মৰণ কৰিব লাগিব, পণ্ডিত প্ৰবৰ কৃষ্ণ কান্ত সন্দিকৈ দেৱক।

উজনি অসমৰ জে, বি, কলেজত ১৯৩৩ চনত কলিকতা বিশ্ববিদ্যালয়ে বাণিজ্যিক ভূগোল' বিষয় টো আৰম্ভ কৰিবলৈ অনুমতি দিয়ে। ইয়াৰ ছয় বছৰৰ বিৰতিৰ পিছত কলিকতা বিশ্ববিদ্যালয়ে সেই কলেজতে বাণিজ্যিক, অংক' আৰু 'বুককিপিং' বিষয় দুটা আৰম্ভ কৰিবলৈ অনুমতি দিয়ে। ইয়াৰ ফলত বাণিজ্য শিক্ষা দৃঢ় হয়। সেই একেখন বিশ্ববিদ্যালয়ে ১৯৪৪ চনত "বাণিজ্যৰ স্নাতক" ( বিঃ কম. ) শ্ৰেণীৰ বাবে অনুমতি প্ৰদান কৰাৰ লগে লগে বাণিজ্য শিক্ষাই অসমত ঠনধৰি উঠে।

অসমত বাণিজ্য শিক্ষাই যদিও সেই সময়ছোৱাত যথেষ্ট প্ৰচাৰ আৰু প্ৰসাৰ লাভ কৰিছিল, কিন্তু বাণিজ্য শিক্ষাত শিক্ষাদান দিব পৰা লোকৰ অভাৱ হোৱাত বাণিজ্য শিক্ষাত অন্তৰায় হিচাপে দেখা দিছিল। আনহাতেদি কলিকতা বিশ্ববিদালয়ে চৰ্ত আৰোপ কৰিছিল যে কেৱল বাণিজ্য শিক্ষাৰে শিক্ষিত ব্যক্তিকহে শিক্ষক হিচাপে নিয়োগ কৰিব লাগে। সেই সময়ছোৱাত তেনে কোনো সুযোগ্য লোক নথকাত কলিকতা বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাত ৺মাধৱ চক্ৰৱৰ্ত্তীক, জেঃ বিঃ কলেজত শিক্ষক পদৰ বাবে নিয়োগ পত্ৰ প্ৰেৰণ কৰে। তেওঁ পৰীক্ষা দি আহি বেংকৰ চাকৰী এটাত যোগ দিয়ে যদিও সমান্তৰাল ভাবে কলেজৰ শ্ৰেণী-সমূহতো দক্ষতাৰে শিক্ষা দান কৰিছিল।

উজনি অসমৰ ডিব্ৰুগড় চহৰত ডি, এইচ, এচ, কে, কমাৰ্চ কলেজ স্থাপন হোৱাৰ আগলৈকে সম্ভৱ জে.বি কলেজেই কেৱল বাণিজ্য শিক্ষাৰ শিক্ষানুষ্ঠান আছিল। ১৯৬০ চনৰ কোনো এটা দিনৰ পবিত্ৰ ক্ষণত ডিব্ৰুগড় বাসী ৰাইজৰ বহুকষ্ট তথা আশাশুধীয়া চেষ্টাৰ ফলত ডি, এইচ, এচ, কে, কমাৰ্চ কলেজ স্থাপিত হয়। সেই বছৰতেই যোৰহাটবাসী ৰাইজৰ অক্লান্ত চেষ্টাত যোৰহাট নগৰতো চি, কে, বি, কমাৰ্চ কলেজ প্ৰতিষ্ঠা হয়। অৱশ্যে ডি, এইচ, এচ, কে, কমাৰ্চ কলেজেই অসমৰ প্ৰথম পূৰ্ণাংগ পৰ্য্যায়ৰ কমাৰ্চ কলেজ। ১৯৬২ চনৰ আগলৈকে অসমত কেৱল এই দুখনহে পূৰ্ণাংগ পৰ্য্যায়ৰ কমাৰ্চ কলেজ স্থাপিত হৈছিল। কিন্তু ১৯৬২ চনত নামনি অসমৰ গুৱাহাটী মহানগৰত আন এখন পূৰ্ণাংগ পৰ্য্যায়ৰ কমাৰ্চ কলেজ স্থাপন হোৱাত বাণিজ্য শিক্ষাৰ ঘাই খুটাডাল মজবুট হয়। অৱশ্যে গুৱাহাটী কমাৰ্চ কলেজ স্থাপনৰ আঁৰত ডঃ বিৰিঞ্চি কুমাৰ বৰুৱাৰ নাম প্ৰণিধানযোগ্য।

অসমত কলা বা বিজ্ঞান শিক্ষাৰ প্ৰসাৰতকৈ বাণিজ্য শিক্ষাৰ প্ৰসাৰ যথেষ্ট মন্থৰ বুলি কব পাৰি। বাণিজ্য শিক্ষাৰ প্ৰতি থকা অনীহাৰ বাবেই এই মন্থৰতাৰ এটা কাৰণ বুলি কব পাৰি। বৰ্ত্তমান অসমত থকা মুঠ ১৮১ খন কলেজৰ ভিতৰত এতিয়ালৈকে প্ৰায় ২০ খন মান কলেজতহে বাণিজ্য শিক্ষাৰ সুবিধা আছে। আনহাতেদি বাণিজ্য শাখাৰ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ছাত্ৰতকৈ ছাত্ৰীৰ সংখ্যা তুলনামূলক ভাবে বহুত কম; ই সমাজৰ বাবে শুভলক্ষণ নহয়। ১৯৯০ চনৰ হিচাবমতে কেৱল ৩৩৪ গৰাকী ছাত্ৰীয়েহে বাণিজ্য শাখাৰ উচ্চতৰ মাধ্যমিক শ্ৰেণীত অধ্যয়ন কৰিছিল। এই সংখ্যা মুঠ ছাত্ৰ-ছাত্ৰীৰ প্ৰায় ১০ শতাংশহে। এই তথ্য পাতিয়ে অসম তথা উত্তৰ পূৰ্ব অঞ্চলত বাণিজ্য শিক্ষাৰ অনাগ্ৰহতাৰ কথাকে সূচায়।

উপসংহাৰ ঃ--


আধুনিক বিশ্বত আন আন শিক্ষাৰ দৰে যিহেতু বাণিজ্য শিক্ষা ও এবিধ পূৰ্ণ পৰ্য্যায়ৰ শিক্ষা সেয়ে ইয়াৰ প্ৰচাৰ ও প্ৰসাৰ অতীৱ প্ৰয়োজনীয়। ভাৰতৰ আন আন ৰাজ্যত বাণিজ্য শিক্ষাই যেনেদৰে দোপত দোপে আগবাঢ়ি গৈছে কলা বা বিজ্ঞান শাখাৰ লগত যেনেদৰে ফেৰ মাৰিব পাৰিছে অসমত তেনেদৰে হোৱা নাই বুলি একেআষাৰতে কব পাৰি। "কমাৰ্চ পঢ়িনো কি লাভ হব" মনোভাৱ আতৰাব পাৰিলেহে অসমত বাণিজ্য শিক্ষাই উন্নতি লাভ কৰিব পাৰিব। **C.A, ICWA, MBA** তথা বিভিন্ন Management Deplomaৰ দ্বাৰাই যে এজন লোকক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰে সেই বিষয়ে আজি অসমৰ বহুলোকে নেজানে আৰু জানিবলৈ ও ইচ্ছা নকৰা যেন বোধ হয়। তুলনামূলক ভাবে বৰ্ত্তমান সময়ৰ লগত খাপ খাবলৈ তথা নিজকে এজন আত্মনিৰ্ভৰশীলকৰি গঢ়ি তুলিবলৈ কলা বা বিজ্ঞান শাখাতকৈ বাণিজ্য শাখাত অধ্যয়ন কৰাটোহে বেছি সুবিধাজনক।

(বিঃ দ্ৰঃ তথ্য সমূহ বিভিন্ন বাতৰি কাকত, আলোচনীৰ পৰা সংগৃহীত)



# কবিতাৰ কাকলি

**ডিব্ৰুয়ান**



কবিতা যদি হয় তোমাৰ
হৃদয় কুঁহৰ এটি উম
তাৰেই ভ্ৰূণ হৈ ওলাব
হেঁৰুৱা জীৱনৰ স্থিতিৰ অস্তিত্ব ॥

* * *

সাহিত্যৰ পলসুৱা প্ৰান্তত
কবিতা হয়
এপাহি .....................
নিয়ঁৰ সনা
সুপ্ত শেৱালিৰ গোন্ধ ॥

ডিব্ৰু মহাবিদ্যালয় ( আলোচনী )
ষোড়শতম সংখ্যা ১৯৯৩-৯৪
সম্পাদনাত :— নীলিম কুমাৰ দাস

# দীন

মূল হিন্দী — সুৰ্য্যকান্ত ত্ৰিপাঠি নিৰালা
অনুবাদ — ড° সত্যদেৱ প্ৰসাদ
মূখ্য প্ৰবক্তা ( হিন্দী বিভাগ )

তুমি সহি যোৱা
সদায় উৎপীড়নৰ নিৰংকুশ নগ্ন ক্ৰীড়া,
হৃদয় তোমাৰ হৈ থাকে দুৰ্বল ভগ্ন,
আশাৰ শেষ পোহৰৰ কাণত
আমি সকলোৱে প্ৰাণত
স্পন্দিত কৰি যোৱা নিজ হৃদয়ৰ তপত ব্যথাবোৰ
ক্ষীণ কণ্ঠেৰে করুণ কথাবোৰ,
কৈ যোৱা
আৰু জগতৰপিনে চাই
দুখ, হৃদয়ৰ ক্ষোভ এৰি
সহি যোৱা।
কৈ যোৱা —
ইয়ালৈ নাহিবা কেতিয়াও
উৎপীড়নৰ ৰাজ্য, কেবল দুখ
ইয়াত সহিব লাগে সদায়।
ক্ৰূৰই শূৰ ইয়াত,
আৰু হৃদয়ৰ শূৰ — সদায় দুৰ্বল ক্ৰূৰ
স্বাৰ্থ সদায় সম্মূখ, পৰস্বাৰ্থ দুৰ
পৰস্বাৰ্থয়ো সেইয়ে যি থাকে
স্বাৰ্থেৰে ওপচিপৰা,
জগতৰ নিদ্ৰাই জাগৰণ
আৰু জাগৰণ — জগতৰ, এই সংস্কৃতিৰ
সৰ্বশেষ - বিৰাম - মৰণ।
অবিৰাম ঘাত — প্ৰতিঘাত
আঃ উৎপাত !
এইটোৱে জগতৰ দিন আৰু ৰাতি
এইটোৱে মোৰ, এওঁৰ তেওঁৰ, স্পন্দন

হাঁহি মিহলি ক্ৰন্দন্ ।
এইটোৱে মোৰ, এখেতৰ, সবৰ জীৱন
দিনৰ উজ্জ্বল কিৰণৰ উংথান
ৰাতিৰ সুপ্তিয়েই পতন,
দিনৰ কুটিল কৰ্মৰ তনই শান্তি,
ৰাতিৰ মোহ, সপোনৰ ভ্ৰান্তি
সদায় অশান্তি ! অশান্তি !! অশান্তি !!!





## গ্লানি

শ্ৰীমতী লুচী চাংমাই
স্নাতক তৃতীয় বাৰ্ষিক
( কলা বিভাগ )

কব নোৱাৰো
জুৰিব সৈতে বিলিন হৈ গলো
মূহুৰ্তৰ স্তব্দতাত বহুত শুনিলো ।
আইৰ কান্দোনত

সু পুত্ৰৰ ডুঃ কাৰ্য্যৰ বতৰা।
চকুলোৰ নৈত
মোৰ দাদাৰ
প্ৰতিশ্ৰুতি
মুক্তিৰ, সমাসাৰৰ ।

উটি অহা বুটৰ হেঁচাত
বুকুৰ কপনি

সৰল মোৰ আইৰ শৰীৰ
দি যায় বিৰিঙা হাঁহিৰে
গ্ৰহণযোগ্য দৰ্শনীয় আৰ্হি ।



## মাথো তোমাৰ বাবে

শ্ৰীমতী মৰমীকা গগৈ
দ্বিতীয় বাৰ্ষিক
( কলা বিভাগ। )

বুকুৰ জ্বলা জুইকুৰা, ফুৱাই নিদিবা
সেইদৰে জ্বলি থাকিব দিয়া
জ্বলি থাকিব গপি গপি
আখৈ ফুটিব " আশাৰ "
ফিৰিঙতি হৈ ছিটিকি আহিব
দুই হাতে কাজলি পাতা
জুইত ধানৰ আখৈ ফুটে যেনেকৈ
ঠিক তেনেকৈ
মোৰ প্ৰতিটি চিন্তা
তোমাৰ দুচকুত ভাষা
যাক দেখি
গোট মাৰি চকু পানীখিনিয়েও হাঁহিব বিচাৰে
যেনেকৈ বেলিটোৱে হাঁহে
ৰাতি বুকু ভেদি অহা
হেঙুলি আভাৰে ঠিক তেনেকৈ।





## হে ডিব্ৰুবাসী ছাত্ৰ বন্ধু

শ্ৰীমুহিত সোনোৱাল
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
( বিজ্ঞান বিভাগ )

হে' ডিব্ৰুবাসী,
লাঞ্চিত বঞ্চিত আজি সৱে দীক্ষিত
সঞ্চিত জ্ঞানেৰে কৰা প্ৰতিৰোধ,
নিকা কৰা জননীৰ দুখ।

হে ছাত্ৰ বন্ধু,
জাগি উঠা, জাগি উঠা'
নাই কোনো শুবৰ সকাম,
প্ৰগতিৰ ডেউকাত আৰ্বিভাৱ হৈ
হোৱা তাৰ সমমান।

হে বিপ্লৱী বন্ধু ;
উঠা, তপৰাই মূৰতুলি লোৱা,
বিশ্বক নাশ কৰা শক্তিক আঁতৰাই ;
জাজ্বল্যমান হোৱা।

হে নৱীন বন্ধু,
শোষক বলংকাৰক ধূলিসাৎ কৰা,
হিংসা, দ্বেষ, প্ৰীতি ভাৱ আঁতৰাই
নৱ আলোকক প্ৰতিষ্ঠা কৰা।

# জাতিৰ মিলন

শ্ৰীমতী মিনতি শইকীয়া
উচ্চতৰ মাধ্যমিক
(বিজ্ঞান বিভাগ)

নাই ধৰ্ম হিন্দু ইছলাম
নাই জাতি মানৱৰ,
সকলোৰে জন্ম একেজন ঈশ্বৰৰ
আহা মিলন হওঁ পুনৰ ।

নতুন যুগ আহিছে পুনৰ
নতুন মিলন হঁও পুনৰ
আহা হিন্দু আহা ইছলাম
মিলনৰ এই গাওঁ গান ।

নকৰিবা চিক-চাক নকৰিবা ঘৃনা
মানৱ জাতিক কৰা আৰাধনা
মানৱেই দেৱতা মানৱেই ইশ্বৰ
মানৱ জাতিক পূজিলে
পাবা পূন্য দান ।





# " কিয় ?"

শ্ৰীযতীন গগৈ
স্নাতক দ্বিতীয় বৰ্ষ
(কলা বিভাগ)

আই অসমী তুমি বোলে
সাত ভনীৰ মিলনৰ তীৰ্থ
কিন্তু আজি কিয় ?
তুমি চূৰ্ণ বিচূৰ্ণ
কি তোমাৰ শকতি নাই
তুমি কিয় প্ৰতিবাদ কৰা নাই ?

আই অসমী তোমাৰ বোলে
সাত ভনীৰ ভেদা-ভেদ নাই
কিন্তু কিয় আজি
তোমাৰ বুকুত ভেদা ভেদৰ বীজ
কি তোমাৰ শকতি নাই
তুমি কিয় প্ৰতিবাদ কৰা নাই ?

আই অসমী তুমি বোলে অপৰাজেয়
কিন্তু কিয় আজি পৰাজয় ?
কিন্তু আজি কিয় ধৰ্ষিতা হলা
কি তোমাৰ শকতি নাই —
তুমি কিয় প্ৰতিবাদ কৰা নাই ?

# "মৰমৰ মাধুৰী"

শ্ৰীবিপ্লৱ কাকতি
স্নাতক তৃতীয় বাৰ্ষিক
( বিজ্ঞান বিভাগ )

মৰমৰ মাধুৰী যদি হিয়াতে শুকাই যায়।
মৰমৰ জানো আছে প্ৰয়োজন।
মৰম ৰসেৰে যদি নিতিতে পৃথিৱীখন।
সুন্দৰৰ ব্যৰ্থ প্ৰয়োজন।
মৰুভূমি হয় যদি হিয়াৰ ফুলনিবোৰ।
ধৰণীয়ে মায়া হেৰুৱাব।
জনম মৰণৰ দুখ সহিব বাৰু কোনে
সংসাৰ থাকিব শুকাই।
হিয়াত বিধিয়ে দিয়ে মৰমৰ কণাবোৰ
জগতত বিয়পি পৰক।
হিয়াবোৰ জোৰ দিয়া মৰমৰ এঠা ধালি।
নৰত অমৰ হৈ থাকা।
দেৱৰো বঞ্চিত এই বিতোপন ধৰণী
মৰমেই সম্ভোগৰ ফুল।
মৰণক পাহৰি নৰে অনৰৰ দৰে সদায়।
মৰমক বিচাৰি বিয়াকুল।
বিধাতাৰ আৰ্শীবাদ মৰম পৰম ধন
তুলনাত আৰু একো নাই।
শিলেৰে বন্ধোৱা বুকু মৰমৰ টোপোলাত
আচৰিতে মৰম পমি যায়।
সৰগৰ নন্দনক নেওচা দি ফুলি থকা
মৰতত ফুল মৰমৰ।
বসন্তৰ খেলা পাতি মৰমক পাহৰিলে
শূন্য হব অফুৰণ ৰঙ।
এবুকু মৰম লৈ আগবাঢ়া জগতত
মৰমেই দিব প্ৰতিদান।
আনন্দৰ সাগৰত পাৰি দি আগ বাঢ়া
মানৱৰ মধু অভিযান।



# স্মৃতি

শ্ৰীমতী ললিতা দত্ত।
স্নাতক প্ৰথম বাৰ্ষিক
কলা বিভাগ।

হে স্মৃতি নিদিবা আমনি,
হৃদয় কান্দি উঠে মোৰ।
শেষ হ'ল কোনোবা দিনতে,
সেই বুকুৰ বিশাল সপোন।
হে স্মৃতি নিদিবা আমনি,
হৃদয় কান্দি উঠে মোৰ
তোমাৰ স্মৃতিয়ে কৰে আমনি
নিজৰি ওলাই চকু পানী।
সোণালী দিনৰ সুৰভি তুমি,
আছে হৃদয় মোৰ উপচি।
শেষ হোৱা নাই সেই স্মৃতি
চিৰদিন থাকিব বিশাল বুকুত
হে স্মৃতি নিদিবা আমনি
হৃদয় কান্দি উঠে মোৰ ॥

# মোৰ ভিতৰতে তুমি

শ্ৰীগিৰিণ কুমাৰ লাহন
স্নাতক দ্বিতীয় বাৰ্ষিক
বিজ্ঞান বিভাগ

নীলা জোনাকৰ স্নিগ্ধ উম
ঢাকি ধৰে —
তোমাৰ আচলৰ নিৰবতাই
তোমাৰ গীতৰ সুৰ
এক উমাল স্পৰ্শ হৈ
আলোড়িত কৰে কলিজাৰ সফুঁৰা ;
অনন্ত প্ৰতীক্ষা কৰে মোৰ কবিতাই
চুচকুৰ পটাত মাথো
স্বপ্নৰ জাক জাক সখিয়তী চৰাই ।

নিৰিবিলি গধূলি
তোমাৰ খোজৰ নিৰবতাত উৰি যায়
বৰষা গানৰ গুণগুণনি
নিৰৱ দৰ্শক মই
এবুকু সেউজীয়া আশা লৈ ;
সুহুৰেদি উৰি যায়
এজাক নিষ্পাপ শৰালি
অপৈণত হাতৰ ভংগীত
জুমাই যোৱা দেখো
এগছি মায়াসনা নয়নী ।

বন্ধনহীন হৃদয়ৰ তুৰুহ সময়বোৰ
ঠিক এনেকৈয়ে পাৰ হৈ যায়
তোমাৰ নিষ্ঠুৰতাত
মোৰ নয়নৰ ধাৰ
স্থবিৰ হয় মোৰ নীলিম লিখনি ;
তোমাৰ অলীক মনৰ আজন্ম হৃদয়ত



কেতিয়াবা মই উত্তাল জোৱাৰ --
কেতিয়াবা বেদনাৰ এক অন্য নদী
মোৰ ভিতৰতেই তুমি —
প্ৰেম ; নিসংগতা, কোলাহল ইত্যাদি ।

ফাগুনৰ মলয়াজাকত যেন
পুনৰ — আশাৰ আৰতি ভাঁহে
শীৰ্তৰ কুঁৱলী ফালি
পাখি ভাঙি দৌৰে
তুখৰ কাচিয়লী ৰ'দালি ;

জীৱন্ত প্ৰাণৰ আৰ্তনাদেৰে
মোৰ কবিতাই — এনেকৈয়ে —
— ঠিক এনেকৈয়ে ; কেতিয়াবা নিজকে
কেতিয়াবা যাওঁ তোমাৰ মনৰ মাজলে'
একো কব নোৱাৰো জানা .... ... ... ....
তুমি মোৰ কাষত নহলে ... ... .... ... ।
.... ... ... .... .... .... .... ... .... ।



# অশান্ত মন

শ্ৰীচুচুংমুং গগৈ ।
স্নাতক তৃতীয় বাৰ্ষিক
(কলা) বিভাগ

কুমলীয়া মৰমৰ আলফুল পাহি
চিনাকি চিনাকি লাগে দূৰতে দেখি ।
ৰহন সনা নয়নেৰে মিচিকি হাঁহিছা
উতলা প্ৰাণত মোৰ জোৱাৰ তুলিচা ।

তিৰ্‌বিৰ্‌ আকাশত জোনায়ে হাঁহিছে
ধৰণীৰ বুকুলৈ এমুঠি মৰম সিঁচিছে ।
জগতত এই মৰম বিয়পি পৰিব
হাজাৰ মানৱে তাক সাৱটি ধৰিব

লৱনু অধৰত তোমাৰ মৌ-মিঠা ৰস
সিয়েই হব তোমাৰ জীৱনৰ জহ ।
প্ৰকৃতিৰ কোলাত নীৰৱে বৈ
বাকী দিবা সেই মৰম নিচিন্তে লৈ ।

অশান্ত মনত মোৰ তোমাৰ ছবিয়ে
জোৱাৰ তুলিব লাগিছে মোৰ মনৰ গতিয়ে ।
আশাই বিচাৰিছে তোমাক লগ পাবলৈ
হিয়াৰ মাজত থকা কথা, তোমাক কবলৈ ।



# স্বাধীনতা

শ্ৰীদেৱ প্ৰসাদ নেওগ
স্নাতক তৃতীয় বাৰ্ষিক
(কলা)

মই মোক বিছাৰি পাওঁ
বাৰুদৰ ধোঁৱাৰ মাজত
মই মোক বিছাৰি পাওঁ
গভীৰ জলাশয়ত— ।
কিন্তু তোমাক বিছাৰি পাওঁ
সুকোমল ফুল শৰ্য্যাত
সমাজে ঢুকি নোপোৱা
ধনীৰ দুলালি তুমি
আৰু মই উগ্ৰ মানসিকতাৰ
এটা বলিয়া ঘোঁৰা।
এই সমাজ ব্যৱস্থাই
মোক এনে অৱস্থা কৰিলে
তুমি নাহিবা মোৰ কাষলৈ
নকৰা মোক আৰু কবিতা লিখিবলৈ ।
এয়াতো কবিতা লিখাৰ সময় নহয়
আঁতৰি যোৱা মোৰ কাষৰ পৰা
মোৰ সংগী এতিয়া বন্দুক বাৰুদ
দানবৰ হাতত ধৰ্ষিতা
মোৰ আজলি আইৰ উচুপনীয়ে
এখন্তেকো মোক স্থিৰেৰে থাকিব নিদিয়ে।
সাৱটি ললো মই
আজীৱন বন্দুকৰ শব্দ
শুই থাকা তুমি ফুলশৰ্য্যাত
সাৱটি লম মই এদিন তোমাক
যিদিনা আহিব সচাঁ স্বাধীনতা
আদৰি লম মই নতুন প্ৰভাতক ।

## ॥ দুঃসময় ॥

— গণেশ কুৰ্মি
স্নাতক ১ম বাৰ্ষিক (বিজ্ঞান)

আকাশত
দেখিলেই মেঘৰ, লানি
মোৰ দুচকুলে
নামি আহে
বৰ্ষাৰ বান।

## ॥ মৃত্যু ॥

কি আচৰিত !
মানুহজন
হঠাৎ
নিৰ্বাক, নিস্পন্দ হৈ গ'ল।
ভাবিলোঁ মনতে
এয়ে নেকি মৃত্যু ?



## নিস্পেষিতা জননী

শ্ৰীঅজিৎ হাজৰিকা
উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ,
(বিজ্ঞান বিভাগ)

আই, মোৰ অসমী আই
তুমি নিপীড়িতা
শোষিতা,
লাঞ্ছিতা,
ধৰ্ষিতা,
নিস্পেষিতা জননী মোৰ !

দেশী—বিদেশী শোষক বোৰে
তোৰ দেহৰ সমস্ত ৰস
টোপা-টোপে শুহি নিছে
তুমি সহ্য কৰি আছা—
মোৰ জননী অসমী।
তোৰ সন্তান বোৰক
সিহঁতে কুকুৰ-মেকুৰীৰ দৰে
হত্যা কৰিছে
তুমি সহ্য কৰি আছা
আই, অসমী
তুমি মোৰ নিস্পেষিতা জননী।

## সপোন

শ্ৰীদেৱজিত হাজৰিকা
স্নাতক, ২ য় বৰ্ষ
বিজ্ঞান

মৰমৰ ফুল হৈ
সপোনত কিয় বাৰু
দিয়াহি মোক আমন্ত্ৰণ
দিঠকত কিয় তুমি
গুচি যোৱা বাৰু
পাহৰি এই নিমন্ত্ৰন ; ?

আশাৰ ফুলিনিত তুমি
ফুলি ৰলা
হাতেৰে চুলেই তুমি
মৰহি যোৱা
বিচাৰি গলে তুমি
হোৱা মৰীচিকা
হৃদয় দাপোনত কিয়
দিয়াহি ধৰা ?

কিমান দিবা তুমি
জ্বলা-যান্ত্ৰনা আৰু
কিমান খেলিবা তুমি
লুকা-ভাকু বাৰু
সময় তেনেই কম
হাতত চোঁৱা
হয়তো নহ'ব আৰু
লগপোৱা।



## সপোনতে কাজিৰঙা

শ্ৰীপ্ৰণৱ জ্যোতি গগৈ

এদিন মই সপোনতে
গলো কাজিৰঙা,
তাত মই দেখিলো
আচৰিত ঘটনা।

সিংহ আৰু বাঘৰ মাজত
ফুটবল খেলা,
শিয়াল পণ্ডিতে কৰিছে
জানা - খেলৰ পৰিচালনা

অলপ দূৰ গৈ দেখিলো
হলো বান্দৰ এটা,
খেল চাবলৈ পিন্ধি গৈছে
লংপেন্ট, বুট জোতা।

বান্দৰৰ লগত গৈছে
বান্দৰী ফিট্‌ফাট্‌ হৈ,
চকুত ‘চান গ্লাছ’; ওঁঠত লিপিষ্টিক
ভেনিটি বেগ হাতত লৈ।

ভালুক এটাই দেখি মোক
ল'লে মাৰিবলৈ চোঁচা
ভালুকক ক'লো, হেৰা ভাইটি
মাৰিব কিয় আহিছা ?

তথাপি ভালুকৰ কানসাৰ নাই
ভয়তে দিলো চিঞৰ,
চিঞৰ শুনি মামাই দিলে
এটি কানতলীয়া চৰ।

# এই শতিকাৰ জীৱন্ত মৰা শ

শ্ৰীলীলা কু: উপাধ্যায়
দ্বিতীয় বাৰ্ষিক
বিভাগ: বিজ্ঞান

মোৰ কবিতাৰ
প্ৰতিটো শব্দৰ
অণু-পৰমাণু
তেওঁলৈ উচৰ্গিত — !
যিজনে —
সেউজীয়া অৰণ্য ৰছে,
যাৰ হাতৰ প্ৰতিটো স্পৰ্শত-
সাৰ পাই উঠে সেউজীয়া সোণবোৰ।
যাৰ হাতৰ প্ৰতিটো "পাতে"
বিশ্বক আগবঢ়াই নিয়ে,
প্ৰগতিৰ আন এটা খলপালৈ।
আৰু ........................

যাৰ শৰীৰৰ
প্ৰতি টোপাল ঘামত আছে
অসীম শক্তি আৰু অজেয় ৰক্তবীজাণুৰ ভ্ৰূণ
কিন্তু ....................
কিন্তু, তাৰ প্ৰত্যুত্তৰত সি কি পায়?
তাড়নাৰ গ্ৰাসত জৰ্জৰিত এটা শুকান পেট
প্ৰ'টিনৰ ৰূপত সি পায়,
ৰস চেপা কুঁহিয়াৰৰ দৰে খাদ্য।
আৰু, অক্টোপাছৰ দৰে —
চাৰিওফালে বেঢ়ি ৰখা
এনে বাসস্থান — !!
য'ত বাস কৰে —
জীৱাণু, ভাইৰাছ, বেক্টেৰীয়াই



সেই "জীৱন্ত — মৰা শ" দেখি
মোৰ ভিতৰৰ মানুহটোৰে
সাৰ পাই উঠে,
আৰু মোক প্ৰশ্ন কৰে
কি, "ছোমালিয়া" মানে এয়াই নেকি ?

"..................... কবিতা সৰ্ব্বকালৰ স্বাধীন চিতীয়া মানুহৰ বুকুৰ কথা। কবিতা বিলাপ নহয়, জাগৰণী মন্ত্ৰ; ত্ৰাস নহয় বুকু জুৰুৱা আনন্দ, শত্ৰুৰ হুংকাৰ নহয়, আগুৱাই যোৱাৰ আহ্বান, স্থিতিৰ ব্যাখ্যা নহয়. ৰূপান্তৰৰ গায়ত্ৰী মন্ত্ৰ। কবিতা গতিশীল জীৱন জগতৰ পৰম প্ৰত্যয়, বিজয়ৰ প্ৰতিশ্ৰুতি ..................... "।

— হৰেন্দ্ৰ নাথ বৰঠাকুৰ।



## অভিশপ্ত নিশা

গিতুল চাউলু
স্নাতক তৃতীয় বাৰ্ষিক
(বিজ্ঞান বিভাগ)

নিশাৰ অন্ধকাৰত
ৰাজপথ জনশূণ্য
মাজে মাজে ভাঁহি আহে
লুণ্ঠনকাৰীৰ ঘৰ্‌ ঘৰ্‌ শব্দ
কৰি থৈ যায়
এখন বিস্মৃত মৰিশালি ।

অভিশপ্ত নিশাটোৰ
বিষাদৰ ওঁঠত
পুৱাৰ সূৰুযটোৰেও এৰি যায়
আৰু এটা দিন ।
আগ্নেয়গিৰিৰ লাভাই
উত্তপ্ত কৰি তুলিব বিচাৰে
সমগ্ৰ শিলাখণ্ড ।

# প্ৰাচীৰ পত্ৰিকা

## জাগ্ৰতৰ পৰা . . . . . .

"কোনেওতো নাজানে
কাৰ স'তে কটাওঁ ৰাতি
সকলোৰে কয় মই নষ্ট কবি
কবিতা আজিও যাম ৰাতি
বহলাই পাৰিবি পাটী ॥"
— নীলিম কুমাৰ

ডিব্ৰু মহাবিদ্যালয় ( আলোচনী )
ষোড়শতম্ সংখ্যা ১৯৯৩-৯৪
সম্পাদনাত - শ্ৰীনীলিম কুমাৰ দাস ।

## ॥ প্ৰতীক্ষা ॥

— নীলিম কুমাৰ দাস ।
স্নাতক; ৩য় বৰ্ষ (বিজ্ঞান)

বুজা নাই ?
এবাৰ গমিও চোৱা নাই ?
মোৰ যে নিৰৱ প্ৰাণে
হৃদয়ত এসোঁতা
বিষাদ ডাৱৰে,
ৰৈ আছোঁ তোমাৰ বাবেই
শুনাওঁ বুলি মোৰ
জীৱনৰ আধৰুৱা গীত ॥

বুজা নাই ?
এবাৰ মানো ?
তোমাৰ বাবেই মোৰ যে
গীতৰ ছন্দ
আজিও,
আধৰুৱা হ'ল ............... ।

জানা
মোৰ যে
কলিজা পুঞ্জত
এতিয়াও এসোঁতা
বেদনাৰ মেঘ .............. ॥

✪ ✪

## ॥ স্মৃতি ॥

— সঞ্জীৱ গগৈ ।
স্নাতক; ২য় বৰ্ষ( বিজ্ঞান)

নিঃশ্বাসত পাৰ হয় সময় বোৰ
আৰু
স্মৃতিৰ পটত আঁকি যায়
কিছুমান সজীৱ সপোন ;
যেতিয়া ৰোমন্থন কৰোঁ
সেই স্মৃতিক,
নিৰৱে চকুযুৰি সেমেকি উঠে ।

সিক্ত চকুযুৰিৰে নিঃ সৰিত হয়
তোমাৰ স্মৃতি —
বাস্তৱিকতে তুমি দি যোৱা
এটি সুনীলিম সপোন
আৰু
তোমাৰ স'তে এটি সোণালী অতীত ।

এতিয়া মাথো বাকী আছে
চিতাত তুলি দিয়া মোৰ হৃদয়খনৰ
এমুঠি ভষ্মাৱশেষ,
আৰু এটি
নৱকংকাল !!

✪ ✪

## ॥ মই, মোৰ অনুভূতি আৰু এটা কবিতা ॥

— লীলা কুঃ উপাধ্যায়
উঃ মাঃ ২য় বৰ্ষ ( বিজ্ঞান )

মোৰ হৃদয় ছিন্ন হয়
মোৰ অনুভূতিবোৰ স্তব্ধ হয়
মোৰ ভিতৰৰ মানুহটোৱে চিঞৰে
মাত্ৰ সেই শব্দটোৰ বাবে
"স্বতন্ত্ৰতা" —— !!

"স্বতন্ত্ৰতা" মানে কি ?
কি !! সেয়া ফাগুনৰ ধুমুহা
নে, আফ্ৰিকাৰ "ক'লা" বোৰৰ নাম ??
মোৰতো এনে লাগে,
স্বতন্ত্ৰতা মানে,
বন্ধ পিঞ্জৰাত নিষ্ফল বিদ্ৰোহ কৰা
এটি অসহায় পক্ষীৰ নাম !

আকৌ মই সুধো
মোৰ ভাব বোৰক
মোৰ কবিতা বোৰক
অথবা,
মস্তিষ্ক নামৰ সেই সৰীসৃপটোক
কি (?) স্বতন্ত্ৰতা মানে সেই দানৱটো নেকি ?
যি
মাতৃৰ বক্ষ সোলোকাই
ভগ্নীক নগ্ন কৰি
বলাৎকাৰ কৰে
মোৰ চকুৰ আগতে — !!!

✪ ★ ✪

## ॥ শ্বহীদ ॥

— ভূপেন মহন।
স্নাতক ; ২য় বৰ্ষ ( কলা )

বহু আহিল আৰু বহু গ'ল
দেশৰ স্বাধীনতাৰ বাবে।
বহু আহিব আৰু বহু যাব
সকলো দেশৰ বাবে ॥

কিমাননো মাৰিব সিহঁতে আমাক
কিমান যে আছে আৰু .... .... ... .... ....
মৰি মৰি গ'লেও এদিন
কৰিব নোৱাৰে শেষ ॥
নোৱাৰে আৰু মাৰিব সিহঁতে
কিমাননো মাৰিব আমাক ॥

বিমান মাৰিছে আজি আমাক ॥
— কোঠাবোধ নকৰো আনি ।
সিহঁতৰ তেজেৰে লিখিদিম এদিন
এয়া তোমালোকৰে স্বদেশ ॥





## ॥ আন্তৰিক অনুভূতি ॥

— বিজিত নেওগ
স্নাতক ; ১ম বৰ্ষ ( বিজ্ঞান )

মই উপলব্ধিৰ কাষত বহি
তুমি নজনাকৈ
অনুভৱ কৰো অবুজ স্পন্দন।

শিলৰ মানুহবোৰ নিঃপালি দিলে
শস্যৰ দৰে বাঢ়ি আহে
আন্তৰিক অনুভূতি প্ৰকাশৰ ইচ্ছাখিনি
পাহৰি যাওঁ অতীত
মই হাঁহিছিলো নে কান্দিছিলো
বোবা বেদনাৰে সেমেকা সময়, দুৰ্বিবহ
সেয়েহে,
নিজলৈ মোৰ দুখ লাগে
স্মৃতিবোৰ মৌমাখিহে গুণ-গুণালে
হেকুৰা ব'দালিৰে—

এতিয়া,
বাঢ়ি থাকে অনাহুত দুখ
যিদৰে বাঢ়ে আন্তৰিক অনুভূতি ..................।

★ ★

"তুমি যেতিয়া ঘৰৰ চৌকাষৰ বাহিৰ হ'বা ; মানুহে তোমাক অাঁৰ চকুৰে চাব। তুমি যেতিয়া গলিৰ ৰাস্তাত খোজ দিবা মানুহে তোমাৰ পিছ লব, সুহুৰি বজাব। গলি পাৰ হৈ যেতিয়া বহল ৰাস্তালৈ যাবা মানুহে তোমাক চৰিত্ৰহীনা বুলিব............"

— তস্‌লিমা নাস্‌ৰিন।

# কুইজ

(১) প্ৰশ্নঃ— "মই আহিছিলো, মই দেখিছিলো, মই জয় কৰিছিলো" — কোনে এই কথাষাৰ কৈছিল ?

উত্তৰঃ— জুলিয়াছ ছিজাৰ।

(২) প্ৰশ্নঃ— কোন লোকে ভূমিকম্প আহিলে, ভগৱানক কি কৰি স্মৰণ কৰে ?

উত্তৰঃ— মণিপুৰী লোকে। মাছ ভাত বুলি স্মৰণ কৰে।

(৩) প্ৰশ্নঃ— "ৰেছেষ্টাৰ কাপ" কি খেলৰ বাবে প্ৰদান কৰা হয় ?

উত্তৰঃ— প'ল খেলৰ বাবে।

(৪) প্ৰশ্নঃ— স্বাধীনভাৱে প্ৰথম চিত্ৰগ্ৰহণ কৰা অজান বৰুৱা, লোহিত বৰবৰা এই দুগৰাকী চিত্ৰগ্ৰহণ — কাৰীৰ ছবি দুখন কি কি ?

উত্তৰঃ— "সূৰ্য্য তেজৰ অন্য নাম" ( অজান বৰুৱা ) আৰু "সৰবজান" ( লোহিত বৰবৰা )।

(৫) প্ৰশ্নঃ— ইজিপ্ত'ত কাক 'বগা সোণ' কোৱা হয় ?

উত্তৰঃ— কপাহ।

(৬) প্ৰশ্নঃ— ভাৰতবৰ্ষৰ এটা বিখ্যাত গীতৰ লগত দেৱী দুৰ্গাৰ সম্বন্ধ আছে, গীতটো কি ?

উত্তৰঃ— বন্দে মাতৰম।

(৭) প্ৰশ্নঃ— পিতাকৰ আদেশত কোনে নিজৰ মাতৃক হত্যা কৰিছিল ?

উত্তৰঃ— পৰশুৰামে।

(৮) প্ৰশ্নঃ— দৈত্যসকলৰ গুৰু কোন ?

উত্তৰঃ— শুক্ৰাচাৰ্য্য।

(৯) প্ৰশ্নঃ— দেৱতাসকলৰ গুৰু কোন ?

উত্তৰঃ— বৃহস্পতি।


(১০) প্ৰশ্নঃ— ৰাৱণৰ দেউতাকৰ নাম কি আছিল ?

উত্তৰঃ— বিশ্বশ্ৰৱা মুনি।

সংগ্ৰহকাৰী
শ্ৰীচিণ্টু সোনোৱাল
দ্বিতীয় বাৰ্ষিক ( বিজ্ঞান )



# উপ সভাপতি
# আৰু
# বিভাগীয় সম্পাদকৰ
# প্ৰতিবেদন সমূহ



**ডিব্ৰু মহাবিদ্যালয়**
**ছাত্ৰ একতা সভা —**

# ॥ উপ সভাপতিৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ পুৰুষে অসম মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবলৈ গৈ প্ৰাণাহুতি দিলে সেইসকল বীৰ শ্বহীদলৈ মোৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলো।

তাৰোপৰি মোক ১৯৯৩/৯৪ বৰ্ষৰ ডিব্ৰুমহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতি পদলৈ নিৰ্বাচিত কৰি বিভিন্ন দিহা পৰামৰ্শৰে সহায় সহযোগিতা আগবঢ়োৱা বন্ধু বান্ধৱী তথা ডিব্ৰুয়ানলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো ।

লগতে ডিব্ৰুমহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা বৃন্দ আৰু কৰ্ম্মচাৰী বৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগ বঢ়াইছো।

উপঃ সভাপতি পদত অধিষ্ঠিত হৈ মূল লক্ষ্যত কিমান খিনি সফলতা লাভ কৰিবলৈ সক্ষম হলো তাৰ মূল্যায়নৰ ভাৰ মাননীয় সুধীবৃন্দৰ হাতত অৰ্পন কৰিলো।

মই কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পাছতে কাৰ্য্যনিৰ্বাহক সভাৰ জৰিয়তে "মহাবিদ্যালয় সপ্তাহ"ৰ দিন ধাৰ্য্য কৰি প্ৰথম বাৰৰ বাবে অস্থায়ী প্ৰেক্ষাগৃহৰ পৰিৱৰ্ত্তে মহাবিদ্যালয়ৰ চৌহদতে মঞ্চ সজাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

ইয়াৰ পাছতে আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন উন্নয়ন মূলক সমস্যাৰ লগতে শৈক্ষিক পৰিবেশ উন্নতিৰ বাবে ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা বৃন্দক লৈ এখন সাধাৰণ সভাৰ আয়োজন কৰা হয়। মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱক সভাপতি হিচাবে লৈ বহা উক্ত সভাত যথেষ্ট তৰ্ক বিনিময় আৰু গঠন মূলক আলোচনাৰে নিম্নলিখিত প্ৰস্তাৱ সমূহ সৰ্ব্বসন্মতি ক্ৰমে গ্ৰহণ কৰি মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ জৰুৰী বিবেচনাৰ্থে প্ৰেৰণ কৰা হয়।

১। মহাবিদ্যালয়ৰ বিভিন্ন শ্ৰেণী সমূহৰ পাঠদান আৰু Practical সমূহ নিয়মীয়া কৰিব লাগে ।

২। ৭৫% শ্ৰেণীত উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীক পৰীক্ষাত বহিবলৈ অনুমতি দিব নালাগে।

৩। নিয়মীয়াকৈ উপস্থিত নথকা অধ্যাপক-অধ্যাপিকাৰ প্ৰতি ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৪। ছাত্ৰ-ছাত্ৰী সকলৰ সৰ্ব্বসন্মতি ক্ৰমে ইউনিফ্ৰমৰ ৰঙৰ বদলি কৰণ। ( লৰাৰ বগা চাৰ্ট ক'লা পেণ্ট, ছোৱালীৰ বগা মেখেলা, আকাশী-নীলা ৰঙৰ পাৰিৰ চাদৰ আৰু ব্লাউজ।

৫। ছাত্ৰ-ছাত্ৰী সকলক ইউনিফ্ৰম পৰিধান কৰাটো বাধ্যতা মূলক কৰিব লাগে ।

৬ কমপিউটাৰৰ পাঠদানৰ ব্যৱস্থা অনতি পলমে কৰিব লাগে ।

৭। স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে কলেজৰ পশ্চিম দিশত থকা চাৰি বিঘা মাটি কলেজৰ নামত নামজাৰি কৰিবলৈ শ্ৰীযুত জালান দেৱ আৰু উপায়ুক্ত মহোদয়ৰ ওচৰত স্মাৰক পত্ৰ প্ৰদান কৰিব।

৮। নব নিৰ্মিত ছাত্ৰী নিবাস অনতি পলমে ছাত্ৰী সকলৰ বাবে মুকলি কৰি দিব লাগে ।



৯। মহাবিদ্যালয়ৰ প্ৰসাৰগাৰ, শৌচাগাৰ আদি বহলাব লাগে আৰু বৰ্ত্তমানে থকা কেইটাৰ উন্নতি সাধিব লাগে ।

১০। মহাবিদ্যালয়লৈ অহা যোৱা পথ দুটাৰ উন্নতি সাধিব লাগে ।

আমাৰ কাৰ্য্যকাল সীমিত হোৱাৰ হেতুকে উপৰুক্ত প্ৰস্তাৱ সমূহ সফল ভাবে ৰূপায়িত কৰিব নোৱাৰিলো। তথাপিও মোৰ দৃঢ় বিশ্বাস মই যি কোনো ক্ষেত্ৰতে চেষ্টাৰ ত্ৰুটি কৰা নাছিলো। মোৰ কাৰ্য্যকালতে নবীন প্ৰতিভাসম্পন্ন ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশৰ বাবে নবীন লেখক-লেখিকা নামে এটি গোট খোলা হয়।

এখনি শিক্ষানুষ্ঠানৰ সৰ্ব্বাঙ্গীন উন্নতি সেই শিক্ষানুষ্ঠানৰ শৈক্ষিক পৰিবেশৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল। এই শৈক্ষিক পৰিবেশটোৰ মাজতে অৰাজকতাই দেখা দিলে শিক্ষানুষ্ঠান খনৰ উন্নতি হিতৰ বিপৰীতে যোৱা পৰিলক্ষিত হয় ।

ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতিৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়ত্ৰী উভয়ৰে নিজৰ দায়বদ্ধতাৰ প্ৰতি আওকান নকৰি মহাবিদ্যালয় খনক যাতে এটা নতুন ৰূপত সজাই তোলে তাৰ বাবে এই প্ৰতিবেদনৰ তৰফৰ পৰা সমূহ ডিব্ৰুয়ানলৈ অনুৰোধ জনালো —

প্ৰতিবেদনৰ শেষত অধ্যক্ষ মহোদয় আৰু সকলো শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ পুনৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্ব্বাঙ্গীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিলো ।

ধন্যবাদেৰে
শ্ৰীনৱজ্যোতি গোহাঁই
উপ সভাপতি
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

জীৱনত কেতিয়াও পৰাজিত নোহোৱাটোৱেই পৰম গৌৰৱৰ কথা নহয়। পৰম গৌৰৱৰ কথা হল,কোনো ধৰণৰ পৰাজয়তে হাৰ নামানি কৰ্ম ক্ষেত্ৰত অগ্ৰসৰ হোৱাটোহে।
— গল্ডস্মিথ

সত্য সদায় নিৰাপদ । সত্যৰ বাহিৰে আন একোৱেই নিৰাপদ নহয় । যি মানুহে সমাজৰ আন লোকৰ পৰা সত্যক গোপন কৰে, তেওঁলোক হয় কাপুৰুষ নহয় অপৰাধী।
মেক্সমুলাৰ

# ॥ সংগীত বিভাগৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সংগীত বিভাগৰ সম্পাদক পদটিৰ বাবে দায়িত্ব ভাৰ গ্ৰহণ কৰিবলৈ নিৰ্বাচিত কৰি এই দিশত সহায় আগবঢ়োৱাৰ লগতে অভিজ্ঞতা অৰ্জন কৰিবলৈ সুবিধা দিয়াৰ বাবে সকলো ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এবছৰীয়া মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সহযোগিতা তথা দিহা পৰামৰ্শৰে প্ৰতি খোজতে আগবাঢ়ি যোৱাত সহায় কৰা মোৰ শিক্ষাগুৰু বৃন্দ, বন্ধু-বান্ধৱীৰ উপৰিও শ্ৰীযুত ইন্দ্ৰ বড়া ছাৰ আৰু শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন ছাৰলৈ মোৰ ভক্তি ভৰা কৃতজ্ঞতা নিবেদন কৰিলোঁ।

সংগীত সম্পাদক ৰূপে কাৰ্য্যভাৰ গ্ৰহণ কৰা কিছুদিনৰ পিছতে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত হয়। মোৰ সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহো পৰিচালনা কৰো। কিন্তু এটা কথা কবলৈ বাধ্য হলো এই বাৰ মহাবিদ্যালয়ৰ সংগীত প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৰ হতাশ জনক আছিল। গতিকে ইয়াৰ পুনৰাবৃত্তি যাতে নহয় তাৰ কামনা কৰিলোঁ।

১৯৯৪ চনৰ আন্তঃ মহাবিদ্যালয় সংগীত প্ৰতিযোগিতা সমূহ নাজিৰা মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। উক্ত প্ৰতিযোগিতাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা ছয়জনীয়া দলএটি গৈছিল। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি শ্ৰীনাৰায়ণ ৰাজবংশীয়ে লোকগীতত প্ৰথম স্থান আৰু শ্ৰীমতী সুভীস্মৃতা গগৈয়ে দ্বিতীয় স্থান অধিকাৰ কৰি মহাবিদ্যালয়ৰ গৌৰৱ অৰ্জন কৰিছে। মই তেওঁলোকৰ সংগীত দিশত ভৱিষ্যৎ উন্নতি কামনা কৰিলোঁ।



এই বছৰ "মহাবিদ্যালয় সপ্তাহৰ" সংগীত বিভাগৰ প্ৰতিযোগিতা সমূহৰ ফলাফল তলত উল্লেখ কৰা হ'ল।

**✪ বৰগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰী ,, জেচ্‌মিন বেগম।
তৃতীয় ,, ; শ্ৰী ,, শিখা গগৈ।

**✪ লোক গীত**

প্ৰথম স্থান : শ্ৰীনাৰায়ণ ৰাজবংশী।
দ্বিতীয় ,, : ,, জিতু ফুকন।
শ্ৰীমতী জয়া শৰ্মা।
তৃতীয় ,, : শ্ৰীদিগন্ত গগৈ।

**✪ জ্যোতি সংগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰী ,, জেচ্‌মিন বেগম।
তৃতীয় ,, : শ্ৰীজিতেন বৰুৱা।

**✪ বনগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰী ,, শিখা গগৈ।
তৃতীয় ,, : শ্ৰীপৰমানন্দ গোহাঁই।

**✪ গজল**

প্ৰথম স্থান : শ্ৰীপৰমানন্দ গোহাঁই।
দ্বিতীয় ,, : ,, ভাস্কৰ বন্দোপাধ্যায়।
তৃতীয় ,, : নাই।

**✪ পাৰ্বতি প্ৰসাদ বৰুৱাৰ গীত।**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰীজিতেন্দ্ৰ গগৈ।
তৃতীয় ,, : শ্ৰীনাৰায়ণ ৰাজবংশী।

**✪ আধুনিক গীত :**

প্ৰথম স্থান : শ্ৰীমতী শিখা গগৈ।
দ্বিতীয় ,, : শ্ৰী ,, জয়া শৰ্মা।
শ্ৰীনাৰায়ণ ৰাজবংশী।
তৃতীয় ,, : শ্ৰীমতী জেচ্‌মিন বেগম।

**✪ বিষ্ণুৰাভা সংগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰীনাৰায়ণ ৰাজবংশী।
তৃতীয় ,, : শ্ৰীপৰমানন্দ গোহাঁই।

**✪ জয়ন্ত সংগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় ,, : শ্ৰীপৰমানন্দ গোহাঁই।
তৃতীয় ,, : ,, দেৱজিৎ দাস।
শ্ৰীমতী জেচ্‌মিন বেগম।

**✪ ভূপেন্দ্ৰ সংগীত**

প্ৰথম স্থান : শ্ৰীমতী জয়া শৰ্মা।
দ্বিতীয় " : শ্ৰীপৰমানন্দ গোঁহাই।
তৃতীয় " : শ্ৰীনাৰায়ণ ৰাজবংশী।

**✪ বিহু গীত**

প্ৰথম স্থান : শ্ৰীমতী হিৰণ্য দত্ত।
দ্বিতীয় ,, : শ্ৰীচুহুংমুং গগৈ।
তৃতীয় ,, : ,, অনুপ শৰ্মা।

**✪ মিচিং ঐনিতম**

প্ৰথম স্থান : শ্ৰীকুকিল মিচং।
দ্বিতীয় ,, : শ্ৰীবিশ্বজিৎ পেগু।
তৃতীয় ,, : শ্ৰীলক্ষিনাৰ্থ পায়েং।

**✪ মিচিং আধুনিক গীত**

প্ৰথম স্থান : শ্ৰীমতী স্বপ্না দলে।
দ্বিতীয় স্থান : শ্ৰীকুকিল মিচং।
তৃতীয় স্থান : শ্ৰীবিশ্বজিৎ পেগু।

**✪ বিহুনৃত্য**

প্ৰথম স্থান : শ্ৰীমতী জ্যোতিৰূপা সন্দিকৈ।
দ্বিতীয় স্থান : শ্ৰীমতী মিনতি দেউৰী।
তৃতীয় স্থান : শ্ৰীমতী উপাসনা শেনছোৱা।
শ্ৰীতী অঞ্জুমণি নাথ।
নিচুকনি বঁটা : শ্ৰীপলাশ শইকীয়া।

✪ আধুনিক নৃত্য

প্ৰথম স্থান : শ্ৰীমতী ৰবিতা দেউৰী।
দ্বিতীয় স্থান : শ্ৰীমতী জুৰি বৰপাত্ৰ গোহাঁই।
তৃতীয় স্থান : শ্ৰীমতী ৰুবী ফুকন।

এই বছৰ আমাৰ মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ গায়িকাৰ সন্মান অৰ্জন কৰে শ্ৰীমতী জয়া শৰ্মাই।

সৰ্বশেষত মোৰ কাৰ্য্যকালত অজানিতে যদি কৰবাত ভুল কৰিছিলো তাৰ বাবে মহাবিদ্যালয়ৰ সকলো ৰে ওচৰত ক্ষমা ভিক্ষা মাগিছো আৰু মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰে উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদন সামৰণি মাৰিলো।

ধন্যবাদেৰে
শ্ৰীজিতেন বৰুৱা
সংগীত বিভাগৰ সম্পাদক

## তিনিৰ সমাহাৰ

সংগ্ৰহ—:শ্ৰীবাবুল সোনোৱাল।
উচ্চতৰ মাধ্যমিক
২য় বাৰ্ষিক; (কলা বিভাগ)

ক) তিনিটা বস্তুৱে কাকো অপেক্ষা নকৰে —
উঃ সময়, মৃত্যু, জন্ম।
খ) তিনিটা বস্তু এবাৰহে পোৱা যায় —
উঃ পিতা - মাতা, ৰূপ আৰু যৌৱন
গ) তিনিটা বস্তু শত্ৰুতাৰ কাৰণ
উঃ নাৰী, বাৰী আৰু সম্পত্তি
ঘ) তিনিটা বস্তু অৱনতিৰ মূল —
উঃ হিংসা বিদ্বেষ আৰু অহংকাৰ।
ঙ) তিনিটা বস্তুৱে শান্তি আনে —
উঃ ধৈৰ্য্য, সহ্য আৰু ক্ষমা।



# ॥ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় ও শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা তথা সমূহ ডিব্ৰুৱান বন্ধু-বান্ধৱীলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে ১৯৯৭ চনত নিৰ্বাচিত হৈ গভীৰ আত্ম বিশ্বাসেৰে কাৰ্য্য ভাৰ গ্ৰহণ কৰি বহুতো সুবিধা তথা অসুবিধাৰ মাজেৰে কামবিলাক সুকলমে আগুৱাই নিবলৈ যথেষ্ট চেষ্টা কৰিছিলো যদিও কিমান খিনি সফল ৰূপ দিব পাৰিছো সেই বিচাৰ্য্য আপোনালোকৰ হাতত।

ক্ৰীড়া হল মানৱ জীৱনৰ এক অনুপম কলা। খেল-ধেমালিয়ে মানুহৰ শাৰীৰিক তথা মানসিক সাফল্যৰ অনাবিল আনন্দ দিবলৈ সক্ষম হয়। আজিৰ যুগত ক্ৰীড়াৰ উন্নতিয়ে দেশৰ গৌৰৱ আনি দিয়ে। খেল-ধেমালিৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীৰ মাজত লুকাই-থকা সুপ্ত প্ৰতিভা সমূহ বিকশিত হবলৈ সুবিধা তথা আনন্দ উৎসাহ দিয়া আমাৰ সকলোৰে কৰ্তব্য। গতিকে উক্ত কথাষাৰৰ গুৰুত্ব দি মই মহাবিদ্যালয়ত খেলৰ সামগ্ৰীৰ যথেষ্ট অভাৱ হোৱা স্বত্বেও আন্তঃ বিভাগৰ খেলসমূহ সুচাৰু ৰূপে পৰিচালনা কৰিবলৈ একান্ত যত্ন কৰিছিলো। ২৯ তম্ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আন্তঃ বিভাগত বেডমিন্টন, কেৰম, ডবা আৰু টেবুলটেনিচ প্ৰতিযোগিতা অনুষ্ঠিত হয়। বহু সংখ্যক প্ৰতিযোগীয়ে হেপাহ তথা উৎসাহ-উদ্যমেৰে উক্ত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিছিল। এই খিনিতেই আন্তঃ বিভাগত খিতাপ অৰ্জন কৰা প্ৰতিভাৱান খেলুৱৈ সকলৰ নাম উল্লেখ কৰিছো।

* বেডমিন্টন — প্ৰথম :- শ্ৰীমতী তনুজা শইকীয়া।
দ্বিতীয় :- শ্ৰীমতী জয়শ্ৰী দেউৰী।

* বেডমিন্টন (দলীয় ভাৱে) —
প্ৰথম :- শ্ৰীমতী মনিষা বড়া।
শ্ৰীমতী পিনাকী হুৰৱা।
দ্বিতীয় :- শ্ৰীমতী মাধৱী শইকীয়া।
" " জয়শ্ৰী দেউৰী।

* কেৰম — প্ৰথম :- শ্ৰীমতী জয়শ্ৰী দেউৰী।
দ্বিতীয় :- " " ৰূপা কোঁৱৰ।

* কেৰম দলীয় ভাৱে — প্ৰথম :- শ্ৰীমতী মাধৱী শইকীয়া।
" " ৰূপা কোঁৱৰ।
দ্বিতীয় :- " " জয়শ্ৰী দেউৰী।
" " ৰেখা মণি গগৈ।

* কেৰম ( লৰা-ছোৱালী দলীয় ভাৱে )—
প্ৰথম :- শ্ৰীআব্দুল ছালাম।
„ মতী মনিষা বড়া।
দ্বিতীয় :- শ্ৰীআব্দুল ৰহমান।
„ ৰূপা কোঁৱৰ।

* ডবা — প্ৰথম :- „ মতী মনিষা বড়া।
দ্বিতীয় :- „ মতী ডেইজী গগৈ।

* টেবুল টেনিচ — প্ৰথম :- „ মতী মনিষা বড়া।
দ্বিতীয় :- „ মতী পিনাকি ছুৱৰা।

( প্ৰতিযোগীৰ অভাৱত টেবুল টেনিচ দলীয় ভাৱে অনুষ্ঠিত নহল। )

প্ৰতিবেদনৰ সামৰণিত বিগত এবছৰীয়া কাৰ্য্যকালত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়োৱা মোৰ বিভাগীয় অধ্যাপিকা শান্তনা বাইদেউলৈ মোৰ আন্তৰিক ভক্তি আগবঢ়াইছো। লগতে অহৰহ ছাঁৰ দৰে লাগি সহায় সহযোগ আগবঢ়োৱা বান্ধৱী মনিষা বড়া, জয়শ্ৰী দেউৰী, তনুজা শইকীয়া, ৰূপা কোঁৱৰ, পাৰুল সোনোৱাল, পিনাকী ছুৱৰা, উষা চাংমাই, বন্ধু জয়প্ৰকাশ, বুবুল আৰু প্ৰত্যক্ষ তথা পৰোক্ষ ভাৱে সহায় আগবঢ়োৱা মোৰ শুভাকাংক্ষী বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

শেষত মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছো লগতে মোৰ ডিব্ৰুয়ান বন্ধু-বান্ধৱীলৈ অফুৰন্ত শুভকামনা জনাই প্ৰতিবেদন সামৰিছো।

ধন্যবাদেৰে
শ্ৰীমতী মাধৱী শইকীয়া।
ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা।
১৯৯৪ চন।



# ॥ শৰীৰ চৰ্চ্চা বিভাগৰ প্ৰতিবেদন ॥

শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক হিচাপে প্ৰতিবেদন লিখিবলৈ লোৱাৰ আৰম্ভণিতে অসমৰ অস্তিত্ব ৰক্ষাৰ সংগ্ৰামত যি সকলে প্ৰাণ আহুতি দিলে সেই সকল বীৰ শ্বহীদলৈ মোৰ গভীৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো।

প্ৰতিবেদনৰ পাতনিতে যি সকল ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধৱীয়ে ১৯৯৩-৯৪ কাৰ্য্যকালৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ গুৰুত্বপূৰ্ণ পদবী শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদকৰ দায়িত্ব কান্ধ পাতি লবলৈ সহযোগিতা আগবঢ়ালে তেখেত সকললৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো।

শৰীৰ চৰ্চ্চা বিভাগটোৰ গুৰুত্ব বছৰৰ বাৰ মাহেই অপৰিসীম যদিও ছাত্ৰ একতা সভাৰ দ্বাৰা নিৰ্দ্ধাৰিত আৰু সংশ্লিষ্ট বিভাগৰ দ্বাৰা পৰিচালিত মহাবিদ্যালয় বাৰ্ষিক লৌহ ক্ৰীড়া প্ৰতিযোগিতা আৰু আন্তঃ মহাবিদ্যালয় শৰীৰ চৰ্চ্চা প্ৰতিযোগিতাত মহাবিদ্যালয় দলৰ অংশ গ্ৰহণেই হল মূল পৰ্য্যায়।

শৰীৰ চৰ্চ্চা বিভাগটোৰ আধুনিক নাম হল লৌহ ক্ৰীড়া বিভাগ। এই বিভাগত আছে — ১) ভাৰ উত্তোলন ২) দেহশ্ৰী প্ৰদৰ্শন ৩) শক্তি উত্তোলন ৪) পাঞ্জা আৰু ৫) যোগাসন। বক্সিং অৱশ্যে লৌহ ক্ৰীড়াৰ অন্তৰ্গত ক্ৰীড়া নহয়, এই ক্ৰীড়াৰ আচুতীয়া ফেডাৰেছন আছে। উল্লেখিত লৌহ ক্ৰীড়া বিভাগৰ অন্তৰ্গত দেহশ্ৰী, ভাৰ উত্তোলন আৰু শক্তি উত্তোলন প্ৰতিযোগিতাৰ লগতে ছাত্ৰ বন্ধু সকলৰ অনুৰোধ ক্ৰমে পাঞ্জাৰ পৰিবৰ্ত্তে বক্সিং প্ৰতিযোগিতা ১৯৯৩,৯৪ কাৰ্য্যকালত মহাবিদ্যালয় বাৰ্ষিক লৌহ ক্ৰীড়া প্ৰতিযোগিতাত অনুষ্ঠিত কৰিবলৈ সক্ষম হওঁ। প্ৰতিযোগিতাৰ মানদণ্ড উন্নত কৰাৰ বাবে যি সকলে মোক প্ৰেৰণা যোগালে, দিহা পৰামৰ্শ আৰু উপদেশ-নিৰ্দেশ দি সহযোগিতা আগ বঢ়ালে তেখেত সকলৰ প্ৰতি মোৰ কৃতজ্ঞতা থাকিল।

প্ৰথমেই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈদেৱৰ অকৃপণ স্নেহ আৰু উদাৰ সহযোগিতাই মোক সম্পূৰ্ণ কাৰ্য্যকালৰ বাবে প্ৰেৰণা দিয়াৰ উপৰিও প্ৰতিযোগিতাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি প্ৰতিযোগিতাৰ সৌষ্ঠৱ বৃদ্ধি কৰিলে। তেখেতলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। শৰীৰ চৰ্চ্চা বিভাগৰ উপদেষ্টা অধ্যাপক মাননীয় শ্ৰীযুত ফনী চেতিয়া দেৱৰ নিস্বাৰ্থ সহযোগিতাই মোক প্ৰতিযোগিতাখন সুচাৰুৰূপে আগুৱাই নিয়াত মূল চালিকা শক্তি হিচাপে কাম কৰিলে। তেখেতলৈ মোৰ সশ্ৰদ্ধ প্ৰণাম। প্ৰতিযোগিতাৰ মূখ্য বিচাৰক হিচাপে প্ৰাক্তন অসমশ্ৰী, দেহশ্ৰী, ভাৰউত্তোলন আৰু যোগাসনৰ ৰাষ্ট্ৰীয় বিচাৰক মাননীয় শ্ৰীযুত দনুজ দমন ৰাজকোঁৱৰদেৱে লৌহ ক্ৰীড়াৰ কেউটা প্ৰতিযোগিতা নিখুত ভাৱে পৰিচালনা কৰি মহাবিদ্যালয়ৰ গৌৰৱ বৃদ্ধি কৰাৰ বাবে তেখেতলৈ মোৰ কৃতজ্ঞতা জনাইছো। ৰাজ্যিক বিচাৰক মাননীয় শ্ৰীযুত খেৰিফ আহমেদ, শ্ৰীযুত ৰান ৰাজকোঁৱৰৰ লগতে দেহশ্ৰীত' ৰাষ্ট্ৰীয় সোণৰ পদক বিজয়ী শ্ৰীযুত প্ৰাণজিৎ দেউৰীলৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিলো। ভাৰ উত্তোলন আৰু শক্তি উত্তোলন প্ৰতিযোগিতাত নিয়াৰীকৈ দায়িত্ব পালন কৰাৰ বাবে সৰ্ব্বশ্ৰী অনুপ ৰাজকোঁৱৰ, দীপক ঠাকুৰীয়ালৈ মোৰ ধন্যবাদ জনাইছো। বক্সিং প্ৰতিযোগিতাখন সুচাৰুৰূপে

পৰিচালনা কৰাৰ বাবে সৰ্ব্বশ্ৰী প্ৰাণজিৎ দেউৰী, উত্তম কোঁৱৰ, বিনন্দ্ৰ হাজৰিকা, শিৱ গগৈ আৰু অন্য বিচাৰক সকললৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো। সদৌ শেষত মোৰ পৰম বন্ধু সাধাৰণ সম্পাদক শ্ৰীযুত পলাশ শইকীয়াই পদে পদে মোৰ লগত থাকি সহযোগিতা আগ নবঢ়োৱা হলে মোৰ পক্ষে এনে গধুৰ দায়িত্ব পালন সম্ভৱ নহলহেঁতেন। আলোচনী সম্পাদক শ্ৰীযুত নীলিম কুমাৰ দাসৰ সহযোগিতা মোৰ বাবে এক অনবদ্য সহায়।

প্ৰতিযোগিতাৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় বিচাৰক শ্ৰীযুত দনুজ দমন ৰাজকোঁৱৰ; সমাজসেৱক শ্ৰীযুত শ্বেৰিফ আহমেদ; শৰীৰ চৰ্চ্চাবিদ শ্ৰীযুত প্ৰাণজিৎ দেউৰী আৰু মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱ, শ্ৰীযুত ফণি চেতিয়া; শ্ৰীবিনন্দ হাজৰিকাক ফুলাম গামোছাৰে সম্বৰ্দ্ধনা জনোৱা হয়।

সদৌ শেষত পৰৱৰ্ত্তী ছাত্ৰ একতা সভালৈ মোৰ এটাই পৰামৰ্শ মহাবিদ্যালয়ত যাতে এটি স্থায়ী ব্যায়ামগাৰ নিৰ্মাণ কৰা হয়। কিয়নো "ধন দি পৃথিৱীৰ সকলো বস্তুৱেই কিনিব পাৰি, কিন্তু স্বাস্থ্যবান দেহ এটা কপালৰ ঘাম মাটিত পেলালেহে পোৱা যায়। শৰীৰ চৰ্চ্চা হল এক কঠিন সাধনা। ই দুৰ্ব্বল মনৰ মানুহৰ বাবে কেতিয়াও নহয়। সাধনা কৰিবলৈ মন হব লাগিব লোহাৰ দৰে কঠিন আৰু দৃঢ়। কথাষাৰি কৈছিল ১৯৫২ চনত বিশ্বশ্ৰী খিতাপ অৰ্জন কৰা ব্যায়াম বিশ্বৰ পিতৃ স্বৰূপ কলিকতাৰ ৮১ বছৰ বয়সত ভৰি দিয়া শ্ৰীমনোহৰ আইচদেৱে। এৰা, জীৱনৰ কঠিন বাটত দৃঢ়মনা সংকল্পই হল উন্নতিৰ মূল চাবি কাঠি।

## প্ৰতিযোগিতাৰ ফলাফল সমূহঃ

**POWER LIFTING**

56 kg class

1st — Sri Ranjit Kalita 248 kg.
2nd — " Anjan Chetia 218 kg.
3rd — „ BiPul Hazarika 185 kg.

67·5 kg class

1st— Sri Jayanta Borpatra—329·5 kg.

70 kg class

1st — Sri Bipul Dowarah — 395 kg.

82·5 kg class.

1st -- Sri Jintu gogoi — 363 kg.

The Results of the Boxing competition. —

Below - 50 kg. (A)

1st — Sri Palash saikia.
2nd — Sri Anjan Chetia.

51 — 55 kg (B)

1st — Sri kishor gogoi.
2nd — Sri David Pegu.

56 — 60 kg (C)

1st -- Sri Ranjan Baruah.
2nd -- Sri prasanta Neog.

61 — 65 kg (D)

1st — Sri Dipankar Saikia.

66 — 70 kg (E)

1st — Sri Bipul Dowerah.
2nd — Sri Biman Hazarika.

71 — 75 kg (F)

1st — Sri Jintu gogoi.



**WEIGHT LIFTING**

1st — Sri Bipul Dowerah. 159 kg

Mr . Dibru College. 1994.
Sri Jintu gogoi.

Strong Man of Dibru College and Best weight lifter 1994.
Sri Bipul Dowerah.

Best Boxer of Dibru College 1994
Sri kishor gogoi.

প্ৰতিবেদনখন সামৰাৰ আগতে পুনৰ সকলোলৈকে ধন্যবাদ জনাইছো আৰু ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰিছো।

জয় আই অসম
শ্ৰীবিপুল দুৱৰা ; সম্পাদক
শৰীৰ চৰ্চ্চা বিভাগ।

যিখন কিতাপেই আপোনাক আটাইতকৈ বেছিকৈ চিন্তা কৰিবলৈ শিকায়, সেইখন কিতাপেই আপোনাক আটাইতকৈ বেছিকৈ সহায় কৰে।
— থিয়'ডৰ পাৰকাৰ

# ॥ ছাত্র জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ॥

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাস্পদ শিক্ষাগুৰু বৃন্দলৈ মোৰ আন্তৰিক সেৱা জ্ঞাপন কৰাৰ লগতে যি সকল ছাত্ৰ—ছাত্ৰীৰ অশেষ কষ্ট তথা সহায় সহযোগত মোৰ মহাবিদ্যালয়ৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ বাবে অধিষ্ঠিত কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ হকে সেৱা আগ-বঢ়াবৰ বাবে সুবিধা দিলে সেই সকলো ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ মোৰ বৈপ্লৱিক অভিনন্দন জ্ঞাপন কৰিছো। লগতে সকলো ডিব্ৰুয়ানলৈ নতুন বছৰৰ শুভেচ্ছা থাকিল।

মোৰ কাৰ্যাভাৰ গ্ৰহণ কৰাৰ পাছতে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অতি ক্ষীপ্ৰভাৱে অনুষ্ঠিত কৰিবলৈ আয়োজন কৰা হয়। ছাত্ৰ জিৰণি কোঠাৰ ভিতৰুৱা খেল সমূহ আছিলঃ— বেডমিণ্টন, টেবুল-টেনিছ, কেৰম, ডবা। ইয়াৰে ভিতৰত বেডমিণ্টনৰ খেলসমূহ আকৰ্ষণীয় হৈছিল।

মোৰ কাৰ্য্যকালৰ সময়খিনিত আন্তঃ মহাবিদ্যালয় বেডমিণ্টন প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ বেডমিণ্টন দলটিয়ে যোগদান কৰিছিল আৰু আমাৰ দলটিয়ে শ্ৰেষ্ঠদল হিচাপে পৰিগণিত হব পৰা নাছিল যদিও এক আলোড়ন সৃষ্টি কৰি ফাইনেললৈ উন্নীত হৈছিল আৰু যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ লগত আমি পৰাজয় হৈছিলো। আমাৰ দলটো আন্তঃমহাবিদ্যালয়ত পৰাজয় হলো যদিও আমাৰ কলেজৰ দুজন ছাত্ৰ আন্তঃ-বিশ্ববিদ্যালয়ৰ বাবে বাছনি কৰিছিল। তাৰে এজন মই নিজে শ্ৰীবিশ্বজ্যোতি বড়া, আনজন হল শ্ৰীঅনুপ পাল।

এই খিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো ক্ষেত্ৰত সহায় সহযোগ পৰামৰ্শ দি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাৰ্য্য কৰি যাবলৈ বিশেষ ভাৱে উদগণি দিয়া শিক্ষাগুৰু শ্ৰীযুতা শান্তনা হাজৰিকা, শ্ৰীযুত ৰঞ্জিত সিংৰ ওচৰত মই চিৰ কৃতজ্ঞ। সততে মোৰ ওচৰত থাকি বিভিন্ন কামত সহায় সহযোগ আগবঢ়োৱা বন্ধু-সকল হ'লঃ—কমলা, ত্ৰৈলোক্য, ভূপেন, কিশোৰ, মানস, নীলিম, অঞ্জন, বিপুল, গৌতম, মৃদুল, মনোজ, পলাশ, নৱজ্যোতি, মন, সঞ্জীৱ, গিতুল আদিলৈ মোৰ হিয়াভৰা মৰম থাকিল।

শেষত মোৰ অনিচ্ছাকৃত ভুলৰ বাবে আপোনা-লোকৰ ওচৰত ক্ষমা—প্ৰাৰ্থনা মাগিছো। আশা ৰাখিছো, ভৱিষ্যতৰ ডিব্ৰু-মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই ধাৰা-বাহিকতাতকৈ অধিক সৰল তথা গৌৰৱ উজ্বল নেতৃত্বৰ দ্বাৰা মহাবিদ্যালয়ৰ পৱিত্ৰতা আৰু সন্মান উজ্জ্বল কৰিব। মোৰ কাৰ্য্যকালতে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আয়োজিত খেল ধেমালিত সফলতা অৰ্জন কৰা ছাত্ৰ সকলৰ নাম তলত উল্লেখ কৰা হল।

**বেডমিণ্টন :—**

ছিংগলচ চেম্পিয়ন :- শ্ৰী বিশ্বজ্যোতি বড়া।

ৰানাৰ্চ আপ :— শ্ৰী ত্ৰৈলোক্য গগৈ।

**টেবুল-টেনিছঃ-**

ছিংগলচ চেম্পিয়নঃ- শ্ৰীবিজয় দাৰিক।

ৰানাৰ্চ আপ :-শ্ৰী মনকাচ হাজৰিকা।

ডাবুলচ চেম্পিয়ন : শ্ৰীবিশ্বজ্যোতি বড়া/ত্ৰৈলোক্য গগৈ।



ৰানাৰ্চ আপঃ- শ্ৰীনীলিম কুমাৰ দাস/মনোজ কুমাৰ গগৈ।

**—ডবাঃ—**

চেম্পিয়নঃ— শ্ৰীপদ্ম প্ৰধান।

ৰানাৰ্চআপঃ— শ্ৰীপৰমানন্দ গোহাঁই।

**—কেৰম :—**

ছিংগলচ চেম্পিয়ন :— শ্ৰীৰাজীৱ দাস।

ৰানাৰ্চ আপ :- শ্ৰীসঞ্জীৱ ভূমিজ।

ডাবুলচ চেম্পিয়ন :-শ্ৰীআব্দুল ৰহমান/আব্দুল ছালাম।

ৰানাৰ্চ আপঃ- শ্ৰীসঞ্জীৱ ভূমিজ/ৰাজীৱ দাস।

**বেডমিণ্টনঃ-**

ডাবুলচ চেম্পিয়ন :- শ্ৰীবিশ্বজ্যোতি বড়া/ত্ৰৈলোক্য গগৈ।


ৰানাৰ্চ আপ :- শ্ৰীত্ৰিদিপ দত্ত/মৃদুল কাকতি।

আমাৰ মহাবিদ্যালয়ৰ হৈ যোৱা আন্তঃ মহা-বিদ্যালয়ত যোগদিয়া দলটি হ'ল—:

(১) শ্ৰীবিশ্বজ্যোতি বড়া
(২) শ্ৰীঅনুপ পাল
(৩) শ্ৰীগৌতম দত্ত
(৪) শ্ৰীহেমন্ত গগৈ
(৫) শ্ৰীত্ৰৈলোক্য গগৈ

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ উত্তৰোত্তৰ উজ্বল ভবিষ্যৎ কামনা কৰিলো।

শ্ৰীবিশ্বজ্যোতি বড়া।
সম্পাদক, ছাত্ৰ জিৰণি কোঠা।



নিসংগতাৰ যন্ত্ৰণানাশক প্ৰতিষেধক হিচাপে কাম ; মানুহৰ সংগৰ বিকল্প হিচাপে কিতাপ।

— হেমাৰ স্মিড —

"যি কিতাপ পঢ়িবলৈ ভাল পায়, তেওঁ কেতিয়াও বিশ্বাসী বন্ধু, সৎ উপদেশ দিওঁতা, প্ৰফুল্লমনা সংগী আৰু হৃদয়গ্ৰাহী প্ৰবোধ দিওঁতাৰ অভাৱত নপৰে।"

— আইজাক বেৰ —

# ॥ মূখ্য খেল বিভাগৰ প্ৰতিবেদন ॥

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু সমূহ অধ্যাপক অধ্যাপিকালৈ সশ্ৰদ্ধ প্ৰণাম জনাইছো। লগতে অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে জীৱন আহুতি দিয়া শ্বহীদ সকললৈ মোৰ ফালৰ পৰা প্ৰণাম জনাইছো। ১৯৯৩-৯৪ চনৰ ছাত্ৰ একতা সভাৰ মূখ্য খেল বিভাগৰ সম্পাদক হিচাবে মোক নিৰ্বাচন কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। সকলো ডিব্ৰুয়ানলৈ নতুন বছৰৰ আন্তৰিক শুভেচ্ছা জনালো।

মোৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছত অতি কম দিনৰ ভিতৰতেই ২৯ তম বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ পাতিবলৈ আয়োজন কৰা হয়। মূখ্য খেল বিভাগৰ খেল সমূহ হ'ল — ফুটবল, ভলীবল আৰু ক্ৰিকেট। ইয়াৰ প্ৰতিযোগীসকলে পাৰদৰ্শিতা দেখুৱাবলৈ সমৰ্থ হৈছিল।

মোৰ কাৰ্য্য কালৰ সময়খিনিত আন্তঃ মহাবিদ্যালয় ফুটবল, ভলীবল, ক্ৰিকেট প্ৰতিযোগিতা হয় যদিও ফুটবলতহে যোগদান কৰা হয়। ক্ৰিকেটৰ প্ৰয়োজনীয় সা সজুলিৰ অভাৱৰ বাবে আমাৰ মহাবিদ্যালয়ৰ ক্ৰিকেট দলটিয়ে আন্তঃ মহাবিদ্যালয় ক্ৰিকেট প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিব নোৱাৰিলে। গতিকে অহাবাৰ যাতে তেনে অভাৱ নহয় তাৰ কামনা কৰিলো। আন্তঃ মহাবিদ্যালয় খেলিবলৈ যোৱা ফুট বল দলটো আছিল- শ্ৰীবিশ্বজিৎ মালি (গ'ল ৰক্ষক), মনোজ কুমাৰ গগৈ (দলপতি), শ্ৰীনৰ বৰুৱা, অৰূপ সোনোৱাল, দ্বীপজ্যোতি হাজৰিকা, হিমেন হাজৰিকা, ভীমকান্ত সোনোৱাল, হেমন্ত কুমাৰ গগৈ, বিৰজা ডুৱৰা, প্ৰতিম দাস, অপূৰ্ব কোঁছ, মানিক গগৈ, বিমান হাজৰিকা, সূৰ্য্য সোনোৱাল।

এই খিনিতে মোৰ এবছৰীয়া কাৰ্য্যকালত সকলো ক্ষেত্ৰতে সহায় সহযোগ পৰামৰ্শ দি মহাবিদ্যালয়ৰ উন্নতিৰ হকে কাৰ্য্য কৰি যাবলৈ উৎসাহ দিয়া শিক্ষাগুৰু শ্ৰীযুত লক্ষণ বড়া ছাৰৰ ওচৰত মই মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। মোৰ কাৰ্য্যকালত বিভিন্ন কামত সহায় সহযোগ আগবঢ়োৱা নৰজ্যোতি গোহাঁই, ত্ৰৈলোক্য গগৈ, পলাশ শইকীয়া, বিশ্বজিৎ বড়া, মৃদুল হাজৰিকা, নীলিম দাস, কিশোৰ গগৈ, মানসজ্যোতি গগৈ, অঞ্জন চেতিয়া, বিৰজা ডুৱৰা, সঞ্জীৱ গগৈ, ভূপেন মহন, হিমেন হাজৰিকা, কৃষ্ণ ফুকন, পৰমানন্দ গগৈ, কমলা মহন আদিলৈ মোৰ হিয়াভৰা মৰম থাকিল।

শেষত মই মোৰ কাৰ্য্যকালত হোৱা ভুল বোৰৰ বাবে আপোনালোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো। আশা কৰো ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাই অধিক সৰল তথা উজ্বল নেতৃত্বৰ দ্বাৰা মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি সাধিব। মোৰ কাৰ্য্যকালত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত আয়োজিত খেলত সফলতা লাভ কৰা ছাত্ৰ-ছাত্ৰী সকলৰ নাম তলত উল্লেখ কৰা হ'ল—

**ফুটবলঃ—**

চেম্পিয়ন দলটো-

(১) শ্ৰীহিমেন হাজৰিকা।
(২) "জয়ন্ত বৰুৱা
(৩) "হেমন্ত কুমাৰ গগৈ।
(৪) "ত্ৰৈলোক্য গগৈ।
(৫) "সঞ্জীৱ গগৈ।
(৬) "মানসজ্যোতি গগৈ।
(৭) "বিনোদ গগৈ।
(৮) শ্ৰীঅৰূপ সোনোৱাল।
(৯) "দিপাংকৰ শইকীয়া।
[১০] "বিৰজানন্দ ডুৱৰা।
[১১] "অজিৎ দিহিঙীয়া।
[১২] "প্ৰশান্ত হাজৰিকা।



[১৩] "দুগেশ্বৰ দেউৰী।
[১৪] "ৰমেন সোনোৱাল।
[১৫] "কৃষ্ণ কান্ত ফুকন।
[১৬] "ভূপেন মহন।

**ৰানাৰ্চ আপ দলটো—**

(১) শ্ৰীমনোজ কুমাৰ গগৈ।
[২] "পলাশ শইকীয়া।
[৩] "মৃদুল হাজৰিকা।
[৪] "নৰজ্যোতি গোহাঁই।
[৫] "নীলিম কুমাৰ দাস।
[৬] "বিশ্বজিৎ বড়া।
[৭] "কিশোৰ গগৈ।
[৮] "অঞ্জন চেতিয়া।
[৯] "ৰাতুল ফুকন।
[১০] "জয় প্ৰকাশ সোনোৱাল।
[১১] "জগনাথ সোনোৱাল।
[১২] "কমলা মহন।
[১৩] "গিতুল চাউলো।
[১৪] "চুহুংমুং গগৈ।

**পুৰুষৰ ভলীবলঃ—**

বিজয়ী দলটো-

(১) শ্ৰীপৰমানন্দ গগৈ।
(২) "মৃদুল হাজৰীকা।
(৩) "অঞ্জন চেতিয়া।
(৪) "জয়ন্ত বৰুৱা।
(৫) "সুমিধৰ শইকীয়া।
(৬) "প্ৰদীপ বড়া।
(৭) শ্ৰীগুণিন বৰগোহাঁই।
(৮) "হেমন্ত গগৈ।
(৯) "ধমেন্দ্ৰ চাংমাই।
(১০) "নীলিম কুমাৰ দাস।
(১১) "কৃষ্ণ কান্ত ফুকন।

**বিজেতা দলটো—**

(১) শ্ৰীৰঞ্জীত কলিতা।
(২) "অতুল কুমাৰ সোনোৱাল।
(৩) "চুছেন কুমাৰ সোনোৱাল।
(৪) "ভাস্কৰ সোনোৱাল।
(৫) "ত্ৰৈলোক্য গগৈ।
(৬) "অমৰ কোঁৱৰ।
(৭) "ৰমানন্দ সিং।
(৮) "ব্ৰজেন সোনোৱাল।
(৯) "চন্দ্ৰকান্ত সোনোৱাল।
(১০) "ৰাতুল গগৈ।

**মহিলা ভলীবলঃ—**

চেম্পিয়ন দল-

(১) শ্ৰীমতী মধুকৃষ্ণা দেউৰী।
(২) " "ৰঞ্জীতা দেউৰী।
(৩) ,, "প্ৰনিতা মিলি।
(৪) ,, ,, চিত্ৰা সোনোৱাল।
(৫) ,, ,, স্বপ্না দলে।
(৬) ,, "ৰঞ্জু ফুকন।

**ৰানাৰ্চ আপ দল—**

(১) শ্ৰীমতী মাধৱী শইকীয়া।
(২) ,, ,, কবিতা দেউৰী।
(৩) ,, ,, ববিতা টাই।
(৪) ,, ,, প্ৰবিতা গোহাঁই।
(৫) ,, ,, মনালিচা চাংমাই।
(৬) ,, ,, নিজৰা সোনোৱাল।

সদৌ শেষত চিৰ নমস্য শিক্ষাৰ জননী ডিব্ৰুমহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"

শ্ৰীমনোজ কুমাৰ গগৈ।
মুখ্য খেল বিভাগৰ সম্পাদক

# ॥ সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

সৰ্বপ্ৰথমে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষাগুৰু, কৰ্মকৰ্তাসকল আৰু ছাত্ৰ, ছাত্ৰী ও বন্ধু-বান্ধৱী সকলোকে ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাংস্কৃতিক সম্পাদক হিচাবে হিয়াভৰা আন্তৰিক শ্ৰদ্ধা ভক্তি নিবেদিছো। আৰু অজানিতে বৈ যোৱা ভুল ক্ৰুটিবোৰ নিজগুণে মৰিষণ কৰিব বুলি আশা ৰাখি বিভাগীয় প্ৰতিবেদন খন লিখিছো।

যদিও "সংস্কৃতি" শব্দটো আকাৰত তেনেই নগণ্য কিন্তু ইয়াৰ তাৎপৰ্য্য অতি গুৰুতৰ। সংস্কৃতিৰ যোগেদিহে এটা জাতিৰ প্ৰকৃত স্বৰূপ বুজিব পাৰি। বিশেষকৈ অসমীয়া সমাজ সংস্কৃতিৰ ক্ষেত্ৰত এই তাৎপৰ্য্য মনকৰিবলগীয়া। অসমীয়া সংস্কৃতিৰ মাজমজিয়াখন বিভিন্ন জাতি, জনজাতিৰে আৰু বিভিন্ন যুগ মানসৰ প্ৰভাৱেৰে বাঞ্ছিত হৈ জিলকি উঠিছে। আই অসমীৰ বহল বুকুত বিভিন্ন জাতি-জনজাতিৰ প্ৰভাৱ সোমাই নিজ নিজ সংস্কৃতি বিস্তাৰ ঘটোৱাত সফলতা লাভ কৰিছে। গতিকে অসমীয়া সংস্কৃতি বাৰে ৰহনীয়া হৈ অতি মনোমোহা কৰি তুলিছে।

অসমীয়া জাতীয় সংস্কৃতিৰ ঢল অতীতৰ পৰা অবিৰাম গতিত বব লাগিছে। ইয়াৰ আদি ক'ত আৰু অনাদি ক'ত তাক কোৱাটোও অতি কঠিন। থোৰতে কবলৈ গলে এই সংস্কৃতি কোনো এটা যুগৰ পৰা আৰম্ভ হৈ নতুনৰ পৰা ক্ৰমান্বয়ে নতুনত্বলৈ আগবাঢ়ি আহি আজিৰ এই পৰ্য্যায়ত ভৰি দিছেহি। পুৱাৰ বেলিটি ওলাওঁতে আন্ধাৰে বাট এৰি দিয়াৰ দৰে আমাৰ সংস্কৃতিত বিভিন্ন সময়ত নতুন পোহৰে, নতুন পাতেৰে নতুন স্ব-পূৰ্ণ হৈ আহিছে কিন্তু আমি মনত ৰাখিব লাগিব যে নতুনত্বক আদৰোতে যাতে অসমীয়া সংস্কৃতিৰ জাতীয় অস্তিত্ব বিনষ্ট নহয়। কিয়নো অসমীয়া জাতীয় সংস্কৃতি আগুৱাই নিয়াত আৰু অস্তিত্ব ৰক্ষা কৰাত যুব চামৰে কৰ্তব্য। গতিকে আহক আমি মনত নতুন সাহস আৰু মনোবল বান্ধি লৈ এই সংস্কৃতি আগুৱাই নিবলৈ সংকল্প বদ্ধ হওঁ।

"সাংস্কৃতিক" সম্পাদকৰ দায়িত্ব গ্ৰহণ কৰি এই অভাজনে কি কৰিলে নকৰিলে তাক বিচাৰ কৰাৰ ভাৰ আপোনালোকৰ ওপৰত দিলো।

সদৌশেষত মোৰ কাৰ্য্যকালত সকলো দিশতে সহায় সহযোগ আগবঢ়োৱা বাবে শিক্ষাগুৰু লক্ষণ বৰা চাৰ, প্ৰদীপ চেতিয়াফুকন চাৰ, শ্ৰীযুতা জ্যোতি বৰগোহাঁই বাইদেউ আৰু মোৰ বন্ধু বুলু গগৈ; ৰাতুল, বিজিত, পাৰুলমণি, জিতু, ৰাজকুমাৰ সমন্বিতে ডিব্ৰুকলেজৰ সকলো ছাত্ৰ-ছাত্ৰীলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰি আৰু ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰিছো।

জয়তু ডিব্ৰু মহাবিদ্যালয়
"জয় আই অসম"

শ্ৰীজয় প্ৰকাশ সোনোৱাল
সাংস্কৃতিক সম্পাদক



## সাংস্কৃতিক বিভাগৰ প্ৰতিযোগিতাৰ ফলাফল সমূহ :-

### একক অভিনয় :-

প্ৰথম : শ্ৰীনৱজ্যোতি গোহাঁই।
দ্বিতীয় : ,, দিগন্ত দেউৰী।
তৃতীয় : ,, ৰাজা মোহন চেতিয়া।

### মৌন অভিনয় :-

প্ৰথম : শ্ৰীৰাজা মোহন চেতিয়া।
দ্বিতীয় : ,, নৱজ্যোতি গোহাঁই।
তৃতীয় : ,, মতী পূৰবী গোহাঁই।
,, দিগন্ত দেউৰী।

### কুইজ প্ৰতিযোগিতা :-

প্ৰথম দল ক) শ্ৰীপ্ৰনৱ ফুকন।
খ) ,, তুলাল হাজৰিকা।
গ) ,, অমিয় বৰা।
ঘ) ,, স্বৰ্গজ্যোতি হাজৰিকা।

দ্বিতীয় দল : ১। ক) শ্ৰীধৰ্মেন্দ্ৰ গগৈ।
খ) ,, পঙ্কজ ঠাকুৰীয়া।
গ) ,, শ্যামল জ্যোতি গগৈ।
ঘ) ,, সীমান্ত কুমাৰ বৰা।

দ্বিতীয় দল : ২। ক) শ্ৰীহিৰণ্ম গগৈ।
খ) ,, ৰাজু গগৈ।
গ) ,, অভিজিৎ সোনোৱাল।
ঘ) ,, প্ৰাঞ্জল তুৰবা।

তৃতীয় দল : ক) শ্ৰীঅনুপ শৰ্মা।
খ) ,, দিগন্ত দত্ত।
গ) ,, অভিমন্যু ভাৰাতী।

### কইনা প্ৰতিযোগিতা :-

সকলো দ্বিতীয়; ক) শ্ৰীমতী জেচমিন বেগম।
খ) ,, ৰেচমিন বেগম।
গ) ,, মিনু ডেকা বৰুৱা।
ঘ) ,, বাবলী হাজৰিকা।

### তৰ্ক প্ৰতিযোগিতা

প্ৰথম : শ্ৰীইমৰাণ হুচেইন।
দ্বিতীয় : ,, হৰি প্ৰসাদ গগৈ।
তৃতীয় : ,, দেৱানন্দ গোহাঁই।

### আকস্মিক বক্তৃতা :-

প্ৰথম : শ্ৰীতুলাল হাজৰিকা।
দ্বিতীয় : ,, দেৱকান্ত গগৈ।
তৃতীয় : ক) শ্ৰীদীপজ্যোতি কোঁৱৰ।
খ) ,, দেৱানন্দ গোহাঁই।

### অসমীয়া কবিতা আবৃত্তি :-

প্ৰথম : শ্ৰীবুবুল গগৈ।
দ্বিতীয় : ,, মতী ইনা ফুকন।
তৃতীয় : ক) শ্ৰীমতী সুমিত্ৰা কোঁৱৰ।
খ) ,, ,, দিপ্তী বড়া।

### ইংৰাজী কবিতা আবৃত্তি :-

প্ৰথম : শ্ৰীৰাতুল দাস।
দ্বিতীয় : ,, মতী দিপাঞ্জলী সোনোৱাল।
তৃতীয় : ক) শ্ৰীমতী জ্যোতি ৰূপা সন্দিকৈ।
খ) ,, ,, পূৰবী গোহাঁই।

### নাটক প্ৰতিযোগিতা :-

শ্ৰেষ্ঠ নাট : "মৰিশালিত এজাক শগুণ"
অভিনেতা সকল ক) শ্ৰীজিতেন্দ্ৰ গগৈ।
খ) ,, জিতু ফুকন।
গ) ,, দিগন্ত গগৈ।
ঘ) ,, জয়ন্ত ফুকন।
ঙ) ,, ৰত্নেশ্বৰ দত্ত।

দ্বিতীয় শ্ৰেষ্ঠ নাট : "বাস্তৱ"
অভিনেতা/অভিনেত্ৰী সকল –
ক) শ্ৰীদিগন্ত দেউৰী।
খ) ,, মতী চেমিম আখতাৰ বেগম।

গ) শ্ৰীৰাজামোহন চেতিয়া ।

ঘ) ” দেৱীপ্ৰসাদ ৰৰগোহাঁই ।

ঙ) ,, ৰণ্টু গগৈ ।

চ) ” মতী মধূকৃষ্ণা দেউৰী ।

**শ্ৰেষ্ঠ প্ৰতিযোগী সকল :**

শ্ৰেষ্ঠ পৰিচালক : শ্ৰীজিতেন্দ্ৰ গগৈ ।

শ্ৰেষ্ঠ অভিনেতা : শ্ৰীজিতেন্দ্ৰ গগৈ ।

দ্বিতীয় শ্ৰেষ্ঠ অভিনেতা (যুটীয়া ভাৱে)

ক) শ্ৰীজিতু ফুকন ।

খ) ,, ৰাজামোহন চেতিয়া ।

শ্ৰেষ্ঠা অভিনেত্ৰী : শ্ৰীমতী চেমিম আখতাৰ বেগম ।

শ্ৰেষ্ঠ সহ-অভিনেতা : ক) শ্ৰীদিগন্ত দেউৰী ।

: খ) ” ৰত্নেশ্বৰ দত্ত ।



“যি কোনো উল্লেখযোগ্য কামৰ বীজ প্ৰথমে এজন ব্যক্তিৰ চিন্তাৰ মাজত জন্মে। তাৰ পিছত সেই কৰ্মবীজক অন্যান্য ব্যক্তিয়ে সমূহীয়া ভাৱে তালি তুলি ডাঙৰ দীঘল কৰে। গতিকে ব্যক্তিৰ ভূমিকা কোনো পৰিস্থিতিতেই উলাই কৰিব পৰা বিধৰ নহয় ।”

আলেকজেণ্ডাৰ ফ্লেমিং



# ॥ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ॥

১৯৯৩ চনৰ ২৯ ডিচেম্বৰ তাৰিখে ডিব্ৰুমহাবিদ্যালয় ছাত্ৰ-একতা সভাৰ সাধাৰণ নিৰ্ব্বাচনত মোক ছাত্ৰ-ছাত্ৰী সকলে সাধাৰণ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি মহাবিদ্যা- লয় খনৰ কাৰণে যি গধুৰ বোজা হাতত তুলি দিলে, সেই সকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মই দৃঢ় সঙ্কল্প বদ্ধ হৈছিলো, যে যি কোনো উপায়েৰে মহাবিদ্যালয় খনৰ অসুবিধা বিলাক দূৰ কৰিম। মই জানিছিলো যে মহাবিদ্যালয়ৰ সকলো কাম মুকলি মনেৰে কৰিব নোৱাৰি আৰু সেই বাবে মই কিছুমান কাম কৰ্তৃপক্ষক নজনোৱাকৈ কৰিবলৈ চেষ্টা চলাই- ছিলো। সাধাৰণ সম্পাদক হিচাপে কি কাম সম্পাদনা কৰিব পাৰিলো তাৰ বিচাৰ ছাত্ৰ-ছাত্ৰী সকলক দিলো। মোৰ কাৰ্য্য কালৰ চমু প্ৰতিবেদন আপোনালোকৰ আগত ডাঙি ধৰিছো। কিবা ভুল হ'লে ক্ৰুটি মাৰ্জনা কৰিব।

৬/১/৯৪ তাৰিখে আমি নবনিৰ্ব্বাচিত ছাত্ৰ একতা সভাই দায়িত্ব ভাৰ হাতত লওঁ। ৭/১/৯৪ তাৰিখে ছাত্ৰ একতা সভাৰ কাৰ্য্যালয় মুকলি কৰি এখন কাৰ্য্যনিৰ্বাহক সভাত “29 th Annual College week 1993-94” খন পাতিবলৈ সিদ্ধান্ত লওঁ। ১৯ জানুৱাৰী বুধ বাৰৰ পৰা ২৫ জানুৱাৰী মঙ্গল বাৰলৈ সাত দিনীয়া কাৰ্য্য সূচীৰে মহাবিদ্যালয় সপ্তাহ পালন কৰা হয়। অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈদেৱে পতাকা উত্তোলনেৰে মহাবিদ্যালয় সপ্তাহ শুভাৰম্ভ কৰে। আৰু সেইদিনাৰপৰাই বিভিন্ন প্ৰতিযোগিতা সমূহ আৰম্ভ হয়। আমি পোন প্ৰথম বাৰৰ বাবে ডিব্ৰু মহাবিদ্যালয় সপ্তাহত বক্সিং প্ৰতিযোগিতা পাতিবলৈ সক্ষম হৈছিলো। প্ৰতিযোগিতা সমূহৰ শেষৰ দিনা ২৫ জানুৱাৰী ত ‘বঁটা বিতৰণী’ সভা অনুষ্ঠিত কৰা হয় । ৰাতিলৈ ছাত্ৰ-ছাত্ৰী আৰু আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সাংস্কৃতিক সান্ধিয়াৰে মহাবিদ্যালয় সপ্তাহ সামৰণি পেলোৱা হয়।

১৫/২/৯৪ তাৰিখ মঙ্গল বাৰে ছাত্ৰ একতা সভাৰ সৌজন্যত ডিব্ৰুমহাবিদ্যালয়ত পৰম্পৰাগত ভাবে উদযা- পন কৰি অহা শ্ৰীশ্ৰীসৰস্বতী পূজা নাম-কীৰ্ত্তনৰ সৈতে আনুষ্ঠানিক ভাবে পালন কৰা হয়।

২৩/২/৯৪ তাৰিখে ডিব্ৰুগড় আঞ্চলিক ছাত্ৰ সন্থাৰ সহযোগত ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীক লৈ আমি ৭০ জনীয়া দল এটাই ডিব্ৰুগড়ৰ দাঁতি কাষৰীয়া গাওঁ লেজাই কলাখোৱা অঞ্চলত এটি ৰিংবান্ধ কাৰ্য্যত আমি সকলোৱে শ্ৰমদান আগ বঢ়াওঁ। এই দলটিক মই সাধাৰণ সম্পাদক হিচাপে নেতৃত্ব লৈ আনন্দ মনেৰে উভতি আহি- ছিলো। লেজাই কলাখোৱা অঞ্চলৰ গাওঁবাসীক বানপানীয়ে একেবাৰে জুৰুলা কৰি পেলাইছে। কিন্তু চৰকাৰে একো পদক্ষেপ লোৱা নাই। আমাৰ দৰে দলে বলে সেই ৰিংবান্ধ কাৰ্য্যত শ্ৰম দান কৰি দূৰ্ভগীয়া ৰাইজক উদ্ধাৰ কৰিব বুলি মোৰ আপোনালোকলৈ অনুৰুধ থাকিল।

২৪/২/৯৪ বৃহস্পতি বাৰে H. S. দ্বিতীয় আৰু T. D. C. তৃতীয় বাৰ্ষিকৰ ছাত্ৰী সকলক বিদায় দিয়া হয় আৰু তেওঁলোকৰ স্মৃতি থাকি যোৱাৰ মানসেৰে বৃক্ষ ৰুপন কাৰ্য্য সূচী হাতত লোৱা হয় ।

২৮/২/৯৪ তাৰিখে ডুমডুমা অঞ্চলৰ পাঁচ জন ছাত্ৰ নেতা ৰাষ্ট্ৰ সন্ত্ৰাসৰ বলি হোৱাৰ প্ৰতিবাদত সদৌ অসম ছাত্ৰ সন্থাই লোৱা প্ৰতিবাদ কাৰ্য্যসূচীত ডিব্ৰু-মহাবিদ্যালয়ৰ প্ৰায় এহেজাৰো অধিক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা ডিব্ৰুগড় জিলা উপায়ুক্তৰ কাৰ্য্যালয়ত ধৰ্ণা দিয়া হৈছিল। ইয়াৰ উপৰিও সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰায়বোৰ কাৰ্য্য সূচীতে অংশগ্ৰহণ কৰিছিলো।

১০.৯/৯৪ তাৰিখে নৱাগত আদৰণি সভাখন নৱাগত সকলৰ আশা আকাঙ্ক্ষা বাস্তৱত ৰূপায়িত হোৱাৰ কামনাৰে অনুষ্ঠিত কৰা হয়। স্থায়ী প্ৰেক্ষাগৃহ নথকাৰ বাবে পেন্দেল সাজি নৱাগত আদৰণি সভাখন পাতিব লগীয়া হৈছিল। সভাখনিত বিশিষ্ট অতিথি আৰু শিক্ষাগুৰু সকলৰ উদ্যমত আমি ছাত্ৰ একতা সভাই নৱাগত সকলক আদৰণি জনাইছিলো; লগতে চাহ জলপানৰ ব্যৱস্থা লোৱা হৈছিল। ৰাতিলৈ আমন্ত্ৰিত শিল্পী শ্ৰীদেৱজিৎ বৰদলৈ, শ্ৰীমতী জিন্তী দাস, শ্ৰীচন্দন পাঠক আৰু অন্যান্য শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধিয়া অনুষ্ঠান পতা হৈছিল। উক্ত নৱাগত সভাখনত মোৰ বন্ধু শ্ৰীদাহু শইকীয়া, শ্ৰীহিমেন হাজৰীকা আৰু শ্ৰীভূপেন মহনৰ পৰা বিশেষ ভাবে সহায় পোৱাৰ লগতে সভাৰ দিনা সকলো বন্ধু বান্ধবীৰ পৰা সহায় পাইছিলো আৰু সেই বাবে ইমান ডাঙৰকৈ লোৱা কাৰ্য্য সূচীত কোনো অসুবিধাৰ সৃষ্টি নহৈছিল। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানখনত ৰাতিৰ ২ বজালৈকে ৰাইজৰ সমাগম কমা নাছিল। শ্ৰীমতী জিন্তী দাস আৰু শ্ৰীদেৱজিত বৰদলৈ য়ে তেওঁলোকৰ কণ্ঠত ছাত্ৰ-ছাত্ৰী তথা ৰাইজৰ মন মুহি লৈ যায়।

আমাৰ ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত বেছ মিলা প্ৰীতিৰ ভাৱ আছে। কিয়নো এইখন মহাবিদ্যালয়ত পঢ়ি থকা কাল ছোৱাত কাৰোবে কাজিয়া পেচাল অভদ্ৰামি দেখি নাপালো। সকলো ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণ সম্পাদক তথা একতা সভাৰ দিহা পৰামৰ্শ মানি চলিছিল। মহাবিদ্যালয়ত প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়েই সহজ-সৰল স্বভাবৰ।

আমাৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ উন্নতি মৰ্মে বহুতো কাৰ্য্যসূচী হাতত লোৱা হৈছিল যদিও কাৰ্য্যকাল নিচেই চুটি হোৱাৰ বাবে কিছুমান কাম থাকি গ'ল। আশা ৰাখিছো পৰৱৰ্ত্তী ছাত্ৰ একতা সভাই উক্ত কাৰ্য্য-সূচী সকল ৰূপায়নত বিশেষ তৎপৰতা অৱলম্বন কৰিব। আমাৰ ছাত্ৰ একতাসভাই হাতত লোৱা প্ৰধান কাম সমূহ আছিল এনে ধৰণৰ—

১। স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণ
২। মহাবিদ্যালয়লৈ যোৱা বাট চুটি পকী কৰা।
৩ চাইকেল ষ্টেণ্ড উন্নত কৰা।
৪। ছাত্ৰী নিবাসৰ চাৰিওকালে বেৰা দিয়াৰ ব্যৱস্থা কৰা।
৫। কলেজ লেবৰেটৰীৰ কাষতে থকা মহাদেৱ জালানৰ মাটি ডোখৰ মহাবিদ্যালৰ ছাত্ৰাবাসৰ বাবে লোৱাৰ ব্যৱস্থা কৰা।
৬। মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰী য়ে ইউনিফ্ৰম পৰিধান কৰাৰ ব্যৱস্থা কৰা
৭। ছাত্ৰ-ছাত্ৰী সকলৰ জিৰণি কোঠা নিৰ্মাণ কৰা।

ইয়াৰ প্ৰায় বোৰ কামতেই কম পৰিমানে হ'লেও সফল হৈছো যদিও বহুত বাকী ৰৈ গৈছে। গতিকে নৱনিৰ্ব্বাচিত ছাত্ৰ একতা সভালৈ আমাৰ সম্পূৰ্ণ সহায় সহযোগিতা থাকিব।

শেষত মোৰ কাৰ্য্য কালছোৱাত একতা সভাৰ সভাপতি তথা অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ দেৱৰ যি দিহা পৰামৰ্শ পাইছিলো তাক পাহৰিব নোৱাৰো। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ সমূহ অধ্যাপক অধ্যাপিকা লগতে কৰ্মচাৰী বৃন্দই যি সহায় আগ বঢ়ালে তাৰ বাবে তেখেত সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। তাৰোপৰি ছাত্ৰ একতা সভাৰ উপসভাপতি শ্ৰীনৱজ্যোতি গোহাঁই আৰু অন্যান্য সদস্য তথা ছাত্ৰ-ছাত্ৰী বন্ধু বান্ধৱী সকলে মোৰ কাৰ্য্যকালত যি সহায় উদ্দীপনা আগ বঢ়ালে তাৰ বিনিময়ত তেওঁলোকৰ প্ৰতি মোৰ নৰম চেনেহ সদায় থাকিব।



সদৌ শেষত মোৰ অজানিতে হোৱা দোষ ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা জনাই আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি সম্পাদকীয় কলেবৰ সামৰণি মাৰিলো।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম।

শ্ৰীপলাশ শইকীয়া
সাধাৰণ সম্পাদক
ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
১৯৯৩–৯৪

"শিক্ষা অকল মানসিক বা বুদ্ধিজ্ঞান চৰ্চ্চাত আৱদ্ধ থাকিলেই প্ৰকৃত শিক্ষা নহয়। শিক্ষা নৈতিক আৰু দৈনিক জীৱনৰ লাগতিয়াল অৰ্থাৎ আধ্যাত্মিক আৰু সাংসাৰিক জীৱন যাত্ৰাৰ কাৰ্য্যবোৰৰ সহায়ক হব লাগে।"
— লক্ষ্মীনাথ বেজবৰুৱা



# ॥ সাধাৰণ খেল বিভাগৰ প্ৰতিবেদন ॥

মোৰ সম্পাদকীয় প্ৰতিবেদনৰ পাতনিতে স্বদেশ আৰু স্ব জাতিৰ হকে বুকুৰ শোণিত নিগৰাই অথবা আইৰ বুকু শুদা কৰি জীৱন আহুতি দিয়া বীৰ শ্বহীদ সকলৰ পবিত্ৰ আত্মাক শ্ৰদ্ধাৰে সুঁৱৰিছো ।

১৯৯৩ — ৯৪ চনৰ বাবে ডিব্ৰু মহাবিদ্যালয়ৰ সাধাৰণ খেল বিভাগৰ সম্পাদক হিচাপে মই বিনা প্ৰতিদন্দিতাৰে নিৰ্বাচিত হৈছিলো ।

কাৰ্য্যভাৰ লোৱাৰ পাছতেই আমাৰ ২৯তম মহাবিদ্যালয় সপ্তাহ অতি ক্ষীপ্ৰভাৱে আৰম্ভ হয় যদিও প্ৰতিযোগিতাত প্ৰতিযোগী সকলৰ খেলুৱৈ সুলভ মনোভাৱৰে সঁচাকৈ আমাক প্ৰেৰণা যোগাইছিল । এই প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ভালেমান খেলুৱৈয়ে ব্যক্তিগত খেলত যোগদান কৰি সফল হ'ব নোৱাৰিলেও উন্নত মানৰ খেল প্ৰদৰ্শন কৰিব পাৰিছিল ।

মোৰ কাৰ্য্য কালত অনুষ্ঠিত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহৰ খেল ধেমালিত সফলতা অৰ্জন কৰা খেলুৱৈ সকলৰ নাম আৰু প্ৰতিযোগিতা কৰা খেল সমূহ উল্লেখ কৰা হল ।

### ৪ × ৪০০ মিটাৰ ৰিলেৰেচ

ল'ৰাৰ

প্ৰথম গ্ৰুপ (১) শ্ৰী দেৱানন্দ গোঁহাই
(২) ,, চন্দ্ৰকান্ত সোনোৱাল ।
(৩) ,, ঘনকান্ত শইকীয়া ।
(৪) ,, শৈলেন কুলি ।

দ্বিতীয় গ্ৰুপ (১) শ্ৰী হেমন্ত হাজৰিকা ।
(২) ,, জোন বৰা ।
(৩) ,, অমল ঘৰফলীয়া ।
(৪) ,, টনুৰাম টাই ।

তৃতীয় গ্ৰুপ (১) শ্ৰীজিতু প্ৰসাদ গগৈ ।
(২) ,, ভূপেন গগৈ ।
(৩) ,, জেমছ ।
(৪) ,, সৈত্যেন্দ্ৰ বৰা ।

### ১০০ মিটাৰ দৌৰ

লৰাৰ

প্ৰথম শ্ৰীহেমন্ত হাজৰিকা
দ্বিতীয় " বিৰাজ চুৰৰা ।
তৃতীয় " মৃদুল হাজৰিকা ।

ছোৱালী

প্ৰথম শ্ৰীমতী স্বপ্না দলে
দ্বিতীয় " প্ৰণিতা মিলি
তৃতীয় " বিনিতা ফুকন

### ৪০০ মিটাৰ দৌৰ

লৰাৰ

প্ৰথম শ্ৰীটনুৰাজ টাই
দ্বিতীয় " শৈলেন কুলি
তৃতীয় " দেৱানন্দ গোহাঁই

ছোৱালীৰ

প্ৰথম শ্ৰীমতী প্ৰনিতা মিলি
দ্বিতীয় " স্বপ্না মিলি
তৃতীয় " বিনিতা ফুকন



### ডিচকাচ দলিওৱা

লৰাৰ

প্ৰথম শ্ৰীমহেন্দ্ৰ পেগু
দ্বিতীয় " হেমন্ত হাজৰিকা
তৃতীয় " দেবকান্ত গগৈ

ছোৱালীৰ

প্ৰথম শ্ৰীমতী ববিতা টাই ।
দ্বিতীয় " কবিতা দেউৰী ।
তৃতীয় " স্বপ্না দলে ।

### চটফুটৰ ফলাফল

লৰাৰ

প্ৰথম — শ্ৰীমহেশ পেগু
দ্বিতীয় — ,, সঞ্জীৱ গগৈ
তৃতীয় — ,, প্ৰনৱ কুমাৰ মিলি

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী স্বপ্না দলে ।
দ্বিতীয় — ,, ববিতা টাই
তৃতীয় — ,, ৰঞ্জিতা দেউৰী

### দীঘল জাম্প

লৰাৰ

প্ৰথম — শ্ৰীবিৰাজ চুৰৰা ।
দ্বিতীয় — ,, মনোজ গগৈ
তৃতীয় — ,, মহেশ পেগু

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী স্বপ্না দলে ।
দ্বিতীয় — ,, ববিতা টাই
তৃতীয় — ,, নিজৰা সোনোৱাল

### ১৫০০ মিটাৰ দৌৰ

লৰাৰ —

প্ৰথম — শ্ৰীটনুৰাম টাই ।
দ্বিতীয় — ,, শৈলেন কুলি
তৃতীয় — ,, ঘনকান্ত শইকীয়া

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী প্ৰণিতা মিলি ।
দ্বিতীয় — ,, স্বপ্না দলে
তৃতীয় — ,, নিজৰা সোনোৱাল

### জেভলিন দলিওৱা

লৰাৰ

প্ৰথম — শ্ৰীমহেশ পেগু ।
দ্বিতীয় — ,, লক্ষীনাৰ্থ পেগু
তৃতীয় — ,, হেমন্ত হাজৰিকা

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী ববিতা টাই ।
দ্বিতীয় — ,, স্বপ্না দলে
তৃতীয় — ,, কৰিতা দেউৰী

### ২০০ মিটাৰ দৌৰ

লৰাৰ

প্ৰথম — শ্ৰীসুকুমাৰ টাই ।
দ্বিতীয় — ,, শৈলেন কুলি
তৃতীয় — ১) শ্ৰীঘনকান্ত শইকীয়া
২) ,, টনুৰাম টাই

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী ববিতা টাই ।
দ্বিতীয় — ,, প্ৰণিতা মিলি
তৃতীয় — ,, বিনিতা ফুকন

### ৮০০ মিটাৰ দৌৰ

লৰাৰ

প্ৰথম — শ্ৰীটনুৰাম টাই ।
দ্বিতীয় — ,, সুকুমাৰ টাই
তৃতীয় — ,, শৈলেন কুলি

ছোৱালীৰ

প্ৰথম — শ্ৰীমতী প্ৰণিতা মিলি ।
দ্বিতীয় — ,, স্বপ্না দলে
তৃতীয় — ,, বিনিতা ফুকন

ওখ জাম্প

লৰাৰ

প্ৰথম — শ্ৰীমহেশ পেগু।

দ্বিতীয় — ,, অমল ঘৰফলীয়া

ওখ জাম্প

ছোৱালীৰ —

প্ৰথম — শ্ৰীমতী কবিতা দেউৰী।

দ্বিতীয় — ,, ,, বিনীতা ফুকন

তৃতীয় — ,, ,, স্বপ্না দলে

পূৰবী গোহাঁই

(Go as you like) ভেশচন প্ৰতিযোগিতা

প্ৰথম — শ্ৰীমতী পূৰবী গোহাঁই

দ্বিতীয় — ,, ,, চিত্ৰা সোনোৱাল।

তৃতীয় — ,, ভাস্কৰ বন্ধ্যউপাধ্যায়।

ছোৱালীৰ চাইকেল ৰেচ —

(বৰবৰুৱাৰ পৰা ডিব্ৰুমহাবিদ্যালয়লৈ)

প্ৰথম — শ্ৰীমতী প্ৰণিতা মিলি

দ্বিতীয় — ,, ,, বাবলী হাজৰিকা

তৃতীয় — ,, ,, সুস্মীতা গগৈ

চতুৰ্থ — ,, ,, নমিতা শইকীয়া।

মাৰাথন ৰেচ (লৰাৰ)

(বৰবৰুৱাৰ পৰা ডিব্ৰুমহাবিদ্যালয়লৈ)

১) শ্ৰীচুৰেশ্বৰ দিহিঙ্গীয়া

২) ,, শৈলেন কুলি।

৩) ,, সুকুমাৰ টাই।

৪) ,, ঘনকান্ত শইকীয়া।

৫) ,, বিজয় সোনোৱাল।

৬) ,, ধৰ্মেন্দ্ৰ গোহাঁই।

৭) ,, যতিন দিহিঙ্গীয়া।

৮) ,, জয়ন্ত নেওগ।

৯) ,, প্ৰনৱ দিহিঙ্গীয়া।

১০) ,, জুন বৰা।

১১) ,, বিজয় গগৈ।

১২) ,, বিশ্বজিৎ পেগু।

১৩) ,, জিতু প্ৰসাদ গগৈ।

১৪) ,, নিলুটপল বৰুৱা।

১৫) ,, বৰো কান্ত গগৈ।

১৬) ,, দীপ কুমাৰ সোনোৱাল।

১৭) ,, শৈলেন্দ্ৰ কুমাৰ বৰা।

১৮) ,, ভূপেন গগৈ।

১৯) ,, পাপু শইকীয়া।

২০) ,, মাৰাদোনা জুংগা।

উপৰুক্ত প্ৰতিযোগী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালত মই বৰবৰুৱাৰ পৰা ডিব্ৰু মহাবিদ্যালয়লৈ মাৰাথন (ল'ৰা) আৰু চাইকেল ৰেচ (ছোৱালী) প্ৰতিযোগিতা পাতিছিলো। কিন্তু দুখৰ বিষয় তাত বহুত কম সংখ্যক প্ৰতিযোগীয়েহে ভাগ লৈছিল। আৰু এটা দুখৰ বিষয় যে মোৰ কাৰ্য্যকালত Inter College খেল নহ'ল। এজন ভাল খেলুৱৈৰ বাবে এইটো বৰ দুখৰ খবৰ।

মোৰ কাৰ্য্যকালত সকলো প্ৰকাৰে সহায় সহযোগ তথা দিহা পৰামৰ্শ দি সাধাৰণ খেল বিভাগৰ দায়িত্বত থকা মাননীয় উপদেষ্টা মহোদয় শ্ৰীযুত প্ৰদীপ চেতিয়া ফুকন আৰু শ্ৰীযুত মহেশ কুমাৰ জৈন চাৰৰ ওচৰত চিৰ কৃতজ্ঞ। লগতে বন্ধু নীলোৎপল, জিন্তু, জিতু, সুমিধৰ, পাপু, ধৰ্মেন্দ্ৰ, প্ৰণিতা, সুভি, মদন, কিশোৰ, মানস, ভাই, গীতুল, বিৰাজ, মিলি, সোনোৱাল, বন্তি-(মইনা) অঞ্জন, আৰু অনেক বন্ধু-বান্ধৱী সকলক আন্তৰিকতাৰে ধন্যবাদ জনইছো।

শ্ৰীমৃদুল হাজৰিকা।
সাধাৰণ খেল বিভাগৰ
সম্পাদক।



# ॥ সমাজ সেৱা বিভাগৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰম্ভণিতে ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা অধ্যাপিকা প্ৰমুখ্যে মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী বৃন্দ তথা ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো। যি সকলে অসম মাতৃৰ কাৰণে তেওঁলোকৰ প্ৰাণ ত্যাগ কৰিলে সেই সকল শ্বহীদলৈ মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

ডিব্ৰু-মহাবিদ্যালয়ৰ যি সকল বন্ধু-বান্ধৱীৰ সহায় সহযোগিতাত মই সমাজ সেৱা বিভাগৰ কাৰ্য্যভাৰ চলাই যাব পাৰিলো তেওঁলোকলৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিনৰ পাছতেই আমাৰ মহাবিদ্যালয়ত পূৰ্বৰে পৰা চলি অহা "বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয় ১৯৯৪ চনৰ ১৯ জানুৱাৰীৰ পৰা ২৫ জানুৱাৰী লৈকে। এই ২৯ তম মহাবিদ্যালয় সপ্তাহৰ মোৰ বিভাগৰ কাৰ্য্য আছিল সন্মুখৰ তোৰণ (Gate) সজা আৰু মঞ্চ আটক ধুনীয়াকৈ সজাই তোলা। বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত যি সকল ডিব্ৰুয়ান বন্ধু-বান্ধৱীয়ে বিভিন্ন বিভাগত তেওঁলোকৰ সেৱা-সহযোগ আগ বঢ়ালে তেওঁলোকক তাৰ স্বীকৃতি স্বৰূপে সমাজ সেৱা বিভাগৰ পৰা তেওঁ লোকলৈ একোখনকৈ প্ৰমাণ-পত্ৰ আগবঢ়োৱা হয়।

মহাবিদ্যালয় সপ্তাহ শেষ হোৱাৰ পাছত আমি ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ বিভিন্ন অভাৱ অভিযোগৰ বিষয়ে অলোচনা কৰাৰ লগতে শিক্ষাৰ পৰিবেশৰ কেনেকৈ উন্নতি সাধন কৰিব পৰা যায় তাৰ কাৰণে চেষ্টা চলোৱা হয়। মহাবিদ্যালয়ত প্ৰৱেশ কৰা নৱাগত সকলক ৰেগিঙৰ পৰা ৰক্ষা কৰিবলৈ আৰু ৰেগিঙক শিক্ষানুষ্ঠানৰ পৰা আঁতৰাবলৈ চেষ্টা কৰিছিলো। ইয়াৰ বাবে মহাবিদ্যালয়ৰ বহুতো ছাত্ৰ-ছাত্ৰীৰ আৰু বন্ধু-বান্ধৱী সকলৰ সক্ৰিয় সহায়-সহযোগিতাও স্মৰণীয়।

মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাবে মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ গগৈ দেৱৰ লগত মহাবিদ্যালয় খনত দেখা দিয়া বিভিন্ন অভাৱ তথা উন্নয়ণ মূলক কাম কাজৰ বিষয়ে আলোচনা কৰা হৈছিল। তেখেতৰ দিহা পৰামৰ্শ মতে মহাবিদ্যালয় গৃহ ৰং দিয়া, হোষ্টেল গৃহ ৰং দিয়া, বৃক্ষৰোপণ, মহাবিদ্যালয়ৰ চাৰিওফালে চাফা কৰা আদি মোৰ কাৰ্য্যকালৰ ভিতৰত কৰা কামৰ অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকল, কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰী সকল অহা-যোৱা সুবিধাৰ্থে মহাবিদ্যালয়ৰ ৰাস্তা খলা-বমা বোৰ পূৰ কৰি সমান কৰি চাফা ৰখা হৈছিল।

প্ৰতিবেদনৰ শেষত শলাগৰ শৰাই যাচিলো এই সকললৈ :— ছাত্ৰ একতা সভাৰ সভাপতি তথা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰ গগৈ। শ্ৰীযুত এ. ন. চাহায়, হেম চুতীয়া, প্ৰদীপ চেতীয়া ফুকন, শ্ৰীযুতা ৰূপজ্যোতি বৰা ছাৰ, বাইদেউ সকললৈ।

কাৰ্য্যকালৰ আৰম্ভণিৰপৰা শেষ পৰ্য্যায়লৈকে যিসকলে বহু কষ্ট, ধৈৰ্য্যৰে মোক সহায় সহযোগিতা আগবঢ়ালে সেই বন্ধু-বান্ধৱীৰ কথা কেতিয়াও পাহৰিব নোৱাৰো — শ্ৰীদ্বিপেন সন্দিকৈ, টুটু বৰশইকীয়া, দিপাঙকৰ কোঁৱৰ, সঞ্জীৱ বৰগোহাঁই, ৰাজু হাজৰিকা, দিলীপ হাজৰিকা, ভাই সোনোৱাল, নীলিম দাস, (নিকু,) অনিৰ্বান সোনোৱাল, নিৰঞ্জন ৰাজখোৱা, পৱন গগৈ, মনটো সোনোৱাল। বান্ধৱী —সুকন্যা শইকীয়া, পদ্মা সোনোৱাল, হাচনা সোনোৱাল, ৰিমা শইকীয়া, মণি সোণোৱাল, ভাৰতী সোনোৱাল ইত্যাদি। এই সকলে মোক যি সহায় পৰামৰ্শ প্ৰদান কৰিলে তাৰ বাবে মই সকলোৰে ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম।

সৰ্বশেষত ছাত্ৰ একতা সভাৰ উন্নতি কামনা কৰাৰ লগতে ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি পুনৰ সকলোলৈ মোৰ আন্তৰিক ধন্যবাদ দিলো।

শ্ৰীচিণ্টু সোনোৱাল; সম্পাদক
সমাজ সেৱা বিভাগ।
জয়তু ডিব্ৰু মহাবিদ্যালয়
জয় আই অসম

"ৰাতি যিমান কঠিন হব, প্ৰভাত সিমানেই উজ্জ্বল হব। চাৰিওফালৰ পৰা আন্ধাৰে আৱৰি ধৰিলেও ভয় নকৰিবা, প্ৰভাত হবই"।

—জ্যোতিপ্ৰসাদ—



# ডিব্ৰু মহাবিদ্যালয়ৰ 'নবীন' গোটৰ সম্পাদকীয়।

অসমৰ নবীন লেখক-লেখিকা আৰু শিল্পী-সংস্কৃতিবান লোকক অনুপ্ৰেৰণা প্ৰদান কৰাৰ উদ্দেশ্যে সদৌ অসম নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিৰ জন্ম হৈছিল। সাহিত্যৰ প্ৰতি অনুৰাগ থকা ছাত্ৰ-ছাত্ৰী সকলক তেওঁলোকৰ সাহিত্যিক প্ৰতিভা বিকশাই তোলাত নবীন লেখক-লেখিকা আৰু শিল্পী সমিতিয়ে প্ৰধান ভূমিকালৈ আহিছে। সেই মহান উদ্দেশ্য প্ৰনোদিত হৈ আমি কেইজন মান ছাত্ৰই ডিব্ৰু মহাবিদ্যালয়ৰ 'নবীন' গোট গঠন কৰিছিলো ২৮ জানুৱাৰী ৯৪ তাৰিখে। এই গোট গঠন সম্ভৱপৰ নহল হেঁতেন যদিহে অধ্যক্ষ মহোদয় শ্ৰীযুত মহেন্দ্ৰ গগৈৰ পৰা আশাব্যঞ্জক অনুপ্ৰেৰণা নাপালোহেঁতেন। সেয়েহে তেখেতক আমি শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিছো।

মই আহি বৰ দুখজনক ভাৱে এটা কথা স্বীকাৰ কৰিব লাগিব যে আমি যি মহান লক্ষ্য আৰু উদ্দেশ্য আগত ৰাখি এই গোট গঠন কৰিছিলো। সেই লক্ষ্য আৰু উদ্দেশ্যত আমি তিলমানো সফল হ'ব নোৱাৰিলো। তাৰ কাৰণ বিচাৰিলে অৰ্থৰ অভাৱেই ডাঙৰ কাৰণ হ'ব। তথাপিও আমি হতাশ নহৈ সেই সংকট জনক অৱস্থাতেই যোৱা ইং ২৮.২.৯৫ তাৰিখে অনুষ্টুপীয়াকৈ হলেও এখনি সাহিত্য কৰ্মশালাৰ আয়োজন কৰিছিলো। এই কৰ্মশালাত আমি ভালেকেই জন প্ৰবীন-নবীন কবি সাহিত্যিকক নিমন্ত্ৰন কৰিছিলো। তাৰ ভিতৰত ডঃ কবীন ফুকন, ৰিপন মেধি উল্লেখযোগ্য আছিল। ডঃ কবীন ফুকনে উক্তকৰ্মশালাত আধুনিক কবিতাৰ ওপৰত এক সাৰগৰ্ভ আলোকপাত কৰিছিল। উক্তকৰ্মশালাত ছাত্ৰ ছাত্ৰীৰ উপস্থিত আশানুৰূপ আছিল। আমি অনুভৱ কৰিছিলো যে এই অনুস্থানে ছাত্ৰ ছাত্ৰীৰ মন আকৰ্ষণ কৰিব পাৰিছে। অলপ মান হলেও আমি সফল হব পাৰিছোযেন লাগিছিল।

মোৰ এই চুটি কাৰ্য্যকালত মোক দিহা-পৰামৰ্শ আগবঢ়াই কাৰ্য্যক্ৰমনিকা চলাই যোৱাত প্ৰেৰণা যোগোৱা মাননীয় অধ্যাপক তথা উপদেষ্টা বিৰেণ বৰুৱা, চন্দ্ৰগুপ্ত বৰা, প্ৰদীপ চেতিয়া ফুকন দেৱলৈ শ্ৰদ্ধাৰে কৃতজ্ঞতা জ্ঞাপন কৰিলো। ইয়াৰ উপৰিও মোক বিভিন্ন ক্ষেত্ৰত সহায় আগবঢ়োৱাৰ বাবে বন্ধু গিতুল, ধৰ্মেন্দ্ৰ, গিৰিণ, যতিনদা প্ৰণবদা, নৱদা, দয়াদা, প্ৰশান্তদা, নিকুদা; মিনতীবা, মনিষাবা, লুচিবা, জেচমিনাবা আৰু বিজুবালৈ ধন্যবাদ জনালো।

শেষত আমাৰ অসম্পূৰ্ণখিনি দ্বিতীয় 'নবীন' গোটেই সম্পূৰ্ণ কৰিব বুলি আশা কৰিলো।

ইতি

অমিয় কুমাৰ বড়া
সম্পাদক; নবীন লেখক-লেখিকা আৰু
শিল্পী সমিতি
ডিব্ৰু মহাবিদ্যালয় গোট

# Ph. D, Awarded



**Mahesh kr. Jain,** lecturer in commerce of our College has been awarded Ph. D degree by Dibrugarh University for his research work entitled "Employment pattern of workers in the Tea gardens of Assam;" A Case study of Dibrugarh District" Dr. Jain carried out this research work under the guidance of Dr. Atul Goswami former professor in economics of Dibrugarh University. Dr. Jain is the son of Mr Gopilal Jain and Ms Kamala Devi Jain of Amguri Town.







নৰজ্যোতি গোহাঁই
(উপ সভাপতি)



পলাশ শইকীয়া
(সাঃ সম্পাদক)



নীলিম কুমাৰ দাস
(আলোচনী সম্পাদক)




মনোজ কুমাৰ গগৈ
(মুখ্য খেল বিভাগৰ সম্পাদক)




মৃদুল হাজৰিকা
(সাধাৰণ খেল বিভাগৰ সম্পাদক)



মাধৱী শইকীয়া
(ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা)



বিশ্বজ্যোতি বৰা
(ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক)



বিপুল দুৱৰা
(শৰীৰ চৰ্চ্চা বিভাগৰ সম্পাদক)



চিন্ত সোনোৱাল
(সমাজ কল্যাণ বিভাগৰ সম্পাদক)




কিশোৰ কুমাৰ গগৈ
ভূপেন মহন
অঞ্জন চেতিয়া
শ্ৰেণী প্ৰতিনিধি



জয় প্ৰকাশ সোনোৱাল
(সাংস্কৃতিক সম্পাদক)

বাতুল ফুকন;
সহঃ সম্পাদক
জিতেন বৰুৱা:
সংগীত বিভাগৰ সম্পাদক

ছবিত অনুপস্থিত



SRI JINTU GOGOI
MR. DIBRU[illegible] : 1994



JITENDRA GOGOI
BEST ACTOR & DIRECTOR




SAMIM AKHTAR BEGAM
BEST ACTRESS, 1994




BIPUL DOWERAH
STRONG MAN &
BEST WEIGHT LIFTER
OF DIBRU COLLEGE, 1994







ANUP PAUL & BISWA JYOTI BORAH
INTER UNIVERSITY REPRESENTATIVE
(BAD MINTON)


KISHOR GOGOI was the Best Boxer of Dibru College in 1994. He is also an active member of "All style karate - Do Association; Assam". He represented the Dibrugarh association several times in the State Championship and won a number of 'Gold medals".



PADMA PRADHAN
CHESS CHAMPION, 1994



SADANANDA DEORI
SENIOR UNDER OFFICER (N.C.C.)



BIJOY KR. DARIG
TABLE TENNIS CHAMPION, 1994

# ॥ শ্ৰেণী বিভাগৰ প্ৰতিবেদন ॥

আৰম্ভণিতেই অসম মাতৃৰ হকে যি সকলে নিজৰ জীৱন আহুতি দিলে, সেই সকল মহান ত্যাগী বীৰলৈ এই সুযোগতে গভীৰ শ্ৰদ্ধাজ্ঞান জনাই আমাৰ বিভাগীয় প্ৰতিবেদনৰ পাতনি মেলিছো।

জয় জয়তে ১৯৯৪ চনৰ ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ শ্ৰেণী প্ৰতিনিধি সম্পাদক হিচাপে যি সকল ছাত্ৰই উক্ত পদত অধিষ্ঠিত কৰিলে সেই সকললৈ আন্তৰিক ধন্যবাদ জনাইছো। উক্ত পদ গ্ৰহণ কৰি আমি কিমান দূৰ সফল হব পাৰিলো তাৰ বিচাৰ সমূহ "ডিব্ৰুয়ান" ৰ হাতত ন্যস্ত কৰিলো। তথাপি আমি শ্ৰেণী সমূহ নিয়মীয়াকৈ পৰিচালনা কৰাত চকু দিছিলো। এই ক্ষেত্ৰত শিক্ষক-শিক্ষয়ত্ৰী আৰু ছাত্ৰ-ছাত্ৰী উভয়ে জগৰীয়া বুলি ভাবো। কাৰণ কেতিয়াবা শিক্ষক সকল থাকিলে ছাত্ৰ-ছাত্ৰী নাথাকে আৰু ছাত্ৰ-ছাত্ৰী থাকিলে শিক্ষকসকল নাথাকে। সাধাৰণতে দেখা যায় আমাৰ মহাবিদ্যালয়ৰ 'বিজ্ঞান' বিষয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাহিৰে কলা আৰু বাণিজ্য বিভাগৰ ছাত্ৰ-ছাত্ৰী সকল ১২ বজাৰ লগে লগে মহাবিদ্যালয়ৰ পৰা গুছি যায়। গতিকে শ্ৰেণী সমূহ ভালকৈ পৰিচালনা কৰাত ছাত্ৰ-ছাত্ৰীৰ মনোযোগ থাকিব লাগিব। তেতিয়াহে আমাৰ শ্ৰেণী সমূহ নিয়মীয়া হব আৰু ভৱিষ্যতে সুফল পাব বুলি আমি ভাবো।

আমাৰ কাৰ্য্যকালছোৱাৰ ভিতৰত অথবা মহাবিদ্যালয়ৰ ছাত্ৰ জীৱনৰ যি কোনো সময়তে আমাৰ অজ্ঞাতে যদি কেতিয়াবা শিক্ষা গুৰু বৃন্দ, আৰু ছাত্ৰ বন্ধু, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী বন্ধু-বান্ধৱী সকলৰ ওচৰত দোষ কৰিছিলো

এই চমু প্ৰতিবেদনৰ যোগেদি তাৰ ক্ষমা বিচাৰিছো।

সদৌ শেষত ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি আৰু উজ্জ্বল ভবিষ্যত কামনা কৰি আমাৰ প্ৰতিবেদনৰ যৱনিকা পেলালো।

"জয় আই অসম"
জয়তু ডিব্ৰু মহাবিদ্যালয়।

১। কিশোৰ কুমাৰ গগৈ।
২। ভূপেন মহন।
৩। অঞ্জন চেতিয়া

# ॥ অনুসন্ধান ॥

যুগুতকাৰী
শ্ৰীনীলিম কুমাৰ দাস। (সম্পাদক)
শ্ৰীকমলা মহন।

কেতিয়াবা নিজে জানিবলৈ কিছুমান কথা যিমান মন যায়, আনকো জনাবলৈ সিমান হেঁপাহ জাগে। এখন মহাবিদ্যালয়ৰ ভিতৰ চ'ৰাৰ বিষয়ে আপুনি কিমান জানে? এই প্ৰশ্নটোৰ উত্তৰ ছাত্ৰ ছাত্ৰী, কৰ্মচাৰী বা শিক্ষাগুৰু সকলেও সামূহিক ভাৱে দিবলৈ গ'লে বহু সময় চিন্তা কৰিব লাগিব পাৰে। সেয়েহে আমি আমাৰ মহাবিদ্যালয়ৰ বৰ্ত্তমান অৱস্থা, শিক্ষাৰ পদ্ধতি, খেলা-ধূলা, যুৱমানসিকতা ছাত্ৰ-ছাত্ৰীৰ অভিযোগ আদি কিছুমান প্ৰাসঙ্গিক বা-বতৰা সুধিবলৈ কেইজন মানৱ ওচৰলৈ গৈ নিজস্বভাৱে কিছুমান প্ৰশ্নৰ অৱতাৰণা কৰি টুকুৰা টুকুৰ উত্তৰ সংগ্ৰহ কৰিছিলো। ইয়াৰ বাদেও আমি মহাবিদ্যালয়ৰ প্ৰাক্তন কেইগৰাকী মানৱ পৰাও এনে প্ৰসংগৰ বাবে হাত মেলিছিলো।

এইবিলাক সংগ্ৰহ কৰিবলৈ যাওঁতে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপিকা জ্যোতি বৰগোহাঁই বাইদেউৱে যি পৰামৰ্শ দিছিল তাৰ বাবে আমাৰ ফালৰ পৰা ধন্যবাদ জনালো।

যি কি নহওক, এই 'অনুসন্ধান' শিতানৰ যোগেদি নিজস্ব অভিব্যক্তি সমূহ কেনেদৰে প্ৰকাশ কৰিব বিচাৰিছে ইয়াত দাঙি ধৰা হ'ল।

—সম্পাদক

প্ৰথমেই আমি প্ৰাক্তন অধ্যক্ষ জামুৱাৰ চাৰলৈ এটি প্ৰশ্ন আগবঢ়াই তেখেতৰ পৰা অভিমত গ্ৰহণ কৰিছিলো---

**Question:** **You managed the office of the college as it's principal for many years. we are very much thank ful to you for that. we are desire to know from you. Do you think there is any change in the college now than in days when you were at the helm of it's office. what advice would you like to give to the students for their improvement.**



**Ans:** Magazine Secretary of the College **Shri N. K. Das** requested me to give my Suggestion for all round development of the College. I joined Dibru College in the year 1963 as founder Principal and was very Closely associated with the process of its development. There was only one Degree College, namely **D. H. S. K.** College in Dibrugarh Town and there was urgent need for an-other College to meet the growing aspirations for higher education. During those days Dibrugarh was the Head-querter of undivided Lakhimpur District.

The initiative for starting the new College was taken by prominent public minded Citizens of Dibrugarh town and a strong working Committee under the presidentship of Late **Dr. Rudra Goswami** was Constituted with broadbased representatives of various Communities. The original name of the College was Dibrugarh College. Later on the College came to be known as Dibru College. With the actual functioning of the college the working Committee was replaced with Adhoc Governing Body of the College under the presidentship of Late Shri **D. Das I. A. S.** then Commissioner of upper Assam District. The College started functioning with Ist year Pre-Degree Arts and Commerce and Ist year B A. Classes in the premises of George Institution. Dibrugarh ( Now known as **B. N. P. H. S. School** ) from the academic session 1963-64. Necessary permission was obtained from the Gauhati University. From the academic session 1964-65 the venue of the College was shifted to premises of Indoor stadium, Dibrugarh. Science stream was added with the opening of Pre-Degree classes in science from the academic year 1965-66. The College later on acquired its own land and gradually constructed the three storyed R. C. C. Building. Assam Type Science Building and a doubled storyed R. C. C. Girls Hostel.

Dibru College, Dibrugarh is now a full fledged multifaculties Degree college with major in almost all important subjects. Dibrugarh University has accorded permanent affilliation to Arts and science section of the college.

The first batch of Teachers who joined the College were really dedicated persons and they worked with missionary zeal without any monetary consideration. Students who got admitted in the college were also very disciplined, sincere and they also participated in the develpment process of the College.

The College made speady growth from year to year and students shown excellant result in various University examinations. It is no wonder that within a very

short duration Dibru College become the darling of the town and it attracted, students from the farflung areas even crossing the geographical limit of the District.

During its adolscene stage the College suffered a temporary set back due to personal ambition of a few persons, which was just a passing phase but with the goodwill of all the college was back on the right trect.

The Present Principal (I/C) of the College Shri M. N. Gogoi and the President of the Governing Body Shri Hari Ram-Sharma are engaging their attention for all round progress of the College. The College has been receiving development grants from the University Grants Commission New Delhi and under the able guidence of it's dyn-amic principal Shri Gogoi the College will grow from Strength to Strength. I call upon the Students and their leaders to give their constructive criticism and co-operation for the healthy growth of the college.

At Present the college academic activities need immediate attention .For this I invoke the teachers. seni or as well as young to take lead in restoring the glory that was Dibrucollege which had become the darling of the students guar-dian and citizen of Dibrugarh town during its early years.

physical development of the institu-tion is a normal process to meet the evergrowing needs of students and teachers but what is more important is to build a healthy tradition and to jealously guard and to Protect it from erosion. To achive this end the college authorities may not hesitate to take even hard decision if situation demands I consider Dibrucollege as my child and so I Pray almighty to grant it prosperity and good name which can come alongwith good scholars and dedicated teachers .

— Bharat Narayan Jamuar
Ex - principal
Dibru college



আমাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰীযুত মহেন্দ্ৰনাথ গগৈৰ স'তে আমি তলৰ কথা কেইটা জানিব খুজিছিলোঁ।

(?) ডিব্ৰু মহাবিদ্যালয়ৰ উন্নতি সাধনাৰ্থে আপুনি কেনে ব্যৱস্থা গ্ৰহণ কৰিছে ?

— ডিব্ৰু মহাবিদ্যালয় খনি ডিব্ৰুগড় জিলাৰ লাহোৱাল বিধান সভা সমষ্টিৰ অন্তৰ্গত। ৰাইজৰ দান বৰঙণি আৰু সহযোগত স্থাপিত এই মহাবিদ্যালয় খনি সমষ্টিটোৰ একমাত্ৰ ৰাজহুৱা অনুষ্ঠান। ১৯৬৩ চনত প্ৰতিষ্ঠিত এই মহাবিদ্যালয় খনিয়ে উত্তৰ পূৰ্বাঞ্চলৰ বিভিন্ন প্ৰান্তৰৰ জিজ্ঞাষু ছাত্ৰ-ছাত্ৰীৰ কলেজীয়া শিক্ষাৰ চাহিদা পূৰণ কৰাত ইন্ধন যোগাই আহিছে। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ত কলা বিজ্ঞান আৰু বাণিজ্য এই তিনিওটা শাখাৰে শিক্ষাদানৰ ব্যৱস্থা আছে।

আমাৰ মহা বিদ্যালয় খনিৰ জন্ম লগ্নৰ উক্‌মুকনিৰ লগত বহুজনৰ চিন্তা—চৰ্চা, দিহা-পৰামৰ্শ, ত্যাগ আৰু আহোপুৰুষাৰ্থ বিজড়িত হৈ আছে। এই মুহূৰ্ত্তত আমাৰ মন-লৈ আহিছে সেই সময়ৰ ডিব্ৰুগড় জিলাৰ মাননীয় উপায়ুক্ত ধৰ্মানন্দ দাস, অসম চিকিৎসা মহাবিদ্যালয়ৰ দক্ষ চিকিৎসক ডাঃ ৰুদ্ৰ গোস্বামী আদি নমস্য ব্যক্তি সকলৰ সহায় সহ-যোগিতাৰ কথাবোৰ। এই মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ বি. এন. জামুৱাৰ আৰু প্ৰতিষ্ঠাপক উপাধ্যক্ষ শ্ৰীযুত নন্দলাল বৰগোহাঁই দেৱৰ কৰ্মতৎপৰতাৰ কথাবোৰো আমাৰ মনলৈ আহিছে। শিক্ষক- শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আৰু কলেজ পৰিচালনা সমিতিৰ কথাবোৰ নকলোৱেইবা ! এক কথাত কবলৈ গ'লে সকলোৰে ঐকান্তিক প্ৰচেষ্টাত প্ৰগতিৰ গতি খেদি উত্তৰণৰ পথত অগ্ৰসৰ হৈছে আমাৰ আপোন ডিব্ৰু মহাবিদ্যালয় খনি।

উক্ত মহাবিদ্যালয়ত শিক্ষক হিচাপে নিযুক্ত হোৱাৰ তাৰিখৰ পৰাই সকলোৰে লগতে আমিও শিক্ষানুষ্ঠানটিৰ শৈক্ষিক দিশৰ লগতে অন্যান্য দিশৰ উন্নয়নৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত হৈ আহিছোঁ। সম্প্ৰতি ১৯৯২ চনৰ আগষ্ট মাহৰ পৰা আমি এই মহাবিদ্যালয়ৰ ভাৰ-প্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্বাহ কৰি আছোঁ। সকলোৰে সহযোগত মহাবিদ্যালয় খনিক আগুৱাই নিয়াৰ বাবে বৰ্ত্তমান গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ বিষয়ে কিছু কথা সদৰি কৰোঁ :—

প্ৰথমে শৈক্ষিক দিশৰ কথাকে কওঁ। যোৱা শিক্ষা-বছৰৰ পৰা "কম্পিউটাৰ বিজ্ঞান" আৰু "ভূ-তত্ত্ব বিজ্ঞান" এই বিষয় দুটাৰ উচ্চতৰ মাধ্যমিক স্তৰলৈকে পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ ভিতৰতে পোন প্ৰথমে আমাৰ মহাবিদ্যালয়তে এই বিষয় দুটাৰ শিক্ষাদানৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ যোগেদি পূৱাঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকল উপকৃত হ'ব বুলি আমি আশা ৰাখিছোঁ। এই দুয়োটা বিষয়ৰে পাঠদান পৰ্য্যায় ক্ৰমে স্নাতক মহলালৈকে সম্প্ৰসাৰণ কৰাৰ কথাও ভৱা হৈছে। অহা শিক্ষা বছৰৰ পৰা 'পৰিসংখ্যা' আৰু 'সমাজ বিজ্ঞান'ৰ পাঠ্যক্ৰম আৰম্ভ কৰাৰ বিষয়েও গুণা-গঁথা কৰা হৈছে। শিক্ষাদানৰ চাহিদা পূৰণাৰ্থে কেইবাটাও বিষয়ৰ বাবে তদৰ্থ ভিত্তিত শিক্ষক নিযুক্তি দি অনুমোদনাৰ্থে আৰু পদমঞ্জুৰ কৰণাৰ্থে উৰ্দ্ধতম কৰ্ত্তৃপক্ষৰ লগত যাৱতীয় যোগাযোগ কৰি থকা হৈছে। তদুপৰি অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ ছাত্ৰীৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত আমাৰ মহাবিদ্যালয়ত অনতিপলমে "REME-DIAL COURSE" মুকলি কৰা হ'ব। ইয়াৰ যোগেদি আমাৰ ছাত্ৰ-ছাত্ৰীসকল নিশ্চয় লাভৱান হ'ব।

কায়িক দিশত গ্ৰহণ কৰা ব্যৱস্থা সমূহৰ ভিতৰত কব পাৰি যে মহাবিদ্যালয় খনিৰ অভাৱ সমূহ দূৰ কৰিবৰ বাবে পাৰ্য মানে অবিৰত ভাৱে প্ৰচেষ্টা চলাই থকা হৈছে।

সদ্যহতে "ছাত্ৰী নিৱাস" নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈছে। যোৱা ২০/১১/৯৩ তাৰিখে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ইয়াৰ দ্বাৰ উদঘাটন কৰিলে। অৱশ্যে চাৰিও ফালে পকীবেৰা দিয়াৰ ব্যৱস্থা কৰিব নোৱাৰাত ছাত্ৰী নিবাসটো ব্যৱহাৰৰ বাবে মুকলি কৰি দিব পৰা নাই। কিন্তু ইতিমধ্যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ৰাজ্যিক লটাৰী পুঁজিৰপৰা এক লাখ টকা অনুদান আগবঢ়াইছে আৰু উক্ত টকাৰেই ছাত্ৰী নিবাসৰ চাৰিওফালে পকী বেৰা দিয়া কাম আৰম্ভ কৰা হৈছে। এই কাম সম্পূৰ্ণ হলেই ছাত্ৰী নিবাসটো আবাসীৰ বাবে মুকলি কৰিব পৰা হ'ব। তদুপৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৮ম পৰিকল্পনাৰ শ্ৰেণীকোঠা সম্প্ৰসাৰণ আঁচনিৰ অধীনত আৰ্থিক অনুদান এটিও ইতিমধ্যে লাভ কৰা হৈছে আৰু অনতিপলমে নিৰ্মাণকাৰ্য্য আৰম্ভ কৰা হ'ব। আমাৰ মহাবিদ্যালয়ৰ ৰসায়ন বিভাগে দিয়া দিহামতে উক্ত বিভাগটো কিছু পৰিমানে হ'লেও ন-সাজত সজাই তোলা হৈছে। আহল-বহল ভাবে "চাইকেল ষ্টেণ্ড" এটা ইতিমধ্যে সজোৱা হৈছে। 'প্ৰেক্ষাগৃহ' নিৰ্মাণৰ কামো পূৰ্ণ গতিত চলি আছে। মহাবিদ্যালয়ৰ গৃহ সম্প্ৰসাৰণৰ বাবে সহযোগিতা বিচাৰি অসম শাখা ভাৰতীয় চাহ সন্থাৰ লগতো যোগাযোগ কৰা হৈছে।

প্ৰসঙ্গক্ৰমে উল্লেখ কৰোঁ যে মহাবিদ্যালয়লৈ সোমাই অহা পথছোৱা পকীকৰণাৰ্থে বিভিন্ন প্ৰকাৰে যোগাযোগ কৰাৰ ফলশ্ৰুতিত ১৯৯৩ চনৰ নৱেম্বৰ মাহত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জনোৱা চূড়ান্ত অনুমোদন সাপেক্ষে পথছোৱা পকীকৰণ হোৱাত দীৰ্ঘ দিনীয়া অসুবিধা এটা দূৰ হ'ল।

মূলকথা — মহাবিদ্যালয় খনিৰ এগৰাকী অতন্দ্ৰ প্ৰহৰী হিচাপে আমি ইয়াৰ ৰক্ষণা-বেক্ষণ আৰু উত্তৰোত্তৰ উন্নতিকল্পে অবিৰত প্ৰচেষ্টা চলাই গৈছোঁ। এই ক্ষেত্ৰত মহাবিদ্যালয় খনিৰ পৰিচালনা সমিতি, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা সহৃদয় ৰাইজৰ অকুণ্ঠ সহায়-সহযোগিতা হ'ব আমাৰ যাত্ৰা পথৰ পাথেয়।



(?) বৰ্ত্তমান শিক্ষাৰ ক্ষেত্ৰত আপোনাৰ মন্তব্য কি ?

বৰ্ত্তমান শিক্ষাৰ দিশত আমাৰ ব্যক্তিগত মন্তব্য হ'ল যে বৰ্ত্তমান শিক্ষাৰ্থী আৰু শিক্ষকৰ মাজত সমন্বয় আৰু কৰ্ম সংস্কৃতিৰ অভাৱ প্ৰকট হৈ পৰিছে। ছাত্ৰ সকলে যেনেকৈ অধ্যয়ন কৰিব লাগে তেনেকৈ কৰা নাই; অন্যহাতে শিক্ষকেও যথোপযুক্ত ভাৱে পাঠদান কৰিবলৈ আগ বাঢ়ি অহা নাই। কিন্তু ইয়াৰ বাবে কেৱল যে ছাত্ৰ আৰু শিক্ষকেই জগৰীয়া এনে নহয়। সামগ্ৰিক ভাৱে আমাৰ সমাজ খনো ইয়াৰ বাবে সমানেই জগৰীয়া কাৰণ শিক্ষা ব্যৱস্থাটো সমাজ ব্যৱস্থাৰেই অঙ্গ মাথোন।

বৰ্ত্তমান সমাজ ব্যৱস্থাৰ গতি, প্ৰকৃতি আৰু স্থিতিৰ বিষয়ে বোধ হয় উল্লেখ নকৰিলেও হ'ব! সমাজৰ সকলো স্তৰতে আজি দুৰ্নীতিৰ পোহাৰ। কেৱল টকাৰেই সকলো কৰিব পাৰি বুলি বদ্ধমূল ধাৰণা এটাই ইতিমধ্যে গা কৰি উঠিছে। গুণী জ্ঞানী বিদ্বান জনতকৈ ধনবান জনকহে অধিক প্ৰাধান্য দিয়াটো পৰিলক্ষিত হৈছে। ইয়াৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱ শিক্ষা জগতৰ ওপৰতো নপৰাকৈ থকা নাই। ছাত্ৰ ছাত্ৰী সকলে তেওঁলোকে গ্ৰহণ কৰা শিক্ষা আৰু বাস্তৱত ইয়াৰ প্ৰায়োগিক দিশত আকাশ পাতাল প্ৰভেদ দেখিবলৈ পাইছে; তেওঁলোকে যথোচিত ধৰণে শিক্ষা আহৰণৰ প্ৰতি আগ্ৰহশীল হোৱা নাই। ফলত প্ৰতিযোগিতা মূলক পৰীক্ষা বোৰত তেওঁলোক অৱত্তীৰ্ণ হোৱা নাই কিম্বা অৱত্তীৰ্ণ হ'লেও সন্তোষজনক ফলাফল প্ৰদৰ্শন কৰিব পৰা নাই। উপযুক্ত নাগৰিক হিচাপে নিজৰ জীৱন গঢ় দিবলৈ হ'লে শ্ৰমৰ মৰ্য্যদা উপলব্ধি কৰি এক কৰ্মসংস্কৃতি গঢ়ি তোলাৰ প্ৰতি আগ্ৰহশীল হ'ব লাগিব। "যোগ্য ভোগ্য বসুন্ধৰা" বুলি কথা এষাৰো আছে। আমি অত্যন্ত আশাবাদী। আমাৰ ছাত্ৰ-শিক্ষক; শিক্ষা জগতৰ লগত প্ৰতিজন ব্যক্তিয়ে আৰু সামগ্ৰিক ভাৱে সমাজৰ প্ৰতিজন ব্যক্তিয়েই নিৰ্মহ ভাৱে আত্মবিশ্লেষণ কৰি দোষ বোৰ ত্যাগ কৰাৰ লগতে সকলো স্তৰতে এক কৰ্মসংস্কৃতিৰ বীজ ৰোপন কৰিব পাৰিলে আমাৰ সমাজ, দেশ তথা জাতিৰ মূল আৰু প্ৰাথমিক সম্পদ "মানৱ সম্পদ" সৃষ্টিৰ বুনিয়াদ যে শক্তিশালী হ'ব ইয়াত সন্দেহ নাই।

শ্ৰীযুত মহেন্দ্ৰ নাথ গগৈ
অধ্যক্ষ।

বৰ্ত্তমান শিক্ষা ব্যৱস্থাৰ ওপৰত আমি তলৰ প্ৰশ্নটো কৰিছিলো উপাধ্যক্ষ শ্ৰীযুত ভূপেন্দ্ৰ নাথ বুঢ়াগোহাঁই দেৱক।

প্ৰশ্নঃ বৰ্ত্তমান আপুনি আমাৰ সহকাৰী অধ্যক্ষ। সেইবাবে আমি আপোনাৰ পৰা জানিব বিচাৰো যে, বৰ্ত্তমান শিক্ষা ব্যৱস্থাই অসমৰ মহাবিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰী সকলৰ শিক্ষাৰ দিশত বিশেষ উন্নতি সাধন কৰিছে বুলি আপুনি ভাবেনে? আৰু আপুনি কেনে ধৰণৰ শিক্ষা ব্যৱস্থাক অধিক দৰকাৰী বুলি ভাৱে?

উত্তৰ:— শিক্ষাৰ উদ্দেশ্য হৈছে জ্ঞান আহৰণ কৰি নিজকে সমাজৰ উন্নতি সাধনৰ কাৰণে উপযুক্ত ব্যক্তি কৰি তৈয়াৰ কৰা। বৰ্ত্তমান অসমান অসমৰ মহাবিদ্যালয় সমূহত ছাত্ৰ ছাত্ৰী সকলক প্ৰদান কৰি থকা শিক্ষাবিলাক হৈছে বিজ্ঞান, কলা, বাণিজ্য, চিকিৎসা ( Medical ) পশুচিকিৎসা, কৃষি, কাৰিকৰি শিক্ষা ( Engineering ), আইন, আৰু সাংবাদিকতা (Journalism ) আদিয়ে প্ৰধান। এই শিক্ষা বিলাক আহৰণ কৰি আমাৰ ছাত্ৰ-ছাত্ৰী সকলে নিজকে উপযুক্ত কৰি আমাৰ সমাজখন উন্নতি সাধন কৰিছে বুলিয়েই মোৰ বিশ্বাস।

যি শিক্ষাই ছাত্ৰ-ছাত্ৰী সকলক উপযুক্ত নাগৰিক কৰি সমাজব্যৱস্থা উন্নতি সাধন কৰিব পাৰে তেনে শিক্ষা ব্যৱস্থাক দৰকাৰী বুলি বিবেচনা কৰা হয়। এই ক্ষেত্ৰত বিজ্ঞান, কলা বা বাণিজ্য বিষয়ক শিক্ষা বুলি কোনো পাৰ্থক্য নাই।

শ্ৰীভূপেন্দ্ৰ নাথ বুঢ়াগোহাঁই
উপাধ্যক্ষ; ডিব্ৰু মহাবিদ্যালয়

আপোনালৈ ধন্যবাদ। ইয়াৰ পাছতে আমি নৃতত্ব বিভাগৰ মূৰব্বী অধ্যাপক শ্ৰীযুত হেম চুতীয়াক লগ ধৰি এই প্ৰশ্নটি কৰো।

প্ৰশ্নঃ— নৃতত্ব বিভাগটো ( Anthropology ) আমাৰ মহাবিদ্যালয়ৰ এটা গুৰুত্বপূৰ্ণ বিষয়। নৃতত্ববিভাগত Major খুলিবলৈ আপুনি কেনেকুৱা চেষ্টা চলাইছে।

উত্তৰ —: আমাৰ মহাবিদ্যালয়ৰ বিজ্ঞান আৰু কলা শাখাৰ সকলো বিষয়তে Major আছে। যদিও নৃতত্ব বিষয়টো কলা আৰু বিজ্ঞান এই দুয়োটা শাখাতে অন্তৰ্ভুক্ত ইয়াৰ গুৰুত্বলে লক্ষ্য কৰি অহা শিক্ষা বছৰৰ পৰা নৃতত্ব বিষয়ত Major খুলিবৰ কাৰণে কলেজ কতৃপক্ষই ইতিমধ্যে বিশ্ববিদ্যালয়লৈ মাচুল আদি দি আবেদন কৰিছে। বিশ্ববিদ্যালয় কতৃপক্ষই অনুমতি প্ৰদান কৰিলেই অহা শিক্ষাবছৰৰ ( ১৯৯৫-৯৬ ) পৰা নৃতত্ব বিষয়ৰ Major ৰ পাঠদান আৰম্ভ কৰা হব।

অধ্যাপক হেম চুতীয়া
মূৰব্বী; নৃতত্ব বিভাগ
ডিব্ৰু মহাবিদ্যালয়

প্ৰশ্ন—: বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ত শিক্ষাৰ ব্যৱস্থা কেনেকুৱা? ভৱিষ্যতে শিক্ষাৰ ব্যৱস্থা কেনেকুৱা হোৱাটো আপুনি বিচাৰে?

উত্তৰ—: কেৱল ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থা বুলি নিৰ্দ্দিষ্ট কৰাৰ আগতে মই অসমৰ সমূহ মহাবিদ্যালয়ত প্ৰচলিত শিক্ষা ব্যৱস্থাটোৰ বিষয়ে এই সুযোগতে চমুকৈ উল্লেখ কৰিব বিচাৰিছো। সঁচা কথা ক'বলৈ গলে আমাৰ শিক্ষা-ব্যৱস্থাটোৱে আমাৰ উত্তৰ পুৰুষক কৰ্মমুখীকৈ গঢ়ি তুলিব পৰা নাই। অৰ্হতা পূৰ্ণ হৈও সেয়েহে আজি কলেজীয়া শিক্ষা সাং কৰি অহা সৰহ সংখ্যক যুৱক যুৱতী নিবনুৱা হৈ থাকিব লগা হৈছে। এই গুৰুত্বপূৰ্ণ দিশটো পুনৰ নীৰিক্ষণ কৰি কৰ্ম্মমুখী শিক্ষা ব্যৱস্থা এটা অনতিপলমে প্ৰৱৰ্তন হোৱাটো কামনা কৰোঁ।

অৰ্হতাপূৰ্ণ শিক্ষক, কৰ্ম্মচাৰী, নিৰ্বাচিত পাঠ্যক্ৰম আৰু ছাত্ৰ-ছাত্ৰীক লৈ ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষা ব্যৱস্থা অসমৰ অন্যান্য মহাবিদ্যালয়ৰ দৰেই গতানুগতিক। তথাপি, ইয়াৰ মাজতে বহুজনৰ শ্ৰম, কষ্ট আৰু ত্যাগৰ বিনিময়ত আমাৰ মহাবিদ্যালয়ৰ এনে এটা প্ৰৰ্য্যায় পাইছেহি যে তাক লৈ আমি গৌৰৱ কৰিব পাৰোঁ। ছাত্ৰ-ছাত্ৰী, অভিভাৱক তথা বহুজনৰ অনুৰোধ আৰু বৰ্তমান যুগৰ চাহিদাৰ তাগিদাত আমাৰ মহাবিদ্যালয়ত এই সময়লৈকে কম্পিউটাৰ বিভাগ, ভূতত্ব বিদ্যা,- এই দুটা বিষয় খোলা হৈছে। অতি সোনকালে পৰিসংখ্যা বিজ্ঞান আৰু সমাজবিজ্ঞান বিষয় দুটাৰ প্ৰবৰ্তন কৰাৰ যো-জা কৰা হৈছে।

এইখিনিতে আৰু এটা কথা কোৱা ভাল হ'ব যে আজিৰ বস্তুবাদী সমাজ ব্যৱস্থাই নৈতিকতাক এফালৰ পৰা গ্ৰাস কৰি আহিছে। ফলত, নষ্ট হৈছে অসমৰ সামগ্ৰিক শৈক্ষিক পৰিবেশ। শিক্ষাদানৰ যৰিয়তে সু-নাগৰিক গঢ়ি তোলাৰ দয়িত্বত থকা আমি শিক্ষক সমাজ বহুক্ষেত্ৰত নিৰুপায়। বেচি দূৰলৈ নগৈ আমি যদি আমাৰ মহাবিদ্যালয়খনৰ উদাহৰণ লওঁ, তেনেহলে দেখা পাইছো দুই একৰ বাদে সৰহখিনি ছাত্ৰ-ছাত্ৰীৰ মাজত শিকি বুজি জ্ঞান অৰ্জন কৰি পৰীক্ষাত বহাৰ মানসিকতা নাই। তেওঁলোক বজৰুৱা প্ৰশ্নোত্তৰ কিতাপৰ ওপৰত যেন বেচিকৈ নিৰ্ভৰশীল। পাৰিলে সেইখন পৰীক্ষাগৃহত লুকুৱাই তাৰ পৃষ্ঠাৰ পৰা পৰীক্ষাবহীত লিখি দিলেই পাচ কৰি ওলাই যাব' এনে এটা ভাব; এই ভাবটো লাহে লাহে ট্ৰেদিশ্যনেল হৈ পৰিল। কলেজখোলা দিনকেইটা বৰ চমু। বন্ধ বেচি। তাৰ মাজতে যিকেইদিন ক্লাচ বহে তাতো উপস্থিত নিয়মীয়া নহয়। মই নিজেই ক্লাচত দুই এদিনৰ বাদে সৰহখিনি ক্লাচত লৰা বৰ কম পাইছো। ধৰাহওক উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিকত প্ৰথমদিনা ছাত্ৰ-ছাত্ৰী আছিল ১২০ গৰাকী। মাজৰ ভাগত হ'বগৈ ৪০ গৰাকী আৰু শেষত ১৫.১৬ গৰাকী। কেইবাদিনো নিৰ্ধাৰিত ক্লাচত ছাত্ৰ-ছাত্ৰী নেপাই উভতি আহিবলগা হৈছে। এনে ঘটনা বৰঞ্চ অলপ বেচিহে। এনেকুৱা পৰিস্থিতি এটা প্ৰথমে ছাত্ৰ-ছাত্ৰী সকলেই সৃষ্টি কৰি দিয়াৰ ফলত শেষলৈ ক্লাচবোৰৰ প্ৰতি উভয়পক্ষৰ পৰা যেন সচেতনতা কমি আহে। এইটো এটা অতি দুৰাৰোগ্য বেমাৰ আমাৰ প্ৰায়বোৰ মহাবিদ্যালয়লৈ লাহে লাহে বিয়পি গৈছে। ইয়াক লৈ সভা-সমিতি পাতি উভয় পক্ষৰ পৰা বোকা ছটিয়াই থকাৰ বাহিৰে সমাধানৰ একো সূত্ৰ পৰিলক্ষিত হোৱা নাই। সামৰনিত মোৰ ফালৰ পৰা এটা কথাই ক'ব খুজিছো-তৃষ্ণাতুৰে পানী বিচাৰি যোৱাটোহে নিয়ম। গতিকে ছাত্ৰ-ছাত্ৰী জ্ঞানপিপাষু মনটো শিক্ষকক প্ৰদান কৰক। সেয়া গুৰু হিচাপে আমি প্ৰথম দক্ষিনা ল'ম। অধ্যয়নশীল মন একোটাই শিষ্যই গুৰুক গুৰুৱে শিষ্যক শিকিবলৈ শিকাবলৈ আৰু নিজ কৰ্তব্যত ব্ৰতী হ'বলৈ বাধ্য কৰায়। এই প্ৰক্ৰিয়াটো এবাৰ চালু কৰিলে ছাত্ৰ-ছাত্ৰীয়ে বহুক্ষেত্ৰত দেখাৰোপ কৰা ধৰণৰ ক্লাচ লৈ ভাল নোপোৱা শিক্ষাকেও (যদি ক'ৰবাত আছে) পাঠদান কৰিব। ছাত্ৰ সমাজ মানৱ সম্পদৰ কেঁচা সামগ্ৰী; স্কুল কলেজ আৰু বিশ্ববিদ্যালয় হৈছে উপযুক্ত মানৱ সম্পদ গঢ়াৰ একো একাটা শিল্প-প্ৰতিস্থান। আমি শিক্ষক কৰ্ম্মচাৰী প্ৰত্যেকেই তাৰ একো



একোজন শ্ৰমিক। শ্ৰমিকে শিল্পৰ ভাল উপাদান হোৱাৰ বাবে চেষ্টা কৰে। বৰ্ত্তমান ডিগ্ৰী-মুখী শিক্ষা শিল্পটো কৰ্ম্ম-মুখী-শিল্পলৈ ৰূপান্তৰ কৰি এসোঁপা শিক্ষিত নিবনুৱাৰ সলনি কৰ্ম্মক্ষম প্ৰতিষ্ঠিত বনুৱা সৃষ্টি হোৱাটো বিচাৰোঁ। আজিৰ ছাত্ৰ, কালিলৈ দেশৰ কৰ্ণাধাৰ। গভীৰ হতাশাত ভোগা ছাত্ৰ-ছাত্ৰীয়েও মনত ৰখা উচিত যে অসমৰ খোদেও সুন্দৰ আলি বান্ধিব পাৰে। উত্তৰাধিকাৰী সূত্ৰে আমাৰ পাচৰ বংশধৰ সকলৰ বুনিয়াদ যিহেতু আমি সৃষ্টি কৰা সকলেই গঢ়ি দিব লাগিব। গতিকে সেই প্ৰতিশ্ৰুতি দিব পৰা শিক্ষাৰ্থী আমাৰ কাম্য।

চন্দ্ৰ গুপ্ত বৰা
প্ৰাণী বিদ্যাৰ প্ৰৱক্তা
ডিব্ৰু মহাবিদ্যালয়

ধন্যবাদ চাৰ, আপোনাৰ বহুমুলীয়া মতামতৰ বাবে।

ইয়াৰ পাছতে আমি কেপ্তেইন—লক্ষ্মন বৰাক লগ ধৰি তেখেতৰ পৰা কিছু কথা জানিব বিচাৰিছিলোঁ।

প্ৰশ্নঃ—আমি জানিব পাৰিছো যে আমাৰ মহাবিদ্যালয়ৰ **N.C.C.** য়ে বহুত সুনাম অৰ্জন কৰি আহিছে। **N.C.C.** ত যোগদান কৰিলে ছাত্ৰ-ছাত্ৰী সকল উপকৃত হয় বুলি আপুনি ভাবেনে?

উত্তৰঃ N.C.C. ত যোগদান কৰিলে কলেজত পঢ়া ছাত্ৰ-ছাত্ৰী সকল যথেষ্ট উপকৃত হয় বুলি মই ভাবো। কাৰণ যি সকল ছাত্ৰ-ছাত্ৰীয়ে কলেজত পঢ়ি থাকোতেই **N.C.C.' B** আৰু **W C.C 'C** Certificate পৰীক্ষা পাছ কৰিব পাৰে তেনে ছাত্ৰ ছাত্ৰীৰ কাৰণে Indian Army, Navy, Airforce ৰ অফিচাৰ-Rank অত ভৰ্ত্তি হবৰ কাৰণে যথেষ্ট সুবিধা দিয়ে। তাৰোপৰি ৰাজ্যৰ **Police, BSF, CRPF.** ইত্যাদিত ভৰ্ত্তি হবৰ কাৰণে অগ্ৰাধিকাৰ দিয়া হব। ইয়াতকৈয়ো এটা গুৰুত্ব পূৰ্ণ উপকাৰ হয় এয়েযে **N.C.C**ত যোগদান দিয়া ছাত্ৰ ছাত্ৰীৰ Discipline যথেষ্ট পৰিমানে বাঢ়ে। লগতে **National** Integration অৰ্থাৎ ৰাষ্টীয় ভাৱটো প্ৰৱল ভাৱে গঢ়ি উঠে যিটো বৰ্ত্তমান ভাৰতবৰ্ষত আটাইতকৈ বেছি প্ৰয়োজনীয়

কেপ্তেইন — লক্ষ্মন বৰা
এন.চি.চি. কমাণ্ডাৰ
ডিব্ৰু মহাবিদ্যালয়

"শিক্ষাৰ এটা প্ৰধান অংগ হৈছে খেল-ধেমালি। খেল ধেমালিৰ ক্ষেত্ৰত আমাৰ কলেজখনৰ বিশেষ সুনাম আছে। আমাৰ মহাবিদ্যালয় খনক এই দিশত আপুনি কেনেধৰণে আগবঢ়াই নিয়াটো বিচাৰে?" —এই প্ৰশ্নটো আমাৰ মহাবিদ্যালয়ৰ **বাণিজ্য বিভাগৰ প্ৰৱক্তা ডঃ মহেশ কুমাৰ জৈন** চাৰক সোধাত তেখেতে আমাক তলৰ কথাখিনি জানিবলৈ দিয়ে।

উত্তৰ: খেল-ধেমালিৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়খনৰ এক সুনাম আছে। এথেলেটিকচ, ক্ৰিকেট, ফুটবল ভলিবল আদি খেল-বিলাকত আমাৰ মহাবিদ্যালয়ৰ অনেক ছাত্ৰ ছাত্ৰীয়ে ট্ৰফি পুৰস্কাৰ আদি লাভ কৰবিলৈ সক্ষম হৈছে। ইয়াৰোপৰি আন্ত মহাবিদ্যালয় ৰাজ্যিক ভিত্তিত আয়োজন কৰা বিভিন্ন প্ৰতিযোগিতা যেনে শৰীৰ চৰ্চ্চা, ভাৰোত্তোলন, সংগীত, নাটক আদিতো আমাৰ ছাত্ৰ-ছাত্ৰীয়ে বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰব কঢ়িয়াই আনিছে। গতিকে সুদূৰ ভৱিষ্যতেও আমাৰ ছাত্ৰ ছাত্ৰী সকলে এই সুনাম যে ৰক্ষা কৰিব পাৰিবই তাত সন্দেহৰ কোনো থল নাই। মই এই ক্ষেত্ৰত সম্পূৰ্ণ আশাবাদী। কিন্তু ইয়াৰ মাজতে

মই এটা কথা কব খোজো যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে খেল-ধেমালি প্ৰতিযোগিতা আদিত অংশগ্ৰহণ কৰাৰ দুই এদিনৰ আগতেহে খেলৰ অনুশীলন আৰম্ভ কৰে। তেওঁলোকে এই অনুশীলন যদি কিছু আগৰেপৰা আৰম্ভ কৰে তেন্তে আৰু অধিক সুফল লাভ কৰিব পাৰিব। তদুপৰি আমাৰ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই যদি মহাবিদ্যালয়ৰ বিভিন্ন খেল সমূহত তথা সাংস্কৃতিক ও বৌদ্ধিক বিকাশত সহায়ক হ'ব পৰাকৈ উপযুক্ত খেলৰ পৰিবেশ গঢ়ি তোলে আৰু বিভিন্ন খেলৰ প্ৰয়োজনীয় সা সামগ্ৰী যোগান ধৰে ও খেলুৱৈৰ অনুশীলনৰ ওপৰত অধিক গুৰুত্বদিয়ে তেন্তে খেলুৱৈসকল অধিক লাভৱান হ'ব। শেষত মই এটা কথা আৰু ক'ব খোঁজো যে যদিহে মহাবিদ্যালয়খনৰ ভৱিষ্যতে, বৰ্ত্তমানতকৈও অধিক গৌৰব অনুভৱ কৰিব পাৰিব। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষক শিক্ষয়িত্ৰী, কৰ্ম্মচাৰী তথা ছাত্ৰ-ছাত্ৰীৰ একান্ত আগ্ৰহ ও চেষ্টা থাকিব লাগিব।

ডঃ মহেশ কুমাৰ জৈন
বাণিজ্য বিভাগৰ প্ৰৱক্তা
ডিব্ৰু মহাবিদ্যালয়

: প্ৰশ্ন—: আমাৰ মহাবিদ্যালয়ৰ কম্পিউটাৰ বিজ্ঞান বিষয়টো খোলাত আমি কেনেধৰণৰ উপকৃত হব পাৰিম ?

: উত্তৰ—: সময়োপযোগী প্ৰশ্ন আগবঢ়াইছা তোমালোকে। আমাৰ মহাবিদ্যালয়ত কম্পিউটাৰ বিজ্ঞান বিষয়টো আৰম্ভ কৰাত দেশ তথা সমাজৰ যথেষ্ট উপকৃত হব বুলি মই ভাবো। আমাৰ মহাবিদ্যালয়ৰ এই পদক্ষেপে সমাজখন আগবঢ়াই নিয়াৰ পদক্ষেপ বুলিয়েই ধৰি লব পাৰি। যিহেতু বৰ্ত্তমান যুগটোৱেই কম্পিউটাৰৰ যুগ। মই ভাবো কম্পিউটাৰৰ উপকাৰৰ বিষয়ে সোধাতকৈ অপকাৰৰ বিষয়ে সোধাহলে প্ৰশ্নৰ উত্তৰ চমু হলহেঁতেন নেকি ?

প্ৰথম কথা হল, উচ্চতৰ মাধ্যমিক স্তৰৰ পৰা কম্পিউটাৰ বিষয়টো অধ্যয়ন কৰি স্নাতক পৰ্য্যায়ত এটা বিষয় হিচাপে লৈ ডিগ্ৰী কৰাত সহজ হব বুলি ভাবো। আমাৰ মহাবিদ্যালয়ত অহা বছৰ স্নাতক পাঠ্যক্ৰম খুলিবৰ বাবে চিন্তা কৰা হৈছে। তাৰোপৰি গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত Degree ; BE (Computer Science ), MCA (Master of Computer Application ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ DCA (Diploma in Computer Application) আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত Certificate Course এটা পাঠদানৰ প্ৰৱৰ্তন কৰা হৈছে। বৰ্তমানেও কম্পিউটাৰ জ্ঞান দিবলৈ বিশ্ববিদ্যালয় কতৃপক্ষই চেষ্টা কৰি আছে। ইয়াৰ বাহিৰেও অসমৰ বাহিৰত M.tech (Master of Technology); B. Tech (Bachelore of Technology ) আদি স্নাতক লাভ কৰি নিজকে প্ৰতিষ্ঠিত কৰিব পাৰে।

দ্বিতীয়তে -- নিজকে Cut - throught প্ৰতিযোগিতাৰ পৰা বচাই ৰাখিবলৈ Computer science বিনে গত্যন্তৰ নাই। তোমালোকৰ বাবে সম্ভৱ এই বিষয়টো আচহুৱা-আচহুৱা যেন লাগিছে। কিন্তু উন্নত দেশবোৰত কলকাৰখানাৰ উৎপাদনৰ পৰা দৈনন্দিন জীৱনৰ প্ৰয়োগৰ বাবে কম্পিউটাৰ এটা প্ৰয়োজনীয় সামগ্ৰী হৈ পৰিছে। কম্পিউটাৰ ব্যৱহাৰ কৰি নিমিষতে কামৰ সৰলীকৰণ কৰাত সহজ হৈছে। উন্নত দেশবোৰৰ লগতে আমাৰ ভাৰতবৰ্ষতো সৰু বৰ উদ্যোগ প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান পুথিভঁৰাল, অভিযান্ত্ৰিক প্ৰতিষ্ঠান, চিকিৎসা বিভাগ বোলছবি আৰু ঘৰুৱা কাম-কাজ আদি সকলোতে কম্পিউটাৰ ব্যৱহাৰ ক্ৰমান্বয়ে বাঢ়ি অহা দেখা গৈছে। কিন্তু সেই অনুপাতে অন্যদেশৰ তুলনাত



আমাৰ দেশখনে অগ্ৰসৰ হব পৰা নাই। কিন্তু বৰ্তমান শতিকাৰ চলিত দশকত আমাৰ দেশখনতো কম্পিউটাৰ বিজ্ঞানৰ যথেষ্ট প্ৰসাৰ আৰু প্ৰচাৰ হব ধৰিছে। সেই অনুপাতে কৰ্ম সংস্থানৰ পথো প্ৰশস্ত হৈ পৰিছে। বৰ্ত্তমান সময়ত কম্পিউটাৰ বিজ্ঞানৰ এজন Diploma বা Degree ধাৰী যুৱকে চাকৰীৰ পিছে পিছে দৌৰি হামৰাও কাঢ়ি ফুৰাৰ কোনো উদাহৰণ নাই। বৰ্ত্তমান আমাৰ দেশতো অন্যদেশবোৰৰ দৰে কম্পিউটাৰৰ Scope বৃদ্ধি পোৱা দেখা গৈছে। বৰ্তমান যিমান উদ্যোগ প্ৰতিষ্ঠান আছে সকলোতে কম্পিউটাৰ বহল ভাবে ক্ৰমান্বয়ে ব্যৱহাৰ হোৱা দেখা গৈছে। কম্পিউটাৰ ব্যৱহাৰ যেনেদৰে বৃদ্ধি হৈছে তেনেদৰে কম্পিউটাৰৰ নিৰ্দেশ দিবলৈ মানুহ জানো প্ৰয়োজন হোৱা নাই ! এই প্ৰয়োজনীয় মানুহবোৰ কৰ পৰা আহিব আমিয়েই জানো সেই সকলক তৈয়াৰ কৰিব নেলাগে ? তোমালোকক এটা সৰু উদাহৰণ দিওঁ — অসমত ১৯৯০ চনত লোক পিয়ল অনুসৰি মুঠতে ৮৪৫ খন চাহবাগিছা আছে। প্ৰত্যেক বাগিছাত যদি কমেও দুজনকৈ কম্পিউটাৰ প্ৰাৰ্থীৰপ্ৰয়োজন হয়। তেন্তে দেখোন ৮৪৫ × ২ = ১৬৯০ জন কম্পিউটাৰ ডিগ্ৰী বা ডিপ্লমা ধাৰীৰ চকু পচাৰতে কৰ্মসংস্থানৰ পথ মুকলি নহলনে ? এইটো এটা সৰু উদাহৰণ মাথোন।

তৃতীয়তে, কম্পিউটাৰ সমাজৰ ক্ষেত্ৰত উপকাৰ সমূহ এনেধৰণৰ ———

দক্ষতা বৃদ্ধি ( Greater efficiency ):- কম্পিউটাৰৰ নিৰ্দেশ অনুযায়ী প্ৰয়োজনীয় আৰু অপ্ৰয়োজনীয় সামগ্ৰী বিচাৰ কৰি ব্যৱসায়ৰ ক্ষেত্ৰত আৰ্থিক লাভবান হোৱা দেখা গৈছে।

উচ্চমানদণ্ডৰ পণ্যউৎপাদন ( high quality pr-) oduct ) :

যিবোৰ কৰ্ম ( Manually ) হাতেৰে কৰি সুবিধাজনক উৎপাদন কৰিব নোৱাৰি কিন্তু কম্পিউটাৰ ব্যৱহাৰ কৰি উচ্চমানদণ্ডৰ উৎপাদন পোৱা দেখা গৈছে।

ভোক্তাক মনঃপুত সেৱা ( Better service ) :-
চৰকাৰী-বেচৰকাৰী, প্ৰতিষ্ঠান, মহাকাশ বিভাগ ৰেল বিভাগ, হোটেল, চিকিৎসাসেৱা আদিত কম্পিউটাৰ ব্যৱহাৰ কৰি মনঃপুত সেৱা দিয়া দেখা যায়।

বিকলাংগ সকলৰ ক্ষেত্ৰত ( Aid of Handicapped ) :
বিকলাংগ সকলে কম্পিউটাৰ বৃত্তিগত হিচাপে লৈ নিজকে আত্মনিৰ্ভৰশীল কৰি গঢ়িতুলিব পাৰে। কাৰণ তেনেলোক বহুক্ষেত্ৰত অনুপযোগী হলেও কম্পিউটাৰৰ ক্ষেত্ৰত উপযুক্ত হব পাৰে।

নিৰাপত্তাৰ ক্ষেত্ৰত (Improved safety) —:
বিপদ সংকুল ঠাইত কৰ্মৰ বাবে কম্পিউটাৰ বৰ উপযুক্ত। বৰ্ত্তমান মহাকাশযান, সাগৰ-মহাসাগৰৰ গভীৰতা জোখাৰ ক্ষেত্ৰত কম্পিউটাৰে কাৰ্য্য সমাপন কৰি মানৱ সমাজক আগবঢ়াই নিয়াত অৰিহনা যোগাইছে। উচ্চক্ষমতা সম্পন্ন বিদ্যুৎ পৰিবিহীন অঞ্চলত মানুহৰ দ্বাৰা কাম কৰা সহজ নহয়। কিন্তু কম্পিউটাৰে সমাপন কৰিব পাৰি। ইয়াৰ উপৰিও বহুতো তেনেধৰণৰ উদাহণ আছে।

তথ্য আহৰণৰ শেক্ষত্ৰ (Better Information retrieval) : পুথিভঁৰালৰ লাখ লাখ গ্ৰন্থৰ মাজৰ পৰা কম্পিউটাৰৰ দ্বাৰা ক্ষন্তেকতে প্ৰয়োজনীয় গ্ৰন্থখন বিচাৰি উলিওৱাত সহজ হয়।

কম্পিউটাৰে যদি (Right Instruction বা Input) শুদ্ধ নিৰ্দেশ দিয়ে তেন্তে সদায় Right time অত Right Information যোগোৱাত সহায় কৰিব।

তোমালোকক কম্পিউটাৰৰ উপকাৰৰ বিষয়ে থুলমুলকৈ আভাস এটা দিছো মাত্ৰ। কম সময়ত কম্পিউটাৰৰ উপকাৰৰ বিষয়ে কব লগা হোৱাত, তোমালোকে ধৰি নলবা আকৌ ইয়াৰ পৰিসৰ ইমান ঠেক বুলি। পিছত পুনৰ সুবিধা পালে বহলকৈ কোৱাৰ প্ৰয়াস কৰিম।

ধন্যবাদ।

নিয়াজ শ্বাহ
কম্পিউটাৰ বিভাগৰ প্ৰৱক্তা
ডিব্ৰু মহাবিদ্যালয়

প্ৰশ্ন :— আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটো এতিয়াও পূৰ্ণাঙ্গ ৰূপ পোৱাগৈ নাই। গ্ৰন্থাগাৰটো আপুনি কেনে ধৰণৰ উন্নতি বিচাৰে? অধ্যয়ন-কক্ষ সম্পৰ্কে আপোনাৰ মন্তব্য কি?

উত্তৰ :— প্ৰশ্ন সুধিবলৈ ভাল। কিন্তু উত্তৰ দিয়াটোহে কঠিন কাম। যি কি নহওঁক প্ৰশ্নটোৰ কাৰণে ধন্যবাদ।

পূৰ্ণাঙ্গৰূপে এটা গ্ৰন্থাগাৰ হবলে হলে, তাত বহুত কিছু বস্তু লাগিব। সেই সকলোবোৰ আমাৰ মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰটোত যে নাই সেই কথা সচাঁ। অকল আমাৰ মহাবিদ্যালয়তেই নহয় অসমৰ কোনো এখন মহাবিদ্যালয়তেই হয়তো পূৰ্ণাঙ্গ ৰূপে পোৱা নাযায়।

একোটি পূৰ্ণাঙ্গ গ্ৰন্থাগাৰ পাবলৈ হলে তাত লাগিব এটি আহল বহল ঘৰ ( যিটো গ্ৰন্থাগাৰ উদ্দেশ্যই নিৰ্ম্মান কৰা হয় )। তাত সোমোৱা বা ওলোৱা হব লাগিব এখনেই দুৱাৰ। মূল গ্ৰন্থাগাৰত সোমোৱা আগতে এটা কোঠা, য'ত থাকিব বাতৰি কাকত আৰু বিভিন্ন ধৰণৰ পুস্তাৰ। যিয়ে পঢ়োতাক গ্ৰন্থাগাৰৰ বিষয়ে আকৰ্ষন কৰে। ইয়াৰ পাছতে লাগিব এট ধুনীয়া অধ্যয়ন কক্ষ। য'ত সোমালে পঢ়োতাজনৰ পঢ়াৰ প্ৰতি আকৰ্ষিত হয়। ইয়াৰ পাছতে লাগিব এটা ফটোকপি যন্ত্ৰ। দৰকাৰ হলে লাগতিয়াল কোনো অংশ ফটোকপি কৰি নিব পাৰে। এই বিলাকৰ বাহিৰেও গ্ৰন্থাগাৰত সকলোবোৰ শাখা থকা দৰকাৰ। শাখা বিলাক হৈছে — (১) Administrative Section (২) Reference Section (৩) classification Section (৪) Cataloguing section (৫) Binding section etc. গ্ৰন্থাগাৰৰ কৰ্মীবিলাকো হব লাগিব হাহিঁমুখীয়া। যাতে কোনো ব্যক্তিয়েই বিমুখ হব নালাগে। তেওঁৰ বিচৰা কিতাপখন পাওঁক বা নাপাওঁক; এই সকলো বিলাক থকা একোটা গ্ৰন্থাগাৰকহে পূৰ্ণাঙ্গ পুথিভঁৰাল বুলিব পাৰি।

আমাৰ পুথিভঁৰালত এই সকলোবিলাক সুবিধা নাই সচাঁ। তথাপিও আমি আমাৰ অধ্যক্ষ, অধ্যাপক অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী তথা কৰ্ম্মচাৰী সকলক, তেওঁলোকৰ লাগতিয়াল কিতাপ পত্ৰ দি সহায় কৰি আহিছো। তেওঁলোকে নিশ্চয় উপকৃত হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰী-সকল বেছি উপকৃত হৈছে বুলি মই ভাবো। কিতাপ পত্ৰ উপৰিও আমি ছাত্ৰ-ছাত্ৰী বিলাকৰ সুবিধাৰ্থে University আৰু Board ৰ পুৰণি প্ৰশ্ন কাকত বিলাক ৰাখো। যিটো আন মহাবিদ্যালয় পুথিভঁৰালত দেখিবলৈ পোৱা নাযায়। আমাৰ বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে কেৱল পাঠ্য-পুথিহে (Text book ) বিচাৰি আহে। প্ৰাসঙ্গিক পুথি (Reference Book) খুব কম সংখ্যকেহে বিচাৰে। যি সকলে পাঠ্য পুথি পুথিভঁৰালৰ কিতাপ ব্যৱহাৰ কৰে আমি দেখিবলৈ পাইছোঁ। তুলনামূলক হিচাপে তেওঁলোকৰ পৰীক্ষা ফলা-ফল আনবোৰতকৈ ভাল। কিছুমান ছাত্ৰ-ছাত্ৰীৰ এটা বদ্ অভ্যাস আছে ( যিটো সকলোবোৰ মহাবিদ্যালয়, বা বিশ্ববিদ্যালয়তে দেখিবলৈ পোৱা যায়) সেইটো হৈছে কিতাপৰ পাত ফলা। এনেধৰণৰ বদ্ অভ্যাসে গ্ৰন্থাগাৰটোৰ বহুত ক্ষতি সাধন কৰে। বদ্ অভ্যাসৰ পৰা বিৰত থাকি গ্ৰন্থাগাৰ উন্নতি সাধন কৰিবলৈ (সেইসকল ছাত্ৰ-ছাত্ৰীলৈ যি সকলৰ বদ্ অভ্যাস আছে) ছাত্ৰ-ছাত্ৰী সকললৈ অনুৰুধ থাকিল।

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ হিচাবে আমাৰ গ্ৰন্থাগাৰটো কিমান উন্নত হব লাগিছিল সিমান হোৱা নাই। মই গ্ৰন্থাগাৰটো সৰ্বতো প্ৰকাৰে উন্নতি বিছাৰো।

অধ য়ন-কক্ষ বিষয়ে প্ৰশ্ন অহা লগে লগে মই এটা কথা কব লাগিব যে আমাৰ গ্ৰন্থাগাৰত প্ৰকৃততে অধ্যয়ন-কক্ষ নাই। তথাপি আমি গ্ৰন্থাগাৰৰ ভিতৰতে ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক সকলো পঢ়া-লিখা কৰিবলৈ সুবিধা কৰি দিছো। আপোনাসবে শুনি সুখ পাব যে বৰ্ত্তমান মহাবিদ্যালয়ৰ ছাত্ৰ-একতা সভাই এই বিষয়ে আগ ভাগ লৈছো। আৰু অধ্যক্ষ মহোদয়ে আমাৰ পুথিভঁৰালৰ লগতে লাগি থকা কোঠাটোৰ অধ্যয়ন-কক্ষ কৰি দিবলৈ সম্মতি প্ৰদান কৰিছে। এই অধ্যয়ন-কক্ষটো



কৰি দিবলৈ সন্মতি প্ৰদান কৰিছে। এই অধ্যয়ন-কক্ষটো হলে আমাৰ এটা বহুত দিনৰ পুৰণি অভাৱ আতঁৰ হব।

শেষত আলোচনী সম্পাদক লগতে ছাত্ৰ-একতা সভাৰ বিষয়-ববীয়া সকললৈ আন্তৰিক ধন্যবাদ থাকিল।

শ্ৰীনন্দেশ্বৰ ফুকন
গ্ৰন্থাগাৰিক
ডিব্ৰুমহাবিদ্যালয়

প্ৰশ্নঃ- আপুনি ৰেগিঙৰ ওপৰত কেনে ধৰণৰ মন্তব্য দিব বিচাৰে-? নবাগত ছাত্ৰ-ছাত্ৰী সকলক যিটো ব্যৱহাৰ কৰা হয় তাক আপুনি কেনেধৰণে গ্ৰহণ কৰে আমাক জনাবনে ?

উত্তৰ ঃ- ৰেগিং বুলিলে মহাবিদ্যালয়ৰ নবাগত সকলে ভয় আৰু ঘৃনাৰ দৃষ্টিৰে আৰু আনহাতে ব্যক্তি বিশেষে ইয়াক মানৱীয়তাৰ পৰিপন্থী এক কদৰ্য্য ৰূপ বুলি ধাৰণা নকৰে বুলি কলে অত্যুক্তি কৰা হ'ব। মোৰ মতে ৰেগিং চিনাকি মনৰ ভাৱ বিনিময়ৰ এখন দলিল। ইয়াক যেতিয়া চৰম (extrem ) ৰূপত প্ৰকাশ কৰিব যোৱা হয় তেতিয়া ইয়াৰ বিকৃত ৰূপটো ধৰা পৰে। তেতিয়া ৰেগিং হৈ পৰে সমাজৰ দেশৰ তথা ব্যক্তি সত্বাৰ বিকাশৰ প্ৰধান অন্তৰায়।

এইটো অনস্বীকাৰ্য্য যে ৰেগিঙৰ পৰিসীমাৰ বাহিৰত যোৱা ছাত্ৰ ছাত্ৰীৰ সংখ্যা সৰহ হলেও সঘনাই ঘটি থকা ৰেগিঙৰ ঘটনা অনুসৰি ইয়াৰ পৰিসীমাৰ ভিতৰত থকা ছাত্ৰ ছাত্ৰীৰ সংখ্যাও কম নহয়। ৰেগিঙক সুপথেৰে পৰিচালিত কৰিব পাৰিলে ই আমাৰ মাজলৈ সুহৃদয়তা সম্প্ৰীতি কঢ়িয়াই আনিব বুলি ভাৱো।

শ্ৰীচৰিত্ৰ গগৈ
স্নাতক চুড়ান্ত বৰ্ষ (বিজ্ঞান)

প্ৰশ্নঃ— আপুনি আমাৰ মহাবিদ্যালয় খনত সুস্থ শৈক্ষিক পৰিবেশ আছে বুলি ভাবেনে ? যদি নাই—তেন্তে কেনে পৰিবৰ্ত্তন বিচাৰে ?

উত্তৰ ঃ—

আমাৰ মহাবিদ্যালয় খনিৰ এক সুস্থ শৈক্ষিক পৰিবেশ নাই বুলি কব নোৱাৰি। বৰ্ত্তমান আমাৰ মহাবিদ্যালয় খনিত যি শৈক্ষিক পৰিবেশ পৰিলক্ষিত হয় তাতকৈ অধিক সবল সুস্থ কৰি গঢ়ি তুলিব পাৰিলেহে নবাগত সকলৰ আৰু লগতে বৰ্ত্তমান যি সকল ছাত্ৰ ছাত্ৰীয়ে পঢ়ি আছে তেওঁলোকৰো মঙ্গল হ'ব বুলি মই ভাবো। তেনে এক পৰিৱেশ গঢ়ি তুলিবলৈ হ'লে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ মাজত পাৰস্পৰিক সহযোগিতাৰ অতি প্ৰয়োজন বৰ্ত্তমানে এই ক্ষেত্ৰত যি ধৰণৰ সক্ৰিয় সহযোগিতা পৰিলক্ষিত হয় তাক আৰু অধিক সক্ৰিয় কৰি তুলিব লাগিব। লগতে আমাৰ প্ৰতিজন অভিভাৱকেও এই ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব লাগিব।

শেষত মই ইয়াকে কব বিচাৰো যে মহাবিদ্যালয় খনিত শিক্ষাৰ ক্ষেত্ৰত কোনো সমস্যা বা অসুবিধাৰ সমুখীন হ'লে ছাত্ৰ-ছাত্ৰী সকলে আন্দোলনৰ মনোভাৱ নলৈ বৰ্ত্তমানৰ দৰে ভৱিষ্যতেও সকলো সমস্যা মহাবিদ্যালয়খনিৰ কৰ্ত্তৃপক্ষৰ সৈতে বুজা বুজিৰ জৰিয়তে সমাধান কৰিব লাগিব। তেনে কৰিলেহে বৰ্ত্তমানে যি এক সুস্থ শৈক্ষিক পৰিবেশ আছে সেই পৰিৱেশ নষ্ট নহৈ অধিক সুস্থ আৰু সবল হৈ উঠিব।

এনে এক শৈক্ষিক পৰিৱেশৰ ছত্ৰ-ছায়াত থাকি নিশ্চিত ভাৱে মহাবিদ্যালয় খনিৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভবিষ্যত জীৱন উজ্জ্বল কৰি গঢ়ি তোলাৰ লগতে মহাবিদ্যালয় খনিৰ নামো সকলোতে জিলিকাই তুলিবলৈ সক্ষম হ'ব।

— অম্লান বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক ( কলা )

প্ৰশ্নঃ— আপুনি ইমান দিনে আমাৰ মহাবিদ্যালয়ৰ হৈ কাম কৰি আহিছে। আগতকৈ আমাৰ মহাবিদ্যালয়ে কিমান খিনি উন্নতি কৰিছে বুলি আপুনি ভাৱে? আৰু আপোনাৰ ইয়াত কাম কৰি কেনেকুৱা লাগিছে? অৱসৰ লৈ ইয়াৰ পৰা কলৈ যাব?

উত্তৰঃ— মোৰ ইয়াত কাম কৰি অহা বৰ্ত্তমান ৩০ বছৰ হৈছে। ১৯৬৩ চনতে ডিব্ৰুকলেজখন স্থাপিত হৈছিলে চহৰীয়া হ'লত। চৌকিডিঙ্গীৰ ওচৰত (বৰ্ত্তমান তাত খেল ধেমালি হয়।) তাত সকলো ক্লাচে হৈছিলে। Practical ৰ ক্লাচো তাতে হৈছিলে। তাৰ পিছত বৈৰাগীমঠত মাটি ললে আমাৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ জামুৱাৰ চাৰ আৰু নন্দলাল গোঁহাই চাৰে। পোন প্ৰথমে খেৰী ঘৰ আছিলে। বৰ্ত্তমানে থকা Practical ৰ ঘৰটো তেতিয়া পকীৰ আছিলে। আৰু তাতে Practical ৰ লগতে ক্লাচো হৈছিলে। তাৰ অলপ দিনৰ পিছতে কলেজখন পকী হৈ পৰিলে। লাহে লাহে বহুখিনি পৰিবৰ্ত্তন হ'ল। হোষ্টেল বনালে, এতিয়া নতুন প্ৰেক্ষাগৃহ বনাই আছে, কলেজৰ সন্মুখৰ ৰাস্তাটো পকী হৈ আছে। কলেজৰ ওচৰত এতিয়া বহুত নতুন নতুন ঘৰ হ'ল। কবলৈ গলে এতিয়া কলেজখনে বহু খিনি উন্নতি কৰিছে বুলি মই ভাবো।

প্ৰথমে মোৰ কাম কৰি ভাল লগা নাছিল, বৰ্ত্তমান মোৰ কাম কৰি বহুত ভাল লাগিছে। আৰু মোৰ ১০ বছৰ আছে। এই ১০ বছৰ কালো সুকলমে পাৰ কৰিব পাৰিম বুলি মোৰ বিশ্বাস।

ৰিটায়াৰ হৈ বিহাৰলৈ যাম। তাতে মোৰ পৰিয়াল আছে। তাতে থাকি মই বাকী চোৱা কাল কটাব লাগিব।

খুবলাল মালি
৪ৰ্থ শ্ৰেণী কৰ্মচাৰী

ধন্যবাদ খুবলাল দা আপোনাৰ পৰা যথেষ্ট খিনি জানিলো।

প্ৰশ্নঃ— আপুনি আমাৰ মহাবিদ্যালয়খনত সুস্থ শৈক্ষিক পৰিবেশ আছে বুলি ভাবেনে? যদি নাই তেন্তে কেনে পৰিবৰ্ত্তন বিচাৰে?

উত্তৰঃ—আমাৰ মহাবিদ্যালয়ৰ বৰ্ত্তমান যিটো শৈক্ষিক পৰিবেশ সেইটোক গ্ৰহণ কৰিব পাৰিলেও, সম্পূৰ্ণৰূপে সুস্থ বুলি কব পৰা নেযায় কিয়নো আমি ভালদৰে নিৰীক্ষণ কৰিলে দেখা পাওঁ যে মহাবিদ্যালয়খনৰ পৰীক্ষাৰ উত্তীৰ্ণ হাৰ ক্ৰমান্বয়ে হ্ৰাস হবলৈ ধৰিছে। ইয়াৰ মূলতেই হৈছে ছাত্ৰ ছাত্ৰীৰ শিক্ষাৰ প্ৰতি অমনোযোগিতা আৰু এই অমনোযোগিতাই বাৰে বাৰে ইয়াকে বুজিবলৈ বাধ্য কৰাইছে যে মহাবিদ্যালয়ৰ শিক্ষণ-প্ৰণালীয়ে ছাত্ৰ-ছাত্ৰীৰ মনত 'দ'কৈ সাঁচ বহুৱাব পৰা নাই; ইয়াৰ কাৰণ বিচাৰিবলৈ গলে আমি বহুতো ধাৰণা বা সিদ্ধান্তত উপনীত হব পাৰো ৰিশেষকৈ আমাৰ মহাবিদ্যালয়ৰ অভাৱ-



যেনেঃ- লৰাৰ জিৰণি কোঠা, ছোৱালীৰ জিৰণি কোঠা, এটা মঞ্চ তাৰ উপৰিও বৰ্ত্তমান আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো তেনেই সৰু, য'ত এদিনত, এটা শ্ৰেণীৰ ২০ জনকৈ ছাত্ৰ-ছাত্ৰীও বহাটো অসম্ভৱ হৈ পৰে। আনহাতে পুথিয়ে হৈছে শিক্ষাৰ আধাৰ, তেনেস্থলত পুথিখনকে ছাত্ৰ-ছাত্ৰীয়ে ভালদৰে এখন্তেক বহি পঢ়িবলৈ অসুবিধা হয়, গতিকে ই ছাত্ৰ-ছাত্ৰীৰ বা মহাবিদ্যালয়ৰ বাবে অতি দুখলগা বিষয় আৰু "ইয়াৰে ফল স্বৰূপে আমাৰ মহাবিদ্যালয়ৰ বৰ্ত্তমান অবস্থা"।

গতিকে মোৰ বোধেৰে আমাৰ মহাবিদ্যালয়ৰ অভাৱবোৰ প্ৰধানত পূৰণ কৰাটো অতি আৱশ্যক, লগতে মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশটো সম্পূৰ্ণকৈ সলনি কৰিব লাগে যেনেকৈ গুৱাহাটী মহানগৰীৰ কিছুমান মহাবিদ্যালয়ৰ দৰে, শ্ৰেণীসমূহত শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক হব লাগে। তেতিয়া হয়তো ছাত্ৰ-ছাত্ৰীৰ জ্ঞান সমূহ বৃদ্ধি হব বুলি অনুমান কৰিব পাৰি আৰু লগতে আমাৰ মহাবিদ্যালয়খনও সুস্থ আৰু সবল তথা উন্নতি হব বুলি মোৰ ধাৰণা হয়। "এখন মহাবিদ্যালয়ক সম্পূৰ্ণৰূপে সুস্থ কৰিব পাৰিলেহে এখন দেশক সুস্থ হোৱাটো কামনা কৰিব পাৰি"

শ্ৰীকৃষ্ণ কান্ত ফুকন
দ্বিতীয় বাৰ্ষিক স্নাতক মহলা
কলা বিভাগ

(?) আপুনি ডিব্ৰু মহাবিদ্যালয়ক কি দিব বা কি নিব বিচাৰে মহাবিদ্যালয়ৰ পৰিবেশৰ লগত আপুনি নিজক খাপ খুৱাব পৰিছেনে?

উত্তৰঃ- প্ৰথমেই মই শিক্ষা অনুষ্ঠানক শ্ৰদ্ধা তথা সেৱা কৰো। গতিকে মই ডিব্ৰু মহাবিদ্যালয়ক সন্মান আৰু প্ৰশংসা দিব বিচাৰো আৰু অৱশেষত মই মহাবিদ্যালয়ৰ পৰা অজস্ৰ জ্ঞান নিব বিচাৰো। যাৰ দ্বাৰা মই মোৰ জ্ঞানসমূহ ভৱিষ্যতৰ মানৱ সমাজক অৰ্পন কৰিব পাৰো।

আমাৰ মহাবিদ্যালয়ত মই সৰলতাৰে মিলি পৰিছো বুলিয়ে কব পাৰি। কিয়নো প্ৰতিটো পদক্ষেপে পৰিবৰ্তন হোৱাটো স্বাভাৱিক কথা কাৰণ এনেধৰণৰ পৰিবৰ্তনেই সমাজ তথা মানৱজাতিক কঢ়িয়াই নিছে।

শ্ৰীঅনুপম শইকীয়া
উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক
( কলা )

(?) আপুনি আমাৰ মহাবিদ্যালয়খনত সুস্থ শৈক্ষিক পৰিবেশ আছে বুলি ভাবেনে? যদি নাই তেন্তে কেনে পৰিবৰ্ত্তন বিচাৰে?

উত্তৰঃ— আমাৰ মহাবিদ্যালয়ত সুস্থ শৈক্ষিক পৰিবেশ আছে বা নাই বুলি এবাৰতে কবলৈ টান হৈ পৰে। কেইটামান মাহৰ অভিজ্ঞতাৰে কবলৈ গলে প্ৰথম কেইটা মাহৰ তুলনাত পিছৰ দিনকেইটাত আপেক্ষিক ভাবে শৈক্ষিক পৰিবেশ বেছি বিনষ্ট হোৱা যেন পৰিলক্ষিত হয়। নগৰৰ সমাগমৰ পৰা আঁতৰত যদিও আমাৰ মহাবিদ্যালয়খনৰ শৈক্ষিক পৰিবেশ ছাত্ৰ-ছাত্ৰীৰ বাবে অনুকুল নহয় যেন অনুভৱ হয়। অনিয়মিত ভাবে হোৱা শ্ৰেণীসমূহ, শ্ৰেণীত নিম্নহাৰত ছাত্ৰৰ উপস্থিতি, ছাত্ৰৰ ঐক্যসাজ পৰিধানত বিশৃংখলতা মাজে সময়ে ছাত্ৰৰ মাজত হোৱা মতানৈক্য অৰ্থাৎ বহু ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ পৰস্পৰৰ মাজত ঘৃণেধৰা সম্পৰ্কই আমাৰ মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ বিনষ্ট হোৱা বুলি ভাবিবলৈ কেতিয়াবা বাধ্য কৰায়।

ছাত্ৰৰ শক্তি; ইয়াৰ মূল্য ইতিহাসে সদায় দি আহিছে। আত্মঅনুসূচনাৰ দ্বাৰা নিজকে শুধৰাব পৰা যায় নিশ্চয়। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিকুল শৈক্ষিক পৰিবেশৰ বাবে প্ৰতিজন ছাত্ৰই নিজকে দায়বদ্ধ বুলি ভাবি তাৰ

বিহিত ব্যৱস্থা হাতত ললে নিশ্চয় সুস্থ পৰিবেশ সৃষ্টি কৰিব পাৰিব। উদাহৰণ স্বৰূপে শ্ৰেণী সমূহ যিমান সময়ৰ লৈকে থাকে সিমান সময় কলেজত থাকি ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীত উপস্থিত থাকিব লাগে। শিক্ষকসকলক উপযুক্ত সন্মান দি নুবুজা কথাবোৰ ভাল দৰে শুধিব লাগে আৰু শিক্ষকসকল একেদৰে ওচৰলৈ আহি ছাত্ৰ-শিক্ষকৰ পৰস্পৰৰ মাজত ভাল সম্বন্ধ স্থাপন কৰিব লাগে। কোনো এজন মানুহৰ প্ৰতি শ্ৰদ্ধা নেথাকিলে তেওঁৰ পৰা কিবা শিকাটো নিশ্চয় অসম্ভৱ। শিক্ষক সকলেও তেওঁলোকৰ দায়িত্বৰ গুৰুত্ব বুজি ইয়াক পালন কৰি গলে আমাৰ মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক পৰিবেশ, পঢ়া শুনাৰ উপৰিও মহাবিদ্যালয়খনে লোৱা প্ৰতিটো পদক্ষেপতে ছাত্ৰ ছাত্ৰী-সকলে সহায় সহযোগ আগবঢ়োৱাটো উচিত নিশ্চয়। মহাবিদ্যালয়খনত হোৱা সভা সমিতি সমূহত মহাবিদ্যালয়ৰ ছাত্ৰৰ মুঠ পৰিমানৰ তুলনাত উপস্থিতিৰ সংখ্যা যথেষ্ট কম হোৱা পৰিলক্ষিত হয়। এইটো সুস্থ পৰিবেশৰ লক্ষণ নিশ্চয় নহয়। গতিকে এনেবোৰ দিশত আমাৰ মহাবিদ্যালয় খনত আমূল পৰিবৰ্তন ঘটিব লাগে কাৰণ ভবিষ্যত জীৱনৰ বুনিয়াদ গঢ়িবলৈ আমি এটা সুস্থ শৈক্ষিক পৰিবেশৰ প্ৰয়োজনীয়তাক কেতিয়াও নুই কৰিব নোৱাৰোঁ।

শ্ৰীগগন নাহৰডেকা
উচ্চতৰ মাধ্যমিক ১ম বাৰ্ষিক
শাখা বিজ্ঞান।

প্ৰশ্ন—ঃ আপুনি আমাৰ মহাবিদ্যালয় খনত সুস্থ শৈক্ষিক পৰিৱেশ আছে বুলি ভাৱেনে ? যদি নাই, তেন্তে কেনে পৰিবৰ্ত্তন বিচাৰে ?

উত্তৰঃ— আমাৰ মহাবিদ্যালয় খনৰ সুস্থ শৈক্ষিক পৰিবেশ এটা নাই বুলি কব নোৱাৰো কাৰণ এই সম্পৰ্কত আমি কলেজৰ পৰীক্ষাৰ ফলাফলৰ কথা উন্নুকিয়াব পাৰো, কাৰণ যদি কলেজত এটা সুস্থ পৰিবেশ নাথাকিলেহেঁতেন তেনেহলে প্ৰত্যক্ষভাৱে আমি এই প্ৰচলিত Result নাপালো হেতেঁন।

সকলো অনুস্থান প্ৰতিষ্ঠানেই হ'ল পৰিবেশৰ দাস তথা সময়ে যেতিয়া পৰিবেশৰ সলনি কৰে সেই সময়ৰ লগত খোজ মিলোৱাটো আজিৰ কথা নহয় ই চিৰন্তণ। গতিকে কিছু ক্ষেত্ৰত আধুনিকতাৰ পৰশে কিছু সলনি আনিছে, এই কথা নুই কৰিব নোৱাৰি

গতিকে কলেজত অত্যাধুনিকতাই সুস্থ শৈক্ষিক পৰিবেশ বিনষ্ট কৰিছে বুলিওকব নোৱাৰো।

তীৰ্থনাথ চাংমাই
বি এচ; চি তৃতীয় বাৰ্ষিক

প্ৰশ্ন ঃ— আপুনি 'ৰেগিঙ'ৰ ওপৰত কেনেধৰণৰ মন্তব্য দিব বিচাৰে। নবাগত ছাত্ৰ-ছাত্ৰী সকলক যিটো ব্যৱহাৰ কৰা হয় তাক আপুনি কেনেধৰণে গ্ৰহণ কৰিব বিচাৰে জনাবনে ?

উত্তৰ ঃ— ৰেগিং নামৰ এক সামাজিক ব্যাধিয়ে ছাত্ৰ সমাজক ভালকৈয়ে আক্ৰমন কৰিছে। কিছুমান অশিষ্ট ছাত্ৰই ৰেগিঙৰ সুবিধালৈ নবাগত সকলক আসুৰিক ভাৱে অত্যাচাৰ কৰে। যাৰ ফলত তেওঁলোকৰ আশাদীপ্ত মনত নিৰাশাই প্ৰভূত বিস্তাৰ কৰিবলৈ আৰম্ভ কৰে। আনকি কিছুমানে মৃত্যুকো আকোঁৱালি লব লগাত পৰে। গতিকে এনে অমানৱীয় কাৰ্য্য কেতিয়াও সমৰ্থন যোগ্য হ'ব নোৱাৰে। এনে কাৰ্য্যৰ বিৰুদ্ধে এক



স্পষ্ট-জনমত গঠনৰ প্ৰাসঙ্গিকতা আহি পৰিছে। কঠোৰ অনুশাসনেৰে, প্ৰয়োজন হলে চৰকাৰে আইন প্ৰনয়ন কৰি হলেও এই ৰেগিং বন্ধ কৰিব লাগে।

অৱশ্যে নবাগত আদৰণি সভাত নবাগত সকলক যিটো ব্যৱহাৰ কৰা হয়, তাক ৰেগিং বুলি কব নোৱাৰে। বৰঞ্চ নতুন পৰিবেশটোৰ লগত নিজকে ৰজিতা খুৱাহবলৈ এক সুবিধাহে বুলি কব পাৰি। ইয়াৰ উপৰিও মানসিক উৎকৰ্ষ সাধনৰ এক উত্তম মাধ্যমবুলিয়েই কব বিচাৰো। অৱশ্যে ইয়াৰো এটা সীমা থকা ভাল। নহলে সমাজত বিকৃত ৰূপ ধাৰণ কৰিব।

শ্ৰীঅমিয় কুমাৰ বড়া
স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)

প্ৰশ্ন ঃ— আপুনি এই মহাবিদ্যালয়ক কি দিব বা কি নিব বিচাৰে ? মহাবিদ্যালয়ৰ পৰিবেশৰ লগত আপুনি নিজকে খাপ খুৱাব পাৰিছেনে ?

উত্তৰ ঃ— প্ৰথমে সম্পাদক ডাঙৰীয়ালৈ তেখেতৰ বহুমূল্য প্ৰশ্নটিৰ বাবে কৃতজ্ঞতা থাকিল ;

সম্পাদক ডাঙৰীয়া, আপোনাৰ এই প্ৰশ্নটি উত্তৰ দিবৰ বাবে মই খন্তেকীয়া উগুল খুগুল অনুভৱ কৰিছিলো। তথাপি মহাবিদ্যালয় এখনে এজন ছাত্ৰৰ পৰা কি বিচাৰে ? মই ভাবো সাধাৰণতে সেই ছাত্ৰ জনৰ বাবে যাতে মহাবিদ্যালয় খনৰ নাম যশস্যা আৰু সন্মান আদি সমাজত ভাঁহি উঠা উপৰিও মহাবিদ্যালয় খনক গঠন, শৃংখলা, নীতি নিয়মৰ মাজেদি, নিয়মানুবৰ্ত্তিতা, সময়ানুবৰ্ত্তিতা আৰু শ্ৰদ্ধাৰে নিজৰ কৰ্ত্তব্য পালনত ব্ৰতী হোৱাটো বিচাৰো।

মই যেতিয়াই সন্মানীয় ডিব্ৰু মহাবিদ্যালয়ত নামভৰ্তি কৰিলো নিশ্চয় এই মহাবিদ্যালয়ৰ পৰাই হাতত এখনি প্ৰমাণ পত্ৰ লৈ হাঁহি হেলাৰঙে ওলাই যাব লাগিব অনাগত ভৱিষ্যতলৈ। গতিকে মহাবিদ্যালয়ৰ এজন কলা শাখা ছাত্ৰ হিচাপে মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰপ্ৰতি মোৰ আন্তৰিক শ্ৰদ্ধা ভক্তি, জ্যেষ্ঠবৰ্গৰ প্ৰতি অতুলনীয় আনুগত্য প্ৰেম, সহপাঠীৰ প্ৰতি মোৰ সহৃদয়তা সদায় বিৰাজমান।

ডাৰউইনৰ তত্বই কৈছে যে জীৱই যিকোনো পৰিবেশত বাচি থাকিব পাৰিলেহে প্ৰকৃতিৰ দ্বাৰা নিবাচিত হয়। এই তত্ব অনুসৰি বৰ্ত্তমান আমাৰ মহাবিদ্যালয় পৰিবেশটোৱে এখনি সুন্দৰ মনোৰম ছবিৰ দৰে শান্তি পূৰ্ণ ভাৱে বিৰাজ কৰিছে। এনে এটা আতক ধুনীয়া পৰিবেশত খাপ খুৱাই থাকিব নোৱাৰা কোনো প্ৰশ্নই উদয় নহয়।

শ্ৰীনিখিল শ্যাম (পানয়ুক)
উঃমাঃ ১ম বৰ্ষ (কলা বিভাগ)

মহাবিদ্যালয় খনক নিজৰ ঘৰখনৰ দৰে আপোন কৰি লোৱা জনৈক প্ৰাক্তন ছাত্ৰক আমাৰ প্ৰশ্ন সুধি স্বকীয় বক্তব্য জানিব বিচাৰিছিলোঁ।

(?) আপুনি আমাৰ মহাবিদ্যালয়খনত সুস্থ শৈক্ষিক পৰিবেশ আছে বুলি ভাবেনে ? যদি নাই, তেন্তে কেনে পৰিবৰ্ত্তন বিচাৰে ?

উত্তৰঃ— একেবাৰে এখন মহাবিদ্যালয়ত সুস্থশৈক্ষিক পৰিবেশ নাই বুলি কলে ভুল কৰা হব। যদিও ডিব্ৰুমহাবিদ্যালয়ত সুস্থ শৈক্ষিক পৰিবেশ আছে বুলি ভবা

হয়, তথাপি মই মোৰ দৃষ্টিভঙ্গীৰে কিছু ব্যতিক্ৰম নেদেখা নহয়।

প্ৰথম কথা হ'ল ছাত্ৰ-ছাত্ৰীসকল, যি সকল বিভিন্ন প্ৰান্তৰ পৰা আহি নিজকে সুশিক্ষিত কৰি ৰাষ্ট্ৰৰ এজন সু-নাগৰিক তথা নিজকে অত্মনিৰ্ভৰশীল ব্যক্তি হিচাবে গঢ়ি তোলিবলৈ এই মহাবিদ্যালয়লৈ আহে। কিন্তু দুখৰ বিষয় সৰহসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শ্ৰেণীত উপস্থিত থকা পৰিবৰ্তে বাহিৰতহে দেখা যায়। তেওঁলোকে মহাবিদ্যালয়লৈ আহিছে কিয়? গতিকে এই সকল ছাত্ৰ-ছাত্ৰীলৈ অনুৰুধ যাতে নিজক অৱহেলা নকৰি নিজৰ নিজৰ শ্ৰেণীত উপস্থিত থাকি মহাবিদ্যালয়খনৰ সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি তোলাত সহায় কৰে যেন। এই বিষয়ত ছাত্ৰ একতা সভা, অধ্যক্ষ আৰু শিক্ষাগুৰু সকলে চকু দিয়াটো নিতান্তই প্ৰয়োজন বুলি মই ভাবো।

দ্বিতীয়তে যাওঁ শিক্ষাগুৰু সকলৰ ওচৰলৈ। এখন মহাবিদ্যালয়ত সুস্থশৈক্ষিক পৰিবেশ গঠনত সহায় কৰে প্ৰধানকৈ শিক্ষাগুৰু সকলৰ ওপৰত। তেখেত সকলৰ বিষয়ে কিবা কোৱা বা লিখাৰ যোগ্য মই নহয়। তথাপি দুটামান কথা নকৈ নোৱাৰি। মহাবিদ্যালয়ত শ্ৰেণী সমূহ নিয়াৰীকৈ চলাই নিবৰ বাবে এখন Routin দিয়া হয়। প্ৰায়ে দেখা যায় Routinত থকা বিষয় আৰু সময়ৰ মতে শ্ৰেণীসমূহ নহয়। কিছুসংখ্যক অধ্যাপক আৰু অধ্যাপিকাই নিজৰ শ্ৰেণীসমূহ পিছবেলা থাকিলেও আগবেলাতে শেষ কৰি যাতে আজৰি হৈ যাব পাৰে তালৈহে লক্ষ্য ৰাখে। ফলত সময়মতে অহা ছাত্ৰ-ছাত্ৰী সকলে নিজৰ শ্ৰেণীৰ পাঠদান নাপায় আৰু শ্ৰেণী, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক লৈ খেলি মেলিয়ে দেখা দিয়ে। মই ভাবো Routinত দিয়া সময়ৰ মতে শিক্ষাগুৰুসকলে আৰু লগতে ছাত্ৰ-ছাত্ৰী সকলে শ্ৰেণীসমূহত উপস্থিত থাকি, শিক্ষকসকলে ছাত্ৰ-ছাত্ৰী বিচৰা আৰু ছাত্ৰ-ছাত্ৰীসকলে শিক্ষক বিচৰা যিটো খেলি মেলি সেইটো বন্ধ কৰি শৈক্ষিক পৰিবেশ ঘূৰাই আনিব লাগে।

তৃতীয়তে কব পাৰি এখন মহাবিদ্যালয়ৰ সুস্থ শৈক্ষিক পৰিবেশ প্ৰধানকৈ নিৰ্ভৰ কৰে অধ্যক্ষৰ ওপৰত। অধ্যক্ষই হৈছে মহাবিদ্যালয়খনৰ মূল মানুহ। তেওঁ কাৰ্য্যালয়ৰ কাম কাজৰ উপৰিও শ্ৰেণীসমূহ ভালদৰে হৈছেনে নাই প্ৰতিদিনে এবাৰ লক্ষ্য কৰিব লাগে। কিবা অসুবিধাৰ ফলত (যেনে গৰম দিনত ফেনৰ অভাৱত, ছাত্ৰ-ছাত্ৰীতকৈ কোঠা সৰু ইত্যাদি) শ্ৰেণীসমূহ নহবও পাৰে। এই অসুবিধাসমূহ অধ্যক্ষ মহোদয়ে সমাধান কৰি শ্ৰেণীসমূহ হোৱাত সহায় কৰিব লাগে।

ওপৰত লিখাৰ দৰে ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু, অধ্যক্ষ আৰু ছাত্ৰ একতা সভাই শ্ৰেণীসমূহ বহাত যদি সক্ৰিয় ভূমিকা গ্ৰহণ কৰে তেন্তে ভাবো মহাবিদ্যালয়খনত এটা সুস্থ শৈক্ষিক পৰিবেশ গঢ়ি উঠিব।

**ননীমেষ কমল ফুকন**
**প্ৰাক্তন ছাত্ৰ**

প্ৰঃ- মহাবিদ্যালয়খন প্ৰতিস্থাৰ পৰা আপুনি কাৰ্য্যনিৰ্বাহ কৰি আহিছে। বৰ্ত্তমান মহাবিদ্যালয়খনৰ কিবা পৰিবৰ্ত্তন হৈছে বুলি আপুনি ভাবেনে? শিক্ষাৰ দিশত ছাত্ৰ-ছাত্ৰী সকলৰ উন্নতি হৈছেনে?

উত্তৰ:- ১৯৬৩ চনৰ আগষ্ট মাহতেই তেতিয়াৰ জৰ্জ-ইনষ্টিটিউচন (Jeorge Institution)ত আৰম্ভ হোৱা ডিব্ৰু মহাবিদ্যালয় বৰ্ত্তমানে এক ভবিষ্যতৰ উজ্জ্বল প্ৰতিচ্ছবিৰে নিজকে প্ৰতিস্থিত কৰিবলৈ সক্ষম হৈছে। ১৯৬৩ চনত ২০০ ত কৈও কম ছাত্ৰ-ছত্ৰীৰে পাঠদান আৰম্ভ কৰি ২৫০০ ৰো সৰহ সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা



গ্ৰহণ কৰিছে। স্থায়ী ভৱন, বিজ্ঞানাগাৰ, পুথিভঁৰাল ইত্যাদিৰে পৰিপুষ্টহৈ ডিব্ৰু মহাবিদ্যালয় অসমৰ ভিতৰত এখন অগ্ৰগণী মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে। পাঠ্যপুথি ও অধ্যয়নৰ যাৱতীয় সকলোখিনি সুবিধা থকা এই মহাবিদ্যালয় খনত আজি কেইবছৰ মানৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ নিজকে ব্ৰতী হবলৈ সক্ষম কৰি তোলাত মনোনিবেশ কৰিবলৈ মানসিক ভাবে অসমৰ্থ হোৱা যেন পৰিলক্ষিত হৈছে যিটোৱেই অভিভাবক ও শিক্ষক সকলৰ চিন্তনীয় বিষয়।

আজি এক দশকৰ আগতে এই মহাবিদ্যালয় শিক্ষাৰ যি পৰিবেশ পৰিলক্ষিত হৈছিল এতিয়া যেন তাৰ বহুতো ব্যতিক্ৰম হৈছে। ফলস্বৰূপে আমাৰ উত্তৰ পুৰুষ সকলে এই উজ্বল ভবিষ্যতৰ পথত আগবঢ়াত হেভাৰহৈ পৰিছে। গতিকে এজন অভিভাৱক তথা এই মহাবিদ্যালয়তে তিনিটা দশক চাকৰী কৰা এজন কৰ্মছাৰী হিচাবে মই মোৰ মৰমৰ লৰাছোৱালী ও ভাইভনী সকলক বিনম্ৰ অনুৰোধ কৰিছো যাতে তেখেত সকলে প্ৰকৃত শিক্ষাত ব্ৰতীহৈ এখন সুস্থ সবল সমাজ গঢ়াত নিজকে সক্ষম কৰি তুলিবলৈ কুণ্ঠাবোধ নকৰিব। নহলে নিজকে জাতিৰ ভবিষ্যত গঢ়াত ও বিশ্বৰ দৰবাৰত নিজকে প্ৰতিস্থিত কৰাত সক্ষম হব নোৱাৰিব।

আন্তৰিক শুভেচ্ছাৰে
ইনামুল হুছেইন
মুখ্য সহায়ক
ডিব্ৰু মহাবিদ্যালয়।



" অসমৰ পৰ্বত ভৈয়াম-পথাৰ, গছ-গছনি; চৰাই চিৰিকতি সকলোৰে কণ্ঠত সুৰ আছে। এই সকলোৰে যেতিয়া একেলগ হৈ গীত গাবলৈ আৰম্ভ কৰিব কাবো সাধ্য নহ'ব সেই সমবেত কণ্ঠক হেঁচি ধৰি থাকিবলৈ।" — বিষ্ণুৰাভা



**প্ৰশ্নঃ—** ডিব্ৰুমহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আপোনাৰ অৱদান অপৰিসীম। আমাৰ মহাবিদ্যালয়ৰ উপাধ্যক্ষ হিচাবে আপুনি বহুদিন কাৰ্য্যকাল চলালে। আপোনাৰ এসময়ৰ কৰ্মস্থলি ডিব্ৰুমহাবিদ্যালয়ৰ বিষয়ে অলপ কওক।

**উত্তৰঃ—**ডিব্ৰুৰ বহুকেইজন শিক্ষানুৰাগী ব্যক্তিৰ সহযোগত ১৯৬৩ চনত ডিব্ৰু কলেজ স্থাপন কৰিছিলো। মই কলেজৰ প্ৰতিস্থাপক সম্পাদক আৰু ১৯৬৩ চনৰ জুলাইৰ পৰা ডিচেম্বৰ মাহলৈকে ভাৰপ্ৰাপ্ত অধ্যক্ষ আছিলো। কলেজৰ প্ৰতিস্থাপক সম্পাদক হিচাবে কলেজ স্থাপনত যথেষ্ট কষ্ট স্বীকাৰ কৰিব লগীয়া হৈছিল। অৱশ্যে এই ক্ষেত্ৰত মোৰ লগতে কলেজ খনিৰ আৰম্ভণিৰে পৰা থকা সকলো বিলাক সহকৰ্মী শিক্ষক আৰু কৰ্মচাৰীয়েও যথেষ্ট ত্যাগ স্বীকাৰ কৰিছিল। ডিব্ৰু কলেজত প্ৰথমে প্ৰাকস্নাতক কলা আৰু পাছত বাণিজ্য আৰু বিজ্ঞান শাখা খোলা হয়। সেই সময়ত তিনিটা Faculty থকা কলেজ হিচাবে উজনি অসমত আমাৰ কলেজেই প্ৰথম আছিল। ১৯৭২ চনত কলেজ খনিয়ে চৰকাৰৰ পৰা ঘাটি মঞ্জুৰী লাভ কৰে।

বৰ্ত্তমান অসমৰ ভিতৰতে ডিব্ৰু কলেজ এখনি আগশাৰীৰ কলেজ। শিক্ষা, সাংস্কৃতিক আৰু ক্ৰীড়া বিভাগত আমাৰ কলেজৰ যথেষ্ট সুনাম আছে। মই আশা কৰো ছাত্ৰ-ছাত্ৰী সকলে এই সুনাম যেন এতিয়াৰ দৰে ভৱিষ্যতলৈ অক্ষুণ্ণ ৰাখে।

**প্ৰশ্নঃ—**আপুনি বৰ্ত্তমান চিটি কলেজৰ অধ্যক্ষ। চিটি কলেজৰ অগ্ৰগতিৰ বিষয়েও কিছু কব বুলি আশা কৰিলো।

**উত্তৰঃ—** ডিব্ৰু কলেজত মোৰ কাৰ্য্য কাল ১৯৯২ চনৰ ৩১ জুলাইত শেষ হয়। ডিব্ৰু নগৰত আৰু এখনি কলেজৰ আৱশ্যক বুলি চিন্তা কৰি সেই বছৰৰ পৰাই 'ডিব্ৰুগড় চিটি কলেজ' নামেৰে এখন কলেজ প্ৰতিষ্ঠা কৰো আৰু সেই বছৰৰ পৰাই শিক্ষাদান আৰম্ভ কৰো। নৱ প্ৰতিস্থিত চিটি কলেজ বৰ্ত্তমান ভালেকেইটা দিশত আগ বাঢ়িছে। এই বাৰকে ধৰি দুবাৰ পৰীক্ষাৰ্থী সকলে হায়াৰ চেকেণ্ডাৰী (কলা শাখা) ফাইনেল পৰীক্ষাত অৱতীৰ্ণ হৈছে। এই বছৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় কৰ্ত্তৃপক্ষই বি.এ কলাশাখাৰ প্ৰথম খণ্ডৰ পৰীক্ষা দিবৰ বাবে অনুমতি প্ৰদান কৰিছে। অচিৰেই চিটি কলেজ এখন পূৰ্ণাঙ্গ ডিগ্ৰী কলেজলৈ ৰূপান্তৰিত হব বুলি আশা ৰাখিছো।

শ্ৰীনন্দলাল বৰগোহাঁই
— অধ্যক্ষ; চিটিকলেজ
ডিব্ৰুগড়





COMBINE ELECTRONICS
VCP, VCR, TV, Invertor &
*Other Electronics Equipment Repairing.*
*MILON NAGAR, DIBRUGARH.*
*Near Asomi Sangha*

:- DIBRU COLLEGE MAGAZINE :-

( The Annual Publication of Dibru College union society )

ISSUE : XVI 1993-94

# DIBRUYAN

## ENGLISH SECTION

*WHAT WE CALL THE BEGINING IS OFTEN THE END ; AND TO MAKE AN END IS TO MAKE A BEGINING. THE END IS WHERE WE START FROM.*

*T. S. Eliot.*

*Edited by —*

**NILIM KUMAR DAS**

## "All That is 'Nothing' is 'Everything"

Prof D. N. Mandol
Lec & Head; Deptt. of
English.

Nothing on earth is 'YOURS';
Nothing on earth is "MINE';
All that is "THINE'
Is only "FINE'.

Nothing I add to 'YOU';
Nothing I take from 'YOU';
All that is 'YOURS'
Is only 'YOU'.

Take 'YOURS' to be 'MINE'
Take 'MINE' to be 'THINE'
Take 'HIS' to be 'HERS';
Take 'HERS' to be 'HIS'.

Take 'THEIRS' to be 'OURS';
Take 'OURS' to be 'OTHERS';
All that is Everybody's
Is nobody's,

All that is 'Something' is 'Nothing'
All that is 'Nothing' is 'Everything'.

# MYSTERY

Nilim kumar Das
B. Sc. 3rd year.

I like you, I love you
Do I know you ?
The answer is 'No'.
May be the whole thing
Lies is the ignorance of mine
May be, I don't want to know you.
Always there is a 'May be'.
You are my first love.
You are the rare collection of the museum
You are the witness of all my hatred.
Still, I cannot hate you.
Why then I don't know you ?
May be I donot want to know you.
Sometimes I get frustrated
But with whom—I don't know
Why ? the same answer
Is it a sheer madness ?
I donot know.
Still, I really love you.
I want to see till the last moment
Please don't disclose everything you have,
Let me enjoy the adventure,
The path may be risky
Still, I like it, I love it.
O mystery ! O! Dear !
Dearest 'MY LIFE'.

**



# TIME AND PASSION

Bipul Hazarika
B.A (Final year)

Here comes another day,
A beautiful new-born day !
The infinite rays of the sun
Bring warm greet the mortals on earth.

Oh Passion ! The same mighty
Violent Passion ;
So the birds soar up in the air
higher and higher and methinks
They've a race with the sun rays !

Behold on earth where even the ladies trudge
Up in the mountain with throbbing hearts,
The equal desire to conquer time
and walk hand in hand with the birds and the sun.



## // THE CONFESSION //

Girin kumar Lahan.
Bsc. 2nd year

I have been on an endless journey
On to the uttermost Part of the earth,
Searching for my lost mother.

The darkness of African jungle,
Reminds me of my mother's
Longer dark hairs,
Hanging to her waist
Mother, how beautiful is your dark hair !

The dead-cool ice of scotland
Reminds me of my mother's
Cool, soft and kind heart
Mother, how kind you are !


The warmth of Arabia
Reminds me of my mother's kisses
Placed on me,
Rocking me on her lap
How can I forget its warmth ?

The endless waterpart of Indian ocean
Reminds me of my mother's wet eyes
On the days of my sickness,
I found on ocean in her eyes.

To-day, I have dropped
The sail of my journey
I have regained my mother.



She was no where hidden
Nor was she lost
Every where on earth
Even in their soil, water and air,
There is the presence O my sweet mother.



## ABOUT LIFE

By:-Bipul. Hazarika
(B.A Final year)

Days are Coming and going.
This world is made up of many men
and women. some are happy and
Some are unhappy.
Still people don't know what is life ?
Life can't give you joy,
Unless really will it.
Life just gives you time.
And it upon you to fill it.
Without cheer life is half ............ !!
There is no value of half life in this
round world.
So, try to live full life...............
And enjoy it with a great cheer.
Life will never break in half.

✪ ✪



## Human Resource Development and Its Accounting Concept — An Analysis

Dr. M. K. Jain
Deptt. of Commerce

( Necessities towards Development of Human Resource. )

The most important asset of every nation is human resource because it is the human resource that acts as a driving force for productive and optimum use of other factors of production. But human resource is not a static phenomenon. The pattern of life changes with the change in economic and social process. The pattern of life again has always tried to invite affluence which ultimately forms affluent society. Naturally, various classes of demands are created as a result of such formation of affluent society. That sort of demand again give rise to the necessity of larger production and better services to the people. This further necessitates to develop human resources for improvement in quality and productivity of goods and services.

what is HRD :—

Human Resource Development (HRD) is the process of helping people to acquire competencies. In an organisation, HRD is a process by which the employees are helped in a continuous and planned way (a) to acquire or sharper capabilities required to perform various functions associated with their present or expected future roles, (b) to develop general capabilities as individuals and exploit their inner potential for their organisational development (c) to develop an organisational culture and climate, (d) to facilitate the mechanism for performance appraisal, training, organisational development, feed back and covaselling career developmet, potential development, job rotation and rewards, and (e) to help employees for getting new competencies.

The philosophy of H R D belives that individuals in an organisation have unlimited potentials for growth and development. Everyone in an organisation will have to take self responsibility for growth and optimisation of performance. H R D builds

knowledge, skill and capacity of human resources to develop their competence. The development of human skill increase-productivity.

Elements of H R D :—

There are three important elements in Human Resource Development. They are (1) Individual growth, (2) Organisational development and (3) work output of improved quality.

(1) Individual growth :—

H R D system is to develop human resources to their highest potential so that organisational goals are achieved the implication for the organisation is that if individual growth is its aim, people need two things : New challenges and knowledge of result of their achievements. Organisation is to create opportunities for individuals to relate work and life goals as a satisfied workforce is an important determinant in increasing organisational effectiveness.

2. Organisational Development—

Organisational development takes place through learning ways to cope with its environment. Inputs if properly managed lead to organisational growth. An ideal H R D system would seek to match the organisation's needs with individual needs for individual and organisational growth by activities like business planning, role planning, manpower planning and job analysis, recruitment and selection, induction and work derign.

3. Work output of Improved Quality —

Work here refers to setting up of work goals, activities geared towards attainment of these goods, feedback on performarce appraisal of work performance development in decisionmaking process, work and quality of work life.

The goal of H R D is development of human resources through many sub systems which are interdependent. It is to bring about change in behaviour Focus in H R D is on people and their problems. It is an integrating system where the various personnel subjunctives and organisational activities are all linked together. An effective manager will use a contingency approach to analyse the nature of task and various group structures available. After the appropriate approach has been selected, supportive supertive supervisory measures will contribute towards formation of a productive team. Team work and coordination leads to increased rewards for both the organisation and individual. It should therefore, be used as effeitive managerial tool by a manager to achieve the objectives of organisation.



H R M in India :—

H R M approach has been adopted in India in the early seventies I S T D formed in April 1970 to improve skills and standards of managers. H R D approach initiated for managers was subsequently extended to workers also. SAIL, BHEL, TISCO, Indian Telephone Industries and BCC followed suit.

Human Resource Accounting in India's Public Sector —

Man plays the most important part in an enterprise. There may be good materials; good machines, good buildings and the like, but if the man who has to work is not good, results will not be upto the mark. Human beings are considered as the most important organ of an enterprise. It is the human ability which makes the mare go. Human resources is the best asset which an enterprise posses, hence amount invested in human beings can give better results to the industry

In the balance sheet, human resource is not indicated as an asset while machinery, plant, furniture etc. are shown.

H R A has emerged as a new dimension of accounting in the context of growing importance of financial reporting. H R A is defined "as the process of identifying, measuring and communicating information about human resources to decision makers" (AAA Committes Report, 1973).

H R A is an accounting technique to measure cost incurred, by an organisation on recruitment/selection, training and development of human resources. It measures the economic value of human resources to an organisation. It is concerned with finding the cost and value of the people to an organisation. It helps management in taking many vital decisions relating to selection, training, transfer, promotion and layoff. It also provides informations to investors, creditors and share holders.

H R A in India :—

In India, since 1978-79 trends of valuation of human resource has started on minor scale. Following companies and corporations are reporting valuation of Human Assets in India :

(A) Companies :—

(i) BHEL ( Bharat Heavy Electricals Ltd )

(ii) Electronics India Ltd; (iii) Engineers India Ltd.

(B) Corporations :

C C I ( Cement Corporation of India Ltd.);

(ii) M M T C ( The Minerals and Metals Trading Corporation of India Ltd. (iii) P E C (Projects and Equipments Corporation of India Ltd.)

Objects of Human Resource Accounting :—

1. The main object of H R A is to have best management of human resources, because the progress of organisation is fundamentally based on human resource.
2. Improvement of human resources is possible on the basis of information submitted H R A

3. Correct value of the organisation can be found out because in commercial accounting, human resource is not recognised as an asset,

4. HRA makes quantitative information about human resources available.

5. Worth of human resources is found out.

6. Return on human resources, if when ever is invested, can be evaluated.

Humman Resources as an Asset ;—

At present there are four groups in the asset side of a registered company's Balance sheet viz Fixed Assets, investments, Current Assets and Loans and Advances and Miscellaneous expenditure. Now it is suggested ( Since human resource can't grouped any where in the above four heads) to add a new head "Human Resource Valuation" and its place should be first in the order of assets in the asset side of Balance sheet.

References :-


1. Flamholtz,E. : Human Resource Accounting.

2. Likert & Bavers : Organisation Theory & HRA

3. Mirza, S Saiyadair : Human Resources Management

4. Shukla, Dr. S. M. : Advanced Accounting.


*Magistrate ; " why did you park your car there ?"*
*Motorists ; well, the sign board on the road said 'Fine for parking."*



## Solving the Social Problems Communism.


*SRI BISWA KEOT*
*B. SC. PART ONE*


Historically it is said, that communism began with communist manifesto "Communism of karl Marx 1848". He was the founder and Leader of modern communism, In his above book, he set out his fundamental ideas about communism. But he could do so much during his life time, except to spread its ideas and doctrines and so to collect disciplines around him.

It was Lenin who put Marx's teaching into practice. In 1917 with the aid of few other men he staged the Bolshevist Rovolution in Rusia. This was the real beginning of actual communism in the world on a national scale. But only few countries accepted its ideas and philosophy though it has idealogy for the progress and improvement of the mass s.

This system was devised by few countries to solve the social problems through Communism. Communism is a Political as well as economic System.

Politically it comes into existence by the so-called leaders of the people organising a bloody revolution and then siezing for themselves the power of government, without taking the consideration of the common masses.

The first thing, this new goverment does is to abolish all private property by nationalizing all the means of production. Thus the whole economic or industrial life of the country is run by the state itself and not by the private individuals. They tell people that this would make them economically free. In fact and in evidence it is seen that it makes them economical and political slaves, of their new rulers. Common masses can not raise any views under the dictatorship of their rulers.

Communism is a way of life. We think it is a false philosophy. It tries to explain what the world is for and towards what it is moving. The next drawback of

communism is that it preaches materialism. To the communist people there is nothing called real existing in this world, except matter, Material things which can be touched, heard, seen, smelt and catch are the things that matter. Another serious drawback of communism is that there is nothing spiritual no God, no soul and no immortality. To them the only real thing existing is matter. The highest from of matter is collective human activities producing material goods from earth. The human beings are reduced to needs. communism, in short deprives people of their God-given rights to private property, freedom to practise their own religion and act freely according to their free conscienc The doctrine of communism espeecially in Russia does not prefer belief in God and religion.

Lenin had said, " we deny all morality taken from super human or non class conceptions. we deduce our morality from the facts and needs of our class struggle of the working class for us morality is subordinated to the interest of the proletarian class struggle."

This doctrines of communism has spread in countries like Russia, china North vietnum and cuba where commuuist revolution had been successful. when the revolutionaries came into power they established a government which they colled a people's Democracy or a socialist Republic. But in reality this type of government is dictatorship, especially of the middle class people. After the suceessful revolt educated and some what wealthy group of men organized a government. They might have been men of high idealogy but they had no respect for the dignity and freedom.

*A father had been Lecturing his small son, Stressing that we are here in this world to help others, The boy considered this for some time, Then he asked with a puzzled frown : "What are the others here for ?"*





*Ms. Kaveri Neog.*
*Ist year B. Sc.*

Ramesh an upcoming singer, Was always admired and inspird by his fellow-favourite class mate Rami, As days passed by their friendship grew stronger and finally this bondage blossomed to love. Ramesh enchanting voice fascinated one to all. And he was adjusted the best singer in the college. And after his graduation, he was lucky enough to secure a job and thereby, thought to give a break to his life.

He approached his lady-love, asking instantly, "Rami, can you forever enlight my musical life by standing by my side. " Hearing this, she blushed away. And later their marriage was arranged and got united. As days rolled on, Ramesh musical life grew brighter, he performed various shows both cultural and charity, fascinating one to all from young to old. Gradually, his field of fame widened.

But, as a coin has got two sides, so also a life both joy and sorrow. He was totally unaware of his wife's deteriorating health, due to her growing illness. And later, on a check up to doctor, " Its too late, neuroplasm ( brain-cancer )" said the doctor. His voice had come as shocked waves to him. Everything seemed barren and lifeless as even for a moment, his beloved's absence is unbearable to him. And the unfortunate day had arrived, only to snatch away the life in him, and propelled him into utter darkness. He lost interest in his vital charm of his life, his 'Music', which was once an indespensable to him.

Days passed, but not to change his mood. He began loitering around aimlessly and as such, one day his attention was drawn to a small boy with a blindstick near the auditorium. He came up to him. Feeling his presence, the boy uttered, " Sir, is Mr. Ramesh's musical night will be tonight." "No, why do you ask ?", he asked. The boy happily went on, " He is my very favourite, after my days hustle and bustle everyday I came to this place, to hear his melodious voice, which fills up my heart with immense joy, by sweeping away all my sorrows." His words left him dumbfounded as his treasure 'Music' which he had totally left after his wife's demise, was infusing life to someone else.

He no sooner felt that urgency to sing not for him, not for others too, but for that blooming - bud, the 'small boy.'

Thus, that small boy awakened that dead spirit in him, as if he filled up that gap of his inspiring wife. And Ramesh left aside his sorrow and with re-newed vigour and cestasy, he resumed his enchanting singing, realising the proverd, " Live for others and not for you."

# OUR EX - EDITORS

| Vol. No. | Editor | Year |
|---|---|---|
| i | Ram Chandra Goswami | 1965-66 |
| ii | Haren Handique | 1968-69 |
| iii | Kiran Saikia | 1969-70 |
| iv | Dibakar Gogoi | 1972-73 |
| v | Kanakeswar Dowerah | 1977-78 |
| vi | Sachi Handique | 1982 83 |
| vii | Devakanta Konwar | 1983-84 |
| viii | Rabindrajeet Gogoi | 1984-85 |
| ix | Bitul Neog | 1985-86 |
| x | Sukumar Chetia | 1986-87 |
| xi | Miss Gitimallika Gogoi | 1987-88 |
| xii | Profulla Kalita | 1988-89 |
| xiii | Sanjeeb Narayan Chaudang Boruah | 1989-90 |
| xiv | Utpol Sonowal | 1990-91 |
| xv | Chandan Kumar Sonowal | 1991-92 |

The Sixteenth Issue is edited by
MR NILIM KUMAR DAS.